● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যদি আপুনি খোজকাঢ়ি থকা পথটো পছন্দ নহয়, তেন্তে আন এটি বিকল্প পথ নিৰ্মাণৰ কাম আৰম্ভ কৰক।

ডলী পাৰ্ট'ন
*আমেৰিকান গায়িকা-গীতিকাৰ*



www.dainikagradoot.in

৭ ফ্ৰান্সত সংক্ৰমণ উৰ্দ্ধমুখী, প্ৰভাৱিত হ'ব নিৰ্বাচন
১৫ দৰ্শক অবিহনে ভাৰত-ৱেষ্ট ইণ্ডিজৰ শৃংখলা
৪ ভুৱা প্ৰতিশ্ৰুতিৰ ফুলজাৰি ঃ উদ্বিগ্ন আদালত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১১৫তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৯ মাঘ ১৪২৮ ভাস্কৰাব্দ ২ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 2 February 2022 মূল্য ঃ ৯.০০ টকা

■ তৰুণৰ আকাংক্ষাত পাখি গজাব ঃ মোদী ■ ভাৰতৰ এশ বছৰৰ ব্লুপ্ৰিণ্ট ঃ সীতাৰমণ ■ সৰ্বাংগীন উন্নয়ন, উৎপাদনশীলতা বৃদ্ধি, শক্তি ৰূপান্তৰ আৰু বতৰৰ কাৰ্যব্যৱস্থাত গুৰুত্ব ■ ডাকঘৰতে হ'ব বেংকিঙৰ সুবিধা

# নিৰ্মলাৰ মন্ত্ৰ ঃ ঋণং কৃত্যা ঘৃতং পিবেৎ!

### দাম কমিল

পোছাক, হীৰা, গ্ৰহ ৰত্ন, ম'বাইল ফোনৰ কেমেৰাৰ লেন্স, ম'বাইল ফোনৰ চাৰ্জাৰ, কোকোৱা বিনছ, পেট্ৰ'লিয়াম সামগ্ৰীৰ বাবে প্ৰয়োজনীয় ৰাসায়নিক, ইস্পাটজাত সামগ্ৰীৰ স্ক্ৰেপ, মিচা মাছ খেতিৰ সৰঞ্জাম।

### দাম বাঢ়িল

ছাতি, আমদানিকৃত ইমিটেচন অলংকাৰ, লাউডস্পীকাৰ, হেডফোন, ছ'লাৰ চেল, এক্স-ৰে মেচিন, ইলেকট্ৰ'নিক খেলৰ সামগ্ৰী, ছ'লাৰ মডিউলছ।



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** দেশৰ সৰ্বাংগীণ আন্তঃগাঁথনি নিৰ্মাণ, ভৱিষ্যদৰ্শী ডিজিটেল শিক্ষা ব্যৱস্থা, ডিজিটেল মুদ্ৰাৰ প্ৰৱৰ্তন, আত্মনিৰ্ভৰ ভাৰতৰ নিৰ্মাণৰ গতি অধিক ত্বৰান্বিত কৰি তোলাকে ধৰি নানা ৰঙী লক্ষ্য সংযোজনেৰে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি সংসদত দাখিল কৰিলে ২০২২-২৩ বৰ্ষৰ কেন্দ্ৰীয় বাজেট। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বাজেট দেশৰ সৰ্বস্তৰৰ লোকৰ বাবে এক গ্ৰহণযোগ্য বাজেট বুলি অভিহিত কৰি কয় যে জনসাধাৰণ সুহৃদ, প্ৰগতিশীল এই বাজেটে দেশৰ যুৱ প্ৰজন্মৰ আকাংক্ষাত পাখি সংযোজন কৰিব। অৱশ্যে সীতাৰমণৰ বাজেটৰ লক্ষ্য পূৰণৰ বাবে অন্যতম প্ৰধান সম্বল হৈছে বিভিন্ন উৎসৰ পৰা ঋণ গ্ৰহণ। বাজেট প্ৰস্তাৱ অনুসৰি ২০২২-২৩ বিত্তীয় বৰ্ষত মুঠ ব্যয় ৩৯.৪৫ লাখ কোটি হ'ব। এই বাজেটৰ অধিকাংশ ধন ঋণৰ দ্বাৰাই আহিব *১০ পৃষ্ঠাত চাওক*

■ কেন্দ্ৰীয় আঁচনিয়ে পাঁচ বছৰত সৃষ্টি কৰিব এই নতুন কৰ্মসংস্থান ঃ বিত্তমন্ত্ৰী সীতাৰমণ
■ চলিত বৰ্ষতে আৰম্ভ হ'ব ৫-জি স্প্ৰেকট্ৰাম সেৱা ■ ১০ লাখ ক্ষুদ্ৰ-মজলীয়া উদ্যোগীলৈ ঋণ

## এইবাৰ ৬০ লক্ষ কৰ্মসংস্থাপনৰ আশ্বাস

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** পৰৱৰ্তী পাঁচ বছৰত দেশত ৬০ লাখ কৰ্মসংস্থান সৃষ্টি কৰা হ'ব। আজি সংসদত বাজেট ভাষণত এই কথা জনালে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে 'প্ৰডাকচন লিংকড্ ইনচেনটিভ' (পিএলআই) আঁচনিয়েই পৰৱৰ্তী পাঁচ বছৰত ৬০ লাখ নতুন কৰ্মসংস্থানৰ সম্ভাৱনা সৃষ্টি কৰিব। 'আত্মনিৰ্ভৰ ভাৰত'ৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত 'প্ৰডাকচন লিংকড্ ইনচেনটিভ' আঁচনিয়ে অসামান্য সঁহাৰি লাভ কৰিছে বুলি তেওঁ কয়।

উল্লেখ্য যে আজি 'এই বাজেট দেশৰ আৰ্থিক উন্নয়নৰ বাজেট' বুলি অভিহিত কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বাজেটৰ পূৰ্বেই অৰ্থনীতিৰ বিশেষজ্ঞসকলেও মন্তব্য কৰিছিল যে দেশৰ আৰ্থিক সংস্কাৰ সাধন কৰিবলৈ হ'লে কেৱল উদ্যোগতে নহয়, কৰ্মসংস্থানতো সমানে গুৰুত্ব দিব লাগিব। মন কৰিবলগীয়া যে দেশত কৰ্মসংস্থানৰ অভাৱ আৰু বৃদ্ধি হৈ থকা নিবনুৱা সমস্যাক কেন্দ্ৰ কৰি বিগত *১০ পৃষ্ঠাত চাওক*

■ অপৰিৱৰ্তিত হৈয়ে ৰ'ল আয়কৰৰ হাৰ ■ ১৮ৰ পৰা ১৫ শতাংশলৈ হ্ৰাস হ'ল কৰ্প'ৰেট কৰ ■ পেঞ্চন আঁচনিৰ ক্ষেত্ৰত কৰ ৰেহাইৰ হাৰ বৃদ্ধি ■ ৰাজ্যিক কৰ্মচাৰীৰ বাবে ঘোষণা


## মধ্যবিত্তক কোনো সকাহ নিদি হ্ৰাস কৰিলে কৰ্প'ৰেট কৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ বাজেটত মধ্যবিত্তৰ কৰ গাঁথনিলৈ নাই কোনো ৰেহাই। আজি দাখিল কৰা ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটত আয়কৰৰ গাঁথনি অপৰিৱৰ্তিত হৈয়ে থাকিল। মধ্যবিত্তৰ কৰ ৰেহাইৰ ক্ষেত্ৰত কোনো নতুন ঘোষণা নকৰিলে বিত্তমন্ত্ৰী সীতাৰমণে। সংসদত বাজেট ভাষণত সীতাৰমণে কয় যে আয়কৰৰ চাপ একেই থাকিব। ভাৰ্চুৱেল, ডিজিটেল সম্পদ বিক্ৰী বা অধিগ্ৰহণৰ পৰা হোৱা আয়ৰ ওপৰত ৩০ শতাংশ কৰ আৰোপ কৰা হৈছে। অৰ্থাৎ ডিজিটেল সম্পদৰ হস্তান্তৰ বা বিক্ৰীৰ পৰা হোৱা আয়ৰ ওপৰত ৩০ শতাংশ কৰ আদায় দিব লাগিব। ইয়াৰ উপৰি প্ৰত্যক্ষ কৰ ব্যৱস্থাৰ সংস্কাৰৰ দিশত দৃষ্টি *১০ পৃষ্ঠাত চাওক*

■ ডিজিটেল মুদ্ৰা, ডিজিটেল বিশ্ববিদ্যালয় দেশৰ ভৱিষ্যৎ ■ দেশত নিৰ্মাণ কৰা হ'ব ডিজিটেল বিশ্ববিদ্যালয় ■ বাজেটত নতুন প্ৰস্তাৱ

## ৰিজাৰ্ভ বেংকে প্ৰৱৰ্তন কৰিব ডিজিটেল মুদ্ৰা ঃ ঘোষণা সীতাৰমণৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** সাধাৰণ মানুহৰ মাজতো ক্ৰমাৎ বৃদ্ধি পাইছে অনলাইন পদ্ধতিৰ প্ৰতি আকৰ্ষণ। সেয়া শিক্ষা ব্যৱস্থাই হওক অথবা অৰ্থনীতিয়ে হওক, ডিজিটেল পদ্ধতি এতিয়া দেশবাসীৰ বাবে এক পৰিচিত বিষয়। এই পৰিস্থিতিত ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসে ঘোষণা কৰিছিল যে চৰকাৰে



অচিৰেই ডিজিটেল মুদ্ৰা দেশত বলৱৎ কৰিব। আজি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদত দাখিল কৰা বাজেটত এই ডিজিটেল মুদ্ৰাৰ বিষয়ে ঘোষণা কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অধীনত এই মুদ্ৰাৰ লেনদেনৰ তথ্য ব্লকছেন পদ্ধতিৰে ৰখা হ'ব। উল্লেখ্য যে এই পদ্ধতিত বিটকইনৰ দৰে ভাৰ্চুৱেল মুদ্ৰাৰ লেনদেনৰ যাৱতীয় *১০ পৃষ্ঠাত চাওক*


## ভাৰতক উন্নত ৰাষ্ট্ৰ কৰাৰ লক্ষ্যৰে সন্তুলিত বাজেট

**ড° অমিয় কুমাৰ শৰ্মা**

**বিত্তমন্ত্ৰী** নিৰ্মলা সীতাৰমণে আজি সংসদত দাখিল কৰা কেন্দ্ৰীয় বাজেটখনৰ সন্দৰ্ভত প্ৰথমতে দুটা মন্তব্য মোৰ বিশ্লেষণেৰে কৰিব পাৰি। প্ৰথমটো হ'ল বাজেটখন যথেষ্ট সন্তুলিত আৰু দ্বিতীয়টো হ'ল ভাৰতক উন্নত *১০ পৃষ্ঠাত চাওক*

## মোদীৰ গতিশক্তি প্ৰকল্পৰ সাত ইঞ্জিন ঃ জল-স্থল-অন্তৰীক্ষত আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্য ধাৰ্য

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** প্ৰধানমন্ত্ৰীৰ গতিশক্তি মাষ্টাৰপ্লেন। এয়া হৈছে আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে সংসদত দাখিল কৰা বাজেটৰ এক অন্যতম অভিলাষী প্ৰকল্প। ইয়াৰ লক্ষ্য হৈছে জল-স্থল-অন্তৰীক্ষৰ আন্তঃগাঁথনি এটা ছাতিৰ *১০ পৃষ্ঠাত চাওক*




## অতিমাৰীত গ্ৰাম্য ভাৰতৰ জীৱিকা নিৰ্ভৰ এনৰেগাৰ ধন কৰ্তন

বাজেটত ২৫ শতাংশ পুঁজি হ্ৰাসত প্ৰতিক্ৰিয়া

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাম্য নিয়োজনৰ অভিলাষী আঁচনি মহাত্মা গান্ধী এনৰেগাৰ পুঁজি আজি দাখিল কৰা বাজেটত ২৫ শতাংশ কৰ্তন কৰা হৈছে। অতিমাৰীৰ সময়ত দেশৰ দৰিদ্ৰতম শ্ৰেণীৰ নিয়োজনৰ একমাত্ৰ ভৰসা হৈ পৰা এই আঁচনিৰ ধন কৰ্তনে স্বাভাৱিকতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে দাখিল কৰা বাজেটত উল্লেখ কৰা অনুসৰি মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আইনৰ বাবে ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটত ৭৩ হেজাৰ কোটি আবণ্টন দিয়া হৈছে। চলিত *১০ পৃষ্ঠাত চাওক*

## 'ৰিস্ক'ৰ প্ৰত্যাহ্বান লৈ প্ৰস্তুত কৰা বাজেট

**■ মাধুৰ্য প্ৰসাদ বেজবৰুৱা**

**কেন্দ্ৰীয়** বিত্তমন্ত্ৰীয়ে যথেষ্ট 'ৰিস্ক' লৈ ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেট আজি সংসদত উত্থাপন কৰে। বিগত দিনৰ ক'ভিড পৰিস্থিতিৰ বাবে ভাৰত যি আৰ্থিক দুৰৱস্থাৰ সন্মুখীন হৈছিল তাৰ পৰা বহু পৰিমাণে ওলাই অহাৰ ছবি এখন এই বাজেটত দেখা গৈছে। তথাপি মুদ্ৰাস্ফীতিকে ধৰি যিবোৰ জটিলতা দেশত বাহাল আছে তাৰ মাজতো চৰকাৰে অধিক ঋণ গ্ৰহণকে *ছয় পৃষ্ঠাত চাওক*


বাজপেয়ীৰ নদী সংযোগীকৰণৰ পৰিকল্পনা ঘূৰি আহিল বাজেটত

## পাঁচটা নদী সংযোগীকৰণ প্ৰকল্প চূড়ান্ত হোৱা বুলি ঘোষণা সীতাৰমণৰ

কেন্-বেতোৱা প্ৰকল্পৰ বাবে ৪৪ হেজাৰ কোটি আবণ্টন



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** অটল বিহাৰী বাজপেয়ীৰ আমোলৰ এক পৰিকল্পনা উভতি আহিল কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ বাজেটত। বিত্তমন্ত্ৰীগৰাকীয়ে আজি সংসদত দাখিল কৰা কেন্দ্ৰীয় বাজেটত স্থান পাইছে নদী সংযোগীকৰণৰ পৰিকল্পনাই। বাজপেয়ী চৰকাৰৰ দিনতে সূচনা হোৱা এই পৰিকল্পনা বাস্তৱায়িত কৰাৰ দিশত এখোজ আগুৱালে নৰেন্দ্ৰ মোদী চৰকাৰে। আজি বাজেট প্ৰস্তাৱত সীতাৰমণে কয়, 'নদী সংযোগীকৰণৰ পাঁচটা প্ৰকল্প *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৪° | ১৩° |
| ডিব্ৰুগড় | ২২° | ১২° |
| দিল্লী | ২২° | ১০° |
| কলকাতা | ২৬° | ১৫° |
| মুম্বাই | ৩০° | ১৯° |
| চেন্নাই | ৩০° | ২৩° |
| বাংগালুৰু | ৩০° | ১৮° |
| শ্বিলং | ১৩° | ০৪° |

*১ ফেব্ৰুৱাৰী, ২০২২*

### চেঙা তেল



*আমাৰ এই হুংকাৰৰ পাছতো যদি তেওঁলোকে দাবী মানি নলয় তেন্তে আমি কিন্তু আৰু বেছি হুংকাৰ দিম!*

মিছন সদভাৱনা মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

## ২০২৩ৰ মে'ৰ পাছত সম্পূৰ্ণ ডিজিটেল ব্যৱস্থাৰে চালিত হ'ব জনতা ভৱন



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ ফেব্ৰুৱাৰী ঃ** ২০২৩ৰ মে'ৰ পাছৰ পৰা অসম সচিবালয়ত হস্তচালিত নথি-পত্ৰৰ ফাইল ইতিহাস হৈ পৰিব। সচিবালয়ৰ সমান্তৰালভাৱে ৰাজ্যৰ প্ৰতিটো চৰকাৰী বিভাগ-কাৰ্যালয় ডিজিটেল ব্যৱস্থাপনাৰ মাজেৰে পৰিচালিত হ'ব। এই সমগ্ৰ ডিজিটেল ব্যৱস্থাৰ প্ৰাৰম্ভিক কাৰ্যসূচী অনুসৰি অসম সচিবালয়ত দীৰ্ঘসময় নিষ্পত্তি নোহোৱাকৈ পৰি ৰোৱা কে'বা হেজাৰ ফাইল শীঘ্ৰে *১০ পৃষ্ঠাত চাওক*

## বিনিয়োগকাৰীৰ বাবে সম্ভাৱনা আনিছে

**■ আৰ এছ যোশী**

**বিনিয়োগকাৰীৰ** বাবে ২০২২-২৩ৰ বাজেটে প্ৰচুৰ সম্ভাৱনা কঢ়িয়াই আনিছে। সৰ্বকালৰ বাবে সৰ্বাধিক ৭.৫ লাখ কোটি টকা মূলধনী ব্যয় বাজেটত প্ৰস্তাৱ কৰা হৈছে। এই ব্যয়ত ৰাজহুৱা-ব্যক্তিগত বন্ধুত্বৰে আন্তঃগাঁথনি নিৰ্মাণত অগ্ৰাধিকাৰ দিয়া হৈছে। গতিকে বিনিয়োগকাৰীৰ বাবে বাজেটখনে প্ৰচুৰ সম্ভাৱনা কঢ়িয়াই আনিছে।

বাজেটত ভাৰতৰ পৰৱৰ্তী ১৫ বছৰৰ ছবি এখন দাঙি ধৰি সেইমতে আঁচনিৰ প্ৰস্তাৱ কৰাও হৈছে। সকলো শিতানত ডিজিটেল ব্যৱস্থাৰ প্ৰস্তাৱ *১০ পৃষ্ঠাত চাওক*

জৰাজীৰ্ণ বিদ্যালয়গৃহ নিৰ্মাণৰ বাবে তিনি কোটি ঘোষণা ঃ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীয়েও জনালে জন্মদিনৰ শুভেচ্ছা

## ওপজা দিনত জীৱনৰ প্ৰথমটো সফলতা লাভ কৰা পঢ়াশালিত স্মৃতি ৰোমন্থন মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ ফেব্ৰুৱাৰী ঃ** 'গান্ধীবস্তিৰ এই বিদ্যালয়ৰ পৰাই জীৱনত প্ৰথমটো সফলতা লাভ কৰিবলৈ সক্ষম হৈছিলো। ছাত্ৰ জীৱনৰ আৰম্ভণি ইয়াৰ পৰা নহয় যদিও এই বিদ্যালয়খনৰ প্ৰতিটো কথাই মোৰ মানসপটত সজীৱ হৈ আছে।' এই ভাষ্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি মুখ্যমন্ত্ৰীৰ *১০ পৃষ্ঠাত চাওক*

### থোৰতে বাজেট

- ৬০ লাখ নতুন চাকৰি সৃষ্টি।
- বাজেটত চাৰিটা অগ্ৰাধিকাৰ ঃ পিএম গতিশক্তি, সামূহিক উন্নয়ন, উৎপাদনশীলতা আৰু বিনিয়োগ বৃদ্ধি, সূৰ্যোদয়ৰ সম্ভাৱনাযুক্ত উদ্যোগ, শক্তি ৰূপান্তৰ আৰু জলবায়ু কাৰ্যব্যৱস্থা। বিনিয়োগত বিত্তীয় সাহায্য।
- পিএম গতিশক্তিৰ সাতটা চালিকা হৈছে পথ, ৰেল, বিমানকোঠ, বন্দৰ, ৰাজহুৱা পৰিবহণ, জলপথ আৰু লজিষ্টিক আন্তঃগাঁথনি।
- ২০২২-২৩ বৰ্ষত ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্ক ২৫ হেজাৰ কিলোমিটাৰলৈ সম্প্ৰসাৰিত কৰা হ'ব।
- ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্ক সম্প্ৰসাৰণৰ বাবে ব্যয় কৰা হ'ব ২০ হেজাৰ কোটি টকা।
- চাৰিটা স্থানত বহু আৰ্হিযুক্ত লজিষ্টিক উদ্যান ৰূপায়ণৰ বাবে পিপিপি (ব্যক্তিগত-ৰাজহুৱা অংশীদাৰিত্ব) ব্যৱস্থাৰে ঠিকাৰ কাম আদায় দিয়া হ'ব।
- ব্যৱসায় আৰু যোগান শৃংখলাৰ সহায়ক হোৱাকৈ এক আস্থান, এক সামগ্ৰী ধাৰণা বলৱৎ।
- নতুন প্ৰজন্মৰ চাৰিশ বন্দে ভাৰত ৰেল নিৰ্মাণ কৰা হ'ব আগন্তুক তিনি বছৰত।
- বহু আৰ্হিযুক্ত লজিষ্টিকৰ বাবে এশটা প্ৰধানমন্ত্ৰী গতিশক্তি কাৰ্গো টাৰ্মিনেল নিৰ্মাণ কৰা হ'ব অহা তিনি বছৰত।
- পিপিপি ব্যৱস্থাৰে ৰাষ্ট্ৰীয় ৰোপৱে উন্নয়ন আঁচনি পৰ্বতমালা ৰূপায়ণ কৰা হ'ব।
- দেশৰ ১.৬৩ কোটি কৃষকৰ পৰা ধান আৰু ঘেঁহু ক্ৰয়ৰ বাবে ২.৩৭ লাখ কোটি টকা ধাৰ্য।
- শস্যৰ মূল্যায়ন, ভূমি নথিৰ ডিজিটেলাইজেচন, কীটনাশক দৰব আৰু সাৰ যোগানৰ বাবে কিষাণ ড্ৰ'ন।
- ৰাসায়নিক দ্ৰব্যমুক্ত প্ৰাকৃতিক কৃষি পদ্ধতি দেশজুৰি প্ৰসাৰ কৰা হ'ব।
- ১৩০ লাখ এমএছএমইক অতিৰিক্ত ঋণ যোগান।
- ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ উদ্যোগক দুই লাখ কোটিৰ অতিৰিক্ত ঋণ।
- ভাৰ্চুৱেল পৰীক্ষাগাৰ আৰু দক্ষতাৰ ই-পৰীক্ষাগাৰ স্থাপন।
- বিশ্বমানৰ শিক্ষাৰ বাবে ডিজিটেল বিশ্ববিদ্যালয় স্থাপন।
- দুই লাখ অংগনৱাড়ীক সক্ষম অংগনৱাড়ীলৈ উন্নীতকৰণ।
- হৰ ঘৰ নল সে জল আঁচনিত ২০২২-২৩ বৰ্ষত ৩.৮ কোটি পৰিয়ালক সামৰি ল'ব পৰাকৈ ৬০ হেজাৰ কোটি টকা আবণ্টন।
- প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ২০২২-২৩ বিত্তীয় বৰ্ষত ৮০ লাখ গৃহ নিৰ্মাণৰ বাবে ৪৮ হেজাৰ কোটি আবণ্টন।
- ডেৰ লাখ ডাকঘৰৰ এশ শতাংশতে বেংকিং ব্যৱস্থাৱলীৰ সুবিধা।
- মূলধন ব্যয় ৩৫.৪ শতাংশ বৃদ্ধি।
- ২০২২-২৩ বিত্তীয় বৰ্ষত ৭.৫০ কোটি মূলধন ব্যয় ধাৰ্য, চলিত বিত্তীয় বৰ্ষত এই পৰিমাণ ৫.৫৪ কোটি।
- ২০২২-২৩ত ব্যয় হ'ব জিডিপিৰ ২.৯ শতাংশ।
- কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যকৰী মূলধন ব্যয় ১০.৬৮ লাখ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে, এয়া জিডিপিৰ প্ৰায় ৪.১ শতাংশ।
- ২০২২-২৩ বিত্তীয় বৰ্ষত ঘৰুৱা উদ্যোগৰ বাবে নিৰ্ধাৰিত মূলধন ক্ৰয় বাজেটৰ ৬৮ শতাংশ, ২০২১ত আছিল ৫৮ শতাংশ।
- উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু সামাজিক উন্নয়ন প্ৰকল্প আৰু পুঁজিৰ বাবে নতুন আঁচনি আৰম্ভ।
- পিএমডিইভিআইএনই আঁচনিৰ অধীনত যুৱ আৰু মহিলাসকলক জীৱিকাৰ বাবে সক্ষম কৰি তুলিবলৈ ১৫শ কোটি টকাৰ আবণ্টন।
- ২০২২-২৩ বৰ্ষত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ দ্বাৰা ডিজিটেল মুদ্ৰাৰ আৰম্ভণি।
- বিশেষভাৱে সক্ষমসকললৈ কৰ ৰেহাই।
- ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিত কেন্দ্ৰ-ৰাজ্যৰ অৰিহণাৰ ক্ষেত্ৰত সমতা স্থাপন।
- সমবায় সমিতিৰ কৰৰ পৰিমাণ ১৫ শতাংশলৈ হ্ৰাস, উপ-কৰ সাত শতাংশলৈ হ্ৰাস।
- ৰেহাই কৰ ব্যৱস্থাৰ অধীনত উদগনি।
- ভাৰ্চুৱেল-ডিজিটেল সম্পদৰ ক্ষেত্ৰত বিশেষ কৰ ব্যৱস্থাৰ আৰম্ভণি কৰাৰ প্ৰস্তাৱ।
- ৰত্ন আৰু অলংকাৰৰ ক্ষেত্ৰক উৎসাহ যোগাবলৈ পলিচ কৰা হীৰা আৰু ৰত্নৰ শুল্ক হ্ৰাস।
- দেশত গঢ়ি তোলা হ'ব ডিজিটেল হেল্‌থ ইক' ছিষ্টেম।

# অসমত কিশোৰ-কিশোৰীৰ মাজত প্ৰতিষেধক প্ৰদানৰ গতি হ্ৰাস


## ক'ভিডত দৈনিক মৃতকৰ সংখ্যা উচ্চ হৈ থকাক লৈ উদ্বেগ ঃ পুনৰ এদিনত ১,৪৮৬ জন আক্ৰান্ত মৃত্যু ২০ জনৰ

ষ্টাফ ৰিপৰ্টাৰ

**গুৱাহাটী, ১ ফেব্ৰুৱাৰী ঃ** অসমত ক'ভিডৰ তৃতীয় ঢৌত দৈনিক আক্ৰান্তৰ সংখ্যা ক্ৰমে হ্ৰাস পাইছে যদিও মৃতকৰ সংখ্যা উদ্বেগজনক হৈ আছে। আকৌ ১৫ৰ পৰা ১৮ বছৰৰ ভিতৰৰ কিশোৰ-কিশোৰীক প্ৰতিষেধক প্ৰদানৰ গতিও শেহতীয়াকৈ পূৰ্বৰ তুলনাত লেহেমীয়া হৈছে। ইয়াক লৈও উদ্বিগ্নতা প্ৰকাশ কৰিছে স্বাস্থ্য বিভাগে। তদুপৰি অসমত এতিয়াও প্ৰতিষেধকৰ এটাও পালি গ্ৰহণ নকৰা যথেষ্ট সংখ্যক লোক আছে। একেদৰে প্ৰথম পালি গ্ৰহণ কৰিলেও দ্বিতীয় পালি প্ৰতিষেধক নোলোৱাকৈ থকা প্ৰাপ্তবয়স্ক লোকো যথেষ্ট আছে। সেয়েহে সময়মতে প্ৰতিষেধক গ্ৰহণ নকৰাৰ বিষয়টোৱে উদ্বেগৰ সৃষ্টি কৰা বুলি স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াৰ সূত্ৰই উল্লেখ কৰে। মৃতকৰ সংখ্যা আজিও ২০ জনলৈ বৃদ্ধি হয়। বিগত কে'বাদিনৰ পৰা এই সংখ্যা ১৯ৰ পৰা ২১ জনৰ ভিতৰত আছে। এতিয়াও বহু লোকে ৰাজ্যৰ বিভিন্ন জিলাৰ চিকিৎসালয়ত জীৱন মৃত্যুৰে যুঁজি আছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ তথ্য অনুসৰি আজিৰ দিনটোত ৩৭,১৮০ টা নমুনা পৰীক্ষাৰ জৰিয়তে ১,৪৮৬ জন নতুন আক্ৰান্তৰ তথ্য পোহৰলৈ আহে। আক্ৰান্তৰ হাৰ হ'ল চাৰি শতাংশ। আক্ৰান্তসকলৰ ভিতৰত ৩৪৩ জন হ'ল কামৰূপ মহানগৰৰ। ইয়াৰ পাছতে গোলাঘাটত ৮৮ জন, কামৰূপত ৮৩ আৰু গোৱালপাৰাত ৬৩ জন লোক আক্ৰান্ত হয়। মৃতকসকলৰ চাৰিজন কামৰূপ মহানগৰৰ আৰু তিনিজন ডিব্ৰুগড়ৰ। দুজনকৈ লোকৰ মৃত্যু হয় যোৰহাট আৰু নগাঁৱত। আনহাতে, এজনকৈ লোকে প্ৰাণ হেৰুৱাই কাছাৰ, চিৰাং, গোলাঘাট, কোকৰাঝাৰ, নলবাৰী, লখিমপুৰ, শিৱসাগৰ, তিনিচুকীয়া আৰু ওদালগুৰিত।

## শব্দ-বেহু ঃ ২ ফেব্ৰুৱাৰী২০২২



[illegible]

আজিৰ উত্তৰ অহা সংখ্যাত

[illegible]

## আজিৰ দিনটো



**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী

জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭

☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ১৯ মাঘ বুধবাৰ ২ ফেব্ৰুৱাৰী

**সূৰ্যোদয় ঃ** ঘঃ ৬।১১।৪৬, **সূৰ্যাস্ত ঃ** ঘঃ ৫।১।৫৮। **তিথি ঃ** শুক্লা প্ৰতিপদ, দং ৮।৫৩।১৩ ঘঃ, ৯।৪৫।০৩। **নক্ষত্ৰ ঃ** ধনিষ্ঠা, দং ৩৩।৫৭।২৭ ৰাঘঃ ৭।৪৬।৪৫। **যোগ ঃ** বৰীয়ান, দং ৫০।০।৪৬ৰাঘঃ ২।১২।৪। **কৰণ ঃ** বৱ। **জন্মত ঃ** মকৰৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, দেৱাৰিগণ, কুম্ভীৰৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী ৰাহু, বিংশোত্তৰী মঙ্গলৰ দশা, ঘঃ ৮।১৩।৩৫ যোৱাত কুম্ভৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, ৰাঘঃ ৭।৪৬।৪৫ যোৱাত মনুষ্যৰ অস্থি, বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া সুভগা যোগ, ৰাঘঃ ৭।৪৬।৪৫ যোৱাত ১২ দিনীয়া দুৰ্ভগা যোগ। **মৰণত দোষ ঃ** নাই, ঘঃ ৯।৪৫।৩ যোৱাত এপদ। **যোগিনী ঃ** পূৱত, ঘঃ ৯।৪৫।৩ যোৱাত উত্তৰত। **যাত্ৰা ঃ** শুভ, অমৃতযোগ, উত্তৰত নাই, ঘঃ ৯।৪৫।৩ যোৱাত শুভ, সিদ্ধিযোগ, ৰাঘঃ ৭।৪৬।৪৫ যোৱাত বিষযোগ। **শুভকৰ্ম ঃ** পঞ্চমৃত, সাধভক্ষন, জাতকৰ্ম, নামকৰণ, মুখ্যান্নপ্ৰাশন, ৰত্নাদিধাৰণ, গ্ৰহপূজা, শান্তিস্বস্ত্যয়ন, হালযাত্ৰা, গুটিসিঁচা, ক্ৰয়-বিক্ৰয়। **ভক্ষাভক্ষ্য ঃ** কোমোৰা, ঘঃ ৯।৪৫।৩ যোৱাত তিতাভেকুৰী খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** যোগাযোগত ব্যতিক্ৰমৰ মাজেৰে আনন্দ পাব। শৰীৰ মোটামুটি ভালেই যাব। বিদ্যা ক্ষেত্ৰত শুভ ফল পাব পাৰে, কিন্তু কৰ্মক্ষেত্ৰত সৰু-সুৰা বাধা আহিব পাৰে। বিবাহৰ যোগাযোগত শুভ ফল পোৱাৰ সম্ভাৱনা

**বৃষ ঃ** ব্যয় বৃদ্ধিৰ কাৰকতা। ঘৰুৱা কোন কাৰণত মানসিক ক্লেশ থাকিব। বিদ্যাত পাৰিপাৰ্শ্বিক বাধা থাকিব পাৰে কৰ্ম ক্ষেত্ৰত মজলীয়া ফল পাব। বন্ধুৰ বিশ্বাস অৰ্জন। ব্যৱসায়ত শুভ।

**মিথুন ঃ** নানা ক্লেশৰ মাজতো আয় স্থিমিত নহ'ব। ব্যৱহাৰিকত আপোনাৰ ধৈৰ্য্য অটুট থাকিব। সন্তানৰ বাবে মধ্যম দিন। উদ্যোগী ব্যক্তিৰ আনন্দ লাভ। অনাৱশ্যক কাৰণত অৰ্থ ব্যয় নকৰিব। প্ৰেমত বাধা।

**কৰ্কট ঃ** ঘৰুৱা পৰিৱেশ প্ৰায় অনুকূল। ভাই-ভনীৰ বাবে আশাবাদী। বিদ্যাত খুব বেয়া নহ'ব। আয় বৃদ্ধিৰ বিকল্প চেষ্টাত সাফল্য লাভ। কৰ্মত নতুন সুযোগ পাব। চাকৰিত মধ্যম উন্নতি।

**সিংহ ঃ** ব্যৱসায়ত মধ্যম উন্নতি। ৰাজনীতিবিদসকলে সাৱধানে চলক। বিদ্যাত খুব বেয়া নহ'ব। শাৰীৰিক অশান্তি সামান্য থাকিব। প্ৰেম-প্ৰীতিত বেছি আৱেগিক নহ'ব।

**কন্যা ঃ** কৰ্মক্ষেত্ৰত সহকৰ্মীৰ সহায় পাব। দাম্পত্যত ভালেই দেখা যায়। আৰ্থিকত আয়ৰ তুলনাত ব্যয় বেছি হ'ব। সামাজিক ক্ষেত্ৰত মান-সন্মান বৃদ্ধি পাব। বায়ু মাৰ্গে ভ্ৰমণৰ যোগ। বিদ্যাত শুভ।

**তুলা ঃ** আৰ্থিক দিশত আয়-ব্যয় প্ৰায় সমান। বিদ্যাত যত্ন লোৱাৰ দৰকাৰ। উদ্বিগ্নতাই দেহৰ অশান্তি আনিব পাৰে। প্ৰেমত বন্ধুৰ সহায় পাব। দূৰ ভ্ৰমণ নকৰিব। নতুন সংবাদত আনন্দ।

**বৃশ্চিক ঃ** কৰ্মক্ষেত্ৰত নেতৃস্থানীয় ব্যক্তিৰ প্ৰেৰণা লাভ। ব্যৱসায়িক যিকোনো চুক্তি সম্পাদনৰ ক্ষেত্ৰত অনুকূল। মাতৃৰ শৰীৰ মধ্যম। আৰ্থিকত মধ্যম। পঢ়া-শুনা অৱজ্ঞা নকৰিব।

**ধনু ঃ** শৰীৰ বৰ উন্নত নাযাব পাৰে। আৰ্থিকত খৰচ বৃদ্ধি পাব। বিদ্যাত যত্ন লোৱাৰ আৱশ্যক। ব্যৱসায়ত কোনো আৱেগক স্থান নিদিব। দাম্পত্যত চিন্তা থাকিব।

**মকৰ ঃ** অনুকূল দিন। কৰ্মতৎপৰতা থাকিব। ভাবি-গুণী আগবাঢ়াক শুভ হ'ব। আৰ্থিক অগ্ৰগতিত বাধা নাপাব। শৰীৰ মধ্যম। বিবাহৰ কথাত আগবাঢ়িব পাৰে।

**কুম্ভ ঃ** আৰ্থিক উন্নতিৰ যোগ সামান্য। খোৱা-বোৱাত সাৱধান থাকিব। ব্যৱসায়ত আয় বৃদ্ধিত বাধাপ্ৰাপ্ত হ'ব পাৰে। মাতৃৰ ভালেই। সন্তানৰ বাবে সামান্য দুশ্চিন্তা থাকিব।

**মীন ঃ** বিদ্যাত শুভ। অতিপাত পৰিশ্ৰম নকৰিব। ঘৰুৱাত খুব বেয়া নহ'ব। প্ৰাপ্য ধন আদায়ৰ সুযোগ পাব। প্ৰেম-প্ৰণয়ত বেয়া নহ'ব। ৰাজনীতিত সকৰ্ত হৈ চলক।


SNP/TEN (AICTE)/2021/2559-63

**REVISED TENDER NOTICE**

In continuation of earlier NIT SNP/TEN (AICTE)/2021/2373-78 dated 24th Dec 2021 sealed tenders affixing court fee of Rs. 8.25 are invited again by the undersigned from reputed and resourceful Contractors for the work Providing Water Treatment Plant at Sonitpur Polytechnic. The details of the tender paper can be purchased from the office of the Principal, Sonitpur Polytechnic, Dhekiajuli, Sonitpur, Assam, between 11.00 AM to 2-00 PM from 02-02-2022 to 09-02-2022. Last date of submission of tender paper is one 09-02-2022 up to 1-00 PM and the same will be opened at 1-30 PM on 09-02-2022.

Principal
Sonitpur Polytechnic
Dhekiajuli, Sonitpur, Assam.

Janasanyog/C/11291/21



**NOTICE**

This is for information to all concerned that list of selected candidates against the available vacant seats in some TEIs for admission into 2-year D.El.Ed. course for the session 2021-23 will be available in the website https://www.scertassam.co.in on 2nd February, 2022. Candidates will have to take admission in respective allotted TEIs on 4th & 5th February, 2022. There after request for admission by any candidate from this selection list will not be entertained.

Sd/-
Director
SCERT, Assam, Guwahati-19

Janasanyog/D/14761/21



No AFKG 343 (B)/2018-19/2687

CORRIGENDUM NOTICE

Sub : Extension of last date for obtaining and submission of BID documents etc. For Ornamental Fish Breeding and inputs

Ref : This Office earlier short NID vide No.AFKG343(B)/2018-19/2687

@ The BID document can be obtained from 02/02/2022 To 15/02/2022

@The last date of submission of BID is extended upto 1pm of 15/02/2022 and will be open 2pm on the same Date other terms and condition will be same.

Sd/-
Chief Executive Officer
Kamrup Zilla Parishad cum
Member Secretary
SPMRM Hajo Rurban cluster



No AFKG 343 (B)/2018-19/2688

CORRIGENDUM NOTICE

Sub : Extension of last date for obtaining and submission of BID documents etc. For Formulated Fish Feed and inputs

Ref : This Office earlier short NID vide No.AFKG343(B)/2018-19/2687

@ The BID document can be obtained from 02/02/2022 To 15/02/2022

@The last date of submission of BID is extended upto 1pm of 15/02/2022 and will be open 2pm on the same Date other terms and condition will be same.

Sd/-
Chief Executive Officer
Kamrup Zilla Parishad cum
Member Secretary
SPMRM Hajo Rurban cluster



No AFKG 343 (B)/2018-19/2689

CORRIGENDUM NOTICE

Sub : Extension of last date for obtaining and submission of BID documents etc. For Carp Eco Hatchery And inputs Fish Bruder

Ref : This Office earlier short NID vide No.AFKG343(B)/2018-19/2687

@ The BID document can be obtained from 02/02/2022 To 15/02/2022

@The last date of submission of BID is extended upto 1pm of 15/02/2022 and will be open 2pm on the same Date other terms and condition will be same.

Sd/-
Chief Executive Officer
Kamrup Zilla Parishad cum
Member Secretary
SPMRM Hajo Rurban cluster



No AFKG 343 (B)/2018-19/2691

CORRIGENDUM NOTICE

Sub : Extension of last date for obtaining and submission of BID documents etc. For Establishment of cages For case culture and inputs

Ref : This Office earlier short NID vide No.AFKG343(B)/2018-19/2691

@ The BID document can be obtained from 02/02/2022 To 15/02/2022

@The last date of submission of BID is extended upto 1pm of 15/02/2022 and will be open 2pm on the same Date other terms and condition will be same.

Sd/-
Chief Executive Officer
Kamrup Zilla Parishad cum
Member Secretary
SPMRM Hajo Rurban cluster

Janasanyog/CF/3136/21


## নতুন পেঞ্চন নীতিৰ বিৰোধিতা মৰিয়নি, নকছাৰীত

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১ ফেব্ৰুৱাৰী ঃ** চৰকাৰে প্ৰৱৰ্তন কৰিব বিচৰা নতুন পেঞ্চন নীতিৰ তীব্ৰ বিৰোধিতা কৰি আজি মৰিয়নিৰ লগতে নকছাৰীৰ বিভিন্ন চৰকাৰী কৰ্মচাৰীয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। পুৰণি পেঞ্চন নীতি বাহাল ৰাখিবলৈও দাবী জনায় চৰকাৰী কৰ্মচাৰীসকলে। কৰ্মচাৰীসকলে অৱস্থান ধৰ্মঘট আদিৰ লগতে ক'লা বেজো পৰিধান কৰি চৰকাৰৰ নীতিৰ তীব্ৰ প্ৰতিবাদ জনায়। নতুন পেঞ্চন নীতিৰ বিৰুদ্ধে আজি মৰিয়নিৰ নকছাৰী অঞ্চলৰ নকছাৰী মহাবিদ্যালয়, নকছাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, দনিকণা উচ্চ মাধ্যমিক বিদ্যালয়, হেমলাই উচ্চ মাধ্যমিক বিদ্যালয়, নৱজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়, দেবেৰাপাৰ প্ৰাথমিক বিদ্যালয়, দিছৈ অজগৰ প্ৰাথমিক বিদ্যালয়, নকছাৰী গাঁও পঞ্চায়ত সমবায় সমিতি, দনিকণা উপ-স্বাস্থ্য কেন্দ্ৰ আদিৰ শিক্ষক কৰ্মচাৰী, স্বাস্থ্যকৰ্মী আদিয়ে এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি চৰকাৰ নতুন পেঞ্চন নীতিৰ বিৰোধিতা কৰে।

## মৰিগাঁৱৰ সমাজকৰ্মী, পূৰ্ণকান্ত ভূঞাৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ বাৰপূজীয়া দৰংগিয়াল গাঁৱৰ নিবাসী বিশিষ্ট সমাজকৰ্মী, সাহিত্যানুৰাগী, বাৰপূজীয়া আঞ্চলিক ক্ৰীড়া সন্থাৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি, নগাঁও জিলা পৰিষদৰ প্ৰাক্তন সদস্য তথা অসম চৰকাৰৰ পৰিসংখ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পূৰ্ণকান্ত ভূঞা (৭৫)ৰ যোৱা নিশা মৃত্যু হয়। তেওঁ 'আবেলিৰ ৰামধেনু' নামেৰে এখন কাব্যগ্ৰন্থ ৰচনা কৰিছে। মৃত্যুৰ সময়ত পুত্ৰ-কন্যা এৰি যায়।

## পাঁচ ড্ৰাগছ সৰবৰাহকাৰী আৰক্ষীৰ জালত

বিশেষ সংবাদদাতা

**নগাঁও, ১ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ জুৰীয়া আৰক্ষী থানাৰ আৰক্ষীয়ে আজি জুৰীয়াৰ মাহগুৰি, জামগুৰি আৰু পূব হাতীযুঁজোৱাত পাঁচজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। তেওঁলোকৰ পৰা ৭০ টা কণ্টেইনাৰ জব্দ কৰে। ইয়াৰে ১৯ টা কণ্টেইনাৰ হেৰ'ইন ভৰ্তি। ধৃত লোককেইজন হ'ল ইজাজুল হক, জালালউদ্দিন, ফক্কৰউদ্দিন, নিগম উদ্দিন আৰু ইনামুল হক। লোককেইজন মাহগুৰি, হাতীযুঁজোৱা আৰু পূব নাৰমাৰি অঞ্চলৰ।


[illegible]



**LOST**

I have lost my Registration card of H S Bearing Regd. No-00302019-A008 of year 2020.

Rimi Nath
Barpeta Road.



**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**



**CANCELLATION NOTICE**

**No.BCDI/ESSTT/NIT/16/2021-22/**

It is for general information to all concerned that the works at Sl.No 1 & 5 of NIT-5 of 2021-22 called vide **No.BCDI/ESSTT/NIT/16/2021-22/14 dated : 29.01.2022** are hereby cancelled due to some technical issues. The same will be floated afresh.

**Sd/-**
**Executive Engineer,**
**Boko-Chaygaon Division (Irrigation)**
**Boko**

Janasanyog/C/11320/21



NO. CE/H&UA/NIT/21-22/**31 (I)**

**PRESS NOTICE INVITING RE-TENDER**

The Chief Engineer, H&UA (Technical Cell), Assam on behalf of the Governor of Assam invites Re-Bid from reputed Class-I Contractor/Farm registered under P.W.D, Assam and having extensive experience in the relevant field of work for the work. "Design, Engineering and Supervision for Implementation of Digital traffic signal along with CCTV camera at Malpani Chariali, Daily Bazar Tiniali, Girls Road Chariali (NH-15), Jail Road Chariali, Court Tiniali, Girls Road Chariali (ASTC) and NH-15 ByPass entry point (2 nos) on EPC Mode" amounting to Rs.150.00 Lakh. Details of the bid are available at e-procurement portal website i.e.,www.assamtenders.gov.in and also in the office of the undersigned during office hours from 1400 hrs of 01/02/2022 to 1400 hrs of 15/02/2022.

**Sd/-**
(S.K.Mahanta)
Chief Engineer (Technical Cell)
Department of Housing and Urban Affairs
Assam, Guwahati-03

Janasanyog/C/11249/21



NO. FAAMCH/Tender_CA/Pt-I/83/

**REQUEST FOR PROPOSAL**

Sealed tenders affixing court fee stamp of Rs. 8.25 (Rupees eight & twenty five paisa) only in two bid system (Technical & Financial) are invited from experienced Chartered Accountant for internal audit for F.A.A. Medical College & Hospital, Barpeta, Assam for the financial year 2018-19, 2019-20 and 2020-21 will be received by the undersigned up to 22-02-2022 till 12.00 Noon. If that day happens to be a holiday, the tender would be opened on the next working day.

For details related to the minimum eligibility criteria, application forms, terms and conditions etc. Please visit our official website: www.faamcassam.co.in. Tender document is to be submitted duly signed with official seal stamped.

**Sd/-**
Principal-cum-Chief Superintendent
Fakhruddin Ali Ahmed Medical College &
Hospital, Barpeta, Assam.

Janasanyog/D/11261/21 Janasanyog/C/11261/21



**NIT No: WR/NLB/NIT/2021-22/01**

**SHORT NOTICE INVITING TENDER**

Sealed tender in prescribed form to be eventually drawn up in A.P.W.D. F-2 form affixing non-refundable court fee stamp of Rs 8.25 (Rupees eight & paisa twenty five)only are hereby invited from the registered contractors/firms of Water Resources Department for the year 2021-22 for the below mentioned schemes. The tender will be received by the undersigned up to 2.00 P.M on 17-02-2022 and will be opened on the same day. Detail NIT, specification, terms & conditions for the work may be seen in the office of the undersigned during office hours of all working day up to 1.00 P.M of 17-02-2022. Work will be alloted subject to the received of necessary Administrative Approval from the competent Authority against the scheme of Sl.No.3 and the tender amount may vary which will be ascertained after getting the necessary Administrative Approval. In the event of non receipt of Administrative Approval the Tender may be cancelled and any claim whatsoever on this will not be entertained. The undersigned reserve the right to extend/ cancel the date of tender and accept or reject any or all tenders without assigning any reason thereof.

Tender paper is to obtained from the office of the undersigned on payment of Rs. 50.00 (Rupees Fifty)only in the form of IPO pledged to the Executive Engineer, Nalbari W.R. Division, Nalbari per copy of tender form during office hours on all working day from the date of issue of detailed tender notice.

Name of Scheme:-

1. M&R to protect B/Dyke on R/B of river Pagladia from Bijulighat to Adabari at Barapara and its adjoining area from the erosion of river Pagladia for 2021-22
   Approx. Value:-Rs.20,00,000/- (Rupees Twelve Lakh)only
2. M&R to protect L/B embankment from [illegible] to Adabari at Ch 1100m ([illegible]) from the erosion of river Pagladia for 2021-22
   Approx. Value:-Rs.15,00,000/- (Rupees Fifteen Lakh)only
3. Immediate measures to breach closing work at [illegible] on R/B of [illegible]-Pagladia river for the year 2021-22 under SDRF
   Approx. Value:-Rs.8,02,000/- (Rupees Eight Lakh Two Thousand)only

Time of completion: 30 (Thirty) days from the date of issue of work order.

Special terms & conditions:-

1. Payment will be made on availability of fund.
2. The undersigned reserve the right not to accept the lowest quoted rate and may reject any all tender without assigning any reason thereof.
3. All other terms & conditions will remain same as per APWD F 2/F 2 form tender.
4. Rate, Registration No., GST No, PAN No, detailed address, etc, to be quoted on the body of tender form clearly.
5. Contractor's must be followed the guideline of COVID-19.

Sd/-
Executive Engineer
Nalbari W.R. Division
Nalbari

Janasanyog/C/11311/21



*No. ASE.01/2020/Pt-II/232*

NOTICE

In partial modification of this Department's earlier SOP communicated vide Memo No.ASE.01/2020/Pt-II/214, dated 7th January, 2022 it is hereby directed that all schools both Govt. and Private upto Class VIII in all the districts of Assam shall remain closed w.e.f. 25-1-2022 and until further orders. Further, physical classes in respect of Class IX and X shall be held on every Monday, Wednesday and Friday and Class XI and XII shall be held on every Tuesday, Thursday and Saturday. The general guidelines issued in respect of earlier SOP communicated vide Memo No. No.ASF.01/2020/Pt-II/214, dated 7th January, 2022 shall remain inforce except Para 1, 2(a), 2(b) and 3 of the general guidelines.

A copy of earlier SOP communicated vide Memo No. ASE.01/2020/Pt-II/214, dated 7th January, 2022 is enclosed herewith as ready reference.

This order will come into effect from 25/1/2022 and until further orders.

Sd/-
(F.H. Choudhury, ACS)
Addl. Secretary to the Govt. of Assam
Education Department.

Janasanyog/D/14716/21

# দৈনিক অগ্ৰদূত

গুৱাহাটী, ২ ফেব্ৰুৱাৰী, ২০২২ বুধবাৰ পৃষ্ঠা তিনি



## দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানত নিশা বন মাফিয়ালৈ বনকৰ্মীৰ গুলিচালনা

**উদ্ধাৰ অত্যাধুনিক কৰত, বন্দুক, সা-সামগ্ৰী**

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ১ ফেব্ৰুৱাৰী ঃ** নাহৰকটীয়াৰ জয়পুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ কঠালগুৰী খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত নতুন বস্তি অঞ্চলত *ছয় পৃষ্ঠাত চাওক*

## বৰছলাত পিঞ্জৰাবদ্ধ হ'ল ঢেঁকীয়াপতীয়া বাঘ



অগ্ৰদূত বাৰ্তা

**তেজপুৰ/ঠেলামৰা, ১ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ বৰছলাত ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই আহি সন্ত্ৰাসৰ সৃষ্টি কৰা এটা প্ৰকাণ্ড ঢেঁকীয়াপতীয়া বাঘক অৱশেষত বন বিভাগে পিঞ্জৰাবদ্ধ কৰিবলৈ সক্ষম হয়। বিগত এমাহ ধৰি এটা ঢেঁকীয়াপতীয়া বাঘে আতংকৰ সৃষ্টি কৰিছিল বৰছলা অঞ্চলত। ঢেঁকীয়াপতীয়া *ছয় পৃষ্ঠাত চাওক*

## লোক-সংস্কৃতিৰ সাধক নিকুঞ্জ পাঠকক 'মোহন ভাইৰা স্মাৰক বঁটা'



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলা ছাত্ৰ সন্থা আৰু জিলা উন্নতি সভাৰ উদ্যোগত ২০০৯ৰ পৰা প্ৰদান কৰি অহা মোহন ভাইৰা স্মাৰক-২০২২ বঁটা আজি বিশিষ্ট লোক-সংস্কৃতিৰ সাধক, প্ৰখ্যাত বাঁহীবাদক নিকুঞ্জ পাঠকক প্ৰদান কৰা হয়। নলবাৰীৰ ছহিদ ভৱন বাকৰিত জিলা *ছয় পৃষ্ঠাত চাওক*

## অসম চিকিৎসা মহাবিদ্যালয় চৌহদতে নিষিদ্ধ ড্ৰাগছৰ বেহা ঃ গ্ৰেপ্তাৰ ১১

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়তে নিষিদ্ধ ড্ৰাগ্‌ছৰ বেহা অব্যাহত থকাৰ বাতৰিয়ে স্তম্ভিত কৰি তুলিছে বিদ্বৎ মহলক। ডিব্ৰুগড় আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চৌহদৰ এনইচি হোষ্টেলৰ কাষৰ পৰা ৫৩.০৫ গ্ৰাম হেৰ'ইন জব্দ কৰাৰ লগতে সাতজনক ড্ৰাগ্‌ছ ব্যৱসায়ত জড়িত থকাৰ অভিযোগত আটক কৰি পাছত গ্ৰেপ্তাৰ কৰে। মিৰ্জা উস্মিদ বাইড (৩৫), বিপিন ৰাৱট (২৯), জিন্টু থাপা (২৭), অভিশেষ কৰ্মকাৰ (২০), হিমু মেছ (২০) আৰু বিশাল নেহাৰ (২৪) আৰু বিকি পাণ্ডে (২৪) নামৰ সাত যুৱকক আৰক্ষীয়ে সম্প্ৰতি সোধ-পোছ অব্যাহত ৰখাৰ সময়তে বাতৰি যুগুতোৱালৈকে আৰু চাৰিজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। মৰাণৰ পৰা দুজন আৰু ডিব্ৰুগড় আইথান মিঞাপট্টিৰ পৰা দুজনক গ্ৰেপ্তাৰ কৰা হয়। যুৱক কেইজনৰ পৰা আৰক্ষীয়ে ছটা ড্ৰাগ্‌ছ ভৰ্তি কণ্টেইনাৰত ৫৩.০৫ গ্ৰাম হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হৈছে। লগতে এখন পালছাৰ মটৰ চাইকেল, এখন স্কুটী আৰু আঠটা ম'বাইল ফোন জব্দ কৰিছে আৰক্ষীয়ে। অৱশ্যে মূল অভিযুক্তজনে আৰক্ষীৰ চকুত ধূলি দি পলায়ন কৰে বুলি আৰক্ষী সূত্ৰই জনাইছে। আনহাতে, ডিব্ৰুগড় আৰক্ষীয়ে ড্ৰাগ্‌ছ ব্যৱসায়ৰ মূল অভিযুক্ত গ্ৰেপ্তাৰ বাবে অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যেই ডিব্ৰুগড় সদৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ২২৬/২৫/২৭/২৯ৰ অধীনত ৬৩/২০২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি তেওঁলোকক গ্ৰেপ্তাৰ কৰে আৰু সম্প্ৰতি সোধ-পোছ অব্যাহত ৰাখিছে। উল্লেখ্য যে ডিব্ৰুগড়ৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে অভিযান চলাই ইতিমধ্যে কে'বাজনো ড্ৰাগ্‌ছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰাৰ উপৰি বহু পৰিমাণে নিষিদ্ধ ড্ৰাগ্‌ছ জব্দ কৰিছে। তৎসত্ত্বেও অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চৌহদতো ড্ৰাগ্‌ছ্‌ব্যৱসায়ৰ ঘাটি পতা কাৰ্যই যথেষ্ট উদ্বেগৰ সৃষ্টি কৰিছে।

## গামোচা পিন্ধাই ৰূপজ্যোতিয়ে ওভতাই দিলে নিৰাপত্তাৰক্ষী

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আজি মুখ্যমন্ত্ৰীৰ জন্মদিনৰ দিনাই ব্যক্তিগত নিৰাপত্তাৰক্ষী ত্যাগ কৰে মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। আজি মৰিয়নিৰ হিমন্ত বিশ্ব শৰ্মা ফেনচ ক্লাবৰ উদ্যোগত মুখ্যমন্ত্ৰীৰ জন্মদিন উদ্‌যাপন *ছয় পৃষ্ঠাত চাওক*

## বন্ধুৰ লগত ব'মডিলালৈ যোৱা যুৱক সন্ধানহীন

■ **সন্ধান উলিওৱাৰ দাবীত চাৰিদুৱাৰ আৰক্ষী থানাত ধৰ্ণা**

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১ ফেব্ৰুৱাৰী ঃ** তিনি বন্ধু অৰুণাচল প্ৰদেশৰ ব'মডিলালৈ যোৱাৰ পাছত ইয়াৰে দুজন উভতি আহিল যদিও এজন আজিলৈকে সন্ধানহীন হৈ আছে। এইক্ষেত্ৰত আৰক্ষীয়ে উপযুক্ত তদন্ত নকৰাৰ অভিযোগত আজি প্ৰতিকূল বতৰৰ মাজতো বহুসংখ্যক লোকে চাৰিদুৱাৰ আৰক্ষী থানাত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে বালিপৰাৰ এৰাগাঁৱৰ কাবুল শইকীয়া (কাজু) নামৰ যুৱকজন আন দুই বন্ধু অভিনৱ দত্ত আৰু অপূৰ্ব দাসৰ স'তে যোৱা ২৫ জানুৱাৰীত ব'মডিলালৈ গৈছিল। ২৬ জানুৱাৰীত অভিনৱ আৰু অপূৰ্ব উভতি আহিল যদিও কাবুল উভতি নহাত পৰিয়ালৰ লোক আচৰিত হয়। তেওঁলোকে দুইজনকে কাবুলৰ বিষয়ে সোধাত তেওঁলোকে কাবুলৰ অৰুণাচল প্ৰদেশত প্ৰৱেশৰ অনুমতি পত্ৰ নথকাত ভালুকপুঙতে ৰৈ যোৱা বুলি প্ৰকাশ কৰে। ইফালে, যুৱকজনৰ *ছয় পৃষ্ঠাত চাওক*

## 'মহাপুৰুষীয়া নাট' তাঁতশালত বৈছে শিপিনীয়ে



**'ৰাম বিজয়' বৈ উলিয়াইছে জ্যোতি বৰা দত্তই**

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১ ফেব্ৰুৱাৰী ঃ** এগৰাকী শিপিনী। তেওঁ তাঁতশালত বৈ উলিয়াইছে 'মহাপুৰুষীয়া নাট'। যোৰহাট জিলাৰ পশ্চিম যোৰহাট চাৰিঙীয়া বাপুজী পথৰ বাসিন্দা প্ৰভাত দত্তৰ পত্নী জ্যোতি বৰা দত্তই 'ৰাম বিজয়' নাটখনৰ দ্বিতীয় খণ্ডৰ লগতে বৰগীত, ভটিমা, শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ শিষ্যসকলৰ নাম তাঁতশালত বৈ উলিয়াইছে। ২০২০ৰ জানুৱাৰীৰ পৰা জুনলৈকে ছমাহে বৰগীত, ভটিমাৰ লগতে শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ শিষ্যসকলৰ নাম ৪.৮০ মিটাৰ দীঘল আৰু এক মিটাৰ বহলকৈ তাঁতশালত বৈ উলিয়াইছে। প্ৰাপ্ত তথ্য মতে, মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ পৰা অনা 'ৰাম বিজয়' অংকীয়া নাটখনৰ দ্বিতীয় খণ্ড ২০২০ৰ পৰা আৰম্ভ কৰি ২০২১ৰ জুনলৈকে ৭.৫০ মিটাৰ দীঘল আৰু এক মিটাৰ বহলকৈ *ছয় পৃষ্ঠাত চাওক*

## পুৰণা পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত ৰাজ্যজুৰি প্ৰতিবাদ

■ **এনপিএছ কৰ্মচাৰীৰ কৰ্মবিৰতি**

**বিশেষ সংবাদদাতা**

**নগাঁও, ১ ফেব্ৰুৱাৰী ঃ** নতুন পেঞ্চন নীতি প্ৰত্যাহাৰ আৰু পুৰণি পেঞ্চন নীতি বাহালৰ দাবীত দেশব্যাপী আন্দোলন অব্যাহত আছে। সমগ্ৰ দেশৰ লগতে নগাঁও জিলাতো এনপিএছ কৰ্মচাৰীসকলে বিভিন্ন দাবীৰ সমৰ্থনত আজি নিজ নিজ কাৰ্যালয়ত এঘণ্টীয়া কৰ্মবিৰতি পালন কৰে। পুৰণা পেঞ্চন নীতি বাহাল ৰাখক, নতুন পেঞ্চন নীতি বাতিল কৰক, এক ৰাষ্ট্ৰ-এক পেঞ্চন আদি বিভিন্ন শ্ল'গান দি এনপিএছ কৰ্মচাৰীসকলে কাৰ্যালয়সমূহ উত্তাল কৰি তোলে। সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ নগাঁও জিলা সমিতিৰ উদ্যোগত জিলাখনৰ বিভিন্ন চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠানত এনপিএছ কৰ্মচাৰীসকলে হাতে হাতে প্লে-কাৰ্ড লৈ *ছয় পৃষ্ঠাত চাওক*

## জন্মদিনত পৰম শিৱম-দৌল গোৱিন্দ মন্দিৰত আশিস ল'লে মুখ্যমন্ত্ৰীয়ে

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১ ফ্ৰেবুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৫৪সংখ্যক ওপজা দিন আজি উলহ মালহেৰে ৰাজ্যজুৰি উদ্‌যাপিত হয়। মুখ্যমন্ত্ৰীৰ গৃহসমষ্টিৰ প্ৰান্তে প্ৰান্তে দিনযোৰা কাৰ্যসূচীৰে তেওঁৰ ওপজাদিন উদ্‌যাপন কৰিলে দলীয় কৰ্মকৰ্তাই। আজি মুখ্যমন্ত্ৰীজনে পুৱাই উত্তৰ গুৱাহাটী ৰুদ্ৰেশ্বৰৰ পৰম শিৱম মন্দিৰত উপস্থিত হৈ বৈদিক সাজেৰে মন্দিৰৰ কেশৱ মহাৰাজজীৰ ওচৰত আঁঠু লৈ পৰম শিৱম মহাপ্ৰভুৰ আশীৰ্বাদ লয়। ধূপ-দীপ-নৈবেদ্যৰে ভগৱানক প্ৰাৰ্থনা জনোৱাৰ পাছত তেওঁ পোনে পোনে দৌল গোৱিন্দ মন্দিৰত উপস্থিত হয়। মুখ্যমন্ত্ৰীৰ আগমনৰ বাতৰি পাই কে'বা শ দলীয় কৰ্মী-অনুৰাগীয়ে ভিৰ কৰেহি মন্দিৰৰ প্ৰৱেশদ্বাৰত। মুখ্যমন্ত্ৰী ড° শৰ্মাই দৌল গোৱিন্দ মহাপ্ৰভুৰ ওচৰত বন্তি জ্বলাই আশীৰ্বাদ বিচাৰিলে। ইয়াৰ পাছতে তেওঁ দৌল গোৱিন্দ মন্দিৰৰ সমীপতে ৫০ লাখ ব্যয়সাপেক্ষ মন্দিৰৰ নিৰ্মাণ হ'বলগীয়া এক বহুমুখী প্ৰকল্পৰ শিলান্যাস কৰে। সেই অনুষ্ঠানতে মুখ্যমন্ত্ৰীক দলীয় কৰ্মী-অনুৰাগীয়ে ফুলাম গামোছা, জাপি আৰু ফুলৰ থোপাৰে জনায় ওপজা দিনৰ আন্তৰিক অভিনন্দন। জালুকবাৰী সমষ্টিবাসীয়ে দি অহা আন্তৰিক মৰমৰ বাবে মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জনাই দৌল গোৱিন্দ মন্দিৰৰ প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰে আগবঢ়োৱা ধনৰ *ছয় পৃষ্ঠাত চাওক*


**শ্ৰদ্ধাঞ্জলি**



**প্ৰয়াত মদন কলিতা**

(নলবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক)

জন্ম ঃ ১২-০৬-১৯৫১ ঃ মৃত্যু ঃ ২১-০১-২০২২

**ওঁম শান্তি**

*শ্ৰদ্ধাভাজনেষু,*

*যোৱা ৭ মাঘ (ইং ২১ জানুৱাৰী ২০২২) শুকুৰবাৰে মোৰ স্বামী/দেউতা/ককা/দেওৰ/দাদা/মামা/বৰদেউতা/তথা নলবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক শ্ৰীমদন কলিতাদেৱৰ পৰলোক প্ৰাপ্তি ঘটে।*

*সেয়েহে আজি ১৯ মাঘ (ইং ২ ফেব্ৰুৱাৰী ২০২২) বুধবাৰে মৎস্যস্পৰ্শৰ দিন ধাৰ্য কৰা হৈছে।*

*তদুপলক্ষে উক্ত দিনা আমাৰ বাসগৃহত উপস্থিত থাকি শোকসন্তপ্ত পৰিয়ালবৰ্গক সান্ত্বনা দিব বুলি আপোনাক/আপোনালোকক শ্ৰদ্ধাৰে নিমন্ত্ৰণী শৰাই আগবঢ়ালো। ইতি*

*সেৱাৰে—*

**শোকসন্তপ্ত পৰিয়ালবৰ্গ**

শ্ৰীযুতা চাৰু কলিতা (পত্নী)

শ্ৰীযুত ৰাজ কুমাৰ কলিতা (পুত্ৰ)

**শ্ৰাদ্ধস্থলী**

ঘগ্ৰাপাৰ চ'ক, ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত,জিলা ঃ নলবাৰী (অসম)

**দূৰভাষ ঃ ৮১৩৪৮৬৫৫৩৫, ৮৬৩৮৯৩৬৬৬৪**






জনসংযোগ/ডি/১৪৭৭১/২১

দৈনিক অগ্ৰদূত
গুৱাহাটী বুধবাৰ ১৯ মাঘ ১৪২৮ ভাস্কৰাব্দ ২ ফেব্ৰুৱাৰী ২০২২



## পেগাছাছ বিতৰ্ক

উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নাগৰিকৰ ফোন টেপ কৰা তথা ব্যক্তিৰ গোপনীয়তাত হস্তক্ষেপ কৰা পেগাছাছ কেলেংকাৰিৰ তদন্তৰ বাবে গঠন কৰা কমিটীৰ আগত দুগৰাকী চাইবাৰ নিৰাপত্তা বিশেষজ্ঞই সাক্ষ্য দি কৈছে যে ৰাষ্ট্ৰই এনে ধৰণৰ কাৰ্যত লিপ্ত হোৱাৰ সপক্ষে যথেষ্ট প্ৰমাণ আছে। এইসকল বিশেষজ্ঞক পেগাছাছ স্পাইৱেৰৰ দ্বাৰা নিৰীক্ষণৰ কবলত পৰা ব্যক্তি কেইগৰাকীমানে তেওঁলোকৰ হৈ আদালতত সাক্ষ্য দিবলৈ কৈছিল। এইসকল বিশেষজ্ঞই তেওঁলোকৰ ফৰেনচিক বিশ্লেষণৰ দ্বাৰা এইবোৰ ফোন যে পেগাছাছ বা অন্য স্পাইৱেৰৰ লক্ষ্য হৈ পৰিছে তাকে আদালতৰ আগত সদৰী কৰিছে।

ফৰেনচিক বিশ্লেষণত এইবোৰ ফোনত নিৰীক্ষণকাৰী স্পাইৱেৰ থকাটো নিশ্চিত কৰা হৈছে। এই ফৰেনচিক বিশ্লেষণৰ মতে ফোনত পোৱা স্পাইৱেৰবোৰৰ স'তে পেগাছাছৰ যথেষ্ট সাদৃশ্য আছে। এগৰাকী বিশেষজ্ঞৰ মতে ইন্টাৰনেট স্কেন কৰা কমাণ্ড এণ্ড কন্ট্ৰোল ব্যৱস্থা, যিবোৰ পেগাছাছে ব্যৱহাৰ কৰে তেনে ব্যৱস্থা দেশৰ বহু ইন্টাৰনেট প্ৰট'কল ঠিকনা আৰু ৱেবছাইটত পোৱা গৈছে। স্বাভাৱিকতে বিশেষজ্ঞসকলে আদালতত দাখিল কৰা তথ্যই বহু এনে ঘটনা পোহৰলৈ আনিব বুলি বিভিন্ন মহলে মন্তব্য কৰিছে। যিবোৰ ফোন হেকিং কৰা হৈছে সেইবোৰ ফোনে পেগাছাছৰ দ্বাৰা নিয়ন্ত্ৰিত কমাণ্ড এণ্ড কন্ট্ৰোল ব্যৱস্থালৈ সকলো তথ্য পঠিয়াই দিয়ে। এগৰাকী বিশেষজ্ঞ আনন্দ ভেংকটনাৰায়ণে উচ্চতম ন্যায়ালয়ক দেখুৱাই দিছে যে ২৪৫৬০ অট'নমাছ ছিষ্টেম নাম্বাৰছ বা সংক্ষেপে এ এছ এন এমুঠিমান কৰ্প'ৰেট আৰু ভাৰত চৰকাৰৰ বাবে আছুতীয়াকৈ ব্যৱহাৰ কৰা হয়। দুগৰাকী সাংবাদিকৰ ফোনতো স্পাইৱেৰৰ স'তে সম্পৰ্ক থকা ডিজিটেল ফিংগাৰ প্ৰিন্ট পোৱা গৈছে বুলি জনোৱা হৈছে।

সি যি কি নহওক, আন আন বিশেষজ্ঞৰ মত এয়ে যে আমাৰ দেশত পেগাছাছ বা তেনে ধৰণৰ নিৰ্দিষ্ট লোকৰ ফোনৰ তথ্য আহৰণ কৰিব পৰা স্পাইৱেৰ ব্যৱহাৰৰ বাবে স্থানীয় নেটৱৰ্ক লাগিবই। পেগাছাছে বাহিৰৰ পৰা স্বাধীনভাৱে ভাৰতবৰ্ষত এই স্পাইৱেৰ ব্যৱহাৰ কৰি মানুহৰ তথ্য আহৰণ কৰিব নোৱাৰে বুলি বিশেষজ্ঞসকলে নিশ্চিত কৰি দিছে। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ে যোৱা বছৰ ২৭ অক্টোবৰত উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ আৰ ডি ৰবীন্দ্ৰনৰ তত্ত্বাৱধানত জনসাধাৰণৰ ফোন অবৈধভাৱে নিৰীক্ষণ কৰা পেগাছাছ কেলেংকাৰিৰ তদন্তৰ বাবে এখনি তিনিজনীয়া কমিটী গঠন কৰি দিছিল। ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ ডীনৰ পৰা আৰম্ভ কৰি আৰু দুগৰাকী বিশেষজ্ঞ উচ্চতম ন্যায়ালয়ে গঠন কৰি দিয়া পেনেলত আছে। যোৱা দুই জানুৱাৰীত এই পেনেলৰ তৰফৰ পৰা যিসকল ব্যক্তিয়ে তেওঁলোকৰ ফোন টেপ কৰা হৈছে বুলি সন্দেহ কৰিছে তেওঁলোকক এই কমিটীৰ স'তে যোগাযোগ কৰিবলৈ বিজ্ঞাপন দিছিল। যোগাযোগৰ শেষ তাৰিখ আছিল সাত জানুৱাৰী।

সম্প্ৰতি উচ্চতম ন্যায়ালয়ে গ্ৰহণ কৰা নিৰপেক্ষ আৰু আপোচহীন ন্যায়-নীতিৰ পৰিপ্ৰেক্ষিতত পেগাছাছ কেলেংকাৰিৰ উচিত তদন্ত হ'ব বুলি আশা কৰা হৈছে। নিৰ্দিষ্ট বুদ্ধিজীৱী, সাংবাদিক, চৰকাৰৰ সমালোচক, বিৰোধী দলৰ নেতা আদিৰ চাল-চলন, বাৰ্তালাপ নিৰীক্ষণৰ ক্ষেত্ৰত যদিহে চৰকাৰৰ কোনো ধৰণৰ ভূমিকা প্ৰমাণিত হয়, তেনেহ'লে উচ্চতম ন্যায়ালয়ে দেশৰ নাগৰিকৰ গোপনীয়তাৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে নিশ্চয় এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব। আনহাতে, ভৱিষ্যতে যাতে কোনো নাগৰিকৰ গোপনীয়তাত হস্তক্ষেপ হ'ব নোৱাৰে, তাৰ বাবে কেন্দ্ৰই প্ৰস্তাৱিত গোপনীয়তা ৰক্ষা তথা ডাটা প্ৰটেকছন আইন প্ৰণয়ন কৰি তাক বলৱৎ কৰা উচিত।

**ৰাইজৰ ধনেৰে ৰাইজক উৎকোচ**


# ভুৱা প্ৰতিশ্ৰুতিৰ ফুলজাৰি ঃ উদ্বিগ্ন আদালত



ৰাজনৈতিক দল তথা নেতাসকলে নিৰ্বাচনৰ সময়ত ভোটদাতাসকলক নানা ধৰণৰ উৎকোচ, প্ৰলোভন তথা প্ৰতিশ্ৰুতি দিয়াটো নতুন প্ৰথা নহয়। এসময়ত ৰাজনৈতিক দল তথা দলীয় প্ৰাৰ্থীয়ে নিৰ্বাচনৰ আগে আগে গোপনে গোপনে ধুতি-কম্বল আদি বিনামূলীয়া বয়বস্তু বিতৰণ কৰাৰ উপৰিও নগদ ধনো বিতৰণ কৰিছিল। এনে ধৰণৰ উপঢৌকনৰ জৰিয়তে জনমত ক্ৰয় কৰা ব্যৱস্থা প্ৰতিৰোধ কৰাৰ বাবে নিৰ্বাচন আয়োগে সময়ে সময়ে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। এনে ব্যৱস্থাৰ ফলত নিৰ্বাচনৰ সময়ত ভোটদাতাসকলক গোপনে উপঢৌকন দিয়া কাৰ্য কিছু পৰিমাণে নিয়ন্ত্ৰিত হৈছিল যদিও বৰ্তমানো এনেদৰে অবৈধভাৱে ভোট ক্ৰয় কৰাৰ কাৰ্য নিৰ্বাচনৰ সময়ত চলি আহিছে।

আজিকালি পিছে প্ৰায়বোৰ ৰাজনৈতিক দলে খোলোচাকৈ চৰকাৰী ধনেৰে ভোটদাতাক বিনামূলীয়া সামগ্ৰী দিয়াৰ আঁচনি নিৰ্বাচনৰ আগে আগে ঘোষণা কৰাৰ ধূম উঠিছে। বিনামূলীয়া চাউল, কাপোৰ, চাকৰি, ঘৰ, মাটি, চিকিৎসা, চাইকেল, মটৰ চাইকেল আৰু আনকি গাড়ীও দিয়াৰ আঁচনি বিশেষকৈ শাসক দলসমূহে ঘোষণা কৰা দেখা যায় নিৰ্বাচনৰ সময়ত। তদুপৰি বিভিন্ন আঁচনি প্ৰকল্পৰ আধাৰশিলা স্থাপন নিৰ্বাচনৰ আগে আগে কৰাটো একপ্ৰকাৰ নিয়মিত হৈ পৰিছে। অলপতে উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্বাচন আয়োগৰ পৰা ৰাজনৈতিক দলসমূহে অযুক্তিকৰভাৱে চৰকাৰী ধন শৰাধ কৰি বিনামূলীয়া বয়বস্তু বা চাকৰি-বাকৰি আৰু অন্যান্য সা-সুবিধা, ধন আদি বিতৰণ কৰা আৰু এনে বয়বস্তু দিয়াৰ প্ৰতিশ্ৰুতি দিয়াৰ 'ধেমালি' (তামাছা)ৰ পৰিপ্ৰেক্ষিতত জবাব বিচাৰিছে। ভাৰতবৰ্ষৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানা, ন্যায়াধীশ এ এছ বোপান্না আৰু হিমা কোহলিয়ে কেন্দ্ৰ আৰু নিৰ্বাচন আয়োগলৈ এই সন্দৰ্ভত এক জাননী জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ৰ এই খণ্ড আদালতে এনে ধৰণৰ ধেমালি কৰা ৰাজনৈতিক দলসমূহক নিয়ন্ত্ৰণ কৰাৰ বাবে দলসমূহৰ পঞ্জীয়ন বাতিল কৰা আৰু ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰতীক বাতিল কৰা কঠোৰ নিৰ্দেশ কেন্দ্ৰৰ পৰা বিচাৰিছে। উচ্চতম ন্যায়ালয়ে অতি বিৰক্তিৰে স'তে কৈছে যে দশকৰ পাছত দশক ধৰি এই তামাছা চলি আহিছে। এনে ধৰণৰ অযৌক্তিক প্ৰতিশ্ৰুতি সাধাৰণতে প্ৰতিশ্ৰুতি হৈয়ে থাকে। কেতবোৰ বিনামূলীয়া সামগ্ৰীত বাদে প্ৰায়বোৰ প্ৰতিশ্ৰুতি এই ৰাজনৈতিক দলসমূহে পালন নকৰে। উচ্চতম ন্যায়ালয়ে ৰাজনৈতিক দলসমূহৰ এই উৎকোচ বা ভাৰ-ভেঁটী দিয়া পদ্ধতিক তামাছা বুলি কোৱাটো অতি গুৰুত্বপূৰ্ণ।

যোৱা অসম বিধানসভা নিৰ্বাচনৰ সময়ত আমি দেখিছো মটৰ চাইকেলৰ পৰা আৰম্ভ কৰি লাখ লাখ চাকৰিৰ প্ৰতিশ্ৰুতি দিয়া। অৰুণোদয় আঁচনিৰ পৰা, কৃষি ঋণ আৰু অন্যান্য ঋণ ৰেহাই আদি আঁচনি শাসক বিজেপি দলে কৰিছিল। পিছে চাকৰিৰ প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতি হৈয়েই



**নিউজ স্কেন**
**গীতাৰ্থ পাঠক**

থাকিল, ঋণ ৰেহাই এক মিথ্যাচাৰত পৰিণত হ'ল। প্ৰত্যেকখন ৰাজ্যতেই ৰাজনৈতিক দলসমূহে দিয়ে নিৰ্বাচনৰ আগে আগে বিনামূলীয়া প্ৰতিশ্ৰুতি। কোনোবাই যদি মহিলাসকলক মাহে এহেজাৰ টকাকৈ দিয়া হ'ব বুলি নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়ে, তেনেহ'লে আন কোনোবা দলে দুহেজাৰ টকাকৈ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। এনেদৰে প্ৰতিশ্ৰুতিৰ প্ৰতিযোগিতা চলে। এই সংক্ৰান্তত চৰকাৰক এক আইন প্ৰণয়ন কৰাৰ আবেদন জনাইছে গোচৰীয়াসকলে। এনে ধৰণে বিনামূলীয়া সামগ্ৰী আৰু ভুৱা প্ৰতিশ্ৰুতিৰে ভোটদাতাসকলক প্ৰভাৱান্বিত কৰাটো আমাৰ দেশৰ গণতান্ত্ৰিক মূল্যবোধৰ পৰিপন্থী আৰু আমাৰ সংবিধানৰ ভাবধাৰাৰ বিৰোধী। উচ্চতম ন্যায়ালয়ত এই সংক্ৰান্তত গোচৰ তৰা লোকসকলে আদালতত আবেদন কৰি কৈছে যে নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰতীক ৰাজনৈতিক দলসমূহক দিয়াৰ সময়ত যিবোৰ নিৰ্দেশ দিয়ে তেনে নিৰ্দেশনামাত ৰাজনৈতিক দলসমূহে নিৰ্বাচনৰ আগে আগে ৰাজহুৱা ধনেৰে কোনো বিনামূলীয়া সামগ্ৰী, চাকৰি আদিৰ প্ৰতিশ্ৰুতি দিব নালাগে বুলি বাক্য এষাৰ থাকিব লাগে। এনে ধৰণৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি তথা বিনামূলীয়া সামগ্ৰী নিৰ্বাচনৰ সময়ত বিতৰণ কৰাটো ভাৰতীয় ১৪ নম্বৰ ধাৰা য'ত সমতাৰ অধিকাৰৰ কথা কোৱা হৈছে আৰু সংবিধানৰ ১৬২, ২৬৬ (৩) আৰু ২৮২ ধাৰাৰ বিৰোধী বুলি আদালতক কোৱা হৈছে।

আচৰিত হ'বলগীয়া বিষয় এয়ে যে যিবোৰ ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা শোচনীয় তথা সাংঘাতিকভাৱে ঋণগ্ৰস্ত সেইবোৰ ৰাজ্যৰ ৰাজনৈতিক দলসমূহেও ভোট আহৰণৰ বাবে এনে ধৰণৰ বিনামূলীয়া সামগ্ৰী প্ৰদান আৰু উচ্চ প্ৰতিশ্ৰুতি দিয়া দেখা যায়। উল্লেখ কৰিব পাৰি যে যোৱা ২০১৩ত উচ্চতম ন্যায়ালয়ে সুব্ৰমণিয়ম বালাজী গোচৰৰ ৰায়ৰ পাছত নিৰ্বাচন আয়োগে কেতবোৰ নিৰ্দেশিকা ঘোষণা কৰিছিল। পিছে সেই নিৰ্দেশনামা অৰ্থহীন কাগজৰ বাঘত পৰিণত হোৱা বুলি সমালোচিত হৈছে। সম্প্ৰতি সংবাদ মাধ্যমত প্ৰকাশ পাইছে ৰাজ্যখনৰ শোচনীয় বিত্তীয় পৰিস্থিতিৰ বিষয়ে। চৰকাৰে ইমানেই জনহিতকৰ আঁচনি ঘোষণা কৰিছে যে সেইবোৰ সময়ত ভেকো ভাওনাত পৰিণত হ'ব। ৰাজ্যখনৰ মূৰত ৮২৭৪১.০৭ কোটি টকাৰ ঋণৰ বোজা হেনো। যোৱা ছটা বছৰত হেনো ২২২৭০ কোটি টকাৰ সুদ আদায় দিছে ৰাজ্য চৰকাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছে নিয়মৰ মাজত থাকিহে ঋণ লোৱা হৈছে। ঋণ কোনেও অনিয়মৰ মাজেৰে নিদিয়ে। যদিহে বিনামূলীয়া আঁচনিৰে ভোট আহৰণৰ বাবে শাসক দলে ঋণ লয় তেনেহ'লে তেনে ঋণ লোৱাত কোনো গণতান্ত্ৰিক ৰাইজে সমৰ্থন নজনায়। সেইবাবেই আজি উচ্চতম ন্যায়ালয়ৰ মজিয়াত এই বিষয়টো সমালোচিত হ'ব ধৰিছে। শাসক দলে এক লাখ নিযুক্তি দিয়াৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি দিছিল যোৱা বছৰ অসম বিধানসভাৰ নিৰ্বাচনৰ আগে আগে বিভিন্ন বিভাগে নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। বিভিন্ন জিলাৰ উপায়ুক্তসকলেও জিলাভিত্তিক নিযুক্তিৰ বিজ্ঞাপন প্ৰকাশ কৰিছিল। ৰাজ্যখনৰ লাখ লাখ নিবনুৱাই এই বিজ্ঞাপনৰ প্ৰতি সঁহাৰি জনাই চাকৰিৰ বাবে আবেদনো কৰিছিল। পিছে এতিয়ালৈকে সাক্ষাৎকাৰেই অনুষ্ঠিত নকৰিলে বহু বিভাগে। অসমৰ বিভিন্ন চৰকাৰী বিভাগত তথা ৰাজ্যিক সচিবালয়ত লক্ষাধিক পদত চাকৰি খালী হৈ আছে। পিছে নিৰ্বাচনী প্ৰতিশ্ৰুতি দি নিবনুৱাসকলৰ ভোট আদায় কৰিবলৈহে এনেবোৰ চাকৰিৰ বিজ্ঞাপন নিৰ্বাচনৰ আগে আগে দিয়া হৈছিল বুলি ভাবিবৰ থল আছে।

চৰকাৰে মুখত কয় এটা কামত কৰে আন এটা। বৰ্তমান চৰকাৰৰ দিনত জনসাধাৰণৰ কল্যাণৰ নামত এখনৰ পাছত আন এখন আঁচনি ৰূপায়ণ কৰা হ'ব ধৰিছে; কিন্তু এই আঁচনিবোৰৰ পৰা জনসাধাৰণে সুফল পালেনে? এই প্ৰশ্নৰ উত্তৰ যোৱা ১৭ জানুৱাৰীত অক্সফেম ইন্টাৰনেছনে প্ৰকাশ কৰা গোলকীয় অসমতা প্ৰতিবেদনৰ পৰা পোৱা যাব।

> **চৰকাৰে সমাজৰ পৰা অসমতা দূৰ কৰাৰ সাংবিধানিক দায়িত্ব পালন কৰাত ব্যৰ্থ হৈছে। কেৱল চলাহী কথা আৰু মিছা প্ৰতিশ্ৰুতিৰে জনসাধাৰণৰ ধনেৰে জনসাধাৰণক উৎকোচ দি জনসাধাৰণৰ সমৰ্থন আদায় কৰি ক্ষমতাত বৰ্তি থাকিব বিচাৰিছে। পিছে চিৰকাল জনসাধাৰণে এনে আভুৱা ভাঁৰা কথাত ভোল যাবনে**

যোৱা মহামাৰীয়ে গৰকা সময়ছোৱাত বিশ্বত যিমান মানুহ দৰিদ্ৰতাৰ কবলত পৰিছে তাৰ আধাখিনি লোক হেনো ভাৰতবৰ্ষৰ। এই প্ৰতিবেদন অনুসৰি ৮৪ শতাংশ ভাৰতীয় পৰিয়ালৰ আয় হ্ৰাস পাইছে আৰু প্ৰায় ৪.৬ কোটি মানুহ চৰম দৰিদ্ৰতাৰ গ্ৰাসত পৰিছে। আনহাতে, এই বিড়ম্বনাময় কালছোৱাতেই দেশখনৰ ১৪২ গৰাকী লোকৰ আয় দুগুণৰো অধিক হৈ ৫৩ লাখ কোটিলৈ বৃদ্ধি পাইছে। দুখীয়াৰ আয় হু হুকৈ হ্ৰাস পোৱাৰ বিপৰীতে এমুঠি ধনিক শ্ৰেণীৰ লোকৰ আয় জ্যামিতিক হাৰত বৃদ্ধি পোৱা ঘটনা আকস্মিক নহয়। এয়া আমাৰ দেশৰ নীতি নিৰ্ধাৰকসকলৰ পৰিকল্পিত কাম। নহ'লে বৰ্তমান চৰকাৰৰ দিনত বিশেষকৈ মহামাৰীৰ কালছোৱা স্বাস্থ্য শিতানত চৰকাৰে ধন অধিক মঞ্জুৰ কৰাৰ সলনি ১০ শতাংশ হ্ৰাস কৰিছে। যি সময়ত মহামাৰীৰ বাবে স্কুল-কলেজীয়া শিক্ষা ক্ষতিগ্ৰস্ত হৈছে সেই সময়ত ভাৰত চৰকাৰে শিক্ষা শিতানত ব্যয় ছয় শতাংশ হ্ৰাস কৰিছে। খাদ্য সুৰক্ষা আঁচনি, এম-এনৰেগা আদি যিবোৰ আঁচনিয়ে দৰিদ্ৰ লোকক সামান্য সকাহ দিছিল সেইবোৰ আঁচনিৰো ধন কৰ্তন কৰা হৈছে। চৰকাৰৰ ধনিক তোষণ আৰু জনসাধাৰণক আৰ্থিকভাৱে দমন কৰাৰ নীতিৰ ফলত আমাৰ দেশত অসমতা বাঢ়িছে। এই অসমতাই বৃদ্ধি কৰিছে সামাজিক দ্বন্দ্ব। সামাজিক দ্বন্দ্ববৃদ্ধিয়ে বিভিন্ন সামাজিক সমস্যাৰ সৃষ্টি কৰিছে, উগ্ৰপন্থা বৃদ্ধি পাইছে। অলপতে সামাজিক মাধ্যমত এগৰাকী অসমৰ যুৱকে লিখিছে যে চাকৰি বা ৰোজগাৰৰ কোনো পথ খোলা নথকাত তেওঁ এতিয়া আলফাত যোগদান কৰিবলৈ মনস্থিৰ কৰিছে। গতিকে বিভিন্ন অপৰাধ আৰু উগ্ৰপন্থাৰ জন্মৰ বাবে প্ৰকাৰান্তৰে চৰকাৰেই দায়ী নহয়নে?

আমাৰ দেশৰ সংবিধানৰ চতুৰ্থ খণ্ডত সন্নিবিষ্ট ৰাষ্ট্ৰ নিৰ্দেশনা নীতিত কোৱা হৈছে যে জনসাধাৰণৰ মাজত থকা অসমতা দূৰ কৰি সমতাৰ সৃষ্টি কৰিব লাগে; কিন্তু বাস্তৱত আমি দেখিবলৈ পাইছো যে চৰকাৰে ধনিক শ্ৰেণী তথা কৰ্প'ৰেট খণ্ডৰ ধন-সম্পত্তি যাতে হু হুকৈ বৃদ্ধি পায় সেই নীতিহে অৱলম্বন কৰিছে। মুখেৰে কিন্তু ফুলজাৰি মাৰি আছে যে জনসাধাৰণে অধিকাৰ অধিকাৰ কৰি দাবী উত্থাপন কৰিছে; কিন্তু দায়িত্ব পালন কৰা নাই। 'বহুজন সুখায় বহুজন হিতায়' আদি সুৰীয়া কথাৰে মানুহক আকৰ্ষিত কৰিব বিচাৰিছে; কিন্তু চৰকাৰে সমাজৰ পৰা অসমতা দূৰ কৰাৰ সাংবিধানিক দায়িত্ব পালন কৰাত ব্যৰ্থ হৈছে। কেৱল চলাহী কথা আৰু মিছা প্ৰতিশ্ৰুতিৰে জনসাধাৰণৰ ধনেৰে জনসাধাৰণক উৎকোচ দি জনসাধাৰণৰ সমৰ্থন আদায় কৰি ক্ষমতাত বৰ্তি থাকিব বিচাৰিছে। পিছে চিৰকাল জনসাধাৰণে এনে আভুৱা ভাঁৰা কথাত ভোল যাবনে? সেয়াই এতিয়াৰ জ্বলন্ত প্ৰশ্ন।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

## খোলা মঞ্চ

## অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে?

**ঝৰ্ণা শৰ্মা দেৱচৌধুৰী,** লেখিকা

**ভাষা** হৈছে যিকোনো এটা জাতিৰ দাপোণস্বৰূপ। কোনো এটা ভাষাৰ শব্দ, বৰ্ণ, ৰূপ-ৰস, সাহিত্য আদি জাতিটোৰ পৰিচায়ক হৈ পৰে। ভাষাৰ কমনীয়তা, শব্দৰ ভঁৰাল, চহকী সাহিত্য আদিয়ে সমগ্ৰ জাতিৰ উচ্চ মূল্যবোধ, জ্ঞানৰ পৰিসৰ আৰু নৈতিক মানৰ বিষয়ে সম্যক ধাৰণা দিবলৈ সক্ষম হয়। গতিকে ভাষাৰ সঠিক আৰু উচিত ব্যৱহাৰৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি।

অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট সম্পৰ্কে বৰ্তমান চিন্তাৰ কাৰণ আছে বুলি মই নাভাবো। পূৰ্বতকৈ অসমীয়া ভাষাৰ ব্যৱহাৰ তথা জনপ্ৰিয়তা বাঢ়িছে বুলিয়েই ধাৰণা হয়। নৱ প্ৰজন্মও ভাষাটো ব্যৱহাৰৰ ক্ষেত্ৰত আগ্ৰহী যেন অনুভৱ হয়। এই ক্ষেত্ৰত ডিজিটেল মাধ্যমসমূহৰ ভূমিকা প্ৰশংসনীয়। অসমীয়া 'কী পেড'ৰ আৱিৰ্ভাৱ আৰু ইয়াৰ ব্যৱহাৰ আৰম্ভ হোৱাৰ লগে লগে অসমীয়াত লিখা আৰু পঢ়াৰ প্ৰৱণতা বৃদ্ধি পাইছে। আনহাতে, ডিজিটেল মাধ্যমসমূহে সৃষ্টি কৰা অসমীয়া সাহিত্য চৰ্চাৰ ন ন পটভূমিসমূহে নিতৌ নতুন নতুন লেখক-লেখিকা আৰু পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰিছে। ই অসমীয়া ভাষাৰ বাবে শুভ লক্ষণ। অসমীয়া বোলছবি, ধাৰাবাহিক, সংগীত আদিৰ আধুনিকীকৰণ আৰু যুগৰ লগত খাপ খোৱা ধৰণৰ হোৱাৰ বাবেও সংস্কৃতিৰ ক্ষেত্ৰখনৰ লগতে ভাষাৰ ক্ষেত্ৰতো সকাৰাত্মক প্ৰভাৱ পৰিছে।

বৰ্তমান যিহেতু নতুন প্ৰজন্মই ভাষাটোৰ প্ৰতি আগ্ৰহ দেখুৱাইছে গতিকে তেওঁলোকক ভাষাটোৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ কিছু ব্যতিক্ৰমী প্ৰচেষ্টা হাতত ল'ব পাৰি। সদ্যহতে বানান, বাক্যৰ গাঁথনি আদিৰ বিষয়ে কমকৈ গুৰুত্ব দি অৰ্থাৎ ভুল-শুদ্ধৰ বিচাৰ কৰি ভয় খুওৱাতকৈ ব্যৱহাৰৰ ক্ষেত্ৰত আগ্ৰহী কৰি তুলিবলৈ যত্ন কৰিব লাগে। এয়া আমাৰ একান্ত ব্যক্তিগত অনুভৱ।

এইখিনিতে অৱশ্যে এটা কথা উনুকিয়াই থ'ব বিচাৰিম যে ভাষাৰ অস্তিত্ব জীয়াই ৰাখিবলৈ তথা টনকিয়াল কৰিবলৈ বিদ্যালয়সমূহৰো বিশেষ ভূমিকা আছে। বৰ্তমান যিহেতু নতুন প্ৰজন্মৰ প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰী, তেওঁলোকে অসমীয়া সাহিত্যৰ ৰস-আস্বাদনৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হয় যেন অনুভৱ হয়। হয়তো ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ অসমীয়াৰ শব্দৰ ভঁৰাল বিশেষকৈ সাহিত্যত ব্যৱহাৰ হোৱা সচৰাচৰ কথোপকথনত ব্যৱহাৰ নোহোৱা শব্দবোৰ দুৰ্বোধ্য হোৱাৰ বাবেই হয়তো অসমীয়া সাহিত্যৰ প্ৰতি কিছু পৰিমাণে আগ্ৰহ কম। এই ক্ষেত্ৰত অসমীয়া বিষয়টোৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ আৰু ভাষাটোৰ গুৰুত্ব বঢ়াবলৈ বিদ্যালয়সমূহে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। বিশেষকৈ নিম্ন শ্ৰেণীৰ পৰাই অসমত অসমীয়া ভাষা বাধ্যতামূলক হোৱাটো আৰু চৰকাৰী-বেচৰকাৰী ক্ষেত্ৰত ইংৰাজীৰ সমানে সমানে অসমীয়া ভাষাৰো সমান প্ৰভাৱ আৰু গুৰুত্ব থকাটো প্ৰয়োজন। এনে হ'লে অসমীয়া ভাষাৰ অস্তিত্বৰ সংকটৰ প্ৰশ্ন কোনোদিন নাথাকিব।

*ফোন ঃ ৯৪৩৫৭৩৫৭৪৪*

## পুৱাৰ বাতৰি কাকতখনৰ কথাৰে



**পুৱা** অফিচলৈ যোৱাৰ আগে আগে অতবোৰ ব্যস্ততাৰ মাজতো পুৱাৰ বাতৰি কাকতখনত চকু ফুৰোৱাটো অভ্যাস। ভাল খবৰবোৰ পালে ভালেই, পিছৰ দিনটো ভালদৰেই যাব বুলি ইতিবাচক চিন্তাৰে দিনটো ভালদৰেই যায়; কিন্তু কেতিয়াবা চকু ফুৰাওঁতে এনেকুৱা হয় যে কেতিয়াও নভবা আশা নকৰা বা পাবলৈ নিবিচৰা খবৰবোৰ পালে বহু সময়লৈ মনটো বেয়া লাগি থাকে। কিছুদিন পূৰ্বে অসমৰ প্ৰায়বোৰ কাকতৰে প্ৰথম পৃষ্ঠাত প্ৰকাশিত হৈছিল যি খবৰে দুদিন ধৰি মনটোক অস্থিৰ কৰি তুলিছিল। খবৰটো এনেকুৱা আছিল— এটা এণ্ড্ৰইড ফোনৰ অভাৱত পৰি দশম শ্ৰেণীৰ এজন মেধাৱী ছাত্ৰই বিদ্যালয়ে পতা অনলাইন পদ্ধতিত অনুষ্ঠিত কৰা গোট পৰীক্ষা দিব নোৱাৰি আত্মহত্যা কৰিছিল। ফোনৰ বাবে আত্মহত্যা সেয়াও বৰ্তমানৰ সময়ত আচহুৱা যেন লাগিলেও এয়াই সঁচা আৰু অত্যন্ত দুৰ্ভাগ্যজনক ঘটনা।

কৰ'নাই আমাক বহুখিনি কথাই শিকাই যোৱাৰ লগতে এনেবোৰ দুৰ্ভাগ্যজনক ঘটনাই আমাক বহু কথাই ভাবিবলৈ বাধ্য কৰাইছে। ল'ৰাজন আছিল মেধাৱী আৰু বৰ্তমান সময়খিনি হৈছে প্ৰতিযোগিতাৰ সময়। সেয়া লাগিলে পঢ়াৰ ক্ষেত্ৰতেই হওক বা অন্য ক্ষেত্ৰতেই হওক কোনেও আজি-কালি কোনো ক্ষেত্ৰতেই পিছপৰি থাকিব নোখোজে। চৰকাৰৰ নিৰ্দেশ মানি বৰ্তমান বহু শিক্ষকে অনলাইন ক্লাছ কৰিছে, ভাল কথা। যিয়ে সোণৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰিছে সেইসকলৰ কথাই সুকীয়া; কিন্তু যাৰ ঘৰত তলাবন্ধই অমানিশা নমাইছে, পৰিয়ালৰ পোহপাল দিয়াজনৰ চকুৰ পতাৰ ভাগৰ কমাইছে, যিসকলে সাধাৰণ কিপেড ম'বাইল এটাত ফোন অহা আৰু যোৱাৰ বাদে কি স্মাৰ্টফোন, কি নেট এইবোৰ কথা একো ভাবিব নোৱাৰে, সেইসকল লোকৰ পৰিয়ালৰ শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ কোন দিশে গৈ আছে সেয়া বৰ্তমানৰ সময়ত চিন্তনীয় বিষয়।

ইমান জটিল দিনবোৰত কোনে চিন্তা কৰিব কাৰ বাবে? কাৰণ বৰ্তমানৰ সময়ছোৱাত বহুজনৰে কিবা নহয় কিবা সমস্যা। আকাশখন এবাৰলৈ হ'লেও ছুই চাবলৈ সকলোৰে মন। ঢুকি পাওকেই বা নাপাওক চেষ্টা কিন্তু সদায়েই থাকে। বৰ্তমান সময়ছোৱাত মৌলিক অধিকাৰৰ ভিতৰত অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ লগতে শিক্ষা আৰু ইণ্টাৰনেটৰ ব্যৱহাৰক যদি সুমুৱাই দিয়া যায়, তেতিয়াহ'লে চাগে ভুল লিখা নহ'ব। আৰু ইণ্টাৰনেটৰ ব্যৱহাৰ প্ৰয়োজন বুলি ভাবিয়েই চাগে সুখ্যাতিৰে মেট্ৰিক উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটাৰে উৎসাহিত কৰি ইমান বছৰে শিক্ষাৰ্থীসকলক ৰাজ্য চৰকাৰে একোটিকৈ লেপটপ প্ৰদান কৰি আহিছিল। কিন্তু যোৱা বছৰত কি কাৰণে সেয়া নাজানিম, অসমৰ ভালেকেইখন জিলাৰ শিক্ষাৰ্থীয়ে পাবলগীয়া বঁটাটো পোৱা নাই। চাগে বৰমুৰীয়াসকলে নতুন নতুন নদীৰ তলেদি পথৰ লগতে অন্যান্য আঁচনিৰ কথা ভাবোতে পুৰণি আঁচনিবোৰৰ কথা পাহৰিয়েই পেলালে; কিন্তু মেধাৱী ছাত্ৰজনৰ স্মাৰ্টফোনৰ অভাৱত পৰীক্ষা দিব নোৱাৰা বাবে আত্মহত্যাৰ গা কঁপাই যোৱা ঘটনাটোৱে বাৰে বাৰে আনন্দৰাম বৰুৱা বঁটাত দিয়া লেপটপটোলৈ মনত পৰিছে। কিজানি আছিলেই যেনিবা শিক্ষাৰ্থীজনৰ ঘৰৰে কোনোবা আনন্দ বৰুৱা বঁটা পাবলগীয়া শিক্ষাৰ্থী, যি আজিলৈ প্ৰাপ্ত বঁটাটোৰ পৰা বঞ্চিত। চৰকাৰখনে যদি সময়মতে সকলো জিলাতে বঁটাটো বিতৰণৰ ব্যৱস্থা কৰিলেহেঁতেন আজি মেধাৱী শিক্ষাৰ্থীজনে আত্মহত্যা কৰিব নিশ্চয়কৈ নালাগিলহেঁতেন।

চৰকাৰলৈ বিনম্ৰ অনুৰোধ নতুনকৈ আঁচনিৰ কথা ভবাতকৈ বা উদ্বোধন কৰাতকৈ পুৰণি আঁচনিকেইখনৰ ওপৰত অকণমান গুৰুত্ব দিয়ক।

**নয়নজ্যোতি দাস,** চেঁছামুখ, হাজো
ফোন ঃ ৮৪০২০৩৬৬২৭

## 'দুই নম্বৰ'ৰ দৌৰত শ্বাহ-যোগী

**যোৱা** ২৪ জানুৱাৰীৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'দুই নম্বৰ'ৰ দৌৰত 'শ্বাহ-যোগী' শীৰ্ষক নিবন্ধটোৰ নিৱন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই ২০২৪ত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ আসনখনৰ বাবে নৰেন্দ্ৰ মোদীৰ উত্তৰসূৰী হিচাপে কোনে দিল্লীৰ মছনদ দখল কৰিব পাৰে, সেই বিষয়ে এক বিশ্লেষণাত্মক চিন্তা দাঙি ধৰিছে।

কোনো ৰাজনৈতিক উত্থান-পতন নিৰ্ভৰ কৰে সেই দলৰ নিৰ্বাচিত চৰকাৰখনৰ কাম-কাজৰ ওপৰত। চৰকাৰখনৰ সুস্থিৰ, কাৰ্যক্ষম আৰু সফলতা নিৰ্ভৰ কৰে চৰকাৰখনৰ মুৰব্বী অৰ্থাৎ প্ৰধানমন্ত্ৰীৰ কৰ্মদক্ষতা আৰু জনপ্ৰিয়তাৰ ওপৰত। নৰেন্দ্ৰ মোদীৰ দক্ষতা আৰু জনপ্ৰিয়তাৰ বাবে বিজেপিয়ে দ্বিতীয়বাৰলৈ চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। মোদীৰ জনপ্ৰিয়তাৰ অন্তৰালত যে এজন বিশেষ ব্যক্তিৰ হাত আছে, সেই কথা অকপটে স্বীকাৰ কৰিব লাগিব। সেইজন আন কোনো নহয়, সেইজন হ'ল অমিত শ্বাহ, যাক আজিৰ ৰাজনীতিৰ 'চাণক্য' বুলি জনা যায়। মোদীৰ উত্তৰসূৰী হিচাপে প্ৰধানমন্ত্ৰীৰ দাবীদাৰ কোন হ'ব, কোনখন ৰাজ্যৰ হ'ব সেই বিষয়ে বিভিন্ন মহলত চিন্তা-চৰ্চা আৰম্ভ হৈছে।



২০২৪লৈ এতিয়াও বহুদিন বাকী আছে। এই সময়ছোৱাৰ ভিতৰত অনেক ঘটনা-পৰিঘটনাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। মকফিয়ে কৈছিল, 'এক নিমিষত, চকুৰ পচাৰত নাইবা গভীৰ নিশ্বাস পেলোৱাৰ সময় মানত কোনে জানে, তোমাৰ আৰু মোৰেই নহয়, জীৱনৰ ৰূপেই সলনি হৈ যাব পাৰে।' কবিৰ ভাষাত 'আজি যিটো ফুল ফুলি, ফুলনি ফুলাই তোলে, কাইলৈ পাহি মেলি নেহাঁহে দুনাই, সময়ৰ সোঁত বলি যায়'। বৰ্তমান বিজেপি এক সুগম পথত অৱস্থান কৰি আছে; কিন্তু ভৱিষ্যতে এই পথ সুৰক্ষিত কৰি ৰাখিবলৈ হ'লে বিজেপিৰ কাৰ্যকৰ্তাৰ কৰ্মকাণ্ড, আচাৰ-ব্যৱহাৰ, শব্দ প্ৰয়োগ আদি মাৰ্জিত হ'ব লাগিব। বিৰোধী দলৰ হাতত বিজেপিক আক্ৰমণ কৰিব পৰা অনেক বিষয় আছে। সেইবোৰ সঠিক সময়ত সঠিক স্থানত ব্যৱহাৰ কৰিলে বিজেপি শ'লঠেকত পৰিব পাৰে। সেয়ে সাগৰত ঢৌৰ সৃষ্টি কৰি বতাহ বলাৰ আগতে সুবিধাজনক স্থিতি গ্ৰহণ কৰিব লাগিব; কিন্তু বিৰোধীত ঢৌ সৃষ্টি কৰি বতাহ বলাব পৰা নেতাৰ অভাৱ।

**অভিমত**

ক্ষমতালিপ্সা, অন্তৰ্কন্দল আদি অনেক সমস্যাই বিৰোধীক এক হৈ থিয় হ'ব নোৱৰা অৱস্থা কৰিছে। সেই ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে ২০২৪ তো বিজেপিৰ ফালে বতাহ বলিব বুলি অনুমান কৰিব পাৰি। যদি বিজেপি জয়যুক্ত হয় তেনেহ'লে প্ৰধানমন্ত্ৰীৰ আসনত কোন অধিষ্ঠিত হ'ব? যোগী আদিত্যনাথ নে অমিত শ্বাহ?

অমিত শ্বাহ ৰাজনীতিৰ ক্ষেত্ৰখনত এটা উজ্জ্বল নক্ষত্ৰ, যোগী আদিত্যনাথ এটা গ্ৰহ আৰু আন এটা নক্ষত্ৰ এতিয়াও আৱিষ্কাৰ হ'বলৈ বাকী আছে। নক্ষত্ৰৰ নিজা পোহৰ আছে আৰু গ্ৰহৰ নিজা পোহৰ নাই। যোগী আদিত্যনাথ এজন হিন্দুত্ববাদী নেতা, তেওঁ আনৰ পোহৰেৰে পোহৰ বিলাই ফুৰে। অমিত শ্বাহ এজন বিচক্ষণ ৰাজনীতিবিদ। তেওঁ সকলো সমস্যা কৌশলগতভাৱে সমাধা কৰাত সিদ্ধহস্ত। গতিকে তেওঁ বিতৰ্কত নোসোমাই কৌশলগতভাৱে নিজৰ পথ মুকলি কৰি ল'ব।

নিৱন্ধকাৰ ডেকাই যি দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিছে, সেইটো নুই কৰিব নোৱাৰি; কিন্তু আন এটা দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে দেখা যায় যে প্ৰতিভা থাকিলে ঢাকনিৰে ঢাকি ৰাখিব নোৱাৰে। প্ৰতিভা থাকিলে বিকাশ হ'বই। অমিত শ্বাহ আৰু যোগী আদিত্যনাথৰ লগতে উপযুক্ত সময়ত দুই নম্বৰৰ দৌৰত আন কোনো নেতাৰ আৱিৰ্ভাৱ হোৱাৰ সম্ভাৱনাও আজিয়েই নুই কৰিব নোৱাৰি।

**জ্যোতিষ চন্দ্ৰ দত্ত**
লখিমী নগৰ, হাতীগাঁও, ফোন ঃ ৯৮৫৪০৪১৮১৫

## ভেকচিন নাই কিয়?

**যোৱা** চাৰি জানুৱাৰীত এটা বিশেষ সকামত পুৱা ১০ মান বজাত বজাৰলৈ গৈছিলো। পিছে বজাৰৰ মাজবাটতে মোক এটা কুকুৰে কামুৰিলে। মই লগে লগে ওচৰৰ ফাৰ্মাচী এখনলৈ গৈ তাত দুটা ইনজেকছন লৈ পাছত কুকুৰে কামোৰা প্ৰতিষেধক বেজিৰ বাবে পাঠশালা নগৰৰ ছহিদ মদন ৰাউতা অসামৰিক চিকিৎসালৈ যাওঁ। তাত ডাক্তৰে মোক চাই মেলি কুকুৰে কামোৰা ভেকচিন লিখি দিয়াত মই সেইটো হাস্পতালৰ ফাৰ্মাচীলৈ বিচাৰি যোৱাত ফাৰ্মাচীৰ হৰ্তাকৰ্তাগৰাকীয়ে হাস্পতালত তেনে ভেকচিন নাই বুলি কোৱাত মই হতভম্ব হৈ পৰো। কিয়নো



বৰ্তমান আমাৰ চৰকাৰে চিকিৎসাৰ নামত ৰাজ্যখনত কোটি কোটি টকা ব্যয় কৰাৰ উপৰি ৰাইজৰ চিকিৎসাৰ সুবিধাৰ্থে ৰাজ্যখনত প্ৰায় প্ৰতিখন জিলাৰ সদৰতে একোখন মেডিকেল কলেজ খোলাৰ পাছতে ৰাজ্যত এখন অসামৰিক চিকিৎসালয়ত কুকুৰে কামোৰা প্ৰতিষেধক নথকাটো নিঃসন্দেহে ই এক আশ্চৰ্যৰ বিষয় যেন লাগে। সেয়ে বিষয়টোৰ সন্দৰ্ভত উক্ত পত্ৰযোগে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বাধ্য হ'লো।

**নন্দেশ্বৰ চৌধুৰী,** পাঠশালা, বজালী
ফোন ঃ ৯৯৫৪০-৯৯৯২৯



# কামৰূপ জিলাৰ এক অভিনৱ একাডেমিক এক্সচাৰচাইজ

*কালিৰ সংখ্যাৰ পাছৰ পৰা*

**শিক্ষাৰ** জগতখন যে অনুক্ৰমে সংকুচিত হ'বলৈ আৰম্ভ কৰিছে, সেই কথা প্ৰতিগৰাকী চিন্তাশীল ব্যক্তিয়েই অনুভৱ কৰে। কেৱল চিন্তাশীল ব্যক্তিসকলৰেই যে এনে অনুভৱ সেইটো নহয়। প্ৰতিগৰাকী অভিভাৱকৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মনতো এক গভীৰ চিন্তা, গভীৰ বেদনাবোধ। সকলোৰেই মনত এটাই প্ৰশ্ন— জাতিটোৰ ভৱিষ্যৎ কি? আমাৰ শিক্ষা ব্যৱস্থাৰ ভৱিষ্যৎ কি?

ইতিমধ্যে নতুন শিক্ষানীতি ২০২০ আমাৰ শিক্ষা ক্ষেত্ৰখনত অনিবাৰ্যভাৱে সোমাই পৰিছে। নতুন শিক্ষানীতিয়ে আমাৰ শিক্ষাৰ ক্ষেত্ৰখনলৈ যে ব্যাপক পৰিৱৰ্তন আনিব সেইটো নিশ্চিত। নতুন শিক্ষানীতিক আমি কেনেদৰে প্ৰয়োগ কৰো, সেইটোৰ ওপৰতেই নিৰ্ভৰ কৰিব নতুন শিক্ষানীতিৰো সাৰ্থকতা। এই ক্ষেত্ৰত এটা কথা নিশ্চিতভাৱে ক'বই পাৰি যে শিক্ষা বিভাগৰ লগতে শিক্ষানুষ্ঠানসমূহেও নিজস্বভাৱে কিছু পৰীক্ষামূলক উদ্যোগ ল'ব লাগিব। এনে উদ্যোগক আমি Best Practice বুলি ক'ব পাৰো। এতিয়া অনেক শিক্ষানুষ্ঠানে নিজ নিজ সামৰ্থ অনুযায়ী কিছু Innovatice Practice কৰিবলৈ মন মেলিছে। প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষানুষ্ঠানসমূহে এনে পৰীক্ষামূলক কাম-কাজত মনোনিৱেশ কৰিবলৈ আৰম্ভ কৰিছে।

আমাৰ শিক্ষানুষ্ঠানবোৰ যে বহি আছে তেনেও নহয়। অৱশ্যে চৰকাৰী বিভাগবোৰৰ পৰাও উদ্‌গনিমূলক প্ৰচেষ্টা লাগিব। কামৰূপ জিলাৰ স্কুল পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ এটা এনে কামে আমাক যথেষ্ট আনন্দ দিছে। কামৰূপ জিলাখনৰ বিদ্যালয়বোৰক একোখনকৈ হাতে লিখা আলোচনী প্ৰস্তুত কৰিবলৈ দিয়া হ'ল। এইদৰে তেওঁ ১২৫১ খন বিদ্যালয়ৰ পৰা হাতে লিখা আলোচনী একোখন প্ৰস্তুত কৰিলে। এনে কাম প্ৰশংসাৰ যোগ্য।

আজি-কালি বিদ্যালয়বোৰত আলোচনীৰ নামত কোনো পুঁজি নাথাকে। ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ পৰা আলোচনীৰ নামত মাচুল লোৱাৰ পূৰ্বৰ নিয়মবোৰ এতিয়া নাই। অৰ্থাৎ, বিদ্যালয়বোৰত আলোচনী প্ৰকাশৰ নিত্য-নৈমিত্তিক পৰম্পৰাৰ যৱনিকা পৰাটোৱেই বাস্তৱ

**দয়ানন্দ পাঠক**

কথা হৈ পৰিছে। আনকি কলেজবোৰতো একেখন ছবি। কলেজবোৰতো আলোচনীৰ শিতানত কোনো মাচুল লোৱাৰ পুৰণি পৰম্পৰাৰো প্ৰায় অৱসান ঘটিছে। এতেকে আলোচনী প্ৰকাশৰ কথাবোৰো তল পৰিছে। পূৰ্বতে একোখন আলোচনীৰ বাবেই একোখন কলেজ জনাজাত আছিল। তেনে আলোচনীবোৰ সংৰক্ষণো কৰা হৈছিল। এতিয়া সেইবোৰ পুৰণি কথা। সেইবোৰ কথা ক'বলৈ হ'লে একোখন মহাভাৰতেই হ'ব।

এনে প্ৰেক্ষিততেই কামৰূপ জিলাৰ প্ৰায় ১২৫০ খন বিদ্যালয়ে হাতে লিখা আলোচনী প্ৰস্তুত কৰি স্কুল পৰিদৰ্শকৰ কাৰ্যালয়ত জমা দিলে। এনে কাম স্কুল পৰিদৰ্শকগৰাকীৰ উদ্যোগ অবিহনে কেতিয়াও সম্ভৱ নহ'লহেঁতেন। ক'বলৈ গ'লে নতুন শিক্ষানীতিৰ সঠিক ৰূপায়ণৰ ক্ষেত্ৰত স্কুল কৰ্তৃপক্ষৰ লগতে সমান্তৰালভাৱে চৰকাৰী শিক্ষা বিভাগবোৰতো 'ইনেভেটিভ আইডিয়া' থকা বিষয়াও লাগিব।

যোৱা ২৪ জানুৱাৰীত কামৰূপ জিলাৰ উপায়ুক্তৰ প্ৰশাসনীয় ভৱনত এখন বিশেষ সভাত যোগদান কৰাৰ সুবিধা পালো। সভাখনত জিলাখনৰ ১২৫১ খন বিদ্যালয়ে ১২৫১ খন হাতে লিখা আলোচনীৰ এখন আনুষ্ঠানিক প্ৰদৰ্শনী অনুষ্ঠিত কৰিলে। প্ৰতিখন বিদ্যালয়ে নিজৰ নিজৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা হাতে লিখা আলোচনী এখন প্ৰদৰ্শনী মেলা অনুষ্ঠিত কৰি এক অভিলেখ স্থাপন কৰিলে। বিদ্যালয়সমূহৰ ভিতৰত বুনিয়াদী, মাধ্যমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়সমূহৰ মাজত এক প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হ'ল। তেওঁলোকক বঁটা প্ৰদান কৰাও হ'ল। এনেবোৰ ক্ষেত্ৰত প্ৰতিখন বিদ্যালয়কে হাতে লিখা আলোচনীখনৰ বাবে একোখন Appreciation Certificateতো উপায়ুক্তৰ পৰা দিয়াৰ ব্যৱস্থাও হ'ল। লগতে হাতে লিখা আলোচনীসমূহ বন্ধাই স্কুল পৰিদৰ্শকৰ কাৰ্যালয়ত সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থাও গৃহীত হ'ল।

এগৰাকী ছাত্ৰ বা ছাত্ৰী যেতিয়া আমাৰ দৰে বয়সীয়াল হ'ব, তেতিয়া তেওঁৰ বাবে নিজৰ হাতেৰে লিখা আলোচনীখনৰ মূল্য কিমান বাঢ়িব, সেই কথা কল্পনাও কৰিব নোৱাৰি। হাতে লিখা আলোচনী এখনৰ মূল্য তেনে পৰ্যায়তো নিহিত থাকিব।

হাতে লিখা আলোচনীৰ জন্ম আমাৰ কটন কলেজতেই হৈছিল। ১৯০৭ত কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে 'সেউতী' নামেৰে এখন হাতে লিখা আলোচনী উলিয়াইছিল। তাৰ পাছতো কে'বাবছৰো এনে আলোচনীৰ প্ৰকাশ অব্যাহত থাকিল। মুদ্ৰণ যন্ত্ৰৰ আগমনৰ লগে লগে হাতে লিখা আলোচনীৰ প্ৰকাশ অনুক্ৰমে স্তব্ধ হৈ গ'ল। সেই আলোচনীবোৰ কটন কলেজৰ (এতিয়া বিশ্ববিদ্যালয়) গ্ৰন্থাগাৰত উপলব্ধ হ'বনে? আমি তেনে আলোচনীবোৰক সুৰক্ষিত আৰু সংৰক্ষিত কৰি ৰাখিব পাৰিছোনে? তেনে আলোচনী এখন চাব পৰা হ'লে মনত কিমান আনন্দ পালোহেঁতেন।


মুদ্ৰিত আলোচনীত এনে আৱেগ জড়িত নাথাকে। কাৰণ এনে আলোচনীত মই নিজে হাতেৰে লিখা আখৰখিনি নাথাকে।

আমি প্ৰতিখন বিদ্যালয়ৰ লগতে স্কুল কৰ্তৃপক্ষৰ কাৰ্যালয়তো একোখন সংগ্ৰহশালা ৰখাৰ ব্যৱস্থা হোৱাটো বিচাৰো। এনে এটি ব্যৱস্থা হ'লে আমাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত লিখাৰ প্ৰতি এক বিশেষ অনুৰাগ জাগ্ৰত হ'ব, সেইটো নিশ্চিত। তেনে সংগ্ৰহশালাত আমাৰ আৱেগ-অনুভূতিও সংৰক্ষিত হৈ থাকিব।


ফোন ঃ ৯৮৫৪০৫০৯৪৭


# অসম সাহিত্য সভাৰ ইতিহাস

## পুৰণিচাম লোকৰহে অসম সাহিত্য সভা



**অৱলোকন**

**ড° গোৱিন্দ প্ৰসাদ শৰ্মা**

**অসম সাহিত্য সভাই এসময়ত এটা বৰ গুৰুত্বপূৰ্ণ কাম হাতত লৈছিল—অসমীয়া সাহিত্যক এক গ্ৰন্থগঞ্জী প্ৰণয়ন আৰু অসমীয়া গ্ৰন্থৰ সংৰণৰ বাবে এক জাতীয় গ্ৰন্থালয়। কাকতত সেই মৰ্মে জাননীও প্ৰকাশ হোৱা দেখিছিলো। প্ৰতিজন লেখকে নিজৰ নিজৰ প্ৰকাশিত গ্ৰন্থৰ গ্ৰন্থপঞ্জী একোখন সাহিত্য সভাৰ যোৰহাট কাৰ্যালয়লৈ প্ৰেৰণ কৰক। লগতে গ্ৰন্থৰ একোটা কপিও। ইয়াৰ পৰাই অসমীয়া গ্ৰন্থৰ গ্ৰন্থাগাৰ এটা আৰু গ্ৰন্থপঞ্জী এখন গঢ়ি উঠিব**

দুই

**তেতিয়ালৈ** অসম সাহিত্য সভা পুৰণি ধ্যান-ধাৰণাৰ বয়সস্থ লোকৰহে মিলনভূমি আছিল। তেনে লোকৰহে তাত আধিপত্যও আছিল। যতীন্দ্ৰ নাথ দুৱৰাৰ সভাপতিত্বত ১৯৫৫ৰ গুৱাহাটী অধিবেশন। গুৱাহাটীৰ কুকুৰমুতাত (সেই সময়ৰে পৰা তাৰ নাম হয় হেদায়ৎপুৰ) পাছত ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ ওখ-ডাঙৰ বিল্ডিংটো উঠা ঠাইডোখৰতে তেতিয়াৰ দিনৰ অসম সাহিত্য সভা অধিবেশন। হাইস্কুলীয়া ছাত্ৰ হিচাপে হাফ- পেণ্ট পিন্ধি সাহিত্য সভাৰ অধিবেশন চাবলৈ আমিও আহিছো। দুৱৰাই লিখিত অভিভাষণ পাঠ কৰি আছে। একাষে থিয় হৈ এজন ছুটপেণ্ট-টাই পৰিহিত ডেকা। লগৰ কলেজীয়া ডেকা ল'ৰাই সেইপিনে আঙুলি টোঁৱাই আমাক ক'লে সেয়া কটন কলেজৰ ইংৰাজীৰ অধ্যাপক মহেন্দ্ৰ বৰা। কবি, সমালোচক হিচাপে তেওঁক বেছ জানো। গতিকে দেখি সন্তুষ্ট হ'লো। তেওঁ থিয় হৈয়েই দুৱৰাৰ ভাষণ শুনি আছে। দুৱৰাই অভিভাষণত সাহিত্যত বিদেশী প্ৰভাৱৰ বিপক্ষে সাৱধানবাণী শুনাইছে। তাৰ পাছতে ওলোৱা 'ৰামধেনু'ত দেখিলো এটা প্ৰবন্ধ লেখক মহেন্দ্ৰ বৰা। সভাপতি দুৱৰাৰ অভিভাষণৰ বিৰুদ্ধে এটা চোকা সমালোচনা ঃ দুৱৰাই নিজে ইউৰোপীয় সাহিত্যৰ পৰা কথা-কবিতাৰ শাখাটো অসমীয়ালৈ আমদানি কৰিছে। এতিয়া যদি তেওঁ সাহিত্যত বিদেশী প্ৰভাৱ বেয়া বুলি কয়, তেন্তে তেওঁ তেওঁৰ এই অভিভাষণ সেৰৰ ভাওত চেনিৰ দোকানত বেচি দিয়ক। তেতিয়াৰ সাহিত্য সভাপ্ৰেমী আমি ল'ৰাহঁতে কথাটোক তাতেই অন্ত পৰিল বুলি ভাবিছিলো। পিছে এতিয়া ড° বসন্ত কুমাৰ গোস্বামীৰ 'অসম সাহিত্য সভাৰ ইতিহাস'ৰ পৰাহে জানিলো, অসম সাহিত্য সভাই মহেন্দ্ৰ বৰাৰ বিপক্ষে এই লেখাটোৰ বাবে মোকৰ্দমা তৰাৰ ব্যৱস্থা কৰিছিল। কিন্তু ভদ্ৰ, শান্ত, কোমলমনা, 'জেতুকাপাতৰ দৰে' হিয়াৰ সভাপতি দুৱৰাই তেনে কাম কৰাৰ পৰা তেওঁৰ নেতৃত্বৰ সভাক বাৰণ কৰিলে। তেওঁ লিখিতভাৱে সভাক জনালে, 'অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে মোৰ সন্মানাৰ্থে আইনৰ আশ্ৰয় ল'ব খোজাত মই সমিতিৰ শলাগ লৈছো; কিন্তু কাৰো বিৰুদ্ধে মোৰ নিজা অভিযোগ একোৱে নাই। কোনোবাই যদি কিবা সন্মান হানিকৰ (?) কথাও লিখিছে সেই বাবেও মোৰ দুখ নাই। তেওঁলোকক মই এতিয়াও আগৰদৰেই বন্ধুত্বৰ মাজেদিয়ে নিজৰ কৰি ল'ব বিচাৰো। আমাৰ ভ্ৰাতৃস্থানীয় এদল সাহিত্যিকৰ বিৰুদ্ধে আইনৰ আশ্ৰয় লৈ নিজৰ ভিতৰতে তিক্ততাৰ সৃষ্টি কৰাৰ মই পক্ষপাতী নহওঁ।.. মই বিচাৰো অসমীয়াৰ আৰু অসমীয়া ভাষাৰ উন্নতি।' 'ইতিহাস', দ্বিতীয় খণ্ড, পৃঃ ৩৯) কেনে মহান হ'ব পাৰে এনে এজন সাহিত্যিক! কেনে গভীৰ তেওঁৰ ভাষা-সাহিত্য-জাতিপ্ৰেম! অথচ তাৰ বিপৰীতে আজিকালিৰ সাহিত্য সভাত কত যে মোকৰ্দমা ব্যক্তিৰ বিপক্ষে, ব্যক্তি গোটৰ বিপক্ষে, আনকি সাহিত্য সভাৰে শাখা গোটাদিয়েকৰ বিৰুদ্ধেও! ইমানবোৰ মোকৰ্দমাৰ বাবে আমাৰ এই জাতীয় অনুষ্ঠানটোলৈ ধন আহে ক'ৰ পৰা?

অসম সাহিত্য সভাই এসময়ত এটা বৰ গুৰুত্বপূৰ্ণ কাম হাতত লৈছিল—অসমীয়া সাহিত্যক এক গ্ৰন্থপঞ্জী প্ৰণয়ন আৰু অসমীয়া গ্ৰন্থৰ সংৰক্ষণৰ বাবে এক জাতীয় গ্ৰন্থালয়। কাকতত সেই মৰ্মে জাননীও প্ৰকাশ হোৱা দেখিছিলো। প্ৰতিজন লেখকে নিজৰ নিজৰ প্ৰকাশিত গ্ৰন্থৰ গ্ৰন্থপঞ্জী একোখন সাহিত্য সভাৰ যোৰহাট কাৰ্যালয়লৈ প্ৰেৰণ কৰক। লগতে গ্ৰন্থৰ একোটা কপিও। ইয়াৰ পৰাই অসমীয়া গ্ৰন্থৰ গ্ৰন্থাগাৰ এটা আৰু গ্ৰন্থপঞ্জী এখন গঢ়ি উঠিব। তেতিয়া আমি নতুন ডেকা লেখক— 'মন্দকবি যশ প্ৰাৰ্থী' গতিকে এনে এটা উদ্যোগত উৎসাহিত হৈ তেতিয়ালৈ প্ৰকাশিত হোৱা আমাৰ গ্ৰন্থৰ তিনিখনৰ পঞ্জী এখন কৰি তাৰ লগত গ্ৰন্থ তিনিখনৰ কপি একোটাও যোৰহাটলৈ পঠিয়াই দিলো। ভাবি সন্তুষ্টি লভিলো—এতিয়া আৰু সাহিত্যিক হিচাপে অজৰ-অমৰ হৈ থাকিব পাৰিম। কিন্তু কি আচৰিত! এবাৰ সাহিত্য সভাৰে এটা অনুষ্ঠানলৈ নিমন্ত্ৰণ পাই যোৰহাটৰে চন্দ্ৰকান্ত সন্দিকৈ ভৱনত উঠিলোগৈ। পিছে তাত গৈ দেখো আমাৰ দ্বাৰা প্ৰেৰিত আৰু অন্যৰো তেনে উদ্দেশ্যত পঠিওৱা কোনো গ্ৰন্থই দেখোন তাত সংৰক্ষিত হৈ থকা নাই! ক'ৰবাত মজিয়াতে বা চুকে-কোণে গ্ৰন্থবোৰ দ'ম কৰি থোৱা আছে নেকি বুলি ঘৰটোৰ সকলো পিনে পিট পিটকৈ চাই ফুৰিলো। নাই, ক'তো তেনে গ্ৰন্থৰ দম অনাদৃত হৈ পৰি থকাও নেদেখিলো। তাৰ কৰ্মচাৰী বিষয়াসকলক সেই উদ্দেশ্যত অহা গ্ৰন্থবোৰ ক'ত ৰখা হৈছে সুধিলো। সকলোৱে উত্তৰ দিয়াৰ সলনি বিব্ৰত হৈ ৰয়হে মাথোন। এতিয়া সেই উদ্যোগটোৰ কি হ'ল সেই কথা ড° গোস্বামীৰ ইতিহাসত সঠিকৰূপে পাম বুলি ভাবিছিলো। পিছে এই 'ইতিহাস'তো দেখোন তাৰ সামান্যতম উল্লেখো নাই!

আচলতে সাহিত্য সভাৰ এই ইতিহাসৰ তথ্যবোৰ অকল সাহিত্য সভাৰ কাৰ্যালয়ত প্ৰাপ্ত কাগজ-পত্ৰ, নথিবোৰৰ পৰাইহে লোৱা হৈছে বাবেই নিশ্চয় এনে হৈছে। মোৰ উপৰোক্ত আশাভংগৰ ঘটনাটো এখন চিঠিৰ আকাৰত 'অসমবাণী' কাকতৰ 'সম্পাদকলৈ চিঠি'ৰ শিতানতো তেতিয়া প্ৰকাশ কৰিছিলো। ইতিহাস প্ৰণেতা ড° গোস্বামীয়ে সাহিত্য সভাৰ সমল বাহিৰৰ কাকত-আলোচনীতো যে বিচৰা নাছিল, ই তাৰেই সাক্ষ্য। পিছে কোনো ইতিহাসৰে সমল অকল এঠাইত থুপ খাই নাথাকে। জৱাহৰলাল নেহৰুৱে তেওঁৰ জীয়ৰী ইন্দু বা ইন্দিৰাক কোৱাৰ দৰে— নৈৰ বুকুৰেদি বৈ অহা শিলগুটিয়েও ইতিহাসৰ কথা কয়।

আনপিনে ড° গোস্বামীৰ 'ইতিহাসে' কেতবোৰ দেখাত সৰু কিন্তু গুৰুত্বপূৰ্ণ ঐতিহাসিক কথাও ধৰি ৰাখিছে। কেতিয়াৰ পৰা ব্ৰিটিছৰ দিনীয়া 'আসাম' 'অসম' হ'ল ? পূৰ্বৰ 'আসাম সাহিত্য সভা' কেতিয়াৰ পৰা 'অসম সাহিত্য সভা' হ'ল? এইবোৰ কথালৈও অতি উচিতভাৱেই ড° গোস্বামী কৈছে। ১৯৩৪ত 'আসাম সাহিত্য সভা'ই 'আসাম'ৰ ঠাইত 'অসম' লিখিব বা বুলিব লাগে বুলি এটা প্ৰস্তাৱ লৈছিল হেনো। কিন্তু এই গ্ৰন্থত তুলি দিয়া ফটো মুদ্ৰিত পৃষ্ঠাবোৰৰ আটাইবোৰ মুদ্ৰিত ৰূপত ইয়াত স্থান নোপোৱাত সঠিক কোন চনৰ পৰা সাহিত্য সভাৰ পেডত 'আসাম সাহিত্য সভা'ৰ ঠাইত 'অসম সাহিত্য সভা' হ'ল আমি জানিব নোৱাৰিলো। আকৌ 'আসাম সাহিত্য সভা, যেতিয়া 'অসম সাহিত্য সভা' হ'ল, তেতিয়া তাৰ ইংৰাজী লিপ্যন্তৰ কি হ'ব? ঐতিহাসিক কৰুণানন্দ দত্তই তেওঁৰ ইংৰাজীত লিখিত সাহিত্য সভাৰ ইতিহাসত ব্যৱহাৰ কৰিছে Asom–The Asom Sahitya Sabha–A Brief History (1953) পিছে ড° মহেশ্বৰ নেওগে লিখিছে Asam. যেনে তেওঁৰ Annals of Asam Sahitya Sabha (1976) অসম সাহিত্য সভাই ১৯৪৪-৪৫ত Assam নামটো Asam বুলি লিখিবলৈ ভাৰত চৰকাৰক অনুৰোধ জনাইছিল বুলিও আমি ড° গোস্বামীক গ্ৰন্থখনৰ পৰা জানিব পাৰো। কিন্তু ভাৰত চৰকাৰে বোধহয় সাহিত্য সভাৰ এই প্ৰস্তাৱলৈ কাণসাৰ নিদিলে। ড° গোস্বামীও এই বিষয়ত নিমাত।

ক্ৰমশঃ


*ফোন ঃ ৯৮৫৪০৩১৬৭৬*


# শেহতীয়া অসম গ্ৰন্থমেলা আৰু ভৱিষ্যত

**গ্ৰন্থৰ সংখ্যা বঢ়োৱাৰ স্বাৰ্থত বহুত প্ৰকাশকে প্ৰুফে ভালকৈ নাচায় বাবে ভাষাৰ দুৰ্ব্যৱহাৰৰ লগতে উল্লিখিত তথ্যসমূহ বহুত ভুল থাকি যায়। কিছুমান অসাহিত্যিক বিষয় আৰু ভাষাবোৰক সাহিত্যৰ ৰূপ দিবলৈ প্ৰচেষ্টা কৰি বহু গ্ৰন্থ প্ৰকাশ হৈছে আৰু বিক্ৰীও অভিলেখ সংখ্যক হৈছে। অসমীয়া গুণগত সাহিত্য বা গ্ৰন্থ বিকাশৰ ক্ষেত্ৰত ই শুভ লক্ষণ নহয়। সেয়ে গ্ৰন্থ প্ৰকাশৰ পূৰ্বে বিষয় আৰু গ্ৰহণযোগ্য ভাষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে গ্ৰন্থৰ গুণগত দিশ অক্ষুণ্ণ থাকে বুলি প্ৰকাশ কৰে**

**ড° জাকিৰুল আলম**

**২০২১ৰ** ২৯ ডিচেম্বৰৰ পৰা ২০২২ৰ ন জানুৱাৰীলৈ গুৱাহাটী, চান্দমাৰি অসম ইঞ্জিনিয়াৰিং প্ৰতিষ্ঠান খেলপথাৰত যৌথভাৱে অসম চৰকাৰৰ, অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু গ্ৰন্থ বিক্ৰেতা সন্থাৰ দ্বাৰা আয়োজিত গ্ৰন্থ মেলাত পূৰ্বৰ প্ৰত্যেক বছৰৰ দৰে এইবাৰো প্ৰত্যেকদিন গ্ৰন্থমেলাৰ বাকৰিত থাকি বিভিন্ন দেশৰ গ্ৰন্থৰ গন্ধ আৰু সোৱাদ লৈ থকাৰ সৌভাগ্য হৈছিল। তাৰ বাবে বহুতো কাম বিসৰ্জন দি সময় মিলাই লোৱা হৈছিল। ২০০৬ৰ পৰাই গুৱাহাটী গ্ৰন্থমেলাতে নতুন বছৰ দিনা (৩১ ডিচেম্বৰ আৰু ১ জানুৱাৰী) গ্ৰন্থ সুবাসৰ দ্বাৰাই উদ্‌যাপন কৰি অহা হৈছে। এইবাৰো ব্যতিক্ৰম নহ'ল।


উল্লেখনীয়ভাৱে এইবাৰ বাংলাদেশৰ কে'বাখনমান গ্ৰন্থ প্ৰকাশক আৰু বিপণীৰ লগতে পশ্চিমবংগ, দিল্লী, হাৰিয়ানা আদিৰ পৰা বহুকেইজন উল্লেখনীয় গ্ৰন্থ প্ৰকাশকে যোগদান কৰিলে। আশা প্ৰদ ৰূপে অসমৰ পুৰণি প্ৰকাশকৰ লগতে নতুন প্ৰকাশকৰ উদ্যামে অসমীয়া গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত এক মাত্ৰা আনিছে। নৱ প্ৰজন্মৰ লেখক-লেখিকাসকলৰ বিভিন্ন দিশৰ সাহিত্যৰ গ্ৰন্থ প্ৰকাশে অসমীয়া জাতিৰ প্ৰতি শুভৰ্বাতা কঢ়িয়াইছে। এই বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ বিকাশৰ চৰম যুগত বৈদ্যুতিন মাধ্যম আৰু ডিজিটেল মাধ্যমৰ পৰিৱেশত নৱ প্ৰজন্মই ছপা মাধ্যমৰ দ্বাৰা সাহিত্য চৰ্চাৰ দ্বাৰা ইয়াৰ অস্তিত্ব বাহাল ৰখাৰ লগতে অসমীয়া জাতিৰ স্বকীয়তাৰ আত্মৰক্ষা কৰাৰ প্ৰচেষ্টা। খুবেই প্ৰশংসনীয়।

বাংলাদেশ, পশ্চিমবংগ, দিল্লী, হাৰিয়ানা আদিৰ পৰা গুৱাহাটী গ্ৰন্থমেলালৈ দীৰ্ঘসময় ধৰি অংশগ্ৰহণ কৰি অহা বিশিষ্ট প্ৰকাশক আৰু গ্ৰন্থ বিক্ৰেতাসকলক আমি ব্যক্তিগতভাৱে সাক্ষাৎকাৰ লৈছিলো বিশেষ কিছুমান প্ৰশ্নক লৈ। প্ৰায়বোৰে আশা কৰা ধৰণে তেওঁলোকৰ মুখ্যতঃ বাংলা, হিন্দী আৰু ইংৰাজী ভাষাৰ গ্ৰন্থসমূহ বিক্ৰী হৈছে। কিন্তু তাৰে কেইজনমান ইমান সন্তুষ্ট নাছিল যদিও গড় হিচাপত বিক্ৰী ভাল হোৱা বাবে ইমান অসন্তুষ্টও নাছিল। তাৰ কেইটামান ব্যাখ্যা তেওঁলোকৰ পৰা শুনি আচৰিত হোৱাৰ লগতে শুকাই থকা মনটো ভাল লাগি গ'ল।

প্ৰথম কাৰণ পূৰ্বতে অসমীয়া ভাষাত বিভিন্ন দিশ সামৰি উপযুক্ত গ্ৰন্থ নথকা বাবে সাধাৰণ পঢ়ুৱৈসকলৰ লগতে আনুষ্ঠানিক শিক্ষাৰ লগত জড়িত পঢ়ুৱৈ সকলেও বাংলা ভাষা আৰু অসমীয়া ভাষাৰ মিল থকা বাবে বাংলা ভাষাৰ গ্ৰন্থসমূহ ক্ৰয় কৰিছিল, সেয়ে অসমীয়া গ্ৰন্থতকৈ বাংলা গ্ৰন্থ বেছি বিক্ৰী হৈছিল। এই কথাটো আমি সহজে বুজি উঠিছিলো কিয়নো ২০০৬ৰ পৰা আমি নিজে উক্ত গ্ৰন্থমেলাৰ পৰা আন হিন্দী, ইংৰাজী, অসমীয়াৰ লগতে বেছিকৈ বাংলা গ্ৰন্থ ক্ৰয় কৰি পঢ়িছিলো। যদিও আমাৰ ভাষা মাধ্যম প্ৰাথমিকৰ পৰা মহাবিদ্যালয়লৈকে অসমীয়া মাধ্যম, আৰু শিৱসাগৰীয়া হোৱা বাবে বাংলা ক'বলৈ আৰু শিকা পৰিৱেশ নাছিল বাবে লিখিব আৰু ক'ব নোৱাৰো, কিন্তু প্ৰাথমিক পৰ্যায়ৰ পৰা অসমীয়াত প্ৰয়োজন হোৱা উপযুক্ত গ্ৰন্থ নথকা বাবে বাংলা পঢ়িবলৈ বাধ্য হৈছিলো। ঘৰৰ ওচৰত হিন্দু বেংগলী সম্প্ৰদায়ৰ গাঁও আছে যাৰ লগত আমাৰ প্ৰায় ঘৰুৱা সম্পৰ্ক আছিল; কিন্তু সকলোৰে লগত অসমীয়া মাধ্যম আৰু তেওঁলোকেও ইয়াক প্ৰাধান্য দিয়ে কাৰণে আমি আজিলৈকে উচ্চাৰণ শিকাৰ সৌভাগ্য নহ'ল কিন্তু আমাৰ ঘৰত প্ৰায় দুহেজাৰ মান গ্ৰন্থ বাংলা মাধ্যমৰ আছে। তাৰে আধাখিনি আমাৰ আব্বা মাইয়ে ৬০ পৰা ৯০ দশকৰ মাজত সংগ্ৰহ কৰা । সেয়ে উক্ত অভিজ্ঞতাৰ পৰা বুজি উঠিছিলো যে আমি উজনিৰ মানুহখিনিয়ে যদি বাংলা গ্ৰন্থ পঢ়িবলৈ বাধ্য হৈছিলো তেনে ক্ষেত্ৰত বৰাক উপত্যকা আৰু নামনি অসমৰ বাংলাভাষীসকলে নিশ্চয় সম্পূৰ্ণকৈ এই বাংলা গ্ৰন্থৰ ওপৰত নিৰ্ভৰশীল আছিল। এই কথা শেহতীয়াকৈ উপলব্ধি কৰিলো যে অসমৰ গ্ৰন্থ বজাৰখন পশ্চিমবংগৰ বাংলা প্ৰকাশক আৰু গ্ৰন্থ বিক্ৰেতাসকলে একছত্ৰী সম্ৰাট হিচাপে প্ৰায় এক দশকৰ পূৰ্বৰ লৈকে আছিল। বজাৰখনৰ এটা বৃহৎ অংশ তেওঁলোকেই দখল কৰিবলৈ সক্ষম হৈছিল। সাক্ষাৎকাৰত বিষণ্ণ মনেৰে ক'লে যে বিক্ৰী ভাল হ'লেও পূৰ্বৰ দৰে অভূতপূৰ্ব বা অভিলেখ সংখ্যক বিক্ৰী অসমীয়া পাঠকৰ পৰা সঁহাৰি পোৱা নাই। তাৰ কাৰণ সোধাত স্পষ্টকৈ বিশ্লেষণ কৰিলে যে শেহতীয়া এটা দশকৰ ভিতৰত ক্ৰমান্বয়ে অসমীয়া গ্ৰন্থসমূহ সকলোদিশৰ চাহিদা সাঙুৰি প্ৰকাশ কৰি অহা বাবে একে বিষয়ত বাংলাতকৈ অসমীয়া গ্ৰন্থক পাঠকে গুৰুত্ব প্ৰদান কৰি আহিছে। কিন্তু সাহিত্যৰ ক্ষেত্ৰত দুয়োটা ভাষাৰ গ্ৰন্থৰ স্বকীয়তা আছে। আৰু বাংলা সাহিত্য গ্ৰন্থৰ এতিয়াও নিজস্ব জনপ্ৰিয়তা আছে।

দ্বিতীয় কাৰণ অসমীয়া পাঠক ক্ৰমান্বয়ে সচেতন হৈ পৰিছে আৰু পূৰ্বৰ দৰে নতুন কিবা দেখিয়ে গ্ৰন্থ ক্ৰয় কৰা মানসিকতাৰ পৰিৱৰ্তে গ্ৰন্থৰ বিষয়বস্তুৰ প্ৰতি নিৰ্বাচনধৰ্মী মানসিকতা গঢ়ি উঠিছে যিয়ে পাঠকৰ পৰিপক্কতাক সূচাইছে। চকুৰ সম্মুখত গ্ৰন্থ এখন পাই অলাগতিয়াল বিষয়বস্তু পঢ়িলে এক উদ্দেশ্যহীনভাৱে পঢ়া হয়, কিন্তু বিষয়বস্তু চাহিদা অনুসৰি পঢ়িলে তেনে গ্ৰন্থ উপযোগী হৈ পৰে। গ্ৰন্থক উপযোগী কৰি তুলিব পৰাটো গ্ৰন্থৰ সামৰ্থকতাক সূচায়। কিন্তু আমাৰ পৰ্যবেক্ষণত পাঠকৰ জাতীয়তাবাদী মানসিকতা ক্ৰমান্বয়ে বৃদ্ধি পৰিলক্ষিত হোৱা বাবে অসমীয়া ভাষাৰ গ্ৰন্থৰ প্ৰতি মৰম ভাব বৃদ্ধি হৈছে। আমি যদি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰো তেনেহ'লে এই কথাও পৰিলক্ষিত হয় যে সততে সংবাদ মাধ্যমত স্থান দখল কৰা জাতিগত সংঘৰ্ষই অসমীয়া ভাষী, বাংলাভাষী, হিন্দীভাষী আদিৰ মাজত হোৱা সংঘৰ্ষই অসমীয়া পঢ়ুৱৈক অলপ হ'লেও সংৰক্ষণশীল মনোভাৱলৈ ৰূপান্তৰ কৰিছে। আনদিশত ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়া হ'লেও কিন্তু নিজৰ ভাষা-সাহিত্য ৰক্ষা কৰাৰ ক্ষেত্ৰত ই ইন্ধন যোগাইছে। বিশেষকৈ নৱপ্ৰজন্মৰ মাজত এই অহংভাবটো সোমাই পৰা বাবে ই এটা শুভ লক্ষণ বুলি ক'ব পাৰিব। এনে পৰিৱেশৰ বাবে দপ্‌দপাই থকা পুৰণি বাংলা প্ৰকাশকসকল কিছু বিষণ্ণ হৈ পৰিছে।

তৃতীয় কাৰণ- বাংলা বা হিন্দী গ্ৰন্থৰ প্ৰকাশকসকল বিশ্বৰ উৎকৃষ্ট সাহিত্যসমূহ অনুবাদ কৰি পাঠক সকলক সোৱাদ দিয়াৰ লগতে আকৰ্ষিত কৰি আহিছে। ইংৰাজী সাহিত্যৰ গ্ৰন্থ বৰ্তমানও একাংশ মুষ্টিমেয় পঢ়ুৱৈৰ বাবে বাকীসকলক আকৰ্ষিত কৰিবলৈ অক্ষম। বাংলা ভাষা অসমীয়া ভাষাৰ লগত প্ৰায়ে মিলে আৰু হিন্দী ভাষা ৰাষ্ট্ৰীয় ভাষা হিচাপে প্ৰতিটো ৰাষ্ট্ৰীয় গণমাধ্যত হিন্দী ভাষা ব্যৱহাৰ কৰা হয় বাবে এই




দুয়োটা ভাষা বুজিব আৰু পঢ়িবলৈ সহজ হৈ পৰে যদিও কোৱা আৰু লিখাৰ বাবে কষ্টকৰ হৈ পৰে। তাৰ তুলনাত ইংৰাজী ভাষা ব্যৱহাৰ নহয় কাৰণে বুজা, কোৱা, লিখা আৰু পঢ়া সকলোতে অসুবিধা হয় বাবে পাঠ্যপুথিৰ বাহিৰে বাকী সাহিত্য চৰ্চাত অসমীয়া পাঠকক আকৰ্ষিত কৰিব নোৱাৰে। সেয়ে অসমত এই বাংলা আৰু হিন্দীত অনূদিত গ্ৰন্থসমূহে এখন বজাৰ দখল কৰিবলৈ সক্ষম হৈছিল। কিন্তু শেহতীয়া দশকত প্ৰকাশকসকলে উৎকৃষ্ট মানৰ বিশ্বৰ সাহিত্য বা আন গুৰুত্বপূৰ্ণ গ্ৰন্থসমূহ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ অভিজ্ঞ অধ্যাপক-অধ্যাপিকাসকলৰ বা আন অভিজ্ঞসকলৰ দ্বাৰা অসমীয়া অনুবাদ কৰি এনে সাহিত্যত গুৰুত্ব দিয়া বাবে বহুক্ষেত্ৰত পাঠকৰ চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছে।

চতুৰ্থ কাৰণ, অসমত দিনে দিনে প্ৰকাশক আৰু গ্ৰন্থ বিক্ৰেতাৰ সংখ্যা বৃদ্ধি হৈ গৈ আছে। ই এটা অসমীয়া গ্ৰন্থৰ বাবে সুখবৰ। সাহিত্যৰ দ্বাৰা চহকী হৈ বৌদ্ধিকভাৱে অগ্ৰসৰ জাতিসমূহক চালে দেখা যায় তেওঁলোকৰ মাজত গ্ৰন্থৰ অবাধ প্ৰচলন। চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ ৰাজধানী কলকাতাৰ কেৱল দোকানসমূহতে গ্ৰন্থ বিক্ৰী নহয়, অসমৰ ফুটপাথত পাচলি দোকানসমূহ যেনেদৰে লানি নিছিগাকৈ বহে তেনেদৰে কলকাতাৰ ফুটপাথসমূহো গ্ৰন্থ বিক্ৰেতাসকলৰ দ্বাৰা ভৰ্তি হৈ থাকে। অসমত এতিয়ালৈকে এনে পৰিৱেশ আৰম্ভ হোৱা দেখা পোৱা নাই। কিন্তু প্ৰকাশকৰ সংখ্যা বৃদ্ধিয়ে ভৱিষ্যতৰ তেনে ইংগিত বহন কৰিছে।

পঞ্চম কাৰণ-- এক দশকৰ আগলৈকে সাহিত্য চৰ্চা কৰাটো একাংশ মুষ্টিমেয় বুদ্ধিজীৱীসকলৰ মাজত আৱদ্ধ আছিল। গ্ৰন্থ লিখা বা সততে সাহিত্য চৰ্চা কৰাটো প্ৰায়বোৰৰ বাবে এক অসাধ্য কাম বা কাল্পনিক কাম বুলি ধৰি লয়। ২০০৯ৰ পৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা নতুন নিয়ম মতে বছৰেকত নিম্নতম দুইখনকৈ গৱেষণা পত্ৰ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত পাঠ কৰাৰ লগতে ISBN বা ISSN স'তে প্ৰকাশো কৰিব লাগিব বুলি নিৰ্দেশনা দিয়াৰ পাছত বিশ্ববিদ্যালয়ৰ লগতে মহাবিদ্যালয়তো এক আলোড়ন সৃষ্টি হ'ল। য'ত এখন মহাবিদ্যালয়ৰ কে'বাশ অধ্যাপক-অধ্যাপিকাৰ লগতে কেইবা হেজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা এজনো নিয়মীয়া সাহিত্য চৰ্চা বা মাত্ৰ একোখন গ্ৰন্থ লিখিবলৈ সাহস হোৱা নাছিল, তেনে পৰিৱেশ হঠাৎ পৰিৱৰ্তন হোৱাদি প্ৰথম অৱস্থাত যেনে— তেনে ISBN বা ISSN থকা গ্ৰন্থ বা জাৰ্ণেলত গৱেষণা পত্ৰ বা গৱেষণামূলক প্ৰবন্ধ প্ৰকাশ কৰিব পৰাটোৱে এটা ডাঙৰ অসাধাৰণ কামৰ দৰে পৰিগণিত হৈছিল কিন্তু UGC দাবী বঢ়াৰ লগে লগে আৰু দৰমহা বৃদ্ধি, পদোন্নতিৰ আৰু নিযুক্তিৰ বাবে গৱেষণা পুথিসমূহ প্ৰকাশ কৰিবলৈ মৰসাহ কৰিলে। প্ৰথম অৱস্থাত এইবিলাকৰ গুণগত দিশ নথকা বাবে সমান্তৰালকৈ বিক্ৰীৰ চাহিদা নথকা বাবে লেখকসকলে বা সম্পাদনা সমিতিসকলে নিজৰ খৰচত গ্ৰন্থ প্ৰকাশ কৰি নিজে পাঠক সৃষ্টি কৰিব লগা হৈছিল। এইসকলৰ বেছিভাগে নিজৰ শিক্ষানুষ্ঠানসমূহৰ ফেকাল্টিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহী কৰিব লগা হয় যিটো তাৰ পূৰ্বে কল্পনাৰ দৰে কথা আছিল। কিয়নো মাত্ৰ পাঠ্যপুথিৰ মাজতে আৱদ্ধ হৈ থাকিও বছৰত পাঠ্যক্ৰম শেষ কৰিব নোৱাৰে তেনে ক্ষেত্ৰত আন অপ্ৰাসংগিক বা প্ৰাসঙ্গিক গৱেষণা পুথিসমূহ পঢ়িবলৈ কোনখন মুখেৰে কয়। কিন্তু তাৰ মাজতো পূৰ্বতে ইয়াৰ ব্যতিক্ৰম হোৱা দেখা যায়। যিকি নহওঁক এনে বাধ্যবাধকতাৰ উৎসাহৰ পৰাও ছাত্ৰ-ছাত্ৰীসকলৰ মহাবিদ্যালয়ৰ পৰ্যায়ৰ পৰা নিজস্ব গ্ৰন্থ প্ৰকাশৰ লগতে বিভিন্ন গ্ৰন্থ পঢ়িবলৈ বা জানিবলৈ যিবোৰৰ দ্বাৰা ভৱিষ্যতৰ চাকৰি নিয়োগ ক্ষেত্ৰত সুবিধা লাভ কৰা আদিৰ বাবে উৎসাহী হৈ পৰিছে। সেয়ে এতিয়া স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ পৰাই ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সংশ্লিষ্ট সাহিত্য বিষয়ত, গৱেষণামূলক গ্ৰন্থ প্ৰকাশ কৰিবলৈ উৎসাহী হৈ পৰিছে। গৱেষক ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আটাইতকৈ যেনিবা গ্ৰন্থ প্ৰকাশ কৰাটো বাধ্যতামূলক হৈ পৰিছে। লক্ষ্যণীয় বিষয়টো হ'ল অভিভাৱক আৰু শিক্ষকসকলৰ বিশেষ তত্বাৱধানত প্ৰাথমিক, উচ্চ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীয়েও গ্ৰন্থ প্ৰকাশ কৰি অভিলেখ সৃষ্টি কৰি অসমীয়া বৌদ্ধিক সাহিত্য জগতৰ প্ৰতি উৎসাহী খবৰ আনিছে। এইবাৰ গ্ৰন্থমেলাত এনে শিশু লেখকসকলৰ গ্ৰন্থক লৈ উৎসাহী হৈ পৰা পৰিৱেশ সৃষ্টি হৈছে। প্ৰাথমিকৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এনে গ্ৰন্থ ৰচনা আৰু প্ৰকাশৰ মনোবৃত্তিৰ দ্বাৰা তেওঁলোকৰ মাজত এক প্ৰতিযোগিতা সৃষ্টি কৰিবলৈ সক্ষম হৈছে। মনোবৈজ্ঞানিক দিশৰ পৰা ফলপ্ৰসূ।

শিক্ষানুষ্ঠানসমূহত শিক্ষাগুৰু সকল বাধ্যবাধকতাত পৰি উৎসাহী কৰা আৰু ছাত্ৰ-ছাত্ৰীসকল এনে প্ৰতিযোগিতাত বৰ্তি থাকিলে গুণগত পাঠকৰ লগতে গুণগত লেখক অসমীয়া সমাজে বিস্তাৰিত ৰূপত পোৱাটো সুচল হৈ পৰিব।

এইবাৰ গ্ৰন্থমেলাত এনে প্ৰতিযোগিতামূলক মানসিকতাৰ বাবে কাৰ গ্ৰন্থ কিমান গুণগত বা ভাল হৈছে তাক পৰীক্ষা কৰিবলৈ গ্ৰন্থ ক্ৰয় হৈছে। আৰু এইসকলে নিজৰ প্ৰয়াসৰ দ্বাৰা ক্ষুদ্ৰ গোটৰ পাঠক সৃষ্টি কৰি গ্ৰন্থ ক্ৰয় কৰিবলৈ বাধ্য কৰোৱা হৈছে। নৱ প্ৰজন্মৰ লেখক সকলে প্ৰায় অনুৰোধ আৰু জোৰ কৰিয়ে পৰিয়ালৰ সদস্য, চিনাকি ওচৰ-চুবুৰীয়া, বন্ধু-বান্ধৱী আদিক তেওঁলোকৰ প্ৰকাশিত গ্ৰন্থ ক্ৰয় কৰিবলৈ বাধ্য কৰায়। যিটো প্ৰকাশকে কেতিয়াও পাঠকক বাধ্য কৰাব নোৱাৰে। গ্ৰন্থ নপঢ়া লোকেও বাধ্যত পৰি গ্ৰন্থ পঢ়াৰ মন এটা গঢ়ি তোলাত এই প্ৰক্ৰিয়া ফলদায়ক হিচাপে পৰিগণিত হৈছে।

ষষ্ঠতে, এইবাৰ গ্ৰন্থমেলাত দেখা পোৱা গ'ল, পূৰ্বতে আভাস লৈ অহা গ্ৰন্থসমূহ বিশেষকৈ অসমীয়া গ্ৰন্থসমূহ অভিলেখ সংখ্যক বিক্ৰী হৈছে। অৰ্থাৎ এইবাৰ গ্ৰন্থ ক্ৰয় কৰা আৰু পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰাত সামাজিক মাধ্যমে উল্লেখনীয় ভূমিকা ললে। সামাজিক মাধ্যম-- ফেচবুক, হোৱাটছএপ, ইউটিউব আদিত গুৰুত্বপূৰ্ণ গ্ৰন্থৰ লগতে নৱপ্ৰজন্মৰ গ্ৰন্থসমূহক উপস্থাপন কৰি চমু আভাস দি পঢ়ুৱৈক আগ্ৰহী কৰি তুলিছিল। সেয়ে বহু পাঠকে এইবাৰ পূৰ্বতে আভাস পোৱা কিতাপ সমূহ প্ৰকাশকক বা বিক্ৰেতাক পোনপটীয়াকৈ সুধিছে আৰু ক্ৰয় কৰিছে। পূৰ্বতে পাঠকক গুণগত কিতাপ বাছনি কৰি ক্ৰয় কৰাটো এক সময় খৰচী প্ৰক্ৰিয়া। কিন্তু সামাজিক মাধ্যমৰ অবিৰত গ্ৰন্থৰ তথ্য উপস্থাপন এইবাৰ উল্লেখনীয়ভাৱে সহায় কৰা দেখা গ'ল। আনকি এইবাৰ কোনখন প্ৰকাশক বা বিক্ৰেতা কি কি মুখ্য আকৰ্ষিত গ্ৰন্থ ৰাখিছে, গ্ৰন্থমেলাৰ বাকৰিত কোনটো দিশত, কেই নম্বৰ দোকান ঘৰত অৱস্থিত আদি সকলোবোৰ তথ্য নিয়মীয়াকৈ কিতাপ সম্বন্ধীয় গ্ৰুপ বা নিজস্ব ফেচবুক বা হোৱাটছআপ গ্ৰুপত যোগান ধৰি থকা বাবে হেজাৰ হেজাৰ মানুহৰ সমাগমত ভৰি দিব নোৱাৰা অৱস্থাটো অনায়াসে গন্তব্য গ্ৰন্থৰ দোকানখন আৰু গ্ৰন্থখন ক্ৰয় কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ সুবিধা মাত্ৰ নৱপ্ৰজন্মৰ মাজতে সীমাবদ্ধ নহয় বৰঞ্চ প্ৰবীণসকলেও গ্ৰহণ কৰিলে।

এশ বছৰ অতিক্ৰম কৰা অসমৰ প্ৰকাশক এজনক সাক্ষাৎকাৰ লওঁতে তেওঁলোকে স্পষ্টকৈ প্ৰকাশ কৰিলে যে সংখ্যাগত দিশত অসমীয়া গ্ৰন্থ থিকেই আগবাঢ়িছে কিন্তু গুণগত দিশত উন্নতি কৰিবলৈ আৰু বহুতো দিশ আছে। গ্ৰন্থৰ সংখ্যা বঢ়োৱাৰ স্বাৰ্থত বহুত প্ৰকাশকে প্ৰুফে ভালকৈ নাচায় বাবে ভাষাৰ দুৰ্ব্যৱহাৰৰ লগতে উল্লিখিত তথ্যসমূহ বহুত ভুল থাকি যায়। কিছুমান অসাহিত্যিক বিষয় আৰু ভাষাবোৰক সাহিত্যৰ ৰূপ দিবলৈ প্ৰচেষ্টা কৰি বহু গ্ৰন্থ প্ৰকাশ হৈছে আৰু বিক্ৰীও অভিলেখ সংখ্যক হৈছে। অসমীয়া গুণগত সাহিত্য বা গ্ৰন্থ বিকাশৰ ক্ষেত্ৰত ই শুভ লক্ষণ নহয়। সেয়ে গ্ৰন্থ প্ৰকাশৰ পূৰ্বে বিষয় আৰু গ্ৰহণযোগ্য ভাষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে গ্ৰন্থৰ গুণগত দিশ অক্ষুণ্ণ থাকে বুলি প্ৰকাশ কৰে।


*ফোন- ৮৪৭২০১০৯৫৮*





# বন্ধুৰ লগত ব'মডিলালৈ যোৱা

*তিনি পৃষ্ঠাৰ পৰা* সন্ধান নোলোৱাত পৰিয়ালৰ লোকে ২৭ জানুৱাৰীত চাৰিদুৱাৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। তদুপৰি এই সন্দৰ্ভত লগৰ দুই বন্ধুৰ লগত অৰুণাচললৈ ফুৰিবলৈ গৈ নিৰুদ্দেশ হোৱা বুলি শোণিতপুৰৰ আৰক্ষী অধীক্ষককো লিখিত অভিযোগ দাখিল কৰে। অথচ ইয়াৰ পাছতো আজিলৈকে আৰক্ষীয়ে কোনো সন্ধান উলিয়াব পৰা নাই সন্ধানহীন কাবুলৰ। তদুপৰি ৰহস্যজনকভাৱে লগতে নিয়া বন্ধুৰ বিষয়ে পৰস্পৰবিৰোধী ভাষ্য প্ৰকাশ কৰা দুই অভিযুক্ত অভিনৱ আৰু অপূৰ্বৰ বিৰুদ্ধেও কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ সুযোগ লৈ ইতিমধ্যে দুয়ো পলায়ন কৰে। আৰক্ষীয়ে এবাৰ তেওঁলোক অৰুণাচল প্ৰদেশত আৰু এবাৰ পশ্চিম বংগত আৰু এবাৰ শ্বিলঙত থকা বুলি প্ৰকাশ কৰি আহিছে। সেয়েহে আৰক্ষীৰ কাৰ্যত ক্ষুণ্ণ এৰাগাঁৱৰ বহুসংখ্যক লোকে চাৰিদুৱাৰ আৰক্ষী থানাত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি এদিনৰ ভিতৰত সন্ধানহীন কাবুলৰ শুংসূত্ৰ উলিয়াবলৈ দাবী জনোৱাৰ লগতে দুই পলাতক অভিযুক্তক গ্ৰেপ্তাৰ কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবীৰে উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত আৰক্ষী থানাখনত শোণিতপুৰৰ উপ-আৰক্ষী অধীক্ষক উপস্থিত হৈ শতাধিক পুৰুষ-মহিলাক ক্ষিপ্ৰ তদন্তৰ আশ্বাস দিয়াতহে পৰিস্থিতি স্বাভাৱিক হয়।

# বৰছলাত পিঞ্জৰাবদ্ধ হ'ল

*তিনি পৃষ্ঠাৰ পৰা* বাঘটো অৱশেষত আজি নিচেই পুৱা বৰছলাৰ বৰভগীয়াত পিঞ্জৰাবদ্ধ হয়। বাঘটোক পিঞ্জৰাবদ্ধ কৰিবলৈ বন বিভাগে বিগত কেইদিনত বহুবাৰ চেষ্টা কৰিও বিফল হৈছিল। কিন্তু বনকৰ্মীৰ নেৰানেপেৰা চেষ্টাৰ ফলত আজি নিচেই পুৱা বৰছলাৰ বৰভগীয়াত বাঘটোক পিঞ্জৰাবদ্ধ কৰিবলৈ সক্ষম হয়। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বাঘটোৱে যোৱা এমাহ ধৰি বৰছলাত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। ২০ টাৰো অধিক গৰু-ছাগলী ভক্ষণৰ লগতে গাঁৱে-ভূঞে ঘূৰি আতংকৰ সৃষ্টি কৰিছিল। ইয়াৰ মাজতে বাঘটোৱে বৰছলা কোচ গাঁৱৰ এজন লোকক আক্ৰমণ কৰিছিল। ইপিনে, আজি নিচেই পুৱা পিঞ্জৰাবদ্ধ হোৱা বাঘটোক ৰাজ্যিক চিৰিয়াখানাৰ পৰা অহা পশু চিকিৎসক আৰু বিশেষজ্ঞৰ দলে টেংকুলাইজ কৰি ওৰাং ৰাষ্ট্ৰীয় উদ্যানলৈ লৈ যায়। এই বাঘটোক পিঞ্জৰাবদ্ধ কৰাৰ ক্ষেত্ৰত ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ঢেকিয়াজুলি আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বন কৰ্মীৰ লগতে ঢেকিয়াজুলিৰ প্ৰকৃতিপ্ৰেমী দিলীপ নাথে বিশেষ তৎপৰতা গ্ৰহণ কৰিছিল। বাঘটো পিঞ্জৰাবদ্ধ হোৱাত বৰছলা অঞ্চলৰ ৰাইজে স্বস্তিৰ নিশ্বাস এৰিছে আৰু বন বিভাগক কৃতজ্ঞতা জনাইছে।

# 'মহাপুৰুষীয়া নাট' তাঁতশালত বৈছে

*তিনি পৃষ্ঠাৰ পৰা* বৈ ইতিমধ্যে সম্পূৰ্ণ কৰিছে। প্ৰথম খণ্ডৰ ২০২১ৰ জুনৰ পৰা এতিয়ালৈকে বৈ থকা হৈছে বুলি তেওঁ সদৰী কৰিছে। ২০১৯ৰ পৰা মহাপুৰুষীয়া কৰ্মৰাজিৰ লগত জড়িত হৈ থকা মহিলাগৰাকীয়ে আগতেও মুগা ৰঙৰ সূতাত 'গুণমালা' পুথিখন বৈ সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে আগৰ পৰাই তাঁতশালৰ কৰ্মৰ প্ৰতি এক সুকীয়া আগ্ৰহ পুহি ৰখা মহিলাগৰাকীয়ে মহাপুৰুষীয়া কৰ্মৰাজিক অতি আটকধুনীয়াকৈ বৈছে। অসমীয়া জাতিৰ সংকটৰ সময়ত জাতিটোৰ পৰিচয় অধিক কটকটীয়া কৰাৰ লগতে মহাপুৰুষ দুয়োজনাৰ প্ৰতি থকা শ্ৰদ্ধাৰ বাবেই শিষ্যসকলৰ লগতে বৰগীত, ভটিমা আদি তাঁতশালত বোৱাৰ এক হেঁপাহ পুহি ৰাখিছিল মহিলাগৰাকীয়ে। সেই শ্ৰদ্ধা আৰু হেঁপাহকে তাঁতশালত বৈ উলিয়াইছে জ্যোতিয়ে। হস্ততাঁত বস্ত্ৰ বিভাগৰ পৰা জ্যোতিয়ে এখন তাঁতশাল লাভ কৰিছে বুলি প্ৰকাশ কৰিছে। মহিলাগৰাকীৰ এই ব্যতিক্ৰমী প্ৰয়াসৰ বাবে অঞ্চলটো তথা পৰিয়ালবৰ্গৰ লোকৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

# গামোচা পিন্ধাই ৰূপজ্যোতিয়ে ওভতাই

*তিনি পৃষ্ঠাৰ পৰা* কৰা হয়। মৰিয়নিৰ বিবেকানন্দ স্প'ৰ্টিং ক্লাবত অনুষ্ঠিত এই অনুষ্ঠানতে ব্যক্তিগত নিৰাপত্তাৰক্ষী ত্যাগ কৰাৰ কথা ঘোষণা কৰাৰ লগতে তিনিজনকৈ ব্যক্তিগত নিৰাপত্তাৰক্ষী আৰক্ষী বিভাগক চমজাই দিয়ে বিধায়ক ৰূপজ্যোতিয়ে। এই সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি মৰিয়নিৰ বিধায়কজনে কয়, 'অসমলৈ এতিয়া শান্তিৰ পৰিৱেশ উভতি আহিছে। মুখ্যমন্ত্ৰীৰ লগতে গৃহ বিভাগৰো দায়িত্বত থকা ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে ৰাজ্যৰ প্ৰায় সকলো উগ্ৰপন্থী সংগঠনৰ স'তে আলোচনাৰ এক পৰিবেশ গঢ়ি তুলিবলৈ সক্ষম হৈছে। অপৰাধী আৰু দালালৰ বিৰুদ্ধেও দৃঢ়তাৰে গ্ৰহণ কৰিছে উপযুক্ত পদক্ষেপ। সেয়েহে এতিয়া অসমত নিৰাপত্তাৰক্ষী লৈ ফুৰাৰ পৰিৱেশো নাইকিয়া হৈছে। সেয়েহে মই আজি নিজৰ নিৰাপত্তাৰক্ষী ত্যাগ কৰিছো।' উল্লেখ্য যে সুদীৰ্ঘদিন বিধায়ক ৰূপজ্যোতিৰ নিৰাপত্তাৰ দায়িত্বত থকা তিনি ব্যক্তিগত নিৰাপত্তাৰক্ষী কমল চেতিয়া, সুজিত মুণ্ডা আৰু পৰমেশ্বৰ গোৱালাক আজি উক্ত অনুষ্ঠানতে বিধায়কজনে গামোচা পিন্ধাই আৰু একোটিকৈ জেকেট উপহাৰৰূপে আগবঢ়াই আন্তৰিক পৰিৱেশত বিদায় জনায়। অশ্ৰুসিক্ত নয়নেৰে তিনিওজন নিৰাপত্তাৰক্ষীয়ে সকলো সময়তে সকলো মুহূৰ্ততে তেওঁক সহযোগ কৰা বুলি উল্লেখ কৰি তেওঁলোকৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে বিধায়কজনে ব্যক্তিগত নিৰাপত্তাৰক্ষী প্ৰত্যাহাৰ কৰিব বুলি জনাই যোৰহাট জিলাৰ আৰক্ষী অধীক্ষকলৈ এক পত্ৰ প্ৰেৰণ কৰিছিল। আজি যোৰহাট জিলাৰ আৰক্ষী অধীক্ষকৰ হৈ বিশেষ শাখাৰ উপ-আৰক্ষী অধীক্ষক খিতেশ্বৰ বণিয়াক নিৰাপত্তাৰক্ষীকেইজনক চমজাই দিয়ে। সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত বিধায়কজনে কয়, 'বিধায়ক হোৱাৰ পূৰ্বে যিদৰে অকলে ঘূৰিছিলো, এতিয়াও সেইদৰে অকলে ঘূৰা-মেলা কৰিম আৰু সাধাৰণ লোকে যিদৰে বিনাদ্বিধাই চলা-ফুৰা কৰি আছে সেইদৰেই চলা-ফুৰা কৰিম।'

# জন্মদিনত পৰম শিৰম-দৌল গোৱিন্দ

*তিনি পৃষ্ঠাৰ পৰা* কথা দোহাৰে। তেওঁ কয় যে দৌল গোৱিন্দ মন্দিৰৰ বাবে পূৰ্বেও সহযোগ আগবঢ়াই আহিছে আৰু প্ৰয়োজনত সকলো সাহায্য আগবঢ়াই যাব। মহাপ্ৰভুৰ আশীৰ্বাদৰ বাবে তেওঁ ক'তো থমকি ৰ'বলগীয়া হোৱা নাই বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে গুৱাহাটীলৈ ৰাওনা হয়। ইফালে, উত্তৰ গুৱাহাটী শিশু গ্ৰামৰ কন কন শিশুৰ লগত ভাৰতীয় জনতা পাৰ্টীৰ ভ্ৰাতৃ সংগঠনসমূহে উদ্‌যাপন কৰে মুখ্যমন্ত্ৰীৰ ওপজা দিন। বিজেপিৰ বেজেৰা মণ্ডল, উত্তৰ গুৱাহাটী বিজেপি নগৰ সন্নয়ৰক্ষী সমিতি, জালুকবাৰী কিষাণ মৰ্চাৰ উপৰি কে'বাটাও সংগঠনে শিশুসকলৰ লগত উদ্‌যাপন কৰে মুখ্যমন্ত্ৰীৰ ওপজা দিন। বিজেপিৰ নগৰ সমন্বয়ৰক্ষী সমিতিৰ সভাপতি ধৈৰ্য বৰুৱাই কে'ক কাটি শিশুসকলৰ স'তে মৰমৰ মামাৰ ওপজা দিন পালন কৰে। অনষ্ঠানত সম্পাদক গংগাধৰ দাসে শিশুসকলৰ মাজত ফলমূল বিতৰণ কৰে। ইফালে, বেজেৰা মণ্ডল বিজেপিৰ সভাপতি দিলীপ ডেকাই আন এক অনুষ্ঠানযোগে শিশুসকলৰ লগত কে'ক কাটি মুখ্যমন্ত্ৰীৰ ওপজা দিন পালন কৰি ফলমূল, খাদ্য-সামগ্ৰী বিতৰণ কৰে। সেইদৰে বেজেৰা মণ্ডল বিজেপিৰ যুৱ মৰ্চাই ৰুদ্ৰেশ্বৰ বাককৰিত শিশুসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা পাতি ফলমূল বিতৰণ কৰে। জালুকবাৰী বিজেপি মহিলা মৰ্চাৰ উদ্যোগত গৌৰীপুৰত নাম-প্ৰসংগৰে মুখ্যমন্ত্ৰীৰ দীৰ্ঘায়ু তথা সুস্বাস্থ্য কামনা কৰে। মৰ্চাৰ সভানেত্ৰী মুন দাসে কয় যে মুখ্যমন্ত্ৰীজন সৰ্বকালৰ শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী আৰু এনে এজন জনপ্ৰিয় মুখ্যমন্ত্ৰীৰ ওপজা দিন উদযাপন কৰি তেওঁলোক অত্যন্ত উৎফুল্লিত হৈছে।

# দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানত নিশা বন

*তিনি পৃষ্ঠাৰ পৰা* যোৱা নিশা হোৱা গুলিচালনাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জয়পুৰ বনাঞ্চলিক বিষয়া পুষ্পধৰ বৰগোহাঞিয়ে সদৰী কৰা মতে, কালি জয়পুৰ বন বিভাগৰ অধীনৰ কঠালগুৰি খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ বনকৰ্মীৰ এটা দলে দিনৰ ভাগত নিয়মীয়া টহল দিবলৈ গৈছিল ৰাষ্ট্ৰীয় উদ্যানখনৰ অসম-অৰুণাচল সীমান্তৰ নতুন বস্তি অঞ্চলৰ দিশে। নিৰ্দিষ্ট সেই অঞ্চলত মূল্যবান গছ কটা প্ৰত্যক্ষ কৰি বনকৰ্মীৰ দলটোৱে লগে লগে জয়পুৰ বন বিভাগক খবৰ দিয়াত নিশালৈ ফৰেষ্ট বেটেলিয়নৰ স'তে বনকৰ্মীৰ দলটোৱে নতুন বস্তি অঞ্চলত পুনৰ টহল দিয়ে আৰু চোৰাং কাঠ মাফিয়াৰ দলটোক প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতেই বনকৰ্মীৰ দলটোৱে পাঁচ জাঁই গুলিবৰ্ষণ কৰাত কাঠ মাফিয়াৰ দলটোৱে পলায়ন কৰে। বনকৰ্মীৰ দলটোৱে গছ কাটিবলৈ ব্যৱহৃত এখন যন্ত্ৰচালিত কৰত, খাজা বন্দুক আৰু বহুতো আপত্তিজনক বয়-বস্তু জব্দ কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় উদ্যান ঘোষণাৰ পাছত উদ্যানখনৰ ভিতৰত হোৱা এয়া তৃতীয়টো গুলিচালনাৰ ঘটনা। ইয়াৰ পূৰ্বে এবাৰ বাসৰনলা অঞ্চলত গুলিচালনাৰ ঘটনাত এটা হাতীৰ মৃত্যু হৈছিল। তাৰ কিছুদিন পাছত শেহতীয়াকৈ যোৱা ডিচেম্বৰৰ শেষৰফালে পুনৰ এই বাসৰনলা অঞ্চলত বনদস্যু আৰু বনকৰ্মীৰ মাজত গুলীয়াগুলিৰ ঘটনা সংঘটিত হৈছিল। তাৰ পাছতেই যোৱা নিশা হোৱা এই গুলিচালনাৰ ঘটনাই স্বাভাৱিকতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সমগ্ৰ নাহৰকটীয়া অঞ্চলত। ইফালে, জয়পুৰ বনাঞ্চলিক বিষয়া বৰগোহাঁয়ে জয়পুৰ বনাঞ্চলত বনকৰ্মীৰ যথেষ্ট অভাৱ হোৱাৰ পৰিপ্ৰেক্ষিতত তথা প্ৰায় সংখ্যক বনকৰ্মীৰ বয়স ৫০ উৰ্ধ্বৰ হোৱা হেতুকে বনদস্যুয়ে এইদৰে সন্ত্ৰাস চলাবলৈ সক্ষম হৈছে যদিও বনকৰ্মীসকলৰ আপ্ৰাণ প্ৰচেষ্টাত এইদৰে গছ কটা ৰোধ কৰিবলৈ বন বিভাগ সফল হৈছে বুলি জানিবলৈ দিয়ে। এই বিষয়ে প্ৰকৃতিপ্ৰেমী মৃদুপৱন ফুকনে কয় যে বনকৰ্মীৰ অভাৱ কোনো নতুন কথা নহয়। পূৰ্বতেও বনকৰ্মীৰ অভাৱ আছিল। কিন্তু বৰ্তমান নতুন বন সংমণ্ডল প্ৰাধিকাৰীজনে জয়পুৰত ১২ ৰ পৰা ১৫জন ফৰেষ্ট বেটেলিয়ন নিয়োজিত কৰিছে। গতিকে বনকৰ্মীৰ অভাৱৰ দোহাই দি বনাঞ্চলখনত এইদৰে নিতৌ চলি থকা বন ধ্বংসযজ্ঞ কেতিয়াও গ্ৰহণযোগ্য নহয়।

# লোক-সংস্কৃতিৰ সাধক নিকুঞ্জ পাঠকক

*তিনি পৃষ্ঠাৰ পৰা* ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকাই আঁত ধৰা আৰু সভাপতি গুণজ্যোতি পাঠকৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰে আৱাহন থিয়েটাৰৰ প্ৰযোজক তথা সাংস্কৃতিক সংগঠক কৃষ্ণ ৰয়ে। উল্লেখ্য যে এই বঁটাৰ লগত নগদ ধনৰ উপৰি ফুলাম গামোচা, জাপি, স্মাৰক, চেলেংচাদৰ, ফুলৰ থোপা প্ৰদান কৰা হয়। বঁটা প্ৰদান কৰি বিশিষ্ট প্ৰযোজক কৃষ্ণ ৰয়ে কয়, 'আজিৰ প্ৰজন্মই ঢুলীয়া শিল্পক অৱহেলা কৰিছে। কিন্তু মোহন ভাইৰাই নিজৰ লগতে আন দহজনকো সেই সময়ত উলিয়াই লোক-সংস্কৃতিৰ বিশাল পথাৰখনত প্ৰভূত বৰঙণি আগবঢ়াই গৈছে।' তেওঁ আজিৰ প্ৰজন্মকো পৰিবেশ্য কৰা ঢুলীয়া শিল্পক আদৰি ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথে কয়, 'সঁচা অৰ্থত মোহন ভাইৰা এজন শিল্পী আছিল। লোক-সংস্কৃতিৰ বৰপথাৰখন জীপাল কৰাসকলৰ ভিতৰত মোহন ভাইৰা আছিল অন্যতম।' তেওঁ কয় যে যিসকল নতুন পুৰুষে এনেদৰে সংস্কৃতিৰ সাধনাত ব্ৰতী হৈ আছে সেইসকলৰ বাবে চৰকাৰক গুৰুত্ব দি উলিয়াই আনি স্বীকৃতি দিয়াৰ দাবী জনায়। সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰিয়াজউদ্দিন আহমেদে, জিলা উন্নতি সভাৰ সভাপতি ৰাধানাথ কলিতা, সম্পাদক ৰাতুল চন্দ্ৰ ডেকা উপস্থিত থকা অনুষ্ঠানত মোহন ভাইৰা স্মাৰক বঁটাপ্ৰাপক বিশিষ্ট শিল্পী, সাধক নিকুঞ্জ পাঠকে বঁটা গ্ৰহণ কৰি আজিৰ দিনটোত 'মই অত্যন্ত সুখী' বুলি প্ৰকাশ কৰি নলবাৰী জিলা ছাত্ৰ সন্থা আৰু জিলা উন্নতি সভাক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে অনুষ্ঠানৰ পূৰ্বে ছহিদ বেদীত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে আছুৰ সভাপতি দীপাংক কুমাৰ নাথে। প্ৰখ্যাত ভাইৰা শিল্পী মোহন ভাইৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে সহধৰ্মিণী সৰস্বতী বৰ্মনে। উল্লেখনীয় যে লোক-সংস্কৃতিৰ সাধক নিকুঞ্জ পাঠকৰ জন্ম হৈছিল বস্ত্ৰ নগৰী শুৱালকুছিত। ১৯৫৭ৰ ২৫ জানুৱাৰীত জন্ম গ্ৰহণ কৰা পাঠকৰ পিতৃ প্ৰয়াত হংস পাঠক আৰু মাতৃ হৰিপ্ৰিয়া পাঠক। নৱম শ্ৰেণী উত্তীৰ্ণ শিল্পী পাঠকে বিশিষ্ট বাঁহীবাদক প্ৰভাত শৰ্মাক গুৰুৰূপে গ্ৰহণ কৰিছিল। ১৯৬৬ত পেছাগত বাঁহীবাদনেৰে শিল্প সাধনাত ব্ৰতী হোৱা পাঠকে সুৰ শিখা ক্লাব, বীণাপাণি নাট্য পৰিষদ, তৰুণ সংঘ পুথিভঁৰাল আদিত বাঁহীবাদনৰ উপৰি নটৰাজ থিয়েটাৰ, অসম ষ্টাৰ থিয়েটাৰ, মুকুন্দ থিয়েটাৰ, অপৰূপা থিয়েটাৰ, সম্ৰাট থিয়েটাৰতো বাঁহীবাদন কৰিছিল। ২০১৮ত সদৌ অসম ছাত্ৰ সন্থাৰ জোনাই সাধাৰণ সভাত তেওঁ অনুষ্ঠান পৰিৱেশন কৰিছিল। তদুপৰি অসম সাহিত্য সভাৰ শুৱালকুছি, ৰঙিয়া, মৰিগাঁও, বৰপেটাৰোড, ডিফু অধিবেশনত অনুষ্ঠান পৰিৱেশন কৰিছিল। একেদৰে অল ইণ্ডিয়া ৰেডিঅ' গুৱাহাটী কেন্দ্ৰ, দূৰদৰ্শন কেন্দ্ৰ গুৱাহাটী, কলকাতা, কোচ বিহাৰ, মেঘালয়, নগালেণ্ড, ত্ৰিপুৰা, ৰাজস্থান, যোধপুৰ, কটক, চেন্নাই, দিল্লী আদি চহৰত বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানত বাঁহীবাদন কৰি সমাদৰ লাভ কৰিছিল। ইয়াৰ উপৰি বাংলাদেশত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানত বাঁহীবাদন কৰিছিল। প্ৰথিতযশা শিল্পী প্ৰতিমা পাণ্ডে বৰুৱা, ৰহিমা কলিতা বেগম, বিদ্যাসাগৰ, অনিমা চৌধুৰী, কুল বৰুৱা, ৰামেশ্বৰ পাঠক, ধনদা পাঠক, প্ৰণীতা বৈশ্য মেধি, মালবিকা বৰা, বসন্ত পাটগিৰি, মিহিৰ বৰদলৈ, ৰিদিপ দত্ত, অপূৰ্ব বেজবৰুৱা, মীৰা বৰঠাকুৰ, নীলিমা খাতুন, অনিমা ভট্টাচাৰ্য, পুষ্পা ভূঞা আদি শিল্পীৰ স'তেও বাঁহীবাদন কৰিছিল।

# অনুপমা ভট্টাচাৰ্য্য, ড° অৰ্পণা মহন্তৰ মৃত্যুত লেখিকা সংস্থাৰ শোক

**গুৱাহাটী, ১ ফেব্ৰুৱাৰী ঃ** অসমৰ চলচ্চিত্ৰ জগতৰ স্বনামধন্যা অভিনেত্ৰী অনুপমা ভট্টাচাৰ্য্যৰ মৃত্যুৰ বাতৰিয়ে লেখিকা সংস্থা, অসমৰ সকলোকে মৰ্মাহত কৰিছে। অভিনয় যাত্ৰাত অসমীয়া নাৰীৰ অন্যতম বাটকটীয়াগৰাকীয়ে সমগ্ৰ জীৱন সংগ্ৰাম কৰি গ'ল। তদুপৰি অসমৰ বৌদ্ধিক জগতৰ চিৰনমস্যা, নাৰীবাদী লেখিকা আৰু বিভিন্ন গণতান্ত্ৰিক সংগঠনৰ অগ্ৰণী ব্যক্তি ড° অৰ্পণা মহন্তৰ মৃত্যুত লেখিকা সংস্থা, অসমে গভীৰ দুখ প্ৰকাশ কৰিছে। এটি শোকবাৰ্তাত দুয়োগৰাকী নমস্যা ব্যক্তিৰ পৰিয়াললৈ গভীৰ সমবেদনা জনাই লেখিকা সংস্থা, অসমে দুয়োটি আত্মাৰ চিৰশান্তি কামনা কৰিছে।

# বিজয় শংকৰ ঠাকুৰৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা নগৰৰ পণ্ডিত চন্দ্ৰ প্ৰভা হিন্দী বিদ্যালয়ৰ শিক্ষক বিজয় শংকৰ ঠাকুৰ (৫৭)ৰ কালি গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উল্লেখ্য যে বিগত কে'বামাহ ধৰি তেওঁ চিকিৎসাধীন হৈ আছিল। আজি পুৱা ৰঙাপৰা নগৰৰ নিজা বাসগৃহলৈ তেওঁৰ মৃতদেহ অনাৰ পাছত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# ৰাজ্যজুৰি অসম পঞ্চায়ত-গ্ৰাম্য ঠিকাভিত্তিক কৰ্মচাৰীৰ ধৰ্মঘট

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ১ ফেব্ৰৱাৰী ঃ** আজিৰে পৰা সাতদিনীয়া কাৰ্যসূচীৰে সদৌ অসম পঞ্চায়ত আৰু গ্ৰাম্য ঠিকাভিত্তিক কৰ্মচাৰীসকলে সমগ্ৰ ৰাজ্যতে ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিছে। কোকৰাঝাৰ জিলাৰ দোতমা উন্নয়ন খণ্ডতো ঠিকাভিত্তিক কৰ্মচাৰীয়ে ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। দোতমা উন্নয়ন খণ্ড কাৰ্যালয়ৰ সন্মুখত শতাধিক ঠিকাভিত্তিক কৰ্মচাৰীয়ে হাতে হাতে ফেষ্টুন লৈ প্ৰতিবাদ সাব্যস্ত কৰে। চাকৰিৰ বয়স ৬০ বছৰলৈকে বৃদ্ধি, সকলো কৰ্মচাৰীৰ ৬০ বছৰলৈ চাকৰি সুনিশ্চিত কৰা, সকলো কৰ্মচাৰীৰ আৰঅ'পি ব্যৱস্থা কৰা, সকলো কৰ্মচাৰীৰ সম কামৰ সম বেতন নীতি প্ৰযোজ্য কৰা, চৰকাৰী কৰ্মচাৰীয়ে লাভ কৰা সুবিধা প্ৰদান কৰা, বিভাগীয় খালী পদৰ বিপৰীতে যোগ্যতা অনুসৰি নিয়োজিত কৰা আদি দাবীৰ ভিত্তিতে এই প্ৰতিবাদ সাব্যস্ত কৰা হয়। ইয়াৰ লগতে ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ সমস্যা আৰু অভাৱ অভিযোগৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰো হস্তক্ষেপৰ দাবী জনাইছে কৰ্মচাৰীসকলে।

### বাগ্‌সাত পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ ধৰ্ণা

**শালবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** বাগ্‌সা জিলাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলে আজি বিভিন্ন দাবীত এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। জিলাখনৰ জালাহ উন্নয়ন খণ্ডৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে আজিৰে পৰা অহা সাত ফেব্ৰুৱাৰীলৈ কৰ্মবিৰতি আৰু ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিব। কৰ্মচাৰীসকলে নিজৰ চাকৰিৰ বয়স ৬০ বছৰলৈ বৃদ্ধি কৰা, সকলো কৰ্মচাৰীৰে আৰঅ'পি বৃদ্ধি কৰা, সম কামৰ সম মৰ্যাদা দিয়া, বিভাগীয় খালী পদত যোগ্য লোকক নিযুক্তি দিয়াকে ধৰি কে'বাটাও দাবীৰ সমৰ্থনত এই ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে।

### ঘগ্ৰাপাৰতো পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঠিকাভিত্তিক কৰ্মচাৰীৰ কৰ্মবিৰতি

**ঘগ্ৰাপাৰৰ অগ্ৰদূত বাৰ্তা ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ঠিকাভিত্তিত নিযুক্ত কৰ্মচাৰীসকলে আজিৰে পৰা সমগ্ৰ ৰাজ্যৰ লগতে নলবাৰী জিলাৰ ঘগ্ৰাপাৰতো পাঁচদিনীয়াকৈ পালন কৰিছে কৰ্মবিৰতি আৰু অৱস্থান কাৰ্যসূচী। ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ কাৰ্যালয়ত ঠিকাভিত্তিক কৰ্মচাৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰি চাকৰি সুনিশ্চিত কৰাৰ লগতে নিয়মীয়াকৰণ আৰু চাকৰি নিয়মীয়াকৰণ নোহোৱালৈকে নিয়মীয়া কৰ্মচাৰীসকলে পোৱা বেতনৰ সমহাৰত বেতন দিয়া আদি বিভিন্ন দাবী জনায়। চৰম বঞ্চনা আৰু মিছা প্ৰতিশ্ৰুতি দি অহাৰ লগতে কথা দি কথা নৰখা বাবে কৰ্মচাৰীসকলে এলানি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি তেওঁলোকে 'দৈনিক অগ্ৰদূত'ক কয়।

### বাগানপাৰাতো কৰ্মবিৰতি-অৱস্থান ধৰ্মঘট

**বাগানপাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** সমগ্ৰ ৰাজ্যৰ লগতে বাগ্‌সাৰ বাগানপাৰত ধমধমা উন্নয়ন খণ্ডৰ ঠিকাভিত্তিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কৰ্মচাৰীৰ কৰ্মবিৰতি আৰু অৱস্থান ধৰ্মঘট ৰূপায়ণ হয়। ঠিকাভিত্তিক কৰ্মচাৰীসকলে তেওঁলোকক ৬০ বছৰ বয়সলৈকে তেওঁলোকৰ চাকৰি সুনিশ্চিত কৰা, সকলো কৰ্মচাৰীক সম কাম সম বেতন দিয়া আদি বিভিন্ন দাবী উত্থাপন কৰে।

### গোৱালপাৰাৰ বিভিন্ন উন্নয়ন খণ্ডত ঠিকাভিত্তিক কৰ্মচাৰীৰ প্ৰতিবাদ

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** চাকৰিকাল ৬০ বছৰলৈ নিশ্চিত কৰাৰ লগতে কে'বাটাও গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ দাবীৰে আজি গোৱালপাৰা জিলাৰ বিভিন্ন উন্নয়ন খণ্ডত সদৌ অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। লগতে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰে প্ৰতিবাদকাৰীয়ে।


### টিহুত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ ধৰ্ণা

**টিহুৰ অগ্ৰদূত বাৰ্তা ঃ** আজি টিহুতো পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলে এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বিগত ১২ বছৰে এইসকল কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ নকৰাত আজি চৰকাৰৰ বঞ্চনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। টিহু উন্নয়ন খণ্ড কাৰ্যালয়ৰ লগতে টিহুৰ ছখন গাঁও পঞ্চায়তৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে আজিৰে পৰা অনিৰ্দিষ্টকাললৈ কৰ্মবিৰতি আৰু ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিব। ঠিকাভিত্তিক কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰাৰ ফলত টিহু উন্নয়ন খণ্ডৰ কামকাজ স্থবিৰ হৈ পৰা পৰিলক্ষিত হয়। কৰ্মচাৰীসকলে এই সন্দৰ্ভত টিহুৰ খণ্ড উন্নয়ন বিষয়াক এখন স্মাৰকপত্ৰ দিয়াৰ লগতে অতি শীঘ্ৰে অসমৰ মুখ্যমন্ত্ৰীক এই বিষয়ত হস্তক্ষেপ প্ৰদান কৰিবলৈ দাবী জনাইছে।

### মুছলপুৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ কৰ্মবিৰতি

**মুছলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** বাগ্‌সা জিলাৰ মুছলপুৰতো পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে আজি তেওঁলোকৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত অনিৰ্দিষ্টকাললৈ কৰ্মবিৰতি ঘোষণা কৰাৰ লগতে আজি অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰে।

## শ্ৰদ্ধাঞ্জলি উদয় চন্দ্ৰ কলিতা



**মানুহজন** নেতা নাছিল, নেতৃত্ব দিয়া নাছিল; কিন্তু তেওঁ যোগ্যজনক সন্মান সহকাৰে আগুৱাই দি তেওঁক, তেনে অনুষ্ঠানক সদায়ে সহযোগিতা কৰি গৈছিল। আৰু সেইজন মানুহে আছিল মোৰ শহুৰ দেউতা টিহুৰ উদয় চন্দ্ৰ কলিতা। তেওঁৰ কনিষ্ঠ জীয়ৰীৰ স'তে মোৰ বৈবাহিক সম্পৰ্কৰো বহু আগৰে পৰা মানুহজনক জানিছিলো, তেওঁৰ বস্ত্ৰ প্ৰতিষ্ঠান 'কলিতা ষ্টোৰ'ৰ জৰিয়তে। কিন্তু মানুহজনৰ স'তে কথা-বতৰাৰে সম্পৰ্ক গঢ়িছিল, মোৰ বৈবাহিক সম্পৰ্কৰ পাছতহে। জানিব পৰা দিনৰ পৰাই দুখতো, সুখতো ঈশ্বৰৰ প্ৰতি সদায়ে কৃতজ্ঞ হৈ থকা মানুহজন দুদিনমানৰ সাধাৰণ অসুস্থতাত যোৱা ২৩ জানুৱাৰীৰ আবেলি আঁতৰি গ'ল চিৰদিনৰ বাবে। মই জনাৰ পৰা নিৰামিষ আহাৰ গ্ৰহণ কৰি অহা উদয় চন্দ্ৰ কলিতাই টিহুৰ হৰি মন্দিৰ নিৰ্মাণত আগভাগ লৈছিল। তেওঁ অধুনালুপ্ত ভ্ৰাম্যমাণ থিয়েটাৰ 'মুকুন্দ থিয়েটাৰ'ৰ মুখ্য পৃষ্ঠপোষক আছিল। তেওঁ পাঠশালাৰ 'আৱাহন থিয়েটাৰ' আৰু 'কহিনুৰ থিয়েটাৰ'ৰ স'তেও জড়িত আছিল। অসমৰ বিভিন্ন প্ৰান্তৰ দৌল, দেৱালয়, স্কুল, কলেজৰ নিৰ্মাণতো তেওঁৰ অৰিহণা সদায় ইতিবাচক আছিল। শহুৰ দেউতা ঐতিহাসিক 'অসম আন্দোলন'ত এজন নিষ্ঠাবান কৰ্মীৰূপে আগভাগ লৈছিল। আজীৱন টিহুক আগুৱাই নিয়াত তেওঁৰ ভূমিকা আছিল আদৰণীয়। কিন্তু তেওঁৰ জন্ম গাঁও ভালুকীৰ প্ৰতিও আছিল অকৃত্ৰিম মৰম আৰু ভালপোৱা। আজি আদ্যশ্ৰাদ্ধত তেওঁৰ প্ৰতি একাঁজলি শ্ৰদ্ধাঞ্জলি।

**ধীৰাজ কুমাৰ ডেকা**

# তিনি শতাধিক সাক্ষৰ ভাৰত মিছন কৰ্মীৰ চাকৰি নিয়মীয়াকৰণক লৈ অনিশ্চয়তা

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১ ফেব্ৰুৱাৰী ঃ** মানৱ সম্পদ উন্নয়ন বিভাগৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ অধীনত বিগত ২০১২তে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ঠিকাভিত্তিক নিযুক্তি প্ৰদান কৰা কোকৰাঝাৰ জিলাৰ তিনি শতাধিক স্বাক্ষৰ ভাৰত মিছন কৰ্মীয়ে চাকৰি নিয়মীয়াকৰণকে ধৰি বিগত ১১-১২ মাহৰ পৰা প্ৰাপ্য বকেয়া পাৰিতোষিক নিয়মিতভাৱে লাভ নকৰাত ক্ষুব্ধ হৈছে। এই উপলক্ষে কোকৰাঝাৰ জিলাত আজি সদৌ অসম স্বাক্ষৰ মিছন ভাৰত কৰ্মী সন্থাৰ কোকৰাঝাৰ জিলাৰ কৰ্মৰত কৰ্মীসকলে বিগত ১০ বছৰ ধৰি প্ৰাপ্তবয়স্কসকলক সাক্ষৰ কৰাৰ পাছতো আজিলৈ তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ নোহোৱাত তিনি শতাধিক মিছন কৰ্মীৰ পৰিয়াললৈ অমানিশা নামি আহিছে। ফলত কোকৰাঝাৰ জিলা সাক্ষৰ মিছন ভাৰত কৰ্মী সন্থাই ভাৰত মিছন কৰ্মীৰ চাকৰি নিয়মীয়াকৰণ আৰু অনাদায় পাৰিতোষিক মোকলাই দিয়াৰ দাবীত এক স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে কোকৰাঝাৰ জিলা সাক্ষৰ ভাৰত মিছন কৰ্মীৰ সভাপতি জুলফিকাৰ আলীৰ নেতৃত্বত আজি এটি সজাতি দলে কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকাক সাক্ষাৎ কৰি সন্থাৰ দুই দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।

# হিন্দু-মুছলিমৰ ঐক্যৰ নিদৰ্শন ডেকধোৱা পাহাৰ মুছলমানে সংৰক্ষণ কৰি ৰাখিছে


## হিন্দু ধৰ্মৰ শিলত খোদিত দেৱ-দেৱীৰ মূৰ্তি- শিৱলিংগ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১ ফেব্ৰুৱাৰী ঃ** প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে ভৰপূৰ তথা ব্ৰহ্মপুত্ৰ, জলজলী আৰু জিনাৰী নদীৰ সংগমস্থলীত গোৱালপাৰা চহৰৰ পৰা মাত্ৰ সাত কিলোমিটাৰ পূৱ দিশত অৱস্থিত ডেকধোৱা পাহাৰক পৰ্যটন কেন্দ্ৰৰূপে গঢ় দিয়াৰ দাবী জনাইছে সচেতন মহলে। বহু ঐতিহাসিক সমল থকা ডেকধোৱা পাহাৰত ইছলাম ধৰ্মীয় আউলীয়াৰ মাজাৰ থকাৰ লগতে সনাতন হিন্দু ধৰ্মৰ শিলত খোদিত দেৱ-দেৱীৰ কীৰ্তিচিহ্নৰে পৰিপূৰ্ণ হৈ আছে। পাহাৰখনত থকা হিন্দু ধৰ্মৰ শিলত খোদিত মূৰ্তিসমূহ, ৰাম-সীতাৰ পদযুগল চিহ্ন, শিৱলিংগসমূহ মুছলমান সম্প্ৰদায়ৰ লোকে ৰক্ষণাবেক্ষণ দি আহিছে। কিয়নো ডেকধোৱা গাঁৱত নাই এটাও হিন্দু পৰিয়ালৰ বসতি। যুগ যুগ ধৰি মুছলমান লোকসকলে এইবোৰ ৰক্ষণাবেক্ষণ দি আছে। সেয়ে হিন্দু মুছলিমৰ ঐক্যৰ এক নিদৰ্শন গোৱালপাৰাৰ ডেকধোৱা পাহাৰত দেখা গৈছে। তদুপৰি ডেকধোৱা পাহাৰত আছে সুদূৰ ইৰাকৰ বাগদাদৰ পৰা ছুফীবাদৰ ধ্বজা বহন কৰি অসমলৈ আহি শেষ নিশ্বাস ত্যাগ কৰা ইছলাম ধৰ্মীয় প্ৰয়াত নেতা ছৈয়দ জালালুদ্দিন শ্বাহ তাব্ৰীজীৰ মাজাৰ শ্বৰীফ। উল্লেখ্য যে ১৯৩৫ত পীৰে কামেল মঃ আব্দুল ভাষানী খানে এই পবিত্ৰ মাজাৰ শ্বৰীফ উলিয়াই থৈ যোৱাৰ পাছত এইখিনি ঠাই সংৰক্ষণ কৰি ৰখা হৈছে। এই মাজাৰ শ্বৰীফত প্ৰতি বছৰে ২১ আৰু ২২ মাঘত উৰুছ মোবাৰক অনুষ্ঠিত হয়। উক্ত উৰুছ মোবাৰকত বিভিন্ন ধৰ্মাৱলম্বী এক লক্ষাধিক ধৰ্মপ্ৰাণ লোক সমাবেত হয় আৰু মনোকামনাপূৰ্ণ হোৱাৰ আশাৰে মাজাৰ শ্বৰীফত দান-বৰঙণি আগবঢ়ায়। কেৱল মাঘতেই নহয় বছৰটোৰ প্ৰতিটো মাহতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন ধৰ্মাৱলম্বী লোকে মাজাৰ শ্বৰীফত উপস্থিত হৈ মনোকামনাপূৰ্ণ হোৱাৰ আশাৰে দান-বৰঙণি আগবঢ়ায়। ইপিনে, ডেকধোৱা পাহাৰৰ নামনিত পুৰাতত্ত্ব বিভাগে খননকাৰ্য চলাই পূৰণি গৃহৰ ভগ্নাৱশেষৰ লগতে আৰবী আখৰযুক্ত আৰু নক্সা খোদিত ইটা উদ্ধাৰ কৰে। পুৰাতত্ত্ব বিভাগে প্ৰায় এসপ্তাহজোৰা খননকাৰ্য চলাই বৃহৎ আকাৰৰ কে'বাটাও ইটা উদ্ধাৰ কৰে। এই ইটাসমূহৰ এটাৰ এফালে আৰবীত 'আল্লাহ' বুলি লিখা আছে। পুৰাতত্ত্ব বিভাগে উদ্ধাৰ কৰা ঐতিহাসিক সমলবোৰ ৮০০ বছৰ পুৰণি ৰাজা লক্ষণ সিংহৰ সময়ৰ বুলি অনুমান কৰা হৈছে। তাৰ উপৰি ডেকধোৱা পাহাৰৰ পৰা মাত্ৰ পাঁচ কিলোমিটাৰ নিলগৰ শ্ৰীশ্ৰী সূৰ্য পাহাৰখন যিহেতু কুমাৰ ভাস্কৰ বৰ্মনৰ ৰাজধানী আছিল, সেয়ে সেই সময়ত সৈন্য-সামন্তৰ বাবে অনুমান কৰা হৈছে। মুঠতে ডেকধোৱা পাহাৰখনত থকা ঐতিহাসিক সমলবোৰ হিন্দু আৰু মুছলমান ধৰ্মৰ মিলনস্থলী বুলি ক'ব পাৰি। যেনেদৰে শ্ৰীশ্ৰী সূৰ্য পাহাৰক উত্তৰ-পূৰ্বাঞ্চলৰ ইলোৰা তথা দ্বিতীয় কাশীধাম বুলি কোৱা হয়। হিন্দু, জৈন আৰু বুদ্ধ ধৰ্মৰ মিলনস্থলী বুলি কোৱা সূৰ্য পাহাৰৰ লেখীয়া ডেকধোৱা পাহাৰখনক হিন্দু আৰু মুছলমান ধৰ্মৰ মিলনস্থলী বুলি কোৱা হয়। এই পাহাৰখনত থকা মাজাৰ শ্বৰীফত পুৰ্বতে হেজাৰ হেজাৰ পাৰ চৰায়ে বাস কৰিছিল বাবে পাহাৰখনক 'কবুতৰ পাহাৰ' বুলিও কোৱা হয়।

# পেইন্টিং ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছত বিবেক



**অগ্ৰদূত ব্যুৰ**

**বঙাইগাঁও, ১ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰৰ সুভাষ নগৰ এক নম্বৰ ৱাৰ্ডৰ বিবেক মণ্ডল নামৰ এজন ছাত্ৰই 'বংগ ভাষা জননী' শীৰ্ষক মাতৃভাষা বৰ্তাই ৰখাৰ প্ৰয়াসেৰে অঁকা পেইনটিং ফটোৰ বাবে ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ ২০২২ ত নাম সন্নিৱিষ্ট কৰিবলৈ সক্ষম হৈছে। বাসুগাঁও চহৰৰ সুভাষ নগৰৰ ক্ষুদ্ৰ ব্যৱসায়ী নিৰ্মল মণ্ডল আৰু ভবানী মণ্ডলৰ দ্বিতীয় পুত্ৰ বিবেক মণ্ডল বৰ্তমান কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ স্নাতক তৃতীয় যাণ্মাসিকৰ বাংলা বিভাগৰ ছাত্ৰ। সৰুৰে পৰা অৰ্থাৎ চতুৰ্থ শ্ৰেণীৰ পৰা ছবি অঁকাৰ প্ৰতি ধাউতি থকা বিবেক মণ্ডলে বিগত ২০২১ৰ নৱেম্বৰত 'বংগ ভাষা জননী' শীৰ্ষক ১৬০.৫X১০৪.৫ ছেন্টিমিটাৰ আকাৰৰ দুদিনৰ ভিতৰত অঁকা পেইনটিং ছবিখন ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ লৈ প্ৰেৰণ কৰে। ইয়াৰ পাছতে চলিত বৰ্ষৰ ১৫ জানুৱাৰীত ছাত্ৰজনৰ 'বংগ ভাষা জননী' শীৰ্ষক পেইনটিং খন ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ ত অন্তৰ্ভুক্ত হোৱা বুলি কৰ্তৃপক্ষই ছাত্ৰ জনলৈ এই খবৰ জনাই ইণ্ডিয়া বুক ৰেকৰ্ডছৰ পৰা প্ৰমাণপত্ৰ, পদক, স্মাৰক আদি পঠাই দিয়ে।

# পুৰণা পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত

*তিনি পৃষ্ঠাৰ পৰা* পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত এঘণ্টীয়া কৰ্মবিৰতি পালন কৰে। নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়, নগাঁও সদৰ, কামপুৰ, কলিয়াবৰ, চামগুৰি, ৰূপহী, ধিং, ৰহা ৰাজহ চক্ৰৰ লগতে বিভিন্ন চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠানত, কৰ্মৰত এনপিএছ কৰ্মচাৰীসকলে এই কাৰ্যসূচী ৰূপায়ণ কৰে। ইপিনে, সদৌ অসম সন্মিলিত অ'বিবি শিক্ষক সন্থাৰ নগাঁও জিলা সমিতিৰ উদ্যোগত জিলাখনৰ বিভিন্ন প্ৰাথমিক শিক্ষানুষ্ঠানত কৰ্মৰত অ'বিবি শিক্ষকসকলে আজি প্ৰতাৰণা দিৱস পালন কৰি অ'বিবি শিক্ষকসকলক পুৰণি পেঞ্চন নীতিৰ আওতালৈ আনিবলৈ চৰকাৰক দাবী জনায়।

### ৰঙাপৰা মহাবিদ্যালয়ত নতুন পেঞ্চন নীতিৰ প্ৰতিবাদ

**ৰঙাপৰাৰ বিশেষ সংবাদদাতা ঃ** নতুন পেঞ্চন নীতি প্ৰত্যাহাৰ আৰু পুৰণি পেঞ্চন নীতি বাহালৰ দাবীত দেশব্যাপী চলা আন্দোলনৰ অংশৰূপে আজি ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়ৰ লগতে ৰঙাপৰা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীয়েও ক'লা দিৱস পালন কৰে। সকলোৱে ক'লা বেজ পৰিধান কৰি দুপৰীয়া ১২ বজাৰ পৰা এক বজালৈ কৰ্মবিৰতি পালন কৰি এক প্ৰতিবাদী সভাত মিলিত হয়। ৰঙাপৰা মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক দীপেন্দ্ৰ শৰ্মাই আঁত ধৰা সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতা আৰু উপাধ্যক্ষ ড° ৰণেন্দ্ৰ মোহন ডেকাই বক্তব্য আগবঢ়াই কলেজ শিক্ষকৰ পেঞ্চন আঁচনি প্ৰৱৰ্তনৰ সময়ত হোৱা আন্দোলনৰ ফলশ্ৰুতিত পোৱা পেঞ্চন আৰু পৰৱৰ্তী সময়ত নতুন পেঞ্চন আঁচনিয়ে অনা বিপদৰ কথা আলোচনা কৰে। সভাত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী তথা অসম কলেজ শিক্ষক সংস্থাৰ শোণিতপুৰ জিলাৰ মাণ্ডলিকৰ সভাপতি ড° অশ্বিনী কুমাৰ ডেকা, বড়ো বিভাগৰ মুৰব্বী অধ্যাপক প্ৰশান্ত বড়ো আৰু মহাবিদ্যালয় শিক্ষক গোটৰ সভানেত্ৰী ড° মমতা বৰঠাকুৰ আদিয়ে নতুন পেঞ্চন নীতি প্ৰত্যাহাৰৰ দাবী উত্থাপন কৰি বক্তব্য আগবঢ়ায়।

### চিৰাঙত কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতিবাদ

**কাজলগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** সদৌ অসম চৰকাৰী পেঞ্চন সন্থা (এন পি এছ)ৰ আহ্বান মৰ্মে আজি চিৰাং জিলাত কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলে ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। জিলাৰ সদৰ কাজলগাঁৱস্থিত কাজলগাঁও উচ্চ মাধ্যমিক বিদ্যালয় প্ৰসংগত কৰ্মৰত আৰু অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপস্থিতিত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ বিৰোধিতা কৰি ক'লা বেজ পৰিধান কৰি ক'লা দিৱস পালন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে পুৰণি পেঞ্চন নীতি বাহাল ৰাখিবলৈ চৰকাৰলৈ এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে দাবী জনায়।

### নতুন পেঞ্চন নীতিৰ বিৰুদ্ধে প্ৰতিবাদ তেজপুৰত

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত আজি তেজপুৰৰ আদালত চাৰিআলিত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সদৌ অসম চকাৰী এনপিএছ কৰ্মচাৰীৰ সহযোগত শোণিতপুৰ জিলা সমিতিয়ে আজি দিনৰ ১২ বজাৰ পৰা এক বজালৈকে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। 'কৰ্মচাৰীসকলৰ অৱসৰৰ জীৱনৰ সুৰক্ষাৰ বাবে পুৰণি পেঞ্চন নীতি বাহাল ৰাখক' আদি ধ্বনিৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা কৰ্মচাৰীসকলৰ এই কাৰ্যসূচীত ড° মনোজ কুমাৰ হাজৰিকা, ৰাজকমল দাস আদি জিলা সমিতিৰ নেতাসকলেও অংশ লয়।

# 'ৰিস্ক'ৰ প্ৰত্যাহ্বান লৈ প্ৰস্তুত

*এক পৃষ্ঠাৰ পৰা* ধৰি কে'বাটাও এনে প্ৰস্তাৱ গ্ৰহণ কৰিছে যিবোৰে দেশৰ অৰ্থব্যৱস্থাক অস্থিৰ কৰি তুলিব পাৰে। তথাপি চৰকাৰে ৰিস্ক লৈ পদক্ষেপ ল'ব বিচৰাটো বাজেটখনত স্পষ্ট হৈছে। অধিক ঋণ ল'লে মুদ্ৰাস্ফীতি বাঢ়ি যোৱাৰ আশংকা থাকে। তথাপিও খাদ্য-শস্যৰ উৎপাদনৰ পৰিমাণলৈ চাই চৰকাৰে সেই ৰিস্ক লৈছে। ভাৰতত খাদ্য-শস্যৰ উৎপাদন যথেষ্ট ভাল হৈছে। ভঁৰালতো যথেষ্ট পৰিমাণে মজুত আছে। গতিকে খাদ্যৰ অভাৱ নহ'ব। এনেধৰণৰ হিচাপ-নিকাচবোৰ কৰিয়েই হয়তো ৰিস্ক লৈছে।

বাজেটত মূলধনী ব্যয় বিশেষ গুৰুত্ব দিয়া দেখা গৈছে। সম্পদ সৃষ্টিতো অগ্ৰাধিকাৰ দিছে। আন্তঃগাঁথনি নিৰ্মাণৰ প্ৰস্তাৱতো অগ্ৰাধিকাৰ দিয়া হৈছে। এই আটাইবোৰ হ'ল বাজেটখনৰ ভাল দিশ। এইবোৰৰ বাবে যথেষ্ট পুঁজিৰ দৰকাৰ হ'ব। সেই পুঁজি ক'ৰ পৰা আহিব? চৰকাৰে দিয়া তথ্য মতে, আয়কৰ সংগ্ৰহৰ পৰিমাণ বাঢ়িছে। জি এছ টি সংগ্ৰহো ভাল হৈছে। তথাপিও পুঁজি লাগিব। তাৰ বাবে চৰকাৰে ঋণ ল'ব। বাজেটৰ আগত যি অৰ্থনৈতিক সমীক্ষা ওলাইছে তাত দেখা গৈছে যে ভাৰতে ক'ভিডৰ আগৰ পৰিৱেশ ঘূৰাই পাইছে। সেই দিশৰ পৰা পৰিৱেশ ঋণ ল'লেও ভাল বুলি ধৰিব পাৰি।

ভাৰতৰ বিকাশৰ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী দুয়োটাই ব্যৱস্থাই বাজেটত ৰখা হৈছে। হ্ৰস্বম্যাদী ব্যৱস্থাত নিযুক্তিৰ সম্ভাৱনাবোৰ আহিব। দীৰ্ঘম্যাদীত ভাৰতৰ উৎপাদন ক্ষমতা বাঢ়িব। এটা সময়ত ভাৰত আৰু চীন এই দিশত সমান সমান আছিল। ভাৰতে সেই পৰিৱেশৰ ওপৰলৈ যোৱাৰ প্ৰৱণতা বাজেটত ৰাখিছে।

এটা কথা চৰ্চা হৈছে যে কৰ্প'ৰেট কৰৰ উপকৰ হ্ৰাস কৰাৰ প্ৰস্তাৱ বাজেটত কৰা হৈছে। তদুপৰি মধ্যবিত্ত শ্ৰেণীটোৱে বিচাৰে যে তেওলোকক কৰ ৰেহাই দিব লাগে। কৰ্প'ৰেট কৰৰ উপকৰ হ্ৰাস কৰিব বিচৰাতো অৰ্থনৈতিক সংস্কাৰৰ এটা অংশ। আনহাতে, বৰ্তমান দেশৰ যি অৱস্থা তেনে ক্ষেত্ৰত মধ্যবিত্তক কৰ ৰেহাই সম্ভৱ নহয়।

## ই ডিৰ যুটীয়া সঞ্চালক ৰাজেশ্বৰ সিঙৰ স্বেচ্ছাৱসৰ, হ'ব পাৰে বিজেপিৰ প্ৰাৰ্থী



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১ ফেব্ৰুৱাৰী ঃ** প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি) যুটীয়া সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰা ৰাজেশ্বৰ সিঙৰ স্বেচ্ছাৱসৰৰ আবেদন চৰকাৰে গ্ৰহণ কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি সিঙে এইবাৰ ৰাজনীতিত প্ৰৱেশ কৰিব। অচিৰে তেওঁ বিজেপিত যোগদান কৰাৰ সম্ভাৱনা আছে। বিজেপিৰ এক সূত্ৰই আজি এই কথা প্ৰকাশ কৰি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমক অৱগত কৰোৱা অনুসৰি সিঙে চুলতানপুৰ সদৰ অথবা লক্ষ্ণৌৰ সৰোজনী নগৰ সমষ্টিৰ পৰা বিজেপিৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। ১৯৯৬ত সিং পি পি এছ বিষয়া নিৰ্বাচিত হৈছিল। কৰ্মক্ষেত্ৰত এসময়ত তেওঁ 'এনকাউণ্টাৰ বিশেষজ্ঞ' হিচাপে পৰিচিত হৈছিল। ২০০৯ত তেওঁ ই ডিলৈ বদলি হৈছিল। অৱসৰ গ্ৰহণৰ বাবে ১১ বছৰ বাকী থকা সিঙে অলপতে স্বেচ্ছাই অৱসৰ গ্ৰহণৰ বাবে আবেদন জনাইছিল। চৰকাৰে তেওঁৰ আবেদন মঞ্জুৰ কৰাৰ পাছত সিঙে ৰাজনীতিত প্ৰৱেশ কৰাৰ পথ প্ৰশস্ত হ'ল।

## ইউটিউবতো চমক মোদীৰ, অনুৰাগীৰ সংখ্যা এক কোটিৰ অধিক

**নিউজ ব্যুৰ', নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** সামাজিক মাধ্যমত বিপুল জনপ্ৰিয়তা অৰ্জন কৰি অহা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবাৰ ইউটিউবত নতুন অভিলেখ সৃষ্টি কৰিলে। আজি প্ৰধানমন্ত্ৰীৰ ইউটিউব চেনেলৰ ছাবস্ক্ৰাইবাৰৰ সংখ্যা এক কোটিৰ অধিক হ'ল। চাৰ্চ ইঞ্জিন গুগলৰ অন্যতম সামাজিক মাধ্যম মঞ্চ হৈছে ইউটিউব। বিশ্বৰ আগশাৰীৰ প্ৰায়সকল ৰাষ্ট্ৰনেতাৰ ইউটিউবত নিজা চেনেল আছে। উল্লেখ্য যে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ ইউটিউবত



নিজা চেনেল আছে যদিও তেওঁৰ ছাবস্ক্ৰাইবাৰৰ সংখ্যা হৈছে মাত্ৰ সাত লাখ। একেদৰে হোৱাইট হাউছৰ ইউটিউবত ১৯ লাখ ছাবস্ক্ৰাইবাৰ আছে। মোদীৰ ইউটিউবত এক কোটিৰ অধিক ছাবস্ক্ৰাইবাৰ থকাৰ লগতে টুইটাৰত সাত কোটি ৫৩ লাখ ফল'ৱাৰ আৰু ফেচবুকত চাৰি কোটি ৬৮ লাখ ফল'বাৰ আছে। ২০০৭ৰ অক্টোবৰত গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তে মোদীয়ে 'নৰেন্দ্ৰ মোদী' নামৰে ইউটিউব চেনেল মুকলি কৰিছিল।

## বিৰোধিতা নকৰি সকলোকে টিকা ল'বলৈ আহ্বান মাৰ্কিন বিশেষজ্ঞৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১ ফেব্ৰুৱাৰী ঃ** প্ৰতিষেধক বাধ্যতামূলক কৰাৰ বিৰুদ্ধে কানাডাত একাংশ লোকে ব্যাপক প্ৰতিবাদ অব্যাহত ৰখাৰ সময়তে আমেৰিকাৰ মেৰীলেণ্ড ইউনিভাৰ্ছিটিৰ বিশেষজ্ঞ ফাহিম ইউনুছে সকলোকে বিৰোধিতা অবিহনে ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিলে। ইউনিছে কয়, 'এই কথা প্ৰমাণিত হৈছে যে ক'ভিডৰ সংক্ৰমণ অপ্ৰতিৰোধ্য, কিন্তু টিকাকৰণৰ জৰিয়তে সংক্ৰমণৰ গতি হ্ৰাস কৰা সম্ভৱ। সময়ৰ লগে লগে ক'ভিডৰ চিকিৎসা পদ্ধতিও উন্নত হ'ব। প্ৰতিষেধকৰ কাৰ্যকাৰিতাও বৃদ্ধি পাব। আমি যেতিয়ালৈকে প্ৰতিষেধক গ্ৰহণ কৰিম, উন্নতমানৰ মাস্ক পৰিধান কৰিম, তেতিয়ালৈকে ক'ভিডৰ স'তে যুঁজ দি জীয়াই থাকিব পাৰিম। এইদৰে আমি চিকিৎসালয়ত ভৰ্তি বা মৃত্যু হোৱাৰ পৰা ৰক্ষা লাভ কৰিব পাৰিম।' কানাডাত একাংশ লোকে চৰকাৰৰ ক'ভিড বিধিৰ বিৰুদ্ধে অব্যাহত থকা প্ৰতিবাদ প্ৰত্যাহাৰ কৰিবলৈ পৰামৰ্শ দি ইউনুছে কয় যে কৰ'না প্ৰতিৰোধৰ ক্ষেত্ৰত ক'ভিড বিধি মানি চলা আৰু টিকাকৰণ অত্যন্ত জৰুৰী। টুইট কৰি মাৰ্কিন স্বাস্থ্য বিশেষজ্ঞজনে কয়, 'অভিযোগ কৰাৰ জৰিয়তে কোনো সুফল লাভ কৰিব নোৱাৰি। বৰঞ্চ কৰ'না বিধিক সন্মান জনালে আমাৰ উপকাৰ হ'ব।'

## ৯৪ বছৰত মনোনয়ন দাখিলৰে অভিলেখ বাদলৰ



**নিউজ ব্যুৰ', চণ্ডীগড়, ১ ফেব্ৰুৱাৰী ঃ** শিৰোমণি আকালি দলৰ প্ৰতিষ্ঠাপক প্ৰকাশ সিং বাদলে লাম্বি সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিলে। উল্লেখ্য যে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ ক্ষেত্ৰত দেশৰ সবাতোকৈ বয়স্ক প্ৰাৰ্থী হিচাপে অভিলেখ ৰচিলে বাদলে। পাঁচবাৰকৈ পঞ্জাৱৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা বাদলে ৯৪ বছৰ বয়সত পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাপে পুনৰ থিয় দিলে। উল্লেখ্য যে ইয়াৰ পূৰ্বে কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভি এছ অচ্যুতানন্দনে ৯২ বছৰ বয়সত ২০১৬ত বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি অভিলেখ ৰচিছিল। ২০২২ত চিপিআইএমৰ নেতাজনৰ এই অভিলেখ ভংগ কৰিলে শিৰোমণি আকালি দলৰ প্ৰতিষ্ঠাপকে।

## ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণ ঃ এপ্ৰিলত ফ্ৰান্সত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰপতিৰ নিৰ্বাচন

# ফ্ৰান্সত হঠাৎ সংক্ৰমণ ঊৰ্ধ্বমুখী, প্ৰভাৱিত হ'ব পাৰে ৰাষ্ট্ৰপতিৰ নিৰ্বাচন

**নিউজ ব্যুৰ' পেৰিছ, ১ ফেব্ৰুৱাৰী ঃ** ফ্ৰান্সত বিগত এদিনত ৩.৩৩ লাখ লোক কৰ'নাত সংক্ৰমিত হ'ল। এদিন পূৰ্বে দৈনিক সংক্ৰমণৰ ক্ষেত্ৰত ফ্ৰান্সে আমেৰিকাকো অতিক্ৰম কৰি শীৰ্ষস্থান দখল কৰিছিল। আমেৰিকাত ১.৯২ লাখ লোক বিগত ২৪ ঘণ্টাত ক'ভিড সংক্ৰমিত হোৱাৰ বিপৰীতে ফ্ৰান্সত এদিনত কৰ'নাত আক্ৰান্ত হ'ল




৩.৩৩ লাখ লোক। তদুপৰি বিগত এদিনত দেশখনত ক'ভিডত প্ৰাণ হেৰুৱালে ১৭৮ জন লোকে। প্ৰকাশিত বাতৰি অনুসৰি ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণৰ ফলত ফ্ৰান্সত কৰ'নাই আকৌ এবাৰ ভয়াৱহ ৰূপ ধাৰণ কৰিছে। যোৱা ২০ জানুৱাৰীত দেশখনত ৪,২৫,১৮৩ জন লোক কৰ'নাত সংক্ৰমিত হৈছিল। অহা এপ্ৰিলত ফ্ৰান্সত ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ক'ভিডৰ ব্যাপক সংক্ৰমণ বৰ্তমানৰ হাৰত দেশখনত অব্যাহত থাকিলে এই নিৰ্বাচন প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে। এতিয়ালৈকে দেশখনত বিৰোধীয়ে তেনে বিশেষ শক্তি প্ৰদৰ্শন কৰিবলৈ সক্ষম নোহোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰপতিৰ আগন্তুক নিৰ্বাচনতো বৰ্তমানৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ' শক্তিশালী প্ৰাৰ্থী হিচাপে বিবেচিত হৈছে। অৱশ্যে ক'ভিড সংক্ৰমণে পুনৰ দীৰ্ঘদিনলৈ মাৰাত্মক ৰূপ অব্যাহত ৰাখিলে ফ্ৰান্সত ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পিছুৱাব লগা হ'ব পাৰে।



## কানাডাৰ প্ৰধানমন্ত্ৰী ট্ৰুডু ক'ভিডত সংক্ৰমিত

**নিউজ ব্যুৰ' অট'ৱা, ১ ফেব্ৰুৱাৰী ঃ** কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডু ক'ভিড-১৯ত আক্ৰান্ত হ'ল। যোৱা নিশা প্ৰধানমন্ত্ৰীজনে টুইট কৰি কৰ'নাত আক্ৰান্ত হোৱাৰ কথা ৰাজহুৱা কৰে। ট্ৰুডুৱে প্ৰকাশ কৰা অনুসৰি তেওঁৰ লগতে দুটি সন্তানৰ শৰীৰতো কৰ'নাৰ সংক্ৰমণ ধৰা পৰিলে। উল্লেখ্য যে কানাডাত সম্প্ৰতি একাংশ লোকে ক'ভিড টিকাকৰণ বাধ্যতামূলক কৰাৰ বিৰুদ্ধে আন্দোলন অব্যাহত ৰাখিছে যদিও দেশখনত প্ৰধানমন্ত্ৰীয়ে ইতিমধ্যে এই আন্দোলনক অবৈধ ঘোষণা কৰিছে। কোনো কাৰণতে টিকাকৰণ সন্দৰ্ভত জাৰি কৰা আইন প্ৰত্যাহাৰ কৰা নহ'ব বুলিও ট্ৰুডুৱে ইতিমধ্যে ঘোষণা কৰিছে।

## ক'ভিড বিধি লংঘনৰে পাৰ্টিত অংশ লৈ সংসদত ক্ষমাপ্ৰাৰ্থী ব্ৰিটিছ প্ৰধানমন্ত্ৰী



**নিউজ ব্যুৰ', লণ্ডন, ১ ফেব্ৰুৱাৰী ঃ** কৰ'না প্ৰতিৰোধৰ বাবে ব্ৰিটেইনত তলাবন্ধ অব্যাহত থকাৰ সময়ত প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসগৃহত ক'ভিড বিধি উলংঘন কৰি পাৰ্টি অনুষ্ঠিত কৰাৰ ঘটনাৰ সন্দৰ্ভত অৱশেষত সংসদত ক্ষমা বিচাৰিবলৈ বাধ্য হ'ল ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন। উক্ত পাৰ্টিৰ অভিযোগৰ সন্দৰ্ভত তদন্তৰ প্ৰতিবেদন প্ৰকাশ পোৱাৰ পাছতে সংসদত ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে কয়, 'ডাউনিং ষ্ট্ৰিটৰ ঘটনাৰ বাবে ক্ষমা বিচাৰিছো। এতিয়া আৰু এই কথা কৈ লাভ নহ'ব যে সকলো কাম বিধি মানি কৰা হৈছিল আৰু অনেকে কঠোৰ পৰিশ্ৰম কৰিছিল।' উল্লেখ্য যে তলাবন্ধৰ সময়ত নিজৰ চৰকাৰী বাসগৃহত ক'ভিড বিধি উলংঘনৰে পাৰ্টিৰ আয়োজন কৰি জনছন স্বয়ং নিজ দলৰে কঠোৰ সমালোচনাৰ সন্মুখীন হৈছিল।

## দুই লাখৰ তললৈ নামিল দেশৰ দৈনিক সংক্ৰমণ, উদ্বেগ বৃদ্ধিৰে এদিনত হেজাৰৰ অধিকৰ মৃত্যু

**নিউজ ব্যুৰ', নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** এদিনতে যথেষ্ট হ্ৰাস পালে দেশৰ দৈনিক ক'ভিড সংক্ৰমণ। কিন্তু একে সময়তে বিগত এদিনত দেশত ক'ভিডত মৃত্যুৰ সংখ্যা বৃদ্ধিয়ে উদ্বেগ বঢ়ালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড-১৯ত সংক্ৰমিত হ'ল ১.৬৭ লাখ লোক। বিগত এদিনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে দেশত পুনৰ প্ৰাণ কাঢ়িলে ১১৯২জন লোকৰ। সোমবাৰে দেশত ক'ভিডত মৃতকৰ সংখ্যা আছিল ৯৫৯জন। বৰ্তমানলৈকে ভাৰতত ৪.১৪ কোটি লোক ক'ভিড সংক্ৰমিত হ'ল। তদুপৰি এই ভাইৰাছত সংক্ৰমিত হোৱাৰ ফলত মঙলবাৰলৈকে দেশত মুঠ ৪.৯৬ লাখ লোকৰ মৃত্যু হ'ল। বৰ্তমানে দেশৰ ১৭ লাখ ৪৩ হেজাৰ সক্ৰিয় ক'ভিড ৰোগী আছে।



## দল ত্যাগ কৰি পঞ্জাৱৰ জ্যেষ্ঠ কংগ্ৰেছ নেতাৰ অভিযোগ, টিকটৰ বিনিময়ত প্ৰিয়ংকাৰ বাবে দাবী কৰিছিল হেলিকপ্টাৰ

**নিউজ ব্যুৰ' লুধিয়ানা, ১ ফেব্ৰুৱাৰী ঃ** পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত লুধিয়ানাত টিকট বিতৰণক লৈ কংগ্ৰেছ দলত সংঘাত অব্যাহত আছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা অমৰজিৎ সিং টিক্কাই কালি কংগ্ৰেছ ত্যাগ কৰি দলৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিলে। এইবাৰৰ বিধানসভাৰ নিৰ্বাচনত



টিক্কাই দক্ষিণ হলকে সমষ্টিৰ পৰা কংগ্ৰেছৰ টিকট বিচাৰিছিল যদিও দলে তেওঁক টিকটৰ পৰা বঞ্চিত কৰিলে। টিক্কাৰ অভিযোগ অনুসৰি কংগ্ৰেছৰ এজন প্ৰভাৱশালী নেতাই তেওঁৰ পৰা টিকটৰ বিনিময়ত ভাড়াত হেলিকপ্টাৰ বন্দোবস্ত কৰি দিয়াৰ দাবী জনাইছিল। টিক্কাই এই দাবী পূৰণ নকৰাত দলে তেওঁক টিকটৰ পৰা বঞ্চিত কৰিলে। কংগ্ৰেছ ত্যাগ কৰাৰ পাছত টিক্কাই কয় যে উত্তৰ প্ৰদেশত প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ নিৰ্বাচনী প্ৰচাৰত ব্যৱহাৰৰ বাবে দলে তেওঁক হেলিকপ্টাৰ ভাড়া কৰি দিবলৈ দাবী জনাইছিল। কিন্তু এই দাবী টিক্কাই পূৰণ নকৰিলে। কংগ্ৰেছ ত্যাগ কৰা নেতাজনৰ দাবী অনুসৰি পঞ্জাৱত কংগ্ৰেছে টিকট ২০ কোটি টকাৰ বিনিময়ত বিক্ৰী কৰিছে।

## কিমান স্থাৱৰ, অস্থাৱৰ সম্পত্তিৰ অধিকাৰী অখিলেশ-ডিম্পল ?



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১ ফেব্ৰুৱাৰী ঃ** সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে কালি উত্তৰ প্ৰদেশ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে মেনপুৰীৰ কৰহল সমষ্টিৰ পৰা মনোনয়নপত্ৰ দাখিল কৰিলে। অখিলেশে মনোনয়নপত্ৰৰ স'তে দাখিল কৰা শপতনামাত উল্লেখ কৰা অনুসৰি তেওঁৰ মুঠ স্থাৱৰ সম্পত্তিৰ পৰিমাণ হৈছে ৮.৪৩ কোটি টকা। আনহাতে, পত্নী ডিম্পল যাদৱৰ স্থাৱৰ সম্পত্তিৰ পৰিমাণ হৈছে ৪.৭৬ কোটি টকা। অখিলেশৰ হাতত ১৭.২২ কোটি টকাৰ অস্থাৱৰ সম্পত্তিত আছে। আনহাতে, ডিম্পলৰ অস্থাৱৰ সম্পত্তিৰ পৰিমাণ হৈছে ৯.৬০ কোটি টকা। শপতনামাত সমাজবাদী পাৰ্টিৰ নেতাজনে প্ৰকাশ কৰা অনুসৰি পত্নী আৰু সন্তানসহ তেওঁৰ মুঠ স্থাৱৰ, অস্থাৱৰ সম্পত্তিৰ পৰিমাণ হৈছে ৪০ কোটি টকা। অখিলেশৰ ঋণৰ পৰিমাণ হৈছে ২৮.৯৭ লাখ টকা। আনহাতে, পত্নী ডিম্পলৰ ১৪.২৬ লাখ টকাৰ ঋণ আদায় দিবলৈ বাকী আছে। ডিম্পলৰ হাতত আছে ২৭৭৪ গ্ৰামৰ সোণৰ গহনা, ২০৩ গ্ৰামৰ মুকুতা, ১২৭.৭৫ কেৰেটৰ হীৰা যাৰ বজাৰমূল্য হৈছে ৫৯,৭৬,৬৮৭ টকা। অখিলেশৰ হাতত নগদ ১.৭৯ লাখ টকা আৰু ডিম্পলৰ হাতত নগদ ৩.৩২ লাখ টকা আছে।

## বিধায়ক থাকোতে সম্পত্তি বাঢ়িছিল, মুখ্যমন্ত্ৰী হৈ সম্পত্তি হ্ৰাস ছন্নীৰ

**নিউজ ব্যুৰ', চণ্ডীগড়, ১ ফেব্ৰুৱাৰী ঃ** পঞ্জাৱৰ প্ৰথম দলিত মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নী যেতিয়া ৰাজ্যখনৰ মন্ত্ৰী হৈ আছিল তেতিয়া তেওঁ সম্পত্তিৰ পৰিমাণ বৃদ্ধি পাইছিল। কিন্তু পঞ্জাৱৰ মুখ্যমন্ত্ৰী হোৱাৰ পাছত সম্পত্তি হ্ৰাস পালে ছন্নীৰ। কেৱল এয়াই নহয়, মুখ্যমন্ত্ৰী হোৱাৰ পাছত ঋণগ্ৰস্তও হ'ল ছন্নী। ২০১২ত বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সময়ত ছন্নীৰ মুঠ সম্পত্তিৰ পৰিমাণ আছিল ৯.২০ কোটি টকা আৰু সেই সময়ত তেওঁৰ ১৭.৭২ লাখ টকাৰ ঋণ আছিল। ২০১৭ত ছন্নীৰ সম্পত্তিৰ পৰিমাণ ১১.৭০ কোটি টকালৈ বৃদ্ধি পোৱাৰ বিপৰীতে ঋণৰ পৰিমাণ ১০.৮৪ লাখ টকালৈ হ্ৰাস পাইছিল। ইয়াৰ পাছত প্ৰথমবাৰলৈ তেওঁ মন্ত্ৰী আৰু পৰৱৰ্তী সময়ত পঞ্জাৱৰ মুখ্যমন্ত্ৰী হ'ল। ২০২২ত ছন্নীৰ সম্পত্তিৰ পৰিমাণ ৬.১৭ কোটি টকালৈ হ্ৰাস পালে আৰু তেওঁৰ ঋণৰ পৰিমাণ ৬৩.৩০ লাখ টকালৈ বৃদ্ধি পায়। ছন্নীয়ে আজি চমকৌৰ চাহিব সমষ্টিৰ পৰা বিধানসভাৰ নিৰ্বাচনৰ বাবে নিজৰ মনোনয়নপত্ৰ দাখিল কৰে। কালি ছন্নীয়ে ভদৌৰ সমষ্টিত মনোনয়ন দাখিল কৰিছিল। বিধানসভাৰ নিৰ্বাচনত এইবাৰ তেওঁ দুয়োটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে।




## বিপ্লৱৰ মন্ত্ৰীসভাত বিদ্ৰোহ, চাৰি বিধায়কৰ দলত্যাগৰ সম্ভাৱনা



**নিউজ ব্যুৰ', আগৰতলা, ১ ফেব্ৰুৱাৰী ঃ** ত্ৰিপুৰাৰ বিপ্লৱ দেৱৰ চৰকাৰৰ বিৰুদ্ধে কাৰ্যত বিদ্ৰোহ ঘোষণা কৰিলে বিজেপিৰ চাৰিজন বিধায়কে। প্ৰকাশিত বাতৰি অনুসৰি বিধায়ক সুদীপ ৰায়বৰ্মনসহ আশীষ সাহা, দিবাচন্দ্ৰ ৰানখল, বুৰ্বমোহনে মুখ্যমন্ত্ৰী বিপ্লৱ দেৱৰ চৰকাৰত বিদ্ৰোহৰ সূচনা কৰিলে। উল্লেখ্য যে পূৰ্বেও বিপ্লৱৰ মন্ত্ৰীসভাত বিধায়ক ৰায়বৰ্মনে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। এইবাৰ ৰায়বৰ্মনৰ স'তে আন তিনিজন ক্ষুব্ধ বিধায়কে বিপ্লৱৰ চৰকাৰৰ বিৰুদ্ধে যৌথভাৱে বিদ্ৰোহ ঘোষণা কৰিছে। এই চাৰি বিধায়কে ত্ৰিপুৰাৰ প্ৰতিখন জিলাত বিপ্লৱ চৰকাৰৰ বিৰুদ্ধে বৈঠক অনুষ্ঠিত কৰিবলৈ যোজা চলাইছে। সূত্ৰৰ খবৰ অনুসৰি চাৰি বিধায়কে দল পৰ্যন্ত ত্যাগ কৰাৰ সম্ভাৱনা আছে।

## উত্তৰাখণ্ডৰ কুমাওঁত মুখ্যমন্ত্ৰী-প্ৰাক্তন মুখ্যমন্ত্ৰীৰ হ'ব তীব্ৰ যুঁজ




**নিউজ ব্যুৰ', ডেৰাডুন, ১ ফেব্ৰুৱাৰী ঃ** উত্তৰাখণ্ডৰ বিধানসভা নিৰ্বাচনত এইবাৰ কুমাওঁৰ ২৯ টা সমষ্টিয়ে বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। কুমাওঁত বিজেপিৰ বৰ্তমানৰ মুখ্যমন্ত্ৰীসহ চাৰিজন কেবিনেট মন্ত্ৰীয়ে নিৰ্বাচনী ৰণত অৱতীৰ্ণ হৈছে। ইফালে, কংগ্ৰেছৰো প্ৰাক্তন মুখ্যমন্ত্ৰীসহ তিনিজন কাৰ্যবাহী সভাপতিয়ে কুমাওঁত প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। নিৰ্বাচনলৈ মাত্ৰ ১৩ দিন বাকী থকা সময়ত একাধিক প্ৰভাৱশালী প্ৰাৰ্থীৰ আগমনে উত্তৰাখণ্ডত কুমাওঁত নিৰ্বাচনী দৃশ্যপট আকৰ্ষণীয় কৰি তুলিছে। বিজেপিৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে খতিমা সমষ্টিৰ পৰা এইবাৰ প্ৰতিদ্বন্দ্বিতা কৰিছে। বিজেপি চৰকাৰৰ চাৰিজন কেবিনেট মন্ত্ৰী বিছন সিং ছুফালে দিদিহাট সমষ্টিত, ৰেখা আৰ্যই সোমেশ্বৰত, বংশীধৰ ভগতে কালাধুংগীত আৰু অৰবিন্দ পাণ্ডেয়ে গদৰপুৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে। কুমাওঁৰ ২৯ টা সমষ্টিত কংগ্ৰেছেও সৰহসংখ্যক সমষ্টি জয়ৰ লক্ষ্যৰে এইবাৰ প্ৰভাৱশালী প্ৰাৰ্থীক প্ৰক্ষেপ কৰিছে। পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা হৰিশ ৰাৱটে এইবাৰ কুমাওঁৰ লালকুঁৱা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে।

## ৰাষ্ট্ৰীয় উচ্চ শিক্ষানীতি সন্দৰ্ভত বৃহৎ পদক্ষেপ ইউ জি চিৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১ ফেব্ৰুৱাৰী ঃ** দেশৰ সকলো শিক্ষা প্ৰতিষ্ঠানত সম মানদণ্ডৰ শিক্ষা প্ৰসাৰৰ লক্ষ্যৰে বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)-এ খচৰা প্ৰকাশ কৰিলে। অতি শীঘ্ৰে দেশৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক এক নতুন উচ্চ শিক্ষা নীতিৰ অধীনলৈ অনা হ'ব। নেচনেল হায়াৰ এডুকেচন কোৱালিফিকেচন ফ্ৰেমৱৰ্ক (এন এইচ ই কিউ এফ) দাখিল কৰিলে ইউ জি চিয়ে। ২০২০ বৰ্ষত যি ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰকাশ কৰা হৈছিল তাৰ আধাৰতে নতুন পদক্ষেপৰ পথত অগ্ৰসৰ হ'ল ইউ জি চি। প্ৰযুক্তিগত শিক্ষাৰ পৰা আৰম্ভ কৰি তত্বগত নিৰ্ভৰ জ্ঞানসহ চাকৰিৰ বাবে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কেনে নীতি গ্ৰহণ কৰিব লাগিব, এই বিষয়ত খচৰা দাখিল কৰিলে ইউ জি চিয়ে। অতি শীঘ্ৰে দেশৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহক এক নতুন উচ্চ শিক্ষা নীতিৰ অধীনলৈ অনা হ'ব। এই লক্ষ্যৰে ইউ জি চিয়ে এন এইচ ই কিউ এফৰ খচৰা প্ৰস্তুত কৰিছে।




## লক্ষ্ণৌৰ ছয় সমষ্টিসহ ১০ প্ৰাৰ্থীৰ নাম ঘোষণা সমাজবাদী পাৰ্টিৰ




**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১ ফেব্ৰুৱাৰী ঃ** সমাজবাদী পাৰ্টিয়ে আজি উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ বাবে ১০ টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। লক্ষ্ণৌৰ ছয়টা সমষ্টিৰ বাবেও দলটোৱে প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰিছে। সমাজবাদী পাৰ্টিয়ে লক্ষ্ণৌ পূব সমষ্টিত প্ৰাক্তন মন্ত্ৰী ৰবিদাস মেহৰোট্ৰাক পুনৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। আনহাতে, বিকেটিত প্ৰাক্তন বিধায়ক গোমতি যাদৱ, লক্ষ্ণৌ পশ্চিমত অৰমান আৰু লক্ষ্ণৌ পূবত পূজা শুক্লাক দলে টিকট প্ৰদান কৰিলে। একেদৰে লক্ষ্ণৌ কেণ্টত সমাজবাদী পাৰ্টিয়ে ৰাজু গান্ধীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। লক্ষ্ণৌৰ মুঠ নটা সমষ্টিৰ আঠটাত সমাজবাদী পাৰ্টিয়ে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। মোহনলালগঞ্জত দলে বিধায়ক অমৰীশ পুষ্কৰক টিকট দিছে। একেদৰে মহিলাবাদত প্ৰাক্তন সাংসদ সুশীলা সুৰুযক সমাজবাদীয়ে প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিলে। সৰোজনীনগৰ সমষ্টিৰ প্ৰাৰ্থীৰ নাম বৰ্তমানলৈকে দলে ঘোষণা কৰা নাই।

## ২৪ ঘণ্টাত বিশ্বত ক'ভিডত সংক্ৰমিত ২০.১৮ লাখ লোক, ৭,৬১৭ জনৰ মৃত্যু



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১ ফেব্ৰুৱাৰী ঃ** বিশ্বৰ বিভিন্ন দেশত যোৱা ২৪ ঘণ্টাত ২০.১৮ লাখ লোক কৰ'নাত আক্ৰান্ত হ'ল। আনহাতে, এই ভাইৰাছৰ সংক্ৰমণত বিশ্বজুৰি ৭,৬১৭ জন লোকৰ মৃত্যু হ'ল এদিনত। অৱশ্যে ইয়াৰ মাজতে বিভিন্ন দেশত ২২.২৯ লাখ ক'ভিড ৰোগী সুস্থ হৈ উঠিল। দৈনিক সংক্ৰমণৰ ক্ষেত্ৰত আকৌ এবাৰ প্ৰথমস্থান দখল কৰিলে আমেৰিকাই। যোৱা ২৪ ঘণ্টাত দেশখনত ২.৭৪ লাখ লোক ক'ভিডত সংক্ৰমিত হ'ল। আনহাতে, ১.৬৭ লাখ আক্ৰান্তৰে দৈনিক সংক্ৰমণৰ তালিকাত এই মুহূৰ্তত দ্বিতীয় স্থানত আছে ভাৰত। দৈনিক আক্ৰান্তৰ তালিকাত তৃতীয় স্থানত থকা ৰাছিয়াত বিগত এদিনত ১.২৪ লাখ লোক ক'ভিডত সংক্ৰমিত হ'ল। বিগত এদিনত বিশ্বৰ ভিতৰতে সৰ্বাধিক ১,১৯২ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল ভাৰতত। আনহাতে, আমেৰিকাত ১,১৫৩ আৰু ফ্ৰান্সত ৩৪৮ ক'ভিড ৰোগীৰ যোৱা ২৪ ঘণ্টাত মৃত্যু হ'ল। বিশ্বত সম্প্ৰতি ৭.৩১ কোটি সক্ৰিয় ক'ভিড ৰোগী আছে। কেৱল আমেৰিকাতে আছে ২.২৯ কোটি ক'ভিড আক্ৰান্ত ৰোগী।

## তালিবানক কঠোৰ সকীয়নি বাইডেনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১ ফেব্ৰুৱাৰী ঃ** দুবছৰ পূৰ্বে আফগানিস্তানত অপহৃত হৈছিল এজন মাৰ্কিন অভিযন্তা। আফগানিস্তানত কৰ্মৰত আমেৰিকাৰ অভিযন্তা মাৰ্ক ফ্ৰেৰিখছক এতিয়াও মুক্তি দিয়া নাই অপহৰণকাৰীয়ে। এই সন্দৰ্ভতে আফগানিস্তানৰ তালিবান চৰকাৰক কঠোৰভাৱে সকীয়নি দিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। আমেৰিকাৰ ইলিয়নৰ বাসিন্দা ৫৯ বছৰীয়া মাৰ্কে বিগত এক দশক ধৰি আফগানিস্তানৰ নানা উন্নয়নমূলক প্ৰকল্প ৰূপায়ণৰ কামত অভিযন্তা হিচাপে জড়িত আছিল। ২০২০ ফেব্ৰুৱাৰীত মাৰ্ক আফগানিস্তানত অপহৃত হৈছিল। মাৰ্কে হৈছে একমাত্ৰ মাৰ্কিন নাগৰিক, যি এতিয়াও আফগানিস্তানত বন্দী হৈ আছে। তালিবানক কাৰ্যত ধমক দি মাৰ্কিন ৰাষ্ট্ৰপতিয়ে এক বাৰ্তাত এইদৰে কয়, 'আমেৰিকাৰে হওক বা আন কোনো নিৰীহ নাগৰিকক এইদৰে বিপদত পেলোৱাতো কেতিয়াও সমৰ্থনযোগ্য নহয়। তালিবানে অবিলম্বে মাৰ্কক মুক্তি দিয়া উচিত। আমি যাতে কোনো কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লগা নহয়, সেয়া তালিবানে নিশ্চিত কৰক। এই সন্দৰ্ভত আমি কোনো আলোচনা নিবিচাৰো।'

# কাইলৈ বাগ্‌সাত কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ ফেব্ৰুৱাৰীঃ** বাগ্‌সা জিলাৰ শালবাৰীত আজি কংগ্ৰেছে এক সংবাদমেল অনুষ্ঠিত কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক চোকা ভাষাৰে সমালোচনা কৰে। সংবাদমেলত বৰপেটা বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ বিধায়ক আব্দুৰ ৰহিম আহমেদে সাংবাদিকৰ আগত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী শৰ্মাক উদ্দেশ্যি কেতবোৰ প্ৰশ্ন উত্থাপন কৰে। বাগ্‌সা জিলা কংগ্ৰেছৰ সভাপতি ভূপেন দৈমাৰীয়ে আঁত ধৰা সংবাদমেল সম্বোধন কৰি কংগ্ৰেছ বিধায়কজনে মুখ্যমন্ত্ৰীৰ পৰিয়ালে নীতিবহিৰ্ভূতভাৱে ২৯ বিঘাৰো অধিক মাটি হস্তগত কৰি অহা বিষয়টোত অসমৰ ৰাইজৰ লগতে কংগ্ৰেছেও মুখ্যমন্ত্ৰীক স্থিতি স্পষ্ট কৰিবলৈ বাৰম্বাৰ দাবী জনাই অহা সত্ত্বেও সেই দাবী অগ্ৰাহ্য কৰি অহাৰ অভিযোগ কৰে। সংবাদমেলত বিধায়কজনে ইতিমধ্যে ৰাজ্যখনৰ প্ৰতিখন জিলা সদৰতে মুখ্যমন্ত্ৰী পৰিয়ালৰ ভূমি কেলেংকাৰিক লৈ প্ৰতিবাদী সভা অনুষ্ঠিত কৰি অহাৰ কথাও সদৰী কৰে। সেই অনুসৰি অহা তিনি ফেব্ৰুৱাৰীত বাগ্‌সা জিলাতো বিষয়টো লৈ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলিও সংবাদমেলত তেওঁ জানিবলৈ দিয়ে। সংবাদমেলত বাগ্‌সা জিলা কংগ্ৰেছ কমিটীৰ উপ-সভাপতি খলিলুৰ ৰহমান আৰু বাগ্‌সা জিলা যুব কংগ্ৰেছৰ সভাপতি চন্দ্ৰ কুমাৰ দাস, গণেশ সৰকাৰকে ধৰি কে'বাগৰাকীও নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# শালবাৰীত মুখ্যমন্ত্ৰীৰ জন্মদিন উদ্‌যাপন আদিবাসী ছাত্ৰ নেতাৰ



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আজি ৫৩ সংখ্যক জন্মদিন উপলক্ষে বাগ্‌সাৰ ফাতেমাবাদ চাহ বাগিচাৰ চাহ শ্ৰমিকক আপ্যায়ন কৰে এজন আদিবাসী ছাত্ৰ নেতাই। মুখ্যমন্ত্ৰীৰ জন্মদিনৰ কেক কাটি বয়োজ্যেষ্ঠ লোক আৰু চাহ শ্ৰমিকক আপ্যায়ন কৰে আদিবাসী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক মানছুখ ছানখাড়িকাৰ পৰিয়ালে। জন্মৰে পৰা হৃদৰোগত আক্ৰান্ত আদিবাসী ছাত্ৰ নেতাজনৰ পুত্ৰ চিয়ন জেক ছানখাড়িকাৰ চিকিৎসাত বিশেষভাৱে সহায় কৰিছিল মুখ্যমন্ত্ৰী ড° শৰ্মাই। যাৰ বাবেই মুখ্যমন্ত্ৰীজনৰ সুস্বাস্থ্য কামনাৰে নিজ প্ৰচেষ্টাৰে জন্মদিন উদ্‌যাপন কৰে পৰিয়ালটোৱে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা ফাতেমাবাদ চাহ বাগিচাৰ চাহ শ্ৰমিক তথা বয়োজ্যেষ্ঠ লোকসকলক নিমন্ত্ৰণ জনাই কেক কাটি চাহ জলপানেৰে আপ্যায়ন কৰাৰ লগতে প্ৰত্যেককে একোটাকৈ গছপুলি বিতৰণ কৰে মানছুখ ছানখাড়িকাৰ পৰিয়ালবৰ্গই। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীজনক মানাহ ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিবলৈও নিমন্ত্ৰণ জনাই চাহ শ্ৰমিকসকলৰ স'তে দেখা সাক্ষাৎ হ'বলৈ অনুৰোধ জনায় আদিবাসী ছাত্ৰ নেতাজনে। ইফালে, আদিবাসীসকলৰ জনজাতিকৰণৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰীজনে উচিত পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা ব্যক্ত কৰে আদিবাসী নেতাজনে।

# হাজোৰ কেতেকীবাড়ীত লুটি নিলে ৫০ হেজাৰ নগদ ধনসহ সোণৰ আ-অলংকাৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ১ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ কেতেকীবাড়ীত কালি সংঘটিত ৰহস্যজনক এক চুৰিকাণ্ডৰ ঘটনা পোহৰলৈ অহাত বৃহত্তৰ অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চুৰিকাণ্ড সংঘটিত হৈছে দক্ষিণ কেতেকীবাড়ীৰ বাসিন্দা তথা বৰস্থে কৃষ্ণ হোটেলৰ স্বত্বাধিকাৰী নৃপেন পাটোৱাৰীৰ বাসগৃহত। চোৰে বাসগৃহৰ ভিতৰৰ আলমিৰাৰ পৰা নগদ ৫০ হেজাৰ টকাসহ ডেৰ লক্ষাধিক মূল্যৰ সোণৰ আ-অলংকাৰ লুটি নিয়ে। এই চুৰিকাণ্ড ভ্ৰাম্যমাণ জগতৰ প্ৰথম শ্ৰেণীৰ নাট্যগোষ্ঠী ভাগ্যদেৱী থিয়েটাৰৰ এগৰাকী যুৱতী নৃত্যশিল্পীৰ দ্বাৰা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। চুৰিকাণ্ডত জড়িত নৃত্যশিল্পীগৰাকী লখিমপুৰৰ-বিহপুৰীয়াৰ হৰেন শইকীয়াৰ কন্যা চিম্পী শইকীয়া বুলি অভিযোগ তুলিছে। বিগত ২০২১ৰ নৱেম্বৰত দক্ষিণ কেতেকীবাড়ী গো-ৰিজাৰ্ভত আমন্ত্ৰিত ভাগ্যদেৱী থিয়েটাৰৰ তিনিগৰাকী নৃত্যশিল্পীক নৃপেন পাটোৱাৰীৰ গৃহত ৰাখিছিল থিয়েটাৰ পৰিচালনা সমিতিয়ে। এই তিনিগৰাকী নৃত্যশিল্পীৰ ভিতৰত চুৰিকাণ্ডত অভিযুক্ত চিম্পী শইকীয়াও আছিল। সেই সূত্ৰে নৃপেন পাটোৱাৰীৰ পৰিয়ালৰ স'তে এক আত্মীয়ৰ সম্পৰ্ক গঢ়ি উঠিছিল আৰু মাজে সময়ে ফোন যোগেও খা-খবৰ লৈ আছিল। লক্ষ্যণীয়ভাৱে আজিৰ পৰা ২০দিন পূৰ্বে অভিযুক্ত চিম্পী শইকীয়াই নৃপেন পাটোৱাৰীৰ পত্নীক ফোনযোগে থিয়েটাৰৰ পৰা অব্যাহতি লোৱাৰ প্ৰসংগ উল্লেখ কৰি ব্যক্তিগত খণ্ডৰ কোম্পানীত কাম কৰাৰ আগ্ৰহ প্ৰকাশ কৰি বিহু খাবলৈ আহিব বুলি অৱগত কৰে আৰু প্ৰায় দুদিন পাছত চিম্পী শইকীয়া আহি দক্ষিণ কেতেকীবাড়ীৰ নৃপেন পাটোৱাৰীৰ বাসগৃহত উপস্থিত হয়। চিম্পী বিগত ১৫ দিন নৃপেন পাটোৱাৰীৰ ঘৰত থাকি ৩১ জানুৱাৰীৰ দিনৰ ১১ বজাত গুৱাহাটীলৈ বুলি ৰাওনা হয়। উত্থাপিত অভিযোগ অনুসৰি, শইকীয়া কালি যোৱাৰ পাছত নৃপেন পাটোৱাৰীৰ পত্নীয়ে খবৰ লোৱাৰ ইচ্ছাৰে ম'বাইলত যোগাযোগ কৰে যদিও ম'বাইল ফোন ৰিচিভ নকৰি সংযোগ বিচ্ছিন্ন কৰি দিয়ে। এনে কৰ্মকাণ্ডত সন্দেহ উপজি নৃপেন পাটোৱাৰীৰ পত্নীয়ে আলমিৰা খুলি হতভম্ব হৈ পৰে। কিয়নো আলমিৰাৰ ভিতৰত থকা নগদ ৫০ হেজাৰ টকাসহ পত্নীৰ সোণৰ চেইন আৰু দুটাকৈ সোণৰ আঙঠি থৈ দিয়া ঠাইত নাছিল। উপায়ান্তৰ হৈ ভুক্তভোগী পৰিয়ালটোৱে হাজো আৰক্ষী থানাত শইকীয়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। সম্প্ৰতিও অভিযুক্ত চিম্পী শইকীয়াৰ ম'বাইল ফোনৰ সংযোগ বিচ্ছিন্ন হৈ আছে যদিও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# নায়েৰ আলগাত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ পৰিচালনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**চাপৰ, ১ ফেব্ৰুৱাৰী ঃ** বিলাসীপাৰা মহকুমাৰ নায়েৰ আগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে পৰীক্ষা কেন্দ্ৰ পৰিচালনা সমিতিখন গঠন কৰা হয়। নায়েৰ আলগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আহাদ আলী প্ৰামাণিকে এক বিবৃতিযোগে এই কথা জানিবলৈ দিছে। উল্লেখ্য যে ২০২১ৰ মাৰ্চত কৰ'নাৰ তলাবন্ধ চলি থকা হেতুকে হাইস্কুল শিক্ষান্ত পৰীক্ষা বাতিল কৰা হৈছিল। এইবেলি মাৰ্চত অনুষ্ঠিতব্য হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে পৰীক্ষা পৰিচালনা সমিতিখন গঠন কৰা হয়। এই উপলক্ষে নায়েৰ আলগা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত কাজাইকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ছামছুল হ'কৰ সভাপতিত্বত সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নায়েৰ আলগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আদাহ আলী প্ৰামাণিকে। সভাত প্ৰস্তাৱ আৰু সমৰ্থনযোগে সাংবাদিক মোছলেমউদ্দিন আহমেদক নায়েৰ আলগা কেন্দ্ৰৰ পৰীক্ষা পৰিচালনা সমিতিৰ সভাপতিৰূপে নিৰ্বাচিত কৰা হয়। সদস্য সচিব হিচাপে আহাদ আলী প্ৰামানিকক বাছনি কৰাৰ লগতে আন ১২ গৰাকী সদস্যসহ পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। উক্ত কেন্দ্ৰত পাৰ্শ্ববৰ্তী ১১খন হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে এইবেলি পৰীক্ষাত অৱতীৰ্ণ হ'ব। ইপিনে সভাখনত মায়াৰ চৰ, গুটিপাৰা আৰু ডালাগুটিপাৰা হাইস্কুলৰ প্ৰধান শিক্ষককেইজনে অনুপস্থিত থকাত একাংশ শিক্ষাপ্ৰেমী ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰিছে। সভাত নায়েৰ আলগা উপ-আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হবিবুৰ ৰহমানেও ভাষণ প্ৰদান কৰে। কেন্দ্ৰটোত পৰীক্ষা সন্দৰ্ভত কোনো ধৰণৰ দুৰ্নীতিক প্ৰশ্ৰয় দিয়া নহ'ব বুলি সভাপতি আহমেদে প্ৰতিশ্ৰুতি দিয়ে।

# এশ নম্বৰৰ গণিতৰ প্ৰশ্ন কাকতত ৩২ নম্বৰ অন্তৰ্ধান ঃ বিপাঙত পৰীক্ষাৰ্থী

## সৰুক্ষেত্ৰী ইউনিট পৰীক্ষা ব'ৰ্ডৰ প্ৰশ্ন কাকতত আসোঁৱাহ

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ১ ফেব্ৰুৱাৰী ঃ** পৰীক্ষাৰ প্ৰশ্ন কাকত পৰীক্ষাৰ ফলাফলত আসোঁৱাহ , প্ৰশ্ন কাকতৰ বিসংগতি আদি কথাবোৰ ৰাজ্যত নতুন কথা নহয়। চৰকাৰে ৰাজ্যত শিক্ষা খণ্ডৰ আমূল সংস্কাৰৰ কথা কৈ আহিলেও, এই আসোঁৱাহ তথা বিসংগতিবোৰ আজিলৈকে দূৰ কৰিব নোৱাৰিলে। শিক্ষা বিভাগৰ একাংশ বিষয়া তথা শিক্ষকৰ দায়িত্বজ্ঞানহীনতাৰ বাবেই পুনৰ সংঘটিত হৈছে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ হেতালি খেলাৰ ঘটনা। প্ৰশ্ন কাকতৰ বিসংগতিৰ বাবেই আজি বিপাঙত পৰে আগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগা বহুসংখ্যক ছাত্ৰ-ছাত্ৰী। এই ঘটনা সংঘটিত হৈছে বৰপেটা জিলাৰ সৰুক্ষেত্ৰী অঞ্চলত। অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলে আজি ৩২ নম্বৰ অবিহনে গণিতৰ পৰীক্ষাত বহিব লগা হয়। উল্লেখ্য যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰম্ভ হৈছে প্ৰি-টেষ্ট। ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই প্ৰি-টেষ্ট অনুষ্ঠিত হৈছে। এই অনুসৰি, বৰপেটা জিলাৰ সৰুক্ষেত্ৰী ইউনিট পৰীক্ষা ব'ৰ্ডৰ অধীনত সৰুক্ষেত্ৰী অঞ্চলত অনুষ্ঠিত হৈছে প্ৰি-টেষ্ট। পৰীক্ষাৰ সূচী অনুসৰি আজি গণিত বিষয়ৰ পৰীক্ষা আছিল। কিন্তু প্ৰশ্ন কাকতখনত থকা নম্বৰ বিভ্ৰাটৰ বাবে বিপাঙত পৰে ছাত্ৰ-ছাত্ৰীসকল। আজি অনুষ্ঠিত গণিতৰ প্ৰশ্ন কাকতখনত মুঠ নম্বৰ এশ বুলি উল্লেখ আছে যদিও প্ৰশ্ন কাকতখনত মুঠ ৬৮ নম্বৰ হে দিয়া আছে । আনহাতে, ২১ আৰু ৩০ নম্বৰ প্ৰশ্ন দুটাৰ বিপৰীতে দুবাৰকৈ নম্বৰ উল্লেখ কৰা হৈছে। মনকৰিবলগীয়া যে গহিয়া হাইস্কুলৰ প্ৰধান শিক্ষক সদানন্দ শইকীয়াক সভাপতি আৰু মনোহৰদেৱ হাইস্কুলৰ প্ৰধান শিক্ষক নগেন বৰ্মনক সম্পাদকৰূপে লৈ সৰুক্ষেত্ৰী ইউনিট পৰীক্ষা ব'ৰ্ড গঠন কৰা হৈছিল। প্ৰশ্ন কাকতৰ এনে বিসংগতিক লৈ অঞ্চলটোৰ বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অঞ্চলটোত ব'ৰ্ডৰ অধ্যক্ষ আৰু সচিবৰ ভূমিকাক লৈও ব্যাপক চৰ্চা আৰম্ভ হৈছে। বিভিন্ন মহলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এয়া দায়িত্বজ্ঞানহীন কাণ্ড। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ যে পৰীক্ষা পৰিচালনা সমিতি সচেতন নহয়, এই ঘটনাই প্ৰমাণ কৰিছে বুলি মন্তব্য কৰে সচেতন মহলে। চৰকাৰী দৰমহা লৈ একাংশ শিক্ষকে পালমৰা ধৰণে নিজৰ কৰ্তব্য পালন কৰি আহিছে বুলিও সচেতন মহলে অভিযোগ কৰে। আনহাতে, আজি অনুষ্ঠিত নৱম শ্ৰেণীৰ চতুৰ্থ গোট পৰীক্ষাৰ সূচী অনুসৰি আৰবী বিষয়ৰ পৰীক্ষাৰ প্ৰশ্ন কাকততো ভুল হোৱা পৰিলক্ষিত হৈছে। প্ৰশ্ন কাকতখনত 'জেৰ' আৰু 'জবৰ' আ কাৰ, ই কাৰ নোহোৱাকৈ প্ৰশ্ন সন্নিৱিষ্ট কৰাত প্ৰশ্ন কাকতখন পঢ়িব নোৱাৰি ছাত্ৰ-ছাত্ৰীসকল বিপাঙত পৰে। তদুপৰি, প্ৰশ্ন কাকতখনৰ ওপৰত চতুৰ্থ গোট পৰীক্ষা বুলি সন্নিৱিষ্ট হ'ব লাগে যদিও প্ৰি-টেষ্ট বুলিহে লিখা পৰিলক্ষিত হৈছে। পৰীক্ষা পৰিচালনা সমিতিৰ এনে দায়িত্বজ্ঞানহীন কাণ্ডত সচেতন মহলে ধিক্কাৰ দিছে। পৰীক্ষাৰ নিচিনা এটা গুৰুত্বপূৰ্ণ বিষয়ক লৈ পৰীক্ষা পৰিচালনা সমিতিয়ে কৰা এনে ল'ৰা ধেমালিক লৈ সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# অৱসৰপ্ৰাপ্ত বিজ্ঞানী দুৰ্লভ নাথৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১ ফেব্ৰুৱাৰী ঃ** তেজপুৰৰ চানমাৰিৰ জ্যোতিবন পথৰ বাসিন্দা দুৰ্লভ ৰঞ্জন নাথ (৭২)ৰ যোৱা নিশা নিজ বাসগৃহত মৃত্যু হয়। ১৯৫০ৰ পহিলা জানুৱাৰীত জন্মগ্ৰহণ কৰা নাথে তেজপুৰৰ একাডেমী চৰকাৰী বিদ্যালয়ত হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰি পুডুচেৰীৰ পৰা বিজ্ঞান শাখাত স্নাতকোত্তৰ পাঠ্যক্ৰম শেষ কৰি তেজপুৰৰ প্ৰতিৰক্ষা গৱেষণাগাৰৰ এজন বিজ্ঞানীৰূপে অৱসৰ গ্ৰহণ কৰে। তেওঁ তেজপুৰ কলাগুৰু সংগীত মহাবিদ্যালয়, শোণিতপুৰ শিল্পী সমাজৰ স'তে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি পুত্ৰ-কন্যাক এৰি যায়।

# ঘগ্ৰাপাৰত গাঁওপ্ৰধানৰ কাৰ্যালয় ভৱনৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চৌহদত যোৱা ২৯ জানুৱাৰীত গাঁও প্ৰধানসকলৰ এটা কাৰ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। বিধায়ক পুঁজিৰ পাঁচ লাখ টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া কাৰ্যালয় ভৱনটোৰ আধাৰশিলা স্থাপন কৰি নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই কয় যে এখন গাঁৱৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত গাঁওপ্ৰধানসকলৰ ভূমিকা অপৰিসীম। গাঁওখনৰ প্ৰতিগৰাকী ব্যক্তিৰ ওচৰত চৰকাৰী আঁচনিৰ সুবিধাসমূহ উপলব্ধ কৰোৱাত গাঁও প্ৰধানসকলে প্ৰধান দায়িত্ব পালন কৰি আহিছে। বিধায়কজনে লগতে কয় যে গাঁও অঞ্চলৰ সমাজ ব্যৱস্থা বিকাশৰ ক্ষেত্ৰত অতীতৰ পৰা গাঁওবুঢ়াসকলে বিশেষ ভূমিকা অৱলম্বন কৰি আহিছে। এই গাঁওবুঢ়াসকলক বিজেপি নেতৃত্বাধীন হিমন্ত বিশ্ব শৰ্মা চৰকাৰে গাঁও প্ৰধান নামেৰে নামাকৰণ কৰাৰ উপৰি গাঁওপ্ৰধানসকলক বিভিন্ন চৰকাৰী আঁচনিৰে সামৰি লৈছে বুলি বিধায়কজনে মতপোষণ কৰে। অনুষ্ঠানত নলবাৰী জিলা উপায়ুক্ত গীতিমণি ফুকন, বিজেপি নলবাৰী জিলা সভাপতি মৃগাংক তালুকদাৰ, ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়া মনীষা কলিতা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, গাঁওপ্ৰধানসকল আৰু ভালেসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

# ৰংজুলি কংগ্ৰেছত কোনো খহনীয়া হোৱা নাই সংবাদমেলত বিধায়ক যাদৱ স্বৰ্গীয়াৰী

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ১ ফেব্ৰুৱাৰী ঃ** যুব নেতা কৃষ্ণকান্ত ৰাভাৰ নেতৃত্বত দুই শতাধিক কংগ্ৰেছ নেতা-কৰ্মী ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ ৰাজনৈতিক কোষত যোগদান কৰাৰ এদিন পাছতে দুধনৈ সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয় আজি এক সংবাদমেল আয়োজন কৰি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ৰংজুলি পৰিদৰ্শন বঙলাত ৰংজুলি ব্লক কংগ্ৰেছৰ সভাপতি দীপক কছাৰীসহ একাংশ কংগ্ৰেছ কৰ্মীক লগত লৈ বিধায়ক স্বৰ্গীয়াৰীয়ে সংবাদমেলত দৃঢ়তাৰে কয় যে কালি ৰংজুলি ব্লক কংগ্ৰেছৰ সম্পাদক কৃষ্ণকান্ত ৰাভাৰ নেতৃত্বত মাথোঁ ১০ গৰাকীহে কংগ্ৰেছ নেতা-কৰ্মী ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিত যোগদান কৰিছে। যোগদান সমাৰোহত যি ২৩১ গৰাকী কংগ্ৰেছ কৰ্মী দলত্যাগ কৰি যৌথ সংগ্ৰাম সমিতিত যোগদান কৰা বুলি প্ৰদৰ্শন কৰা হৈছে সেয়া সম্পূৰ্ণ মিছা আৰু বিভ্ৰান্তিকৰ। কাৰণ ১০ গৰাকী কংগ্ৰেছ কৰ্মীৰ বাহিৰে বাকীসকল সাধাৰণ ৰাইজহে আছিল। সংবাদমেলত তেওঁ দলত্যাগ কৰা কংগ্ৰেছীসকলৰ নামো প্ৰকাশ কৰে। বিধায়ক স্বৰ্গীয়াৰীয়ে প্ৰকাশ কৰা অনুসৰি কালি ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিত যোগদান কৰাসকল ক্ৰমে ৰংজুলি ব্লক কংগ্ৰেছৰ সম্পাদক কৃষ্ণকান্ত ৰাভা, ৰংজুলি মণ্ডলৰ কংগ্ৰেছৰ সভাপতি ৰাজুমোহন ৰাভা, ৰংজুলি গাঁও পঞ্চায়তৰ সদস্য ব্ৰজেন দাস, আমবাৰী মণ্ডলৰ সম্পাদক অম্বিকা পাটগিৰী, ৰাখাইলষ্টোন মমিন, বিদ্যুৎ ৰাভা, সোণজ্যোতি দাস, বিভু নেওগী, ৰুদ্ৰ ৰাভা আৰু সীমান্ত ৰাভা। উল্লেখিত ব্যক্তিসকলৰ বাহিৰে কোনো কংগ্ৰেছ কৰ্মীয়ে দলত্যাগ কৰা নাই। কালিৰ যোগদান সমাৰোহত যি ২৩১ গৰাকী লোকৰ হিচাপ দেখুওৱা হৈছে সেয়া প্ৰকৃততে সাধাৰণ ৰাইজহে আছিল। গতিকে এনে বিভ্ৰান্তিকৰ বাতৰিত যাতে নিষ্ঠাবান কংগ্ৰেছ কৰ্মীসকলে মনবোল ভাগি নেপেলায় তাৰ বাবে বিধায়কজনে আহ্বান জনায়। সদ্য দলত্যাগী কংগ্ৰেছীসকলে যোৱা নিৰ্বাচনৰ পৰাই দলৰ ক্ষতি হোৱা কাম কৰি আছিল বুলি উল্লেখ কৰি তেওঁলোক আঁতৰি যোৱাত দলৰ ক্ষতি হোৱাৰ পৰিৱৰ্তে দলটো বেছি সুৰক্ষিত হৈ পৰিল বুলিও প্ৰকাশ কৰে বিধায়কজনে। কৃষ্ণকান্ত ৰাভাই দাবী কৰা মতে, ইয়াৰ পাছত কোনো কংগ্ৰেছ কৰ্মীয়ে দলত্যাগ নকৰে বুলিও স্পষ্ট কৰি দিয়ে বিধায়কজনে। উল্লেখ্য যে ৰাভা হাছং অঞ্চলত থকা আঠটা বিধানসভা সমষ্টিৰ ছটা সমষ্টিতে কংগ্ৰেছ বিধায়ক জয়ী হোৱা কাৰ্যক আঙুলিয়াই দি কংগ্ৰেছৰ পক্ষতে ৰাইজ আছে বুলি দাবী কৰি ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিত দুই-এক কংগ্ৰেছীৰ যোগদানে দলটোৰ একো ক্ষতি কৰিব নোৱাৰে বুলিও স্পষ্ট কৰি দিয়ে।

# মুখ্যমন্ত্ৰীৰ জন্মদিন উপলক্ষে নলবাৰী চহৰত ৫৩ উন্নয়নমূলক কামৰ শিলান্যাস অনুষ্ঠান

## এখন চহৰ এখন জিলাৰ দাপোণ ঃ মন্ত্ৰী নেওগ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৫৩ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে মুখ্যমন্ত্ৰীক এলানি কৰ্মমুখী যাত্ৰাৰ আৰম্ভণিৰ উপহাৰ দিয়াৰ উদ্দেশ্যেৰে আজি নলবাৰী নাট্যমন্দিৰত ১৫ কোটি ৬৭ লাখ টকা ব্যয়ৰে ৫৩টা উন্নয়নমূলক কামৰ শিলান্যাস কৰা হয়। নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগে এই উন্নয়নমূলক কামসমূহৰ আৰম্ভণি কৰে। ভাৰ্চুৱেলী আৰম্ভণি কৰা এই ৫৩টা উন্নয়নমুলক কামৰ ভিতৰত মুখ্যতঃ হৈছে-লোক নিৰ্মাণ বিভাগৰ ৩.৪৮ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া পৰিদৰ্শন ভৱন, গোপাল বজাৰত দুই কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া কৰ্মৰত মহিলাৰ আৱাসগৃহ, ২.২০ কোটি টকা ব্যয়ৰে নলবাৰীৰ ২৩ পথ পেভাৰ ব্লকেৰে নিৰ্মাণ, ৮৯ লাখ টকা ব্যয় সাপেক্ষে নলবাৰী পৌৰসভাৰ অন্তৰ্গত চৈধ্যটা বিশেষ স্থানত উচ্চ ক্ষমতাসম্পন্ন লাইট সংস্থাপন অন্যতম। ইয়াৰ উপৰি এনটিৰোডৰ পৰা সোণপুৰ



বৰ গোপাল থানলৈ এই অঞ্চলত খোজকঢ়া পথ, বহু ঠাইত বিজ্ঞানসন্মত নলা আৰু পদপথ নিৰ্মাণ, নলবাৰী পৌৰসভাৰ অন্তৰ্গত ১০ খনকৈ শ্মশান আৰু কবৰ স্থানৰ উন্নয়ন, সমগ্ৰ নলবাৰী চহৰৰ উল্লেখযোগ্য প্ৰতিটো স্থানতেই নামফলকৰ ব্যৱস্থাৰ বিষয়ে প্ৰকাশ কৰে। অনুষ্ঠানত মন্ত্ৰী নেওগে কয়, 'এখন চহৰ এখন জিলাৰ দাপোণ স্বৰূপ। বাহিৰৰ পৰা যেতিয়া এজন লোক এখন চহৰলৈ আহে তেতিয়া সেই চহৰখনতেই জিলাখনৰ উন্নয়নৰ প্ৰতিফলন বিচাৰি চায়। এখন চহৰৰ উন্নয়ন হ'লে তাৰ প্ৰতিচ্ছবিৰ প্ৰভাৱ সকলোতে পৰে।' মন্ত্ৰীগৰাকীয়ে নলবাৰী চহৰৰ আন্তঃগাঁথনিৰ উন্নয়নৰ উপৰি চিকিৎসা, শিক্ষা আদি সকলোবিলাক দিশ সামৰি জিলাখনক এক সামগ্ৰিক উন্নয়নৰ দিশত লৈ যোৱাৰ ক্ষেত্ৰত বিত্ত মন্ত্ৰীৰূপে সহযোগিতা আগবঢ়াই যাব বুলি আশ্বাস দিয়ে। অনুষ্ঠানত ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্ত মল্ল বৰুৱাই কৰ্মযোগী মুখ্যমন্ত্ৰীজনৰ অসমক দেশৰ পাঁচখন আগবঢ়া ৰাজ্যৰ ভিতৰত অন্যতম ৰাজ্যৰূপে প্ৰতিষ্ঠা কৰাৰ সপোনক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত অংশীদাৰ হ'ব পৰাকৈ নলবাৰীক ৰাজ্যৰ ভিতৰতে এখন জাকত-জিলিকা চহৰৰূপে গঢ় দিয়াৰ প্ৰচেষ্টা সদায় অব্যাহত থাকিব বুলি মন্তব্য কৰে। অনুষ্ঠানত জিলা অসম চলচ্চিত্ৰ বিত্ত উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ, উপায়ুক্ত গীতিমণি ফুকন, নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকা, বিশিষ্ট চিকিৎসক আৰু সমাজ কৰ্মী মৃগাংক তালুকদাৰ, কুমাৰ ভাস্কৰবাৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মা, ডাঃ ভূপেশ চন্দ্ৰ শৰ্মা, সংঘচালক, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, উত্তৰ অসম প্ৰান্ত, অতিৰিক্ত উপায়ুক্ত ছয়ানিকা ঠাকুৰীয়া, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াকে ধৰি যথেষ্ট সংখ্যক সাধাৰণ ৰাইজ উপস্থিত থাকে।

# মন্ত্ৰী পীযুষ হাজৰিকাক ৰহাৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত বিধায়ক শশীকান্ত দাসৰ স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**ৰহা, ১ ফেব্ৰুৱাৰী ঃ** ৰহাৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত বৃহত্তৰ কে'বাটাও অতি গুৰুত্বপূৰ্ণ সমস্যাক সামৰি যোৱা ৩১ জানুৱাৰীত ৰহা বিধানসভা সমষ্টিৰ বিধায়ক শশীকান্ত দাস সহিতে ৰহা উন্নয়ন সমিতিৰ বিষয়ববীয়াসকলে অসম চৰকাৰৰ জলসম্পদ সংসদীয় পৰিক্ৰমা আৰু তথ্য আৰু জনসংযোগ মন্ত্ৰী তথা নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাক তেওঁৰ চৰকাৰী বাসগৃহত সাক্ষাৎ কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। ৰহা মহাবিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য বিভাগ মুকলি, সৰ্বভাৰতীয় পৰ্যায়ত ৰহাত উন্নতমানৰ আয়ুৰ্বেদিক প্ৰতিষ্ঠান, আয়ুষ চিকিৎসা মহাবিদ্যালয় স্থাপন, ৰহা ৰণথলীত অৱস্থিত সাময়িক চিকিৎসালয়খনক এশ বিছনাযুক্ত চিকিৎসালয় হিচাপে নিৰ্মাণ, ৰহাত এখন উন্নত মানৰ ষ্টেডিয়াম নিৰ্মাণ, ৰহাত শিক্ষণ মহাবিদ্যালয় স্থাপন, ৰহাত এখন উন্নত প্ৰযুক্তিসম্পন্ন এটি সাংস্কৃতিক প্ৰকল্প স্থাপন সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰা হয়। স্মাৰকপত্ৰত উল্লেখ কৰা সমস্যাসমূহ গুৰুত্ব সহকাৰে বিবেচনা কৰি মন্ত্ৰী হাজৰিকাই সদ্যহতে ৰহা মহাবিদ্যালয়ৰ বিজ্ঞান আৰু বাণিজ্য শাখা মুকলি, ৰহাক ক্ৰীড়া ক্ষেত্ৰখনক আগুৱাই ৰহা উপ-কোষাগাৰ কাৰ্যকৰীকৰণৰ আশ্বাস প্ৰদান কৰে। তাৰ বাবে মন্ত্ৰী হাজৰিকাই বিভাগীয় মন্ত্ৰীৰ লগত আলোচনা কৰাৰ উপৰি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষ আৰু নগাঁও জিলা উপায়ুক্তলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি সৰ্বভাৰতীয় আয়ুৰ্বেদিক প্ৰতিষ্ঠান আয়ুষ নিৰ্মাণ আৰু ৰহাত এখন শিক্ষণ মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত বিশেষ আলোচনাক্ৰমে শীঘ্ৰে সিদ্ধান্তৰ আশ্বাস প্ৰদান কৰে। এক বিবৃতিযোগে এই কথা সদৰী কৰে ৰহা উন্নয়ন সমিতিৰ সভাপতি ধ্ৰুৱ দাস, কাৰ্যকৰী সভাপতি সুভাষ ডেকা আৰু সাধাৰণ সম্পাদক প্ৰহ্লাদ কুমাৰ মছৰঙে।

# ইতিহাস ৰচি দায়িত্বভাৰ ল'লে লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাই



অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১ ফেব্ৰুৱাৰী ঃ** অসমৰ সু-সন্তান লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাই কলকাতাৰ ফ'ৰ্ট উইলিয়ামস্থিত ইষ্টাৰ্ণ কামাণ্ডাৰৰ মুৰব্বী পদত (জি অ' চি-- ইন চি) ৰূপে আজি দায়িত্বভাৰ গ্ৰহণ কৰে। ১৯২০ ত গঠন হোৱা এই ইষ্টাৰ্ণ কামাণ্ডৰ কমাণ্ডাৰ কলিতাই এতিয়াৰে পৰা অসম আৰু ছিকিমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ উপৰি পশ্চিমবংগ অঞ্চলটোৰ তদাৰকৰ দায়িত্বত থাকিব। তদুপৰি গুৰুত্বপূৰ্ণ চীন সীমান্তৰ দায়িত্বতো থাকিব অসম সন্তানগৰাকীৰ গুৰুত্বপূৰ্ণ ভূমিকা। এই পদ লাভ কৰা তেওঁ হৈছে উত্তৰ- পূৰ্বাঞ্চলৰ প্ৰথম তথা প্ৰথমগৰাকী অসমীয়া সন্তান। উল্লেখ্য যে ইয়াৰ পূৰ্বে উক্ত পদত অধিষ্ঠিত হৈছিল প্ৰবাদপ্ৰতিম সেনাধ্যক্ষ কে এম কেৰিয়াপ্পা, ছেম মানেকস্ব', দলবীৰ সিং সুহাগ, বৰ্তমানৰ স্থলসেনাৰ সেনাধ্যক্ষ এম এম নাৰাভানে। একালৰ গোৱালপাৰা সৈনিক স্কুল (এছএছজি) আৰু নেছনেল ডিফেন্স একাডেমীৰ ছাত্ৰ কলিতাই ইতিপূৰ্বে বিশিষ্ট কৰ্মদক্ষতাৰ বাবে 'সেনা মেডেল' আৰু দুবাৰ 'বিশিষ্ট সেৱা মেডেল' লাভ কৰিছে। তদুপৰি তেওঁ দেশৰ হৈ আগবঢ়োৱা প্ৰশংসনীয় সেৱাৰ বাবে আৰু বাৰমূলা ডিভিজনৰ জিঅ'চি হৈ থকা সময়ত কাশ্মীৰ উপত্যকাৰ উৰি ছেক্টৰত হোৱা 'ফেডাইয়ান এটাক'ৰ সময়ত যোগোৱা বিশেষ সেৱাৰ বাবে সন্মানীয় 'উত্তম যুদ্ধ সেৱা মেডেল', 'অতি বিশিষ্ট সেৱা মেডেল', 'সেৱা মেডেল', 'বিশিষ্ট সেৱা মেডেল', তিনি তাৰকাযুক্ত জেনেৰেল সন্মান লাভ কৰিছে। কামৰূপ জিলা (গ্ৰাম্য)ৰ ৰঙিয়াৰ শান্তিপুৰৰ আদৰ্শবান শিক্ষক যোগেন্দ্ৰ কলিতা আৰু ৰেনু কলিতাৰ পুত্ৰ লেফটেনেণ্ট জেনেৰেল কলিতাই ১৯৮৪ৰ জুনত প্ৰথমে ৯ কুমাও ৰেজিমেণ্টত যোগদান কৰিছিল। পিতৃৰ পদাংক অনুসৰণ কৰি তেওঁৰ পুত্ৰ কেপ্টেইন নিশান্ত কলিতাও ৯ কুমাও ৰেজিমেণ্টত যোগদান কৰিছে। উল্লেখ্য যে দিল্লীৰ মুখ্য কাৰ্যালয়ত কৰ্মৰত হৈ থকা অৱস্থাত ভাৰতীয় সেনাই সম্পন্ন কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ অন্ত্যেষ্টিক্ৰিয়াৰ গুৰুদায়িত্ব অতি নিখুঁতভাৱে তেওঁ সমাপন কৰিছিল। ইতিমধ্যে তেওঁ কাশ্মীৰত ১৩ ৰাষ্ট্ৰীয় ৰাইফলছ, লক্ষ্মৌৰ ৭১ ইনফেন্ট্ৰী ব্ৰিগেড আৰু কূটনৈতিক দিশত জটিল শ্ৰীনগৰৰ ১৫ ক'ৰ সুদক্ষতাৰে দায়িত্ব সম্পাদন কৰি আহিছে। তদুপৰি তেওঁ 'অফিচাৰ ট্ৰেইনিং একাডেমী' (অ'টিএ) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰলৈ দুবাৰ ভাৰতীয় সেনাৰ প্ৰতিনিধি দলৰ হৈও সেৱা আগবঢ়োৱাৰ অভিজ্ঞতা আছে। নিশা কলিতাৰ স'তে বিবাহ পাশত আবদ্ধ লেফটেনেণ্ট জেনেৰেল কলিতাৰ কন্যা ৰুচিয়ে জামিয়া মিলিয়া ইছলামীয়া বিশ্ববিদ্যালয়ত কৰ্মৰত হৈ আছে। অসম সন্তানজনৰ এই বিৰল উত্তৰণত সন্তোষিত মঙলদৈ মিডিয়া চাৰ্কোলৰ উপদেষ্টা ভাৰ্গৱ কুমাৰ দাস, সভাপতি হিতেশ হাজৰিকাই আজি ফোনযোগে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। প্ৰসংগক্ৰমে তেওঁ মিডিয়া চাৰ্কোলক দৰঙৰ ঐতিহ্যমণ্ডিত পথৰুঘাটত ১৮৯৪ৰ ২৮ জানুৱাৰীত ব্ৰিটিছৰ গুলিত প্ৰাণাহুতি দিয়া সাতকুৰি কৃষক ছহিদলৈ শ্ৰদ্ধাঞ্জলি নিবেদনৰ আগ্ৰহ প্ৰকাশ কৰে।

# সহকাৰী শিক্ষয়িত্ৰী সংগীতা ৰায়ৰ অকাল বিয়োগ

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ১ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ চহৰৰ কে চি চৌধুৰী এম ই স্কুলৰ সহকাৰী শিক্ষয়িত্ৰী সংগীতা ৰায় (৪৭)ৰ অকাল মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। কোকৰাঝাৰ চহৰৰ ৰূপনগৰ নিবাসী ৰায় কিছু মাহৰ পৰা বেমাৰত আক্ৰান্ত হৈ আছিল। বঙাইগাঁও, গুৱাহাটী, শিলিগুৰি আদি ঠাইত চিকিৎসা কৰাৰ পাছতো আৰোগ্য নোহোৱাত কোকৰাঝাৰস্থ পিতৃ-মাতৃৰ ঘৰত লৈ আহে। বেমাৰে পুনৰ উক দিয়াত পুনৰ বঙাইগাঁও আগৰৱালা নাৰ্ছিংহোমত ভৰ্তি কৰা হয়। তাতে আজি পুৱা শেষ নিশ্বাস ত্যাগ কৰে। সৰবৰহী, অমায়িক, সকলোৰে মাজত জনপ্ৰিয় শিক্ষয়িত্ৰীগৰাকীৰ মৃতদেহ দোতমাস্থিত স্বামী গৃহত অনাৰ পাছত শ শ আত্মীয়-কুটুম্ব, গুণমুগ্ধ লোকে ভিৰ কৰি শেষ শ্ৰদ্ধা জ্ঞাপন কৰি এক শোকাকুল পৰিৱেশৰ মাজত ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। শিক্ষয়িত্ৰীগৰাকীয়ে মৃত্যুৰ সময়ত স্বামী, অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী পিতৃ-মাতৃ, ভগ্নী, ভ্ৰাতৃ আৰু বহুতো আত্মীয়-কুটুম্ব এৰি যায়।

# ৰামদিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ১ ফেব্ৰুৱাৰী ঃ** হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত অন্যতম শাখা ছাত্ৰ সন্থাৰ ৰামদিয়া ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশনখন কালি ৰামদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। সম্পূৰ্ণ ক'ভিড বিধিৰ মাজেৰে ৰামদিয়া ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিৎ দেউৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, সাধাৰণ সম্পাদক তপন দাস, সাংগঠনিক সম্পাদক আতিকুৰ ৰহমান, বিত্ত সম্পাদক জানিউৰ ৰহমানকে ধৰি কে'বাগৰাকী আছু নেতা। অধিবেশনৰ বিষয় বাচনি সভাই ৰামদিয়া ছাত্ৰ সন্থাৰ বাবে জিতুল মজুমদাৰক সভাপতি আৰু প্ৰাণজিৎ ডেকাক সাধাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি নতুন সমিতি এখন গঠন কৰে।

# পুঠিমাৰী মহাবিদ্যালয়ৰ ৫৩ গৰাকী ছাত্ৰীক জলপানি বিতৰণ

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ১ ফেব্ৰুৱাৰী ঃ** কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ উদ্যোগত আৰু পুঠিমাৰী মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সহযোগত আজি উত্তৰ কামৰূপৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান পুঠিমাৰী মহাবিদ্যালয়ত অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৫৩ সংখ্যক জন্মদিন উদ্‌যাপন কৰা হয়। বিধায়ক দিগন্ত কলিতাৰ আবেদন মৰ্মে জন্মদিনৰ কেক পুঠিমাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কটোৱা হয়। মুখ্যমন্ত্ৰীজনৰ ৫৩ সংখ্যক জন্মদিনৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ আৰ্থিকভাৱে অনগ্ৰসৰ তথা মেধা সম্পন্ন সৰ্বমুঠ ৫৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত বিধায়কৰ তৰফৰ পৰা দুহেজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হয়। কলা শাখাৰ মহাবিদ্যালয়খন অতি সোনকালে বিজ্ঞান শাখাটো অন্তৰ্ভুক্ত হ'ব বুলি তেওঁ সদৰী কৰে। লগতে বিধায়ক কলিতাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মনৰ ভাব বিনিময় কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ নিত্যানন্দ কলিতাত সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত উপস্থিত থাকে বিজেপিৰ কমলপুৰ আৰু বিহদিয়া জাজীকোনা মণ্ডলৰ সভাপতিদ্বয় কুমুদ কাকতি আৰু উমেশ ডেকাই।

### ■ চামগুৰি-উদমাৰী-কঠালগুৰি পথত পুখুৰী সদৃশ গাঁত ■ পুনৰ মেৰামতিৰ দাবী

# শিল কঢ়িওৱা ডাম্পাৰে বিধ্বস্ত কৰিছে পথ

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ১ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি ক্ষেত্ৰীয় পথ উপ-সংমণ্ডলৰ অন্তৰ্গত চামগুৰি-কঠালগুৰি আৰু বৰজুৰ-উদমাৰী সংযোগী গড়কাপ্তানী বিভাগৰ পথটো বিধ্বস্ত হৈছে। দুয়োটা পথতে পুখুৰী সদৃশ পথে জ্বলাকলা খুৱাইছে ৰাইজক। বিশেষকৈ চামগুৰি বিল পাৰৰ পৰা কঠালগুৰিলৈকে পথছোৱা বিধ্বস্ত হৈ যাতায়াতৰ অনুপযোগী হৈছে। খৰালি কালতো এজাক বৰষুণ দিলেই পথছোৱাত পুখুৰীৰ সৃষ্টি হয় আৰু ৰ'দৰ বতৰত গাড়ী অহা-যোৱা কৰিলে ধূলি-ধুমুহাৰ সৃষ্টি হয়। তদুপৰি উদমাৰীৰ পৰা কঠালগুৰিলৈকে পথছোৱা মাটিৰ পথ নে পকী পথ চিনিবই নোৱাৰি। একেদৰে বৰজুৰিৰ পৰা উদমাৰীলৈকে চামগুৰি-কঠালগুৰি পথৰ সমান্তৰালকৈ সৃষ্টি হৈছে প্ৰকাণ্ড গাঁত। দুয়োটা পথৰ বিধ্বস্ত অৱস্থাত চৰম যাতনা ভুগিছে চামগুৰি প্ৰাথমিক চিকিৎসালয়লৈ অহা মুমূৰ্ষু ৰোগী আৰু শিক্ষা গ্ৰহণ কৰিবলৈ চামগুৰিলৈ অহা ছাত্ৰ-ছাত্ৰীয়ে। অধিক পৰিমাণৰ শিলৰ বোজা কঢ়িয়াই অনা ডাম্পাৰে পথ দুটা বিধ্বস্ত কৰাৰ ৰাজহুৱা অভিযোগ উঠিছে। নগাঁও-কাৰ্বিআংলং সীমান্তৱৰ্তী অঞ্চলসমূহত থকা বিভিন্ন ক্ৰেচাৰ মেচিনসমূহলৈ অবাধ গতিত অহা ডাম্পাৰসমূহে উক্ত পথসমূহ বিধ্বস্ত কৰিছে বুলি স্থানীয় একাংশ লোকে অভিযোগ উত্থাপন কৰিছে। চামগুৰিৰ স্থানীয় দল-সংগঠনে বহু আবেদন-নিবেদন কৰাৰ পাছতো কোনো ধৰণৰ কেৰেপ নকৰা ক্ৰেচাৰ মেচিনৰ মালিক পক্ষৰ লগতে ডাম্পাৰ চালকসকলক নাকী লগাবৰ বাবে ৰাইজে আবেদন-নিবেদন কৰিও সুফল নাপালে। ইয়াৰ পৰিৱৰ্তে পথটো গাঁতেৰে ভৰি পৰাত এটা সময়ত চামগুৰি-উদমাৰী-কঠালগুৰি পথটো যে পকী আছিল ধৰিবই নোৱাৰা হ'ল।



## বৰমাত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞান প্ৰতিযোগিতা সম্পন্ন

**বৰমা, ১ ফেব্ৰুৱাৰী ঃ** বৰমাৰ ওচৰৰ খাৰুৱা মিলন হাইস্কুলত আজি অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ দ্বাৰা গঠিত বৰমা ব্লক আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে বিজ্ঞানভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। সমন্বয়ক সমীৰণ বৰ্মনে আঁত ধৰা প্ৰতিযোগিতাত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ বৰমা ব্লকৰ অধীনত থকা বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়, শংকৰদেৱৰ শিশু নিকেতন বৰমা, খাৰুৱাজান বালিকা বিদ্যালয়, খাৰুৱা মিলন হাইস্কুলকে ধৰি কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। প্ৰতিযোগিতাত বিজ্ঞান ভিত্তিক আৰ্হি প্ৰস্তুতকৰণ, বিজ্ঞান ভিত্তিক আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰু বিজ্ঞানভিত্তিক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। অচ্যুত শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত বিজ্ঞানভিত্তিক আৰ্হি প্ৰস্তুতকৰণ প্ৰতিযোগিতাত খাৰুৱা মিলন হাইস্কুলৰ অভিজিৎ বৰ্মন, শংকৰদেৱ শিশু নিকেতন, বৰমাৰ অংকিতা হালৈক পুৰস্কাৰ প্ৰদান কৰাৰ লগতে আকস্মিক বক্তৃতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে খাৰুৱা মিলন হাইস্কুলৰ অনুস্মিতা বৰ্মন, কিশোৰ বৰ্মন আৰু খাৰুৱা বালিকা বিদ্যালয়ৰ পৰিস্মিতা বৰ্মনে। চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে খাৰুৱা মিলন হাইস্কুলৰ টিনা বৰ্মন, অনুস্মিতা বৰ্মন আৰু খাৰুৱা বালিকা বিদ্যালয়ৰ পৰিস্মিতা বৰ্মনে।

## ভাৰতীয় ৰেলৱে মাল গুদাম শ্ৰমিক সংঘৰ নামত ভুৱা প্ৰচাৰ চলোৱাৰ অভিযোগ

### ■ গুদাম শ্ৰমিকক ভুৱা সংগঠনটোৰ পৰা সাৱধানে থকাৰ আহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী ১ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ৰেল গুদাম শ্ৰমিক সংঘই ত্যাগৰ বিনিময়ত লাভ কৰা সফলতাক নিজৰ সফলতা বুলি দাবী কৰিছে একে নামৰ আন কিছু ভুৱা সংগঠনে। তেনে কিছু সংগঠনে সংঘৰ নামত অপপ্ৰচাৰ চলাইছে । এই অভিযোগ ভাৰতীয় মাল গুদাম শ্ৰমিক সংঘৰ । সংঘৰ ৰাষ্ট্ৰীয় প্ৰভাৰী মনোৰঞ্জন কুমাৰে এই অভিযোগ উত্থাপন কৰি সংঘৰ সদস্য তথা ৰেলৱে মাল গুদাম শ্ৰমিক সকলক তেনে ভুৱা সংগঠনৰ অপপ্ৰচাৰত ভোল নাযাবলৈ আহ্বান জনায়। তেওঁ কয়, 'ভাৰতীয় ৰেলৱে মাল গুদাম শ্ৰমিক সংঘই ১৯৯৮ ৰ পৰা মাল গুদাম শ্ৰমিকৰ ন্যায্য অধিকাৰৰ বাবে আন্দোলন কৰি আহিছে । সংঘই ৰেল মন্ত্ৰণালয় তথা শ্ৰম মন্ত্ৰণালয়ৰ স'তে ২০০৩ আৰু ২০২১ বৰ্ষত শ্ৰমিক সকলৰ অধিকাৰৰ প্ৰসংগ লৈ দুবাৰ ত্ৰিপাক্ষীয় বৈঠকত অংশ লয় । ২০০৩ৰ বৈঠকত তদানীন্তন শ্ৰম মন্ত্ৰী প্ৰয়াত ডাঃ চাহেব সিং বৰ্মাই শ্ৰম আইন সংশোধন কৰি মাল গুদাম শ্ৰমিকৰ অধিকাৰক প্ৰাধান্য দিয়াৰ বাবে চৰকাৰক প্ৰস্তাৱ আগবঢ়ায়। উক্ত বৈঠকতে প্ৰথমবাৰৰ বাবে মাল গুদাম শ্ৰমিকৰ বাবে ৰেলৱেৰ তৰফৰ পৰা খোৱাপানী, শৌচাগাৰ, স্নানাগাৰ আৰু বিশ্ৰাম গৃহৰ সুবিধা প্ৰদানৰ ঘোষণা কৰা হয়। তেনেদৰে বিগত বৰ্ষৰ ২৩ মাৰ্চত শ্ৰম মন্ত্ৰী সন্তোষ কুমাৰ গংগবাৰৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা বৈঠকত শ্ৰমিকৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ অৰ্থে সংঘই ১৩টা দাবী উত্থাপন কৰে। উক্ত দাবী সমূহ মানি লৈ শ্ৰম মন্ত্ৰীগৰাকীয়ে ৰেল মন্ত্ৰণালয়ক এই দাবী সমূহ পূৰণ কৰাৰ বাবে অনুৰোধ জনায়। এই বৈঠকত লগতে চৰকাৰী সকলো আঁচনিয়ে যাতে মাল গুদাম শ্ৰমিকক সাঙুৰি ল'ব পাৰে তাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হয় বুলি উল্লেখ কৰি তেওঁ পুনৰ কয়, ইয়াৰ বাবে শ্ৰমিক সকলৰ চৰকাৰী পঞ্জীয়ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় । সেই অনুসৰি প্ৰথমে দিল্লীত সংঘৰ দ্বাৰা শ্ৰমিকৰ পঞ্জীয়ন কৰোৱা হয়। তাৰ পৰৱৰ্তী সময়ত পশ্চিমবংগ, অসম, হাৰিয়ানা, বিহাৰত সংঘৰ নেতৃত্বত পঞ্জীয়ন কাৰ্য সম্পন্ন কৰা হয়। বৰ্তমানেও ই-শ্ৰম পৰ্টেলৰ জৰিয়তে পঞ্জীয়ন চলি আছে। সংঘই নিৰৱচ্ছিন্নভাৱে কেন্দ্ৰীয় চৰকাৰৰ ৰেল মন্ত্ৰণালয় আৰু শ্ৰম মন্ত্ৰণালয়ৰ স'তে শ্ৰমিকৰ অধিকাৰৰ প্ৰসংগত দাবী জনায় অহাৰ ফলশ্ৰুতিত ৭ ডিচেম্বৰ ২০২১ত শ্ৰম মন্ত্ৰনালয়ে এক পত্ৰৰ জৰিয়তে মাল গুদাম শ্ৰমিকৰ বাবে এক বিশেষ কোডৰ ব্যৱস্থা কৰা বুলি জানিবলৈ দিয়ে। সেই কোডৰ বাবে এতিয়া শ্ৰমিক সকলক ৰেলৱেৰ শ্ৰমিক হিচাপে পৰিচয় প্ৰদান কৰে। পঞ্জীয়নৰ পিছত শ্ৰমিকৰ ডাটাবেজ প্ৰস্তুত কৰি সংঘই শ্ৰমিকৰ বেতন সুনিশ্চিত কৰাৰ বাবে কাম কৰিব। সংঘৰ এই ২৩ বছৰীয়া এই কঠোৰ সংগ্ৰামৰ পিছত আজি শ্ৰমিকলৈ এই সুখবৰ আহিছে বুলি প্ৰকাশ কৰি তেওঁ আকৌ কয় আমি কঠোৰ সংগ্ৰাম কৰিছোঁ। তেনেস্থলত সংঘৰ নাম লৈ কিছু ভুৱা সংগঠনে এই সফলতাৰ ক্ৰেডিট ল'ব বিচাৰিছে। তেওঁলোকে লগতে আমাৰ সংগঠনৰ অপপ্ৰচাৰতো নামি পৰিছে। আমি সেই সংগঠনবোৰক প্ৰত্যাহ্বান জনাইছোঁ যদি সাহস আছে আমাৰ বিৰুদ্ধে চলোৱা অপপ্ৰচাৰৰ প্ৰমাণ দিয়ক। অন্যথা আমি তেওঁলোকৰ বিৰুদ্ধে আইনৰ সহায় ল'বলৈ বাধ্য হ'ম।

## ভৱানীপুৰত 'বিশ্বাসঘাতকতা দিৱস' পালন

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ১ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে দেশৰ কৃষক ৰাইজৰ ওপৰত আকৌ এবাৰ প্ৰতাৰণা কৰাৰ অভিযোগ তুলি সংযুক্ত কিষাণ মৰ্চাই আজিৰ দিনটোত 'বিশ্বাসঘাতকতা দিৱস'ৰূপে পালন কৰিবলৈ জনোৱা আহ্বান অনুসৰি আজি ভৱানীপুৰতো এই দিৱস পালন কৰা হয়। এই উপলক্ষে ভৱানীপুৰ আঞ্চলিক কৃষক সভাৰ উদ্যোগত কৃষক সভাৰ নেতা-কৰ্মীসকলে ৰক্তৰঞ্জিত পতাকা হাতে হাতে লৈ দেশৰ কৃষকসকলৰ বিভিন্ন দাবীৰ সমৰ্থনত ধ্বনি দি সমদলেৰে আহি ভৱানীপুৰৰ তিনিআলিত ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথৰ সমীপত মিলিত হৈ এখন পথসভা অনুষ্ঠিত কৰে। ভৱানীপুৰ আঞ্চলিক কৃষক সভাৰ উপ-সভাপতি নবীন দাসে আঁত ধৰা পথসভাত অঞ্চলটোৰ প্ৰবীণ কৃষক নেতা চিত্তৰঞ্জন দাস আৰু ভৱানীপুৰ আঞ্চলিক কৃষক সভাৰ সম্পাদক বিশ্বজিৎ পাঠকে ভাষণ প্ৰদান কৰে। বক্তাদ্বয়ে ভাৰতবৰ্ষৰ পূৰ্বৰ আটাইকেইগৰাকী প্ৰধানমন্ত্ৰীৰ তুলনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকেই 'চৰম বিশ্বাসঘাতক' ৰূপে আখ্যায়িত কৰে। 'কৰ্প'ৰেটৰ আশিসপুষ্ট 'বিশ্বাসঘাতক' মোদীয়ে দুহাত যোৰ কৰি আন্দোলনকাৰী কৃষকক 'ঘৰ ৱাপচী'ৰ আবেদন জনায়, কিন্তু কৃষকসকলক দিয়া প্ৰতিশ্ৰুতিসমূহ পালন নকৰে। দেশৰ প্ৰধানমন্ত্ৰী এগৰাকীৰ বাবে 'বিশ্বাসঘাতকতা'ৰ ইয়াতকৈ আৰু কিবা বেলেগ উদাহৰণ আছে নেকি' বুলিও তেওঁলোকে প্ৰশ্ন উত্থাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই ক্ষেত্ৰত তেওঁৰ পুৰণিকলীয়া সেই চিৰাচৰিত 'ধূৰ্তামি' প্ৰদৰ্শন কৰিছে বুলিও তেওঁলোকে মন্তব্য কৰে। দেশৰ কে'বাখনো ৰাজ্যত হ'বলগীয়া বিধানসভা নিৰ্বাচনক লৈয়েই যে মোদীয়ে কৃষি আইন প্ৰত্যাহাৰৰ কৌশলী নীতি গ্ৰহণ কৰিছে, সেই কথা এতিয়া প্ৰমাণ হ'ল বুলিও তেওঁলোকে মন্তব্য কৰে। সেয়ে বঞ্চিত কৃষকৰ এতিয়া সংগ্ৰাম বিনে গতি নাই বুলিও বক্তাদ্বয়ে দোহাৰে। 'অচ্ছে দিন'ৰ দিবাস্বপ্ন দেখুওৱা মোদীৰ ৰাজত্বকালত 'অচ্ছে দিন'লৈ আৰু কিমান দূৰ বুলিও তেওঁলোকে সভাত প্ৰশ্ন উত্থাপন কৰে। প্ৰসংগক্ৰমে ভাষণত তেওঁলোকে এম এছ স্বামীনাথন কমিটীৰ প্ৰতিবেদন অনুসৰি উৎপাদিত ফচলৰ ন্যূনতম সমৰ্থন মূল্য আদায়ৰ ব্যৱস্থা, আটকাধীন কৃষকসকলৰ ক্ষেত্ৰত থকা গোচৰ প্ৰত্যাহাৰ, বিদ্যুৎ নিয়ামক আইন উঠাই লোৱা আদিকে ধৰি বিভিন্ন বিষয়ৰ ওপৰতো তেওঁলোকে মন্তব্য প্ৰকাশ কৰে।

## শালবাৰীৰ ৰূপাফুলি ভিচিডিচিত আঁঠুৱা-কম্বল-বাল্ব বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১ ফেব্ৰুৱাৰী ঃ** বাগ্‌সাৰ ৰূপাফুলি ভিচিডিচিত বিজেপি এছটি মৰ্চাৰ উদ্যোগত ৰূপাফুলি ভিচিডিচিৰ অন্তৰ্গত সোণাফুলিত কালি অনুষ্ঠিত এখন সভাৰ জৰিয়তে অঞ্চলটোৰ মুঠ তিনিশ এছটি পৰিয়ালৰ মাজত আঁঠুৱা, কম্বল, বাল্ব আদি বিতৰণ কৰা হয়। কাৰ্যসূচী মুকলি কৰে উত্তৰ ভৱানীপুৰ মণ্ডল বিজেপিৰ সভাপতি সোণজিৎ নাথে। সামগ্ৰী বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে বজালী জিলা এছটি মৰ্চাৰ সভাপতি মনোজ কুমাৰ বসুমতাৰী, উত্তৰ ভৱানীপুৰ এছটি মৰ্চাৰ সভাপতি প্ৰাণকৃষ্ণ ৰামচিয়াৰী, মতিলাল ৰাভা, নিলো ৰাভা, অমলেশ দাসকে ধৰি কে'বাগৰাকী দলৰ কাৰ্যকৰ্তা।

## দলপাতত ৭৩ সংখ্যক গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১ ফেব্ৰুৱাৰী ঃ** ডিমৌ থানা কমিটীৰ উদ্যোগত সমূহ গাঁওৰক্ষী বাহিনীৰ সহযোগত অসম গাঁওৰক্ষী সংগঠনৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে ডিমৌৰ কাষৰীয়া দলপাতত উদ্‌যাপন কৰা হয়। পুৱা প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সামূহিক চাফাই, বৃক্ষৰোপণ কৰা হয়। ইয়াৰ পাছতে অসম গাঁওৰক্ষী বাহিনীৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি ৰঞ্জিত পেগুৱে। স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে উদ্‌যাপন সমিতিৰ সম্পাদক তৰুণ টায়ে। দুপৰীয়া ডিমৌ থানা কমিটীৰ সভাপতি ক্ষীৰোদ মেছৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে ডিমৌ থানাৰ সহকাৰী পৰিদৰ্শক ৰাজীৱ আহমেদে। সভাত উপস্থিত ৰাইজক উদ্দেশি বক্তব্য প্ৰদান কৰে ডিমৌ থানাৰ অৱসৰপ্ৰাপ্ত চক্ৰ সংগঠক, সমাজকৰ্মী অৰন কুমাৰ দত্ত আৰু সাংবাদিক শেখৰজ্যোতি দুৱৰীয়ে। মুকলি সভাত স্থানীয় সমাজকৰ্মী লোকনাথ টায়ে, গাঁওবুঢ়া উমেশ মিলি, গোৰ্খা ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সম্পাদক কাশিৰাম ৰিজাল, টিএমপিকেৰ পানীদিহিং আঞ্চলিক সম্পাদক মুহিনাথ পাংগিং, সাংবাদিক উমেশ চেতিয়া, যুগল শৰ্মা উপস্থিত থাকে।

## নগৰবেৰাৰ মালঞ্চাত জব্দ বৃহৎ পৰিমাণৰ চেগুন কাঠ



**আলোপতি, ১ ফেব্ৰুৱাৰী ঃ** পশ্চিম কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত অব্যাহত আছে বন বিভাগৰ ধাৰাবাহিক অভিযান। তাৰ মাজতে একাংশ বন মাফিয়াই বন বিভাগক চেলেঞ্জ কৰি অব্যাহত ৰাখিছে বন ধ্বংস যজ্ঞ। আজি নগৰবেৰাৰ মালঞ্চাত বন বিভাগে আন এক অভিযান চলায়। এক বিশেষ খবৰৰ ভিত্তিত নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীৰ দলে চলোৱা অভিযানত জব্দ কৰে বৃহৎ পৰিমাণৰ চোৰাং মূল্যবান কাঠৰ লগতে চাৰিখন ঘোঁৰা গাড়ী। ঘোঁৰা গাড়ীৰে কাঠখিনি বৰপেটাৰ বাঘমাৰাচৰলৈ নিয়াৰ পথত মালঞ্চা মেধিপাৰা অঞ্চলৰ পৰা জব্দ কৰে চাৰিখনকৈ মূল্যবান চেগুন কাঠৰ কুণ্ডাভৰ্তি ঘোঁৰাৰ গাড়ী। জব্দকৃত ১৬টাকৈ প্ৰকাণ্ড চেগুন কাঠৰ কুণ্ডাৰ বজাৰ মূল্য প্ৰায় দুই লক্ষাধিক টকা হ'ব বুলি অনুমান কৰা হৈছে। জব্দকৃত ঘোঁৰা গাড়ীসহ কাঠখিনি নগৰবেৰা বন কাৰ্যালয়লৈ অনা হয়। বন বিভাগৰ অভিযানত মালঞ্চা সত্ৰৰ পৰা মাটি কঢ়িওৱা এখন ট্ৰেক্টৰো জব্দ কৰি কাৰ্যালয়লৈ আনে। ইপিনে, আজি বন বিভাগৰ বামুণীগাঁও প্ৰটেকশ্বন ৰেঞ্জৰ ৰেঞ্জাৰৰ নেতৃত্বত বনকৰ্মীৰ এটা দলে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ মহচৰাত অভিযান চলাই বৃহৎ পৰিমাণৰ কাঠ জব্দ কৰিবলৈ সক্ষম হয়। বন বিভাগে জনোৱা মতে, প্ৰায় ১২০ টুকুৰা কাঠ জব্দ কৰে অভিযানকালত। উল্লেখ্য যে দীৰ্ঘদিন ধৰি উক্ত অঞ্চলত চোৰাং কাঠৰ বৃহৎ বেহা চলাই গৈছে বন মাফিয়া চক্ৰই।

## মঙলদৈত কৃতী শিক্ষক বিমল ডেকাক বিদায় সম্বৰ্ধনা

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১ ফেব্ৰুৱাৰী ঃ** মঙলদৈ শংকৰদেৱ হাইস্কুলৰ কৃতী শিক্ষক বিমল চন্দ্ৰ ডেকাক আজি বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, মঙলদৈ জিলা কৰ্মচাৰী পৰিষদ আদি বিভিন্ন সংগঠন, ব্যক্তিয়ে বিদায় সম্ভাষণ জনায়। সুদীৰ্ঘ ২২ বছৰ ধৰি উক্ত বিদ্যালয়ত দক্ষতাৰে শিক্ষকতা কৰা ডেকাই আজি অৱসৰ গ্ৰহণ কৰা উপলক্ষে ৰঙামাটিৰ নিজা বাসগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত শংকৰদেৱ হাইস্কুলৰ প্ৰধান শিক্ষক মুনীন্দ্ৰ শইকীয়া, মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা সুৰেন্দ্ৰ বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক তপেশ্বৰ বৰা, তপন চন্দ্ৰ নাথ, শংকৰদেৱ হাইস্কুলৰ কৃতী শিক্ষক গোপেশ্বৰ ডেকা, ৰঙামাটি হাইস্কুলৰ শিক্ষক ৰাজু চহৰীয়া, সমাজসেৱক হিৰেন ডেকা আৰু ৰঙামাটি গাঁও পঞ্চায়তৰ সভাপতি শোভন চন্দ্ৰ ডেকাই অৱসৰপ্ৰাপ্ত শিক্ষক বিমল চন্দ্ৰ ডেকাৰ কৰ্মজীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। শিক্ষক মনোজ শৰ্মাই আঁত ধৰা সভাত মঙলদৈ সনাতন ধৰ্মসভাৰ সভাপতি তথা মঙলদৈ নগৰ সমবায় বেংকৰ অধ্যক্ষ হৰিৰাম চহৰীয়া, মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক কুলেন চন্দ্ৰ ডেকা, উপ-সভাপতি প্ৰণৱ কুমাৰ ডেকা, মঙলদৈ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহকাৰী সম্পাদক মুকুটমণি শইকীয়া আদি উপস্থিত থাকে। সভাৰ সামৰণিৰ পূৰ্বে শলাগৰ শৰাই আগবঢ়ায় ৰঞ্জন ডেকাই। ইয়াৰ পূৰ্বে শিক্ষক ডেকাৰ অৱসৰপ্ৰাপ্ত উপলক্ষে শংকৰদেৱ হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতি কুমুদ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বতো এখন বিদায় সভা অনুষ্ঠিত হয়।

## বৰপেটাত কুষ্ঠ নিৰাৰণী দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১ ফেব্ৰুৱাৰী ঃ** জাতিৰ পিতা মহাত্মা গান্ধীৰ মৃত্যুতিথিৰ লগত সংগতি ৰাখি ভাৰতবৰ্ষত পালিত হৈ থকা 'কুষ্ঠ নিৰাৰণী দিৱস'ৰ অংশ হিচাপে কালি বৰপেটা জিলা স্বাস্থ্য বিভাগেও উদ্‌যাপন কৰে। সম্পূৰ্ণ ক'ভিড বিধি মানি বৰপেটা ৰাইজিং ক্লাবত বৰপেটা জিলা কুষ্ঠ বিষয়া ডাঃ বিজু ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা জিলা ভিত্তিত কুষ্ঠ নিৰাৰণী দিৱসত জ্যেষ্ঠ চিকিৎসক তথা বিষয়া ভাস্কৰ বেজ আৰু বৰপেটা জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তীৰ্থ নাথ শৰ্মাই আজিৰ সজাগতামূলক সভাত উপস্থিত থাকি ৰোগ, চিকিৎসা সেৱা, আৰু চৰকাৰী ভাবে পোৱা সকলো শ্ৰেণীৰ সুবিধাৰ বিষয়ে বিতংকৈ ব্যাখ্যা আগবঢ়ায়। বিভাগৰ জিলা মিডিয়া বিশেষজ্ঞ ময়েজ উদ্দিন আহমেদে জনোৱা অনুসৰি বৰ্তমান বৰপেটা জিলা স্বাস্থ্য সমিতিৰ অধীনত ১৪ জন কুষ্ঠ ৰোগী বিভাগৰ অধীনত চিকিৎসাধীন হৈ আছে। এই দিনটোতে জিলা স্বাস্থ্য বিভাগে প্ৰতিজন চিকিৎসাধীন ৰোগীকে একোখনকৈ কম্বল বিতৰণ কৰে। এই সভাতে জিলা কুষ্ঠ বিভাগৰ কৰ্মী হৃদয়ানন্দ ওজা, শিৱেন কলিতা, আৰু পৰশমণি নাথ সহ অন্যান্য উপস্থিত থাকে।

## পশ্চিম বড়িগোগ অম্বাপ্ৰিয়া চৌধুৰী ছোৱালী হাইস্কুল (সানেকুছি)ক সহ শিক্ষানুষ্ঠান কৰাৰ ৰাজহুৱা সিদ্ধান্ত

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত সানেকুছি গাঁৱত অৱস্থিত বড়িগোগ অম্বাপ্ৰিয়া চৌধুৰী ছোৱালী হাইস্কুলখন একমাত্ৰ নাৰী শিক্ষানুষ্ঠানৰ পৰিৱৰ্তে ল'ৰা-ছোৱালী উভয়ৰে এখন সহ শিক্ষানুষ্ঠানলৈ পৰিৱৰ্তন কৰাৰ বাবে কালি ৰাজহুৱা সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে বিগত ১১ জানুৱাৰীত বিদ্যালয় পৰিচালনা সমিতিৰ সিদ্ধান্তমৰ্মে আজি বিদ্যালয় প্ৰাংগণত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দীনেশ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ক্ৰমে তীৰবক্স আলী, দীনবন্ধু কলিতা, পুলক কলিতা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ভূপেন চন্দ্ৰ লহকৰ, অমল লহকৰ, হৰেন ডেকা, ললিত চন্দ্ৰ ডেকা, ধীৰেন ভৰালী, মহেশ্বৰ ভট্টাচাৰ্য, বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক বশিষ্ঠনাথ শৰ্মা, অভিভাৱিকা মৰমী কলিতা, বিদ্যালয়ৰ শিক্ষক সঞ্জীৱ ভট্টাচাৰ্যক আদি কৰি কে'বাগৰাকীও বক্তাই বিদ্যালয়খনক সহ শিক্ষানুষ্ঠান হিচাপে পৰিৱৰ্তন কৰাৰ পোষকতা কৰি পৰামৰ্শ দিয়ে। বিদ্যালয়ৰ প্ৰধান শিক্ষক গিৰিন্দ্ৰ দেৱ শৰ্মাই সভাৰ উদ্দেশ্যত কয় যে বৰ্তমান অসম চৰকাৰৰ শিক্ষা ব্যৱস্থাৰ নীতি অনুযায়ী আমাৰ বিদ্যালয়খনক সহ শিক্ষানুষ্ঠানলৈ পৰিৱৰ্তন কৰাৰ সময় আহি পৰিছে। এই সম্পৰ্কে পূৰ্বৰ প্ৰধান শিক্ষকসকলেও আলোচনা কৰিছিল যদিও তাক কাৰ্যকৰী কৰিব পৰা নাছিল। বৰ্তমান চৰকাৰৰ নীতি অনুযায়ী ৰাইজ, হিতাকাংক্ষী, অভিভাৱকৰ সিদ্ধান্তমৰ্মে ইয়াক কাৰ্যকৰী কৰাত উজু হ'ব। উল্লেখ কৰিবলগীয়া যে চৰকাৰী খণ্ডৰ বিদ্যালয় হিচাপে উক্ত বিদ্যালয়ৰ শিক্ষাৰ মান যথেষ্ট উন্নত বুলি একাংশ অভিভাৱকে সভাত বক্তব্য আগবঢ়ায়। সভাত চলিত বৰ্ষৰ পৰাই সহ শিক্ষানুষ্ঠান হিচাপে ষষ্ঠমানৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে ইয়াৰ বাবে বিভাগীয় যোগাযোগ কৰাৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষকক দায়িত্ব দিয়ে। আনহাতে, পূৰ্বৰ পশ্চিম বড়িগোগ অম্বাপ্ৰিয়া চৌধুৰী ছোৱালী হাইস্কুল (সানেকুছি)ৰ পৰিৱৰ্তে নতুনকৈ পশ্চিম বড়িগোগ অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুল (সানেকুছি) হিচাপে পৰিচিত হ'ব বুলি সভাত প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখ্য যে বিগত ১৯৬৬ খ্ৰীষ্টাব্দত অঞ্চলৰ কেইগৰাকীমান বৰেণ্য ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত সেই সময়ৰ কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ সানেকুছিত উক্ত স্ত্ৰী শিক্ষাৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। কালক্ৰমত উক্ত শিক্ষানুষ্ঠানখনে বৃহত্তৰ অঞ্চলটো শিক্ষাৰ উত্তৰণত যথেষ্ট সবল ভূমিকা লৈ আহিছে। আনকি বিগত চাৰিটা বছৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশই উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। এনেকুৱা এখন বিদ্যালয়ক সহ শিক্ষানুষ্ঠানলৈ পৰিৱৰ্তন কৰাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

## ঐতিহাসিক তলাতল ঘৰ প্ৰাংগণত মে-ডাম-মে-ফি উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১ ফেব্ৰুৱাৰী ঃ** তাই আহোম জনগোষ্ঠীৰ মাংগলিক অনুষ্ঠান মে-ডাম-মে-ফী কালি ৰাজ্যৰ অন্যান্য স্থানৰ লগতে শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰৰ প্ৰাংগণতো সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰা হয়। তলাতল ঘৰত ক'ভিড নিয়মৰ মাজেৰে আহোমসকলৰ পিতৃ পুৰুষ তথা উপৰি-পুৰুষক শ্ৰদ্ধা ভক্তিৰে স্মৰণ কৰি দেশ আৰু দহৰ মংগল কামনাৰে পৰম্পৰাগত প্ৰথাৰে পূজা-অৰ্চনা কৰা হয়। সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতি, পৰম্পৰা প্ৰথাৰে বাঁহ মেহেঙা (শৰাই) সাজি বৰাচাউল, আখৈ, লুক লাও (সাঁজ পানী), পাতি হাঁহৰ কণী, কুকুৰা আদি বিভিন্ন নৈবেদ্য আগবঢ়াই নিজৰ লগতে সমাজৰ বাবে আশীৰ্বাদ বিচাৰে তাই আহোমসকলে। পুৱা পতাকা উত্তোলনৰ পাছতে ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে পালন কৰা হয় এই ধৰ্মীয় অনুষ্ঠান।

## ৰঙাপাৰাত নগৰ মণ্ডল অনুসূচিত জাতি মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা

**বিশেষ সংবাদদাতা**

**ৰঙাপাৰা, ১ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ ৰঙাপাৰা নগৰ মণ্ডলৰ অনুসূচিত জাতি মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা আজি ৰঙাপাৰাৰ অসম প্ৰগতি কেশৰী সংঘ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সম্পাদিকা জোনালী দাসে আঁত ধৰা সভাত সভাপতিত্ব কৰে পাৰচ ৰামে। উল্লেখ্য যে অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচীৰূপে বিজেপিৰ পতাকা উত্তোলন কৰে ৰঙাপাৰা নগৰ মণ্ডল অনুসূচিত জাতি মৰ্চাৰ সভাপতি পাৰচ ৰামে। সভাত দলৰ সাংগঠনিক দিশৰ গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। সভাত জিলা অনুসূচিত জাতি মৰ্চাৰ সভাপতি প্ৰশান্ত হাজৰিকা আৰু অনুসূচিত উন্নয়ন পৰিষদৰ চেয়াৰমেন পৱিত্ৰ দাসৰ লগতে ৰঙাপাৰা নগৰ মণ্ডল সভাপতি স্বপন ধৰ, নগৰ মণ্ডলৰ সম্পাদক বিজয় কলিতা, ৰঙাপাৰা নগৰ মহিলা মৰ্চাৰ সভানেত্ৰী তৃপ্তি গুহ, ৰঙাপাৰা নগৰ মণ্ডল যুৱ মৰ্চাৰ সভাপতি সন্দীপ সাহা, দলৰ মহিলা নেতৃ বনস্মিতা শইকীয়াৰ লগতে বহুতো দলীয় কৰ্মকৰ্তা উপস্থিত থাকে।

## অৱসৰপ্ৰাপ্ত শিক্ষক-সমাজকৰ্মী অকণচন্দ্ৰ বৰাৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১ ফেব্ৰুৱাৰী ঃ** পূব-যোৰহাটৰ কমাৰখাটোৱাল নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী অকণ চন্দ্ৰ বৰা (৮৭)ৰ যোৱা ২৭ জানুৱাৰীত মৃত্যু হয়। কাকজান উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা শিক্ষকজন অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল। কমাৰখাটোৱালৰ অমৰজ্যোতি সাংস্কৃতিক উন্নয়ন কেন্দ্ৰৰ মুখ্য উপদেষ্টা, কমাৰখাটোৱাল ৰাস উদ্‌যাপন সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক, গাঁওৰক্ষী বাহিনীৰ সংগঠক, শ্ৰীমন্ত শংকৰদেৱ নামধৰ্ম সমাজৰ জিলা সমিতিৰ উপদেষ্টা, জৱাহৰলাল নেহৰু উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যৰ উপৰি বিভিন্ন অনুষ্ঠানৰ লগত তেওঁ জড়িত আছিল। এজন সুবক্তাৰূপে খ্যাত সমাজকৰ্মীজনে মৃত্যুৰ সময়ত পৰিবাৰৰ লগতে তিনি পুত্ৰ আৰু এগৰাকী কন্যাসহ আত্মীয়ক এৰি গৈছে। তেওঁৰ মৃত্যুত কাকজান বালিকা বিদ্যালয়, অমৰজ্যোতি সাংস্কৃতিক উন্নয়ন কেন্দ্ৰ, সুধাকৰ কলা-কৃষ্টি কেন্দ্ৰ, জৱাহৰলাল নেহৰু উচ্চ মাধ্যমিক বিদ্যালয় প্ৰমুখ্যে বিভিন্ন অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

## টিহুৰ নমাটি কদমতল চ'কত বিশ্বাসঘাতকতা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১ ফেব্ৰুৱাৰী ঃ** টিহু মহকুমাৰ অন্তৰ্গত নমাটি কদমতল চ'কত কালি সন্ধিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি দাহ কৰে টিহু আঞ্চলিক কৃষক সভাই। সংযুক্ত কৃষক মৰ্চাৰ আহ্বান মৰ্মে টিহু আঞ্চলিক কৃষক সভাই সন্ধিয়া নমাটি কদমতল চ'কত আজিৰ দিনটো বিশ্বাসঘাতকতা দিৱস ৰূপে লৈ এই কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে নমাটি বহুমুখী সমবায় কাৰ্যালয়ৰ সমীপৰ পৰা ৩১ নম্বৰ ঘাইপথৰ দুয়োপাৰে প্ৰতিবাদী সমদল উলিওৱাৰ লগতে কে'বা ঠাইতো পথসভা কৰাৰ পাছত প্ৰতিবাদকাৰীসকলে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতিকৃতি দাহ কৰে।

## বৰছিলা হাইস্কুলৰ প্ৰৱাল জয়ন্তী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ

**অগ্ৰদূত বাৰ্তা**

**নামতি, ১ ফেব্ৰুৱাৰী ঃ** অসম-নগালেণ্ড সীমান্তৱৰ্তী বৰছিলা হাইস্কুলৰ প্ৰৱাল জয়ন্তী বৰ্ণাঢ্য কাৰ্যসূচীৰে যোৱা ৩০ জানুৱাৰীত উদ্‌যাপন কৰা হয়। সেইদিনা পৰিৱেশ নিকাকৰণ, পতাকা উত্তোলন, গছপুলি ৰোপণ, স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন আদি কাৰ্যসূচীৰ পাছত প্ৰৱাল জয়ন্তীৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এক সমাৰোহ অনুষ্ঠিত কৰা হয়। সমাৰোহত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা অৰ্ধ শতাধিক শিক্ষক-শিক্ষয়িত্ৰীক গুৰুপূজন কৰা হয়। মুকলি সভাত পৌৰোহিত্য কৰে উদ্‌যাপন সমিতিৰ সভাপতি কমল জামালে। বিদ্যালয়ৰ স্মৃতিগ্ৰন্থ 'বৰছিলা বৈভৱ' উন্মোচন কৰে শিক্ষা বিষয়া কমলজ্যোতি গগৈয়ে। প্ৰাচীৰ পত্ৰিকা 'মুকুল' উন্মোচন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নলিনী বালা দুৱৰাই। সভাত কে'বাগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰা হয়। সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰে প্ৰধান শিক্ষক মনোজ কুমাৰ বৰুৱাই।

## যাতায়াতৰ নামত বাঁহৰ সাঁকোৱে একমাত্ৰ ভৰসা

### ■ চৰকাৰী আঁচনিয়ে ঢুকি নোপোৱা চতিয়াৰ দুখন গাঁও

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১ ফেব্ৰুৱাৰী ঃ** বৰ্তমান একবিংশ শতিকাৰ যুগতো অসম চৰকাৰৰ উন্নয়ন আঁচনিৰ পৰা অৱহেলিত হৈ আহিছে চতিয়াৰ দুখন গাঁও। বিশ্বনাথ বিধানসভা সমষ্টিৰ অন্তৰ্গত চতিয়া চলাহোলা আৰু বাঁহবাৰী গাঁৱৰ ৰাইজে সুদীৰ্ঘ দিন ধৰি যাতায়াতৰ নামত যমৰ যাতনা ভোগ কৰি আহিছে। চতিয়া পাঁচ নম্বৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত বাঁহবাৰী আৰু চলাহোলা গাঁৱৰ মাজেৰে বৈ যোৱা দিপলোঙা নদীৰ ওপৰত থকা একমাত্ৰ বাঁহৰ সাঁকোখনেৰে দৈনিক অহা-যোৱা কৰিবলগীয়া হৈছে। বাৰিষা কাল আহিলেই দুয়োখন গাঁৱৰ ৰাইজৰ মাজত যাতায়াত বিচ্ছিন্ন হৈ পৰে। কণ কণ শিশুসহ পুৰুষ-মহিলাই বাঁহৰ সাঁকোৰে পাৰ হ'বলগীয়া হয়। বাঁহৰ সাঁকোৰ পৰিৱৰ্তে দলং নিৰ্মাণৰ বাবে চৰকাৰৰ ওচৰত বিশেষকৈ স্থানীয় বিধায়ক প্ৰমোদ বৰঠাকুৰৰ ওচৰত আবেদন জনাই আহিছে যদিও কোনো সঁহাৰি নাপালে। উল্লেখ্য যে এই বাঁহৰ সাঁকো পাৰ হৈ দৈনিক কণ কণ ছাত্ৰ-ছাত্ৰীয়ে চলাহোলা প্ৰাথমিক বিদ্যালয়, উত্তৰ চতিয়া হাইস্কুললৈ বিপদসংকুল অৱস্থাৰে অহা-যোৱা কৰিবলগীয়া হৈছে। সেয়ে দুয়োখন গাঁৱৰ ৰাইজ তথা অঞ্চলটোৰ আদিবাসী ছাত্ৰ সন্থা, চাহ জনজাতি ছাত্ৰ সন্থা, চতিয়া নাগৰিক সভাই শীঘ্ৰে পকী দলং নিৰ্মাণ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে।



# বিনিয়োগকাৰীৰ বাবে সম্ভাৱনা আনিছে

*এক পৃষ্ঠাৰ পৰা* ২৫ বছৰৰ লক্ষ্য আগত ৰাখি কৰা হৈছে। ভাৰতক উন্নত ৰাষ্ট্ৰৰ শাৰীত থিয় কৰোৱাৰ পৰিকল্পনাৰে এনে কৰা হৈছে। ক'ভিড মহামাৰীয়ে আঘাত হনা অৰ্থব্যৱস্থাৰ পৰা ভাৰত মুক্ত হ'বলৈ সক্ষম হোৱাটো বাজেটখনত স্পষ্ট হৈছে। তাৰ ফলতে হ্ৰস্ব আৰু দীৰ্ঘম্যাদী বৃহৎ আঁচনি গ্ৰহণ কৰাটো চৰকাৰৰ বাবে সম্ভৱ হৈছে বুলি ধৰি ল'ব পাৰি।

অসম বা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰেক্ষাপটত উত্তৰ-পূব পৰিষদৰ জৰিয়তে বাজেটত ১৫শ কোটি টকা ধাৰ্য কৰা হৈছে। অঞ্চলটোৰ আঠখন ৰাজ্যৰ বিপৰীতে এই পৰিমাণৰ ধন পৰ্যাপ্ত নহয়।

তথাপি সামগ্ৰিকভাৱে বাজেটখনত প্ৰতিশ্ৰুতি আছে। প্ৰতিশ্ৰুতি দিব পৰা সক্ষমতা ক'ভিডে ক্ষতি কৰাৰ পাছতো অৰ্থনীতিক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাৰ মাজত লুকাই আছে।

# ৰিজাৰ্ভ বেংকে প্ৰৱৰ্তন কৰিব ডিজিটেল

*এক পৃষ্ঠাৰ পৰা* তথ্য ৰখা হয়। ইণ্টাৰনেটত এক নিৰ্দিষ্ট ডাটাবেছৰ মাজত এই তথ্য সংৰক্ষণ কৰা হয়। লেনদেনৰ স'তে যুক্ত লোকৰ বাহিৰে আন কোনেও এই তথ্য লাভ কৰিব নোৱাৰে। মূলতঃ এই পদ্ধতি ব্যৱহাৰ কৰি ৰিজাৰ্ভ বেংকে প্ৰয়োগ কৰিব ডিজিটেল মুদ্ৰা। ইতিমধ্যে দেশৰ শীৰ্ষ বেংকে এই মুদ্ৰা বজাৰলৈ অনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। তথ্য অনুসৰি, নগদ ধনৰ সমতুল্য হ'ব এই ডিজিটেল মুদ্ৰা।

একেদৰে সাম্প্ৰতিক কালৰ দাবী মানি লৈ দেশত নিৰ্মাণ কৰা হ'ব ডিজিটেল বিশ্ববিদ্যালয়। শিক্ষকসকলক ডিজিটেল পদ্ধতিত শিক্ষাদানৰ প্ৰশিক্ষণ দিয়া হ'ব তথা প্ৰয়োজনীয় সামগ্ৰীও যোগান ধৰা হ'ব। এইদৰে আজি বাজেটত কয় বিত্তমন্ত্ৰীয়ে। উল্লেখ্য যে ক'ভিড পৰিস্থিতিত একেবাৰে শিশু শিক্ষাৰ্থীয়েও অনলাইন লিখা-পঢ়াত অভ্যস্ত হৈছে। আগন্তুক দিনত এনে ভাৰ্চুৱেল মাধ্যমত শিক্ষাদানৰ অধিক প্ৰসাৰ হ'ব বুলি সীতাৰমণৰ বাজেট প্ৰস্তাৱত উল্লেখ কৰা হৈছে। বিত্তমন্ত্ৰীয়ে বাজেট পাঠ কৰি কয় যে দেশত এখন ডিজিটেল বিশ্ববিদ্যালয় নিৰ্মাণৰ উদ্যোগ ল'ব চৰকাৰে। একে সময়তে প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত শিক্ষাদানৰ বাবে টিভি চেনেল আৰম্ভ কৰিব কেন্দ্ৰই। প্ৰধানমন্ত্ৰী ই-বিদ্যা নামৰ এই প্ৰকল্পৰ নামত দেশত প্ৰতিটো শ্ৰেণীৰ বাবে বিভিন্ন ভাষাত ভিন ভিন দুশৰো অধিক টিভি চেনেল মুকলি কৰা হ'ব। বিত্তমন্ত্ৰীয়ে দাবী কৰা মতে, এই চেনেলবোৰে দেশৰ বিভিন্ন প্ৰান্তত থকা নানা ভাষাৰ শিক্ষাৰ্থীৰ অধ্যয়নৰ ক্ষেত্ৰত সহায় কৰিব। একেদৰে শিক্ষা ক্ষেত্ৰৰ অধিক উন্নয়নৰ লক্ষ্যৰে দেশত দুই লাখ অংগনৱাড়ী কেন্দ্ৰ গঢ়ি তোলা হ'ব। সীতাৰমণে কয় যে অতিমাৰীয়ে সৰু-বৰ সকলোৰে মানসিক স্বাস্থ্যত প্ৰভাৱ পেলাইছে। ইয়াৰ মোকাবিলা কৰিবলৈ ডিজিটেল হেল্‌থ ইক' ছিষ্টেম গঢ়ি তোলা হ'ব।

# এইবাৰ ৬০ লক্ষ কৰ্মসংস্থাপনৰ আশ্বাস

*এক পৃষ্ঠাৰ পৰা* কালছোৱাত বিৰোধীৰ তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে চৰকাৰ। আজি সীতাৰমণৰ বাজেটত সেই অভাৱ পূৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে ঘোষণা কৰে যে অতিমাৰী পৰিস্থিতিত দেশত বিনিয়োগ বাঢ়িবলৈ আৰম্ভ কৰিছে। উন্নত কৰা হৈছে পৰ্যটন, ৰেলসহ একাধিক সেৱা। আগন্তুক পাঁচ বছৰত এই সকলো ক্ষেত্ৰত আৰু অন্যান্য ক্ষেত্ৰত ৬০ লাখ নতুন কৰ্মসংস্থান সৃষ্টি হ'ব। চাকৰি পাব দেশৰ নিবনুৱাসকলে। সীতাৰমণে সদৰী কৰে যে তথ্যপ্ৰযুক্তি আৰু এনিমেচনৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা হ'ব। দেশৰ বিভিন্ন স্থানত তথ্যপ্ৰযুক্তি হাব তৈয়াৰ কৰা হ'ব। নামী বিশ্ববিদ্যালয়সমূহেই এই হাব তৈয়াৰ কৰিব। ইয়াৰ উপৰি দেশক ২৫ হেজাৰ কিলোমিটাৰ পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথ আৰু এক্সপ্ৰেছৱে' বিস্তাৰ কৰা হ'ব। আৰম্ভ হ'ব ১১টা নতুন মেট্ৰ'লাইন। এই সকলো ক্ষেত্ৰতে কৰ্মসংস্থান ওলাব বুলি ধাৰণা কৰা হৈছে।

ইপিনে, বিত্তমন্ত্ৰীয়ে আজিৰ বাজেটত গ্ৰামাঞ্চলত ব্ৰডবেণ্ড সেৱা সবল কৰাত গুৰুত্ব আৰোপ কৰে। বাজেটত কোৱা হৈছে যে ২০২৫ৰ ভিতৰত দেশৰ সকলো গাঁৱতে উপলব্ধ হ'ব অপ্টিকেল ফাইবাৰ। চলিত বৰ্ষৰ শেষৰ ফালে ৫জি স্পেকট্ৰাম সেৱাও আৰম্ভ হ'ব। ইয়াতো কৰ্মসংস্থান সৃষ্টি হ'ব। লগতে বৈদ্যুতিন গাড়ীৰ বেটাৰী দেশতে নিৰ্মাণ কৰাৰ কথা বাজেটত কোৱা হৈছে। চহৰ, চহৰৰ উপকণ্ঠত চাৰ্জিং ষ্টেচনৰ সংখ্যা বৃদ্ধি কৰা হ'ব। সেইবোৰতো নতুন কৰ্মচাৰী নিয়োগ কৰা হ'ব। ইয়াৰ উপৰি ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়ীক ঋণ দি সাহায্য কৰাৰ কথাও জনায় সীতাৰমণে। ১০ লাখ ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায়ীক ঋণ প্ৰদান কৰা হ'ব।

# মধ্যবিত্তক কোনো সকাহ নিদি হ্ৰাস কৰিলে

*এক পৃষ্ঠাৰ পৰা* দিছে কেন্দ্ৰীয় চৰকাৰে। সংসদত বিত্তমন্ত্ৰী সীতাৰমণে কয় যে সমবায় সমিতিৰ কৰৰ হাৰ ১৫ শতাংশ কৰা হৈছে। একেদৰে ষ্টাৰ্ট-আপ ব্যৱসায়ৰ ক্ষেত্ৰত উদ্যোগপতিসকলে ২০২৩ৰ ৩১ মাৰ্চ পৰ্যন্ত এবছৰৰ কৰ উদগনি লাভ কৰিব।

ইপিনে, কৰ আদায়ৰ ক্ষেত্ৰত বিত্তমন্ত্ৰীয়ে কয় যে কৰদাতাসকলে দুবছৰৰ ভিতৰত ৰিটাৰ্ণ ফাইল কৰিব পাৰিব। তেওঁ কয়, 'ডিজিটেল সম্পত্তিৰ হস্তান্তৰৰ ক্ষেত্ৰত কৰ ধাৰ্য কৰা হৈছে এক শতাংশ। ৰাষ্ট্ৰীয় পেঞ্চন প্ৰকল্প (এনপিএছ)ৰ ক্ষেত্ৰত ১০ৰ পৰা ১৪ শতাংশ কৰ ৰেহাই দিয়া হৈছে।'

### ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ বাবে কৰ ৰেহাইত সমতা

কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে কৰ ৰেহাইত সমতা স্থাপন কৰিবলৈ আজি বৃহৎ ঘোষণা কৰিলে সীতাৰমণে। বাজেট দাখিল কৰি তেওঁ কয় যে কেন্দ্ৰ আৰু ৰাজ্য উভয় ক্ষেত্ৰতে এইবাৰ কৰ ৰেহাই ১০ শতাংশৰ পৰা বৃদ্ধি কৰি ১৪ শতাংশ কৰা হৈছে। তেওঁ কয়, 'এনপিএছৰ ক্ষেত্ৰত কেন্দ্ৰ-ৰাজ্যৰ চৰকাৰী কৰ্মচাৰীসকলক একেটা স্তৰত অন্তৰ্ভুক্ত কৰা হ'ব। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ ১৪ শতাংশ ধন দিয়াৰ বিপৰীতে ৰাজ্যৰ ক্ষেত্ৰত ১০ শতাংশ আদায় দিয়া হয়। কেন্দ্ৰই দিয়া এই কৰ হ্ৰাসৰ সীমা ১০ শতাংশৰ পৰা ১৪ শতাংশলৈ বৃদ্ধি কৰা হ'ল।' তদুপৰি তেওঁ কয়, 'সমবায় সমিতিৰ কৰ ১২ শতাংশৰ পৰা সাত শতাংশ কৰা হ'ল। সমান্তৰালভাৱে কৰ্প'ৰেট কৰ ১৮ শতাংশৰ পৰা ১৫ শতাংশ কৰা হ'ল।' বিত্তমন্ত্ৰীয়ে কয় যে সমবায় সমিতিৰ ক্ষেত্ৰত উপ-কৰ ১২ শতাংশ হ্ৰাস কৰি সাত শতাংশ কৰা হ'ব। আনহাতে, বিশেষভাৱে সক্ষম লোকৰ বাবে কৰ ৰেহাই দিয়া হ'ব। তদুপৰি প্ৰত্যক্ষ কৰ প্ৰদানৰ পৰিসেৱা প্ৰক্ৰিয়া অধিক সৰল কৰা হ'ব।

# মোদীৰ গতিশক্তি প্ৰকল্পৰ সাত ইঞ্জিন

*এক পৃষ্ঠাৰ পৰা* তললৈ আনি উন্নয়ন সাধন। এই আঁচনিৰ অধীনৰ সাতটা কাৰক হৈছে পথ, ৰেলপথ, আকাশী পথ, বিমানকোঠ, বন্দৰ, ৰাজহুৱা পৰিবহণ, জল পথ আৰু লজিষ্টিক আন্তঃগাঁথনি। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰি কয় যে এই সাতটা ইঞ্জিনৰ সমন্বিত উন্নয়নে অৰ্থনৈতিক ৰূপান্তৰ আনিব দেশত। বিত্তমন্ত্ৰীয়ে জনোৱা মতে, পিএম গতিশক্তিৰ মাষ্টাৰপ্লেনে দেশত বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰিব যাৰ দ্বাৰা আৰ্থিক বৃদ্ধি অধিক বিকশিত হ'ব। তেওঁ কয় যে আন্তঃগাঁথনিৰ উন্নয়নত গুৰুত্ব আৰোপেই এই মাষ্টাৰপ্লেনৰ মূল লক্ষ্য। পথ আৰু ৰেলপথৰ যোগাযোগ কাঠামোক এই মাষ্টাৰপ্লেনে উন্নত কৰিব বুলি তেওঁ কয়। সাতটা আন্তঃগাঁথনিৰ উন্নয়নৰ কাম কৰিবলগীয়া এই প্ৰকল্পই অৰ্থনৈতিক উন্নয়ন সাধন কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে ঘন বসতিপূৰ্ণ চৰ অঞ্চলৰ মাজত যোগাযোগ বৃদ্ধিৰ কামো ইয়াৰ অধীনত কৰা হ'ব। ৰেল আৰু পথ যোগাযোগত থাকিব আধুনিকতাৰ পৰশ। বিনিয়োগকাৰীক আকৰ্ষণ কৰিবলৈ প্ৰকল্পৰ অধীনত দীৰ্ঘম্যাদী পৰিকল্পনা আছে বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীয়ে কয়, 'বিশ্বমানৰ আন্তঃগাঁথনি গঢ়ি তোলা আমাৰ চৰকাৰৰ লক্ষ্য।' উল্লেখ্য যে ৭৫ সংখ্যক স্বাধীনতা দিৱসত প্ৰধানমন্ত্ৰী গতিশক্তি মাষ্টাৰপ্লেন প্ৰকল্পৰ বিষয়ে ঘোষণা কৰিছিল নৰেন্দ্ৰ মোদীয়ে। এশ লাখ কোটি টকাৰ প্ৰকল্পৰ লক্ষ্য হৈছে আন্তঃগাঁথনি উন্নতি। তেওঁ কয়, 'আগন্তুক বিত্তীয় বৰ্ষৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰসাৰ হ'ব ২৫ হেজাৰ কিলোমিটাৰ পৰ্যন্ত। এই প্ৰকল্পৰ অধীনত যুৱক-যুৱতীৰ বাবে অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰা হ'ব।' তেওঁ ঘোষণাত জনোৱা মতে, চাৰিশ নতুন প্ৰযুক্তিৰ বন্দে ভাৰত ৰেল নিৰ্মাণ কৰা হ'ব। তদুপৰি ৰেলপথৰ প্ৰায় দুহেজাৰ কিলোমিটাৰ বিশ্বমানৰ প্ৰযুক্তিৰ আওতালৈ উন্নয়ন কৰা হ'ব। যাত্ৰীসকলক বিশ্বমানৰ সেৱা প্ৰদানেই চৰকাৰৰ লক্ষ্য।

# পাঁচটা নদী সংযোগীকৰণ প্ৰকল্প চূড়ান্ত

*এক পৃষ্ঠাৰ পৰা* ইতিমধ্যে চূড়ান্ত হৈছে।'

কৃষিপ্ৰধান ভাৰতত পানীৰ বাবে কৃষকসকল প্ৰধানকৈ বাৰিষাৰ পানীৰ ওপৰত নিৰ্ভৰশীল। সচৰাচৰ জুনৰ পৰা ছেপ্টেম্বৰ পৰ্যন্ত আমাৰ দেশত বৰ্ষাকাল থাকে। অৱশ্যে বিগত কিছু বছৰত পৰিৱেশজনিত কাৰণত এই ধাৰাচক্ৰত কিছু পৰিৱৰ্তন অনুভূত হৈছে। এনে পৰিৱৰ্তিত পৰিস্থিতিৰ কথা চিন্তা কৰিয়ে বাজপেয়ীৰ কাৰ্যকালত নদী সংযোগীকৰণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছিল। যাতে দেশজুৰি জলসম্পদৰ পৰ্যায়ক্ৰমে সুষম আৱণ্টন সম্ভৱ হয়। অৱশ্যে বাজপেয়ী চৰকাৰৰ এই সিদ্ধান্তক একাংশই বিৰোধিতা কৰিছিল। এই পৰিকল্পনাৰ দ্বাৰা পৰিৱেশৰ ভাৰসাম্য ক্ষতিগ্ৰস্ত হ'ব বুলি তেওঁলোকে দাবী কৰিছিল। সেই বিতৰ্কৰ প্ৰভাৱতে তেতিয়া এই পৰিকল্পনা সাময়িকভাৱে বন্ধ কৰি ৰখা হৈছিল যদিও মোদী নেতৃত্বাধীন চৰকাৰে আজিৰ বাজেট প্ৰস্তাৱৰ জৰিয়তে ইয়াক কিছু নতুন ৰূপত ঘূৰাই আনিলে।

আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে পাঁচটা নদী সংযোগীকৰণ চূড়ান্ত হোৱা বুলি ঘোষণা কৰি লগতে কেন্-বেতোৱা নদী প্ৰকল্পৰ কথাও উল্লেখ কৰে। উক্ত প্ৰকল্পৰ বাবে ৪৪ হেজাৰ ৬০৫ কোটি টকা আৱণ্টন দিয়া হৈছে বুলিও বিত্তমন্ত্ৰীয়ে সদৰী কৰে। সীতাৰমণে কয় যে ইয়াৰ ফলত ন লক্ষ হেক্টৰৰো অধিক কৃষিভূমিত পানী দিয়া সম্ভৱ হ'ব আৰু ৬৫ লাখ লোক পোনপটীয়াকৈ উপকৃত হ'ব। ইয়াৰ উপৰি আন পাঁচটা নদী সংযুক্তিকৰণ প্ৰকল্প চূড়ান্ত হোৱা বুলি তেওঁ জনায়। ইপিনে, ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী জয়ৰাম ৰমেশে। ইয়াক ধ্বংসাত্মক পদক্ষেপ বুলিও ৰমেশে অভিহিত কৰিছে। উল্লেখ্য যে বুণ্ডেলখণ্ড অঞ্চলৰ কেন্ নদী উত্তৰপ্ৰদেশ আৰু মধ্যপ্ৰদেশৰ মাজেৰে বৈ গৈছে। আনহাতে, বেতোৱা নদী মধ্যপ্ৰদেশৰ হোছাংগাবাদৰ বিন্ধ্য পৰ্বতৰ পৰা ওলাই উত্তৰপ্ৰদেশৰ মাজেৰে বৈ গৈছে।

# ভাৰতক উন্নত ৰাষ্ট্ৰ কৰাৰ লক্ষ্যৰে সন্তুলিত

*এক পৃষ্ঠাৰ পৰা* ৰাষ্ট্ৰ কৰাৰ ভেটি গঢ়াৰ চেষ্টা। ক'ভিডে বিগত দুটা বছৰ আমাৰ দেশৰ অৰ্থনীতিৰ ওপৰত মাধমাৰ শোধায়। অৱশ্যে সকলো দেশতে অৰ্থনীতিৰ ওপৰত এই মাধমাৰ পৰিছে। সেই পৰিস্থিতিৰ পৰা অৰ্থনীতিক পুনৰুদ্ধাৰ কৰাটো প্ৰতিখন দেশৰ বাবে ডাঙৰ প্ৰত্যাহ্বান হৈছে। বিত্তমন্ত্ৰী সীতাৰমণৰ বাজেটখনত তেনে প্ৰত্যাহ্বান ভাৰতে নেওচাৰ ছবি এখন দেখা গৈছে। কাৰণ বাজেটখনত ভাৰতৰ অৰ্থনীতি ভাল হোৱাটো পৰিস্ফুট হৈছে। জিএছটি সংগ্ৰহৰ পৰিমাণ ১.৪১ লাখ কোটি হোৱা বুলি দেখুওৱা হৈছে। এই পৰিমাণ যথেষ্ট ভাল। এনে ধৰণৰ অধিক ভাল খবৰ বিত্তমন্ত্ৰীয়ে বাজেটত দিছে। সেই ফালৰ পৰা বাজেটখন মোৰ দৃষ্টিত যোগাত্মকো।

ভাৰতৰ বিকাশ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী দুয়োটা ব্যৱস্থাই এইখন বাজেটত ৰখা হৈছে। দীৰ্ঘম্যাদী ব্যৱস্থাত ভাৰতৰ প্ৰায় সকলো ক্ষেত্ৰতে প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ কৰিব বিচাৰাৰ প্ৰস্তাৱ কৰা হৈছে। ডিজিটেল মুদ্ৰা, ডাকঘৰত বেংকিং ব্যৱস্থা অনা, ৭৫ খন জিলাত ডিজিটেল কেন্দ্ৰ স্থাপন কৰা প্ৰস্তাৱবোৰ ইয়াৰ অংশ। কৃষিখণ্ডতো প্ৰযুক্তিবিদ্যাৰ সৰ্বোচ্চ ব্যৱস্থাৰ প্ৰস্তাৱ কৰা হৈছে। গতিশক্তি প্ৰকল্প বাজেটখনৰ অন্যতম উল্লেখযোগ্য অংশ। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডতো প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগত গুৰুত্ব দিয়াৰ প্ৰস্তাৱটো যথেষ্ট উল্লেখযোগ্য। এম জি এনৰেগাত গুৰুত্ব আৰোপ কৰাত নিম্ন আয়ৰ লোকসকলৰ আৰ্থিক সকাহৰ আশা কৰা হৈছে।

বাজেটখনত ৩৯ লাখ কোটি টকা ব্যয়ৰ প্ৰস্তাৱ কৰা হৈছে। এই বৃহৎ পৰিমাণৰ ধন ব্যয় কৰাটো সহজ কথা নহয়। চৰকাৰে ফিছকেল ঘাটি ৰাখিব বিচাৰিছে। তেতিয়া ঋণ লৈ চৰকাৰে ব্যয় কৰিব পাৰে। ভাৰতৰ উন্নয়নৰ হাৰ ন শতাংশলৈ যাব পাৰে বুলি আন্তৰ্জাতিক মুদ্ৰা নিধিয়ে সম্ভাৱনা ব্যক্ত কৰিছে। ভাৰতে হিচাপ-নিকাচ কৰি দেখিছে যে উন্নয়নৰ হাৰ ৮.৮ শতাংশ হ'ব পাৰে। এই হাৰো বৰ্তমানৰ প্ৰেক্ষাপটত যথেষ্ট ভাল। ভাৰতত মুদ্ৰাস্ফীতি হৈ আছে। হ'লেও বৈদেশিক মুদ্ৰাৰ ভঁৰাল টনকিয়াল হৈ থকাটো এক ইতিবাচক দিশ।

প্ৰতিৰক্ষাৰ সামগ্ৰী ভাৰতৰ পৰা ক্ৰয়ত বাজেটত অগ্ৰাধিকাৰ দিয়া হৈছে। এয়া আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ এক অংশ। এনেধৰণৰ যোগাত্মক দিশবোৰে বাজেটখনৰ গুৰুত্ব বঢ়াইছে। প্ৰস্তাৱবোৰ কাৰ্যকৰী হ'লে বাজেটে দেখুওৱা মতে ভাৰত উন্নত ৰাষ্ট্ৰ হ'ব।

উত্তৰ-পূৰ্বাঞ্চলকে ধৰি হিমালয়ান ৰাজ্যবোৰৰ বাবে বিশেষ পুঁজি ধৰা হৈছে। সীমান্তৰ গাঁওবোৰৰ উন্নয়ন সাধনৰ প্ৰস্তাৱো কৰা হৈছে। হয়তো চীনক লক্ষ্য কৰি এই ধৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। এতিয়া মূল কথা হ'ল ধাৰ্য কৰা বিশাল পৰিমাণৰ পুঁজি চৰকাৰে ব্যয় কৰিবলৈ সক্ষম হ'বনে? ভাল ভাল কথা সন্নিবিষ্ট কৰাৰ লগতে সেইবোৰ কাৰ্যত ৰূপায়ণ কৰিব পাৰিলেহে বাজেটখনে আমাক দেখুওৱা সপোনবোৰ বাস্তৱায়িত হ'ব।

# অতিমাৰীত গ্ৰাম্য ভাৰতৰ

*এক পৃষ্ঠাৰ পৰা* বিত্তীয় বৰ্ষ (২০২১-২২)ত এই পৰিমাণ আছিল ৯৮ হেজাৰ কোটি। মন কৰিবলগীয়া যে ২০২১-২২ বিত্তীয় বৰ্ষত পূৰ্বৱৰ্তী ২০২০-২১ বিত্তীয় বৰ্ষতকৈ ৩৪ শতাংশতকৈ অধিক হ্ৰাস কৰি আৱণ্টিত ধনৰ পৰিমাণ আছিল ৭৩ হেজাৰ কোটি। আজিৰ বাজেট প্ৰস্তাৱ অনুসৰি চৰকাৰে ২০২০-২১ বিত্তীয় বৰ্ষত এই আঁচনিৰ অধীনত ব্যয় কৰা ধনৰ পৰিমাণ ১.১ লাখ কোটি। অৰ্থাৎ আৱণ্টিত ধনতকৈ ব্যয়ৰ পৰিমাণ বঢ়াওণে বৃদ্ধি পায়। অতিমাৰীৰ ফলত লাখ লাখ লোকে কৰ্মসংস্থাপন হেৰুৱাই গ্ৰামাঞ্চলত এই আঁচনিৰ ওপৰতে জীৱিকা নিৰ্ভৰ হৈ পৰে।

উল্লেখ্য যে ২০১৮ত ১.৯ কোটি পৰিয়ালে এনৰেগাৰ অধীনত কাম বিচাৰিছিল। ২০১৯ত ডিচেম্বৰত এই পৰিমাণ ১.৭ কোটিলৈ হ্ৰাস পায় যদিও ২০২০ত ডিচেম্বৰত বছৰজোৱা তলাবন্ধৰ ফলত এই সংখ্যা বৃহৎ পৰিমাণে বৃদ্ধি হৈ ২.৭ কোটি হয়। বিগত ডিচেম্বৰতো এজন ধাৰা অব্যাহত থাকে যদিও অতিমাৰীৰ পূৰ্বৰ পৰ্যায়তকৈ অধিক সংখ্যক লোকে কৰ্মসংস্থাপন বিচাৰে আঁচনিৰ অধীনত। এই সংখ্যা হৈছে ২.৪ কোটি। এই আঁচনি গ্ৰাম্য ভাৰতৰ প্ৰতিটো পৰিয়ালৰ বাবে বিশেষকৈ তলাবন্ধৰ জীৱিকা বন্ধ হৈ পৰাসকলৰ বাবে ভৰসাৰ থলী হৈ পৰে।

এই প্ৰসংগত উল্লেখ কৰিব নেইনা লাভ কিডৱাই কয় যে ৰাজসাহায্যপ্ৰাপ্ত গৃহ নিৰ্মাণ প্ৰকল্প আৰু আন্তঃগাঁথনি নিৰ্মাণৰ প্ৰকল্পসমূহৰ বাবে অধিক নিয়োজনৰ সম্ভাৱনা কঢ়িয়াই আনিব। তেওঁ কয় যে বহনক্ষম গৃহ নিৰ্মাণ প্ৰকল্পই অধিক জীৱিকাৰ সৃষ্টি কৰিব। সম্পৰ্কিত প্ৰতিটো চৰকাৰে অতিমাৰীৰ সন্মুখীন হৈ থকাৰ সময়ত এনৰেগাৰ পুঁজি কৰ্তন কিছু বিভ্ৰান্তিকৰ বুলিও তেওঁ কয়।

# নিৰ্মলাৰ মন্ত্ৰ ঃ ঋণং কৃত্যা ঘৃতং

*এক পৃষ্ঠাৰ পৰা* বুলি কোৱা হৈছে। এই নথি অনুসৰি ৰাজকোষৰ প্ৰতিটো টকাৰ ভিতৰত ৫৮ পইচা আহিব প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ পৰা। ৩৫ পইচা আহিব ঋণ দ্বাৰা, পাঁচ পইচা আহিব বিনিয়োগৰ পৰা আৰু দুপইচা আহিব অনা ঋণ মূলধনী উৎসৰ পৰা। কেন্দ্ৰীয় চৰকাৰে অভিলেখ পৰিমাণৰ ঋণ গ্ৰহণৰ বাবে সাজু হৈছে। বাজেট নথি অনুসৰি এই মৰ্মে কেন্দ্ৰীয় চৰকাৰে ২০২২-২৩ বজাৰৰ পৰা মুঠ ঋণ গ্ৰহণ কৰিব প্ৰায় ১৪.৯৫ লাখ কোটিৰ। উল্লেখ্য যে মুঠ ঋণত পূৰ্বৰ ঋণৰ সুত আৰু দেনা অন্তৰ্ভুক্ত কৰা হয়। প্ৰকাশিত তথ্য অনুসৰি ২০২২-২৩ বিত্তীয় বৰ্ষৰ ঋণৰ পৰিমাণ ১১.১৯ লাখ কোটি হোৱাৰ বিপৰীতে চলিত বিত্তীয় বৰ্ষত এই পৰিমাণ হৈছে ৭.৭৬ লাখ কোটি টকা।

ইপিনে, প্ৰধানমন্ত্ৰীয়ে বাজেটৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ই ভাৰতৰ উন্নয়নৰ এক নতুন শক্তি দিব। ক'ভিড অতিমাৰীৰ স'তে দেশবাসীয়ে যুঁজ দি থকাৰ সময়ত বাজেটখনে অধিক আন্তঃগাঁথনি, অধিক বিনিয়োগ, অধিক বিকাশ আৰু অধিক চাকৰিৰ সম্ভাৱনা কঢ়িয়াই আনিব বুলি প্ৰশংসা কৰে প্ৰধানমন্ত্ৰীয়ে। তেওঁ কয় যে দেশৰ তৰুণসকলৰ দৃষ্টিৰে এই বাজেটে হ'ব তেওঁলোকৰ আশা-আকাংক্ষাৰ পথ। তেওঁ কয় যে বাজেটত সকলো ক্ষেত্ৰতে ভবিষ্যতৰ প্ৰযুক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো লক্ষ্যণীয় বিষয়। বাজেটখনে দেশৰ সকলো শ্ৰেণীৰ নাগৰিকক উপকৃত কৰিব বুলি তেওঁ কয়।

প্ৰধানমন্ত্ৰীয়ে কয় যে এই বাজেট দেশৰ সৰ্বস্তৰৰ মানুহৰ বাবে গ্ৰহণযোগ্য। এইখন গৰিবদৰদী বাজেট বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁৰ মতে আগুৱাই নিয়াৰ লগতে বাজেটখনে সাধাৰণ মানুহৰ বাবে বহুত নতুন সুযোগ আনি দিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। এক কথাত ক'বলৈ গ'লে এই বাজেটক লৈ উচ্ছসিত প্ৰধানমন্ত্ৰী মোদী। তেওঁ কয় যে এশ বছৰ পাছত যি ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈছিল তেনে অতিমাৰীৰ মাজতে বিকাশৰ নতুন বিশ্বাস কঢ়িয়াই আনিছে এইবাৰৰ বাজেটে। প্ৰধানমন্ত্ৰীৰ মতে এই বাজেটখনৰ প্ৰতি সকলো শ্ৰেণীৰ নাগৰিকসকল সন্তুষ্ট হৈছে। সকলো স্তৰৰ লোকে বাজেটক আদৰণি জনাইছে বুলি উল্লেখ কৰি কয় ইয়াৰ দ্বাৰা দেশৰ জনসাধাৰণৰ উৎসাহ বৃদ্ধি পোৱা বুলি দাবী কৰে মোদীয়ে। বাজেটখনে মূল লক্ষ্য হৈছে আৰু গৰিবৰ কল্যাণ। এই বাজেটৰ ফলত সকলোৱে নিয়োগৰ সুযোগ লাভ কৰিব। তেওঁ কয় যে উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, বিহাৰ আৰু ঝাৰখণ্ডৰ দৰে গংগাৰ পাৰৰ গাঁওবোৰৰ বিশেষ লক্ষ্য স্থিৰ কৰা হৈছে তথা হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ আৰু উত্তৰ-পূৰ্বৰ ৰাজ্যসমূহত প্ৰথমবাৰৰ বাবে পৰ্বতমালা প্ৰকল্প আৰম্ভ কৰাৰ বাবে যানবাহন চলাচলৰ আধুনিকীকৰণ সম্ভৱ হ'ব বুলি তেওঁ কয়।

ক'কোনো বাজেট বিশ্লেষকে এইবাৰৰ বাজেটক অধিক বাস্তৱমুখী বুলি অভিহিত কৰিছে। ভি কে বিজয়কুমাৰ নামৰ এজন বাজেট বিশ্লেষকে কয় যে আগন্তুক পাঁচ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনমুখী বাজেট হ'ব বুলি ধাৰণাৰ বিপৰীত স্থিতিত থিয় দি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে তেওঁৰ চতুৰ্থখন বাজেট দাখিল কৰিলে। এই বাজেটত কেৱল নিৰ্বাচনকে মূল লক্ষ্য কৰি লোৱা হোৱা নাই। অৰ্থনৈতিক অগ্ৰগতিকে মূল লক্ষ্য কৰি লোৱা হৈছে বুলি একাধিক বিশ্লেষকে মত প্ৰকাশ কৰে। এনে বিশ্লেষকে কয় যে বাজেটত হ্ৰস্বম্যাদী জনমুখী চৰিত্ৰৰ প্ৰতিফলনৰ সলনি অৰ্থনৈতিক অগ্ৰগতিৰ লক্ষ্যৰ প্ৰতিফলন ঘটিছে। বাজেটত মূলধনী ব্যয় ৩৫.৪ শতাংশ বৃদ্ধি কৰাটোৱে বিশেষ গুৰুত্ব আৰোপ লাভ কৰিছে।

বিত্তমন্ত্ৰী সীতাৰমণে আজি বাজেট দাখিলৰ পাছত এক সংবাদমেলত কয় যে কৰৰ হাৰ বৃদ্ধি নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই মৰ্মেই বাজেটত কোনো অতিৰিক্ত কৰ আৰোপ কৰা হোৱা নাই। অতিমাৰীৰ ফলত দেশৰ জনসাধাৰণৰ সন্মুখীন হোৱা কঠিন পৰিস্থিতিৰ বাবে এই সিদ্ধান্ত লয় কেন্দ্ৰীয় চৰকাৰে। প্ৰধানমন্ত্ৰী মোদীৰ নিৰ্দেশ মৰ্মে বাজেটত অতিৰিক্ত কৰ আৰোপ কৰা হোৱা নাই বুলি সদৰী কৰে সীতাৰমণে।

বাজেট প্ৰস্তাৱ পাঠ কৰি আজি সংসদত তেওঁ কয় যে আগন্তুক বৰ্ষত দেশে ৯.২৭ শতাংশ অৰ্থনৈতিক প্ৰগতি সাধন কৰিব বুলি আশা কৰা হৈছে। সৰ্বাংগীণ, উন্নয়ন, উৎপাদনশীলতা বৃদ্ধি শক্তি ৰূপান্তৰ আৰু বতৰ কাৰ্যব্যৱস্থা এই চাৰিটা উন্নয়নৰ স্তম্ভৰ ওপৰত গুৰুত্ব আৰোপ কৰি বাজেটে ৭৫ বছৰৰ ভাৰতৰ পৰা এশ বছৰত ভাৰতৰ অৰ্থনীতিক এক ব্লুপ্ৰিণ্ট দাঙি ধৰিলে বুলি সীতাৰমণে কয়। সীতাৰমণে কয় যে ২০২২-২৩ বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন (জিডিপি)ৰ ৪.১ শতাংশ অৰ্থাৎ ১০.৬৮ লাখ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যকৰী মূলধনী ব্যয় হ'ব। তদুপৰি ২০২২ৰ জানুৱাৰীত সেৱা আৰু সামগ্ৰীৰ কৰ সংগ্ৰহৰ পৰিমাণ ২০১৭ত এই কৰ আৰোপ কৰাৰ সময়ৰ পৰাই সৰ্বাধিক এক লাখ ৪০ হেজাৰ ৯৮৬ কোটি হৈছে বুলিও বিত্তমন্ত্ৰীয়ে কয়।

ইপিনে, ডিজিটেল মুদ্ৰা প্ৰৱৰ্তনত বিশেষ গুৰুত্ব আৰোপ কৰি সীতাৰমণে উল্লেখ কৰে যে ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই ২০২২-২৩ বিত্তীয় বৰ্ষত ব্লকচেইন পদ্ধতি ব্যৱহাৰ কৰি ডিজিটেল মুদ্ৰা প্ৰৱৰ্তন কৰিব। ইয়াৰ দ্বাৰা অৰ্থনীতিত বৃহৎ উত্থান হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। তদুপৰি তেওঁ কয় যে যিকোনো ধৰণৰ ভাৰ্চুৱেল ডিজিটেল সম্পদৰ ক্ৰয়-বিক্ৰয়, হস্তান্তৰৰ পৰা হোৱা আয়ৰ ওপৰত ৩০ শতাংশ হাৰত কৰ আৰোপ কৰা হ'ব। আনহাতে, কৰদাতাসকলে এতিয়াৰে পৰা দুবছৰৰ ভিতৰত তেওঁলোকৰ ৰিটাৰ্ণ কৰিব পাৰিব বুলিও উল্লেখ কৰে সীতাৰমণে। আগন্তুক পাঁচ বছৰত কমেও ৬০ লাখ নতুন চাকৰি সৃষ্টিৰ বাবে পিএলআই আঁচনি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰাৰ লগতে তেওঁ কয় যে প্ৰধানমন্ত্ৰী গতিশক্তি মাষ্টাৰপ্লেনে বিশ্বমানৰ আন্তঃগাঁথনি নিৰ্মাণ কৰিব।

ইপিনে, ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ড (এমএছএমই)ৰ প্ৰতি এই বাজেটে সম্ভাৱনা কঢ়িয়াই অনাৰ কথা কোৱা হৈছে। এই খণ্ডৰ প্ৰতিনিধিত্ব কৰা এক আগশাৰীৰ সংস্থাই কেন্দ্ৰীয় বাজেটৰ প্ৰশংসা কৰি কয় যে দীৰ্ঘম্যাদী চিন্তাধাৰালৈ বিভিন্ন প্ৰস্তাৱ আগবঢ়োৱা হৈছে। অৱশ্যে আন এটা ব্যৱসায়ী সংস্থাই অসন্তুষ্টি প্ৰকাশ কৰি কয় যে অতিমাৰীৰ দ্বাৰা আঘাতপ্ৰাপ্ত বেতনভোগী শ্ৰেণীটোৱে কোনো ধৰণৰ আয়কৰ ৰেহাই লাভ নকৰিলে। এমএছএমইৰ সংস্থা এছ'চিয়েছন অৱ ইণ্ড্ৰাষ্টিছৰ এজন নেতাই কয়, 'কেন্দ্ৰীয় বাজেট দীৰ্ঘম্যাদী চিন্তাৰে প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ দ্বাৰা এমএছএমই খণ্ড উপকৃত হ'ব। বিত্তমন্ত্ৰীয়ে কৰা ঘোষণা অনুসৰি দৰিদ্ৰ লোকৰ মূৰৰ ওপৰত ছাদ নিৰ্মাণৰ বাবে চৰকাৰে পদক্ষেপ লৈছে। প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ অধীনত ২০২২-২৩ বিত্তীয় বৰ্ষত ৮০ লাখ পৰিয়ালে গৃহ লাভ কৰিব। ইতিমধ্যে ৬০ লাখ ঘৰ এই আঁচনিৰ অধীনত চিহ্নিত কৰা হৈছে। তদুপৰি ঘৰে ঘৰে নলৰ পানী প্ৰবাহিত কৰাৰ বাবেও ৬০ হেজাৰ কোটি টকা আৱণ্টন দিয়া হৈছে। ৰাজ্য চৰকাৰসমূহৰ স'তে কেন্দ্ৰই যুটীয়াভাৱে কাম কৰিব বুলি তেওঁ কয়। আনহাতে, ৮০ লাখ পৰিয়ালক চিহ্নিত কৰি সহজলভ্য গৃহ ঋণ দিয়াৰ কথা তেওঁ কয়। আত্মনিৰ্ভৰ ভাৰত গঢ়ি তোলাৰ লক্ষ্যৰ কথাও উল্লেখ কৰে বিত্তমন্ত্ৰীয়ে।

### ডাকঘৰলৈ বহু সুবিধা, এটিএম, নেট বেংকিঙৰ সুবিধা

আজি আন এক ঘোষণা অনুসৰি দেশৰ ডাকঘৰসমূহক বেংকিং সেৱাৰ ভিতৰলৈ অনা হ'ব। এই বাজেট অনুসৰি ডাকঘৰত যিসকলে ধন জমা ৰাখে তেওঁলোকে নেট বেংকৰ সুবিধা পাব, অনলাইনত ধন প্ৰেৰণ কৰিব পাৰিব আৰু ম'বাইল বেংকিঙৰ সুযোগ লাভ কৰিব। মাত্ৰ এয়েই নহয়, এটিএম ব্যৱহাৰ কৰি ডাকঘৰৰ একাউণ্টৰ পৰা ধন সংগ্ৰহ কৰিব পাৰিব। কৃষিজীৱী আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে এই ডাকঘৰ সালসলনি অত্যন্ত ফলদায়ক হ'ব বুলি ধাৰণা কৰা হৈছে। আইচিআইচিআই বেংকৰ সঞ্চালকে সংবাদ মাধ্যমক কয় যে দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ উন্নয়নত এই পদক্ষেপ অতি গুৰুত্বপূৰ্ণ।

### জিএছটিৰ সংগ্ৰহ বাঢ়িব

আনহাতে, কেন্দ্ৰীয় চৰকাৰে জিএছটিৰ ৰাজহ ৭.৮৩ লাখলৈ বৃদ্ধি হ'ব বুলি আশা প্ৰকাশ কৰিছে। ৰেটিং এজেন্সী মুডিজৰ মতে বাজেটত ৰাজহ উৎপাদনৰ যথোপযুক্ত পদক্ষেপ নাই। অথচ লক্ষ্যণীয়ভাৱে মূলধনী ব্যয়ৰ পৰিকল্পনা কৰা হৈছে।

### সীতাৰমণৰ শাৰী আৰু ডিজিটেল বাজেট

বিত্তমন্ত্ৰীয়ে আজি ৰেচমৰ শাৰী পৰিধান কৰি সদনত বাজেট পৰিৱেশন কৰে। হস্ততাঁতৰ শাৰীৰ প্ৰতি তেওঁৰ বিশেষ আকৰ্ষণ এক চৰ্চিত বিষয় যদিও আজি তেওঁ ৰেচম শিল্পৰ শাৰী পৰিধান কৰে। অৱশ্যে এই শাৰীৰত দেখা গ'ল হস্তশিল্পৰ কাৰুকাৰ্যৰ পৰশ। আজি বাজেট পাঠৰ বাবে তেওঁৰ হাতত আছিল অত্যাধুনিক 'মেড ইন ইণ্ডিয়া' টেবলেট।

# ওপজা দিনত জীৱনৰ প্ৰথমটো সফলতা

*এক পৃষ্ঠাৰ পৰা* ওপজা দিনটোত গুৱাহাটীৰ গান্ধীবস্তিস্থিত তেওঁৰ শৈশৱৰ পঢ়াশালীখনত উপস্থিত হৈ এইদৰে স্মৃতি ৰোমন্থন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ আজি ৫৪সংখ্যক জন্মদিন। এই দিনটোৰ লগত সংগতি ৰাখি তেওঁৰ শৈশৱৰ পঢ়াশালী গান্ধীবস্তিৰ নতুন শৰণীয়া প্ৰাথমিক বিদ্যালয় কৰ্তৃপক্ষই এক আদৰণি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজে পঢ়া বিদ্যালখনৰ প্ৰতিটো কোঠাত সোমাই শৈশৱৰ স্মৃতি ৰোমন্থন কৰে।

প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, সহপাঠী, স্থানীয় লোক তথা বৰ্তমানৰ শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মুখ্যমন্ত্ৰীয়ে গান্ধীবস্তি অঞ্চল তথা বিদ্যালয়খনৰ স্মৃতি সুঁৱৰি স্মৃতিকাতৰ হৈ পৰে। তেওঁ ভাষণত কয়, 'আজি শ্ৰেণীকোঠাত সোমাই মই ভাবিছো যে এইখনতেই মই পঢ়িছিলোনে? কিয়নো মোৰ কাৰ্যালয়টোচোঁন ইয়াতকৈ চাৰি গুণ ডাঙৰ। তেতিয়া স্কুলখন ডাঙৰ যেন লাগিছিল। যিহেতু মুখ্যমন্ত্ৰী হোৱাৰ পাছতেই মই চেষ্টা কৰিছিলো নিজে পঢ়া শিক্ষানুষ্ঠানসমূহৰ সামৰ্থ্য অনুযায়ী উন্নয়ৰ বাবে কাম কৰিবলৈ। সেয়ে এই বিদ্যালয়খনৰ গৃহ নিৰ্মাণৰ লগতে সামগ্ৰিক উন্নয়নৰ বাবে মোৰ তৰফৰ পৰা তিনি কোটি টকা দিয়াৰ কথা ঘোষণা কৰিলো। ইয়াত এটা নতুন বিল্ডিং নিৰ্মাণ হ'ব। সকলো সা-সুবিধা থকা বিদ্যালয়ৰূপে গঢ়ি তোলা হ'ব।' দুই-তিনি বছৰৰ ভিতৰত বিদ্যালখন আদৰ্শ বিদ্যালয় পৰ্যায়লৈ লৈ যোৱাৰ চেষ্টা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। অতীত ৰোমন্থন কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'মোৰ জন্ম যোৰহাটত আৰু যোৰহাটৰ বাল্যভৱনত মোৰ ছাত্ৰ জীৱনৰ আৰম্ভণি হৈছিল। দেউতা চাকৰিসূত্ৰে ধুবুৰীলৈ বদলি হোৱাৰ পাছত আমি গুৱাহাটীৰ গান্ধীবস্তিত থাকিবলৈ লৈছিলো। সেই সময়ত এই অঞ্চলৰ লৰা-ছোৱালীৰ শিক্ষা গ্ৰহণৰ বাবে একমাত্ৰ ঠিকনা আছিল এই বিদ্যালয়খন। মই দ্বিতীয় শ্ৰেণীত নামভৰ্তি কৰিছিলো। সেই সময়ৰ প্ৰতিষ্ঠিত বিদ্যালয় আছিল এইখন। তেতিয়াৰ যোগেশ্বৰ দাস ছাৰৰ কিমান যে মাৰ খাইছিলো হিচাপ নাই।' জীৱনত প্ৰথম সফলতা এই বিদ্যালয়খনে দিছিল বুলি উল্লেখ কৰি তেওঁ পুনৰ কয়, 'মই এই বিদ্যালয়ৰ পৰা বৃত্তি পাইছিলো। বৃত্তি দিয়াটো সেই সময়ত এক উৎসৱ যেন আছিল। যোগেশ্বৰ ছাৰেই স্কুললৈ মতাই আনি বৃত্তি পোৱা খবৰটো দিছিল মোক। গান্ধীবস্তি অঞ্চলৰ ল'ৰা বুলি কৈ গৌৰৱবোধ কৰিছিলো। চুবুৰীয়াৰ ঘৰত মধুৰী চুৰি কৰা, বেৰ ভগা আদিৰ লগতে কিমান যে কাজিয়া-মাৰপিট কৰিছিলো তাৰ লেখ-জোখ নাই। গান্ধীবস্তিৰ কালীমন্দিৰত হোৱা কালীপূজালৈ মই আজিও আহো। ব্যস্ততাৰ বাবে মই গান্ধীবস্তিৰ স'তে তাহানিৰ সেই সম্পৰ্ক ধৰি ৰাখিব পৰা নাই যদিও চেষ্টা অব্যাহত ৰাখিছো। গান্ধীবস্তিৰ এজন ল'ৰা আজি অসমৰ মুখ্যমন্ত্ৰী হৈছে। গান্ধীবস্তি, গুৱাহাটী-৩ ঠিকনাটো মই আজিও বিভিন্ন ঠাইত নিজৰ ঠিকনাৰূপে ব্যৱহাৰ কৰো। গান্ধীবস্তিৰ ল'ৰাৰ পৰিচয়টো আজিও বহন কৰি ফুৰো। আপোনালোকে আশীৰ্বাদ কৰক, যাতে মই নিষ্ঠা আৰু সততাৰে অসমখনক উন্নতিৰ দিশলৈ লৈ যাব পাৰো।' লগতে তেওঁ বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থীসকলক বিদ্যালয়খনৰ উন্নয়নৰ বাবে সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। আৰ্থিকভাৱে নোৱাৰিলেও তেওঁলোকে অন্ততঃ বিদ্যালয়খনক কিছু সময় দিয়ক বুলি আহ্বান জনায়। কিয়নো আজিৰ দিনত সময়তকৈ মূল্যবান বস্তু একো নাই বুলি তেওঁ উল্লেখ কৰে। শিক্ষানুষ্ঠানসমূহ চৰকাৰৰ নহয়, বৰঞ্চ ৰাইজৰহে সম্পত্তি বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে ৰাইজৰ সহযোগতহে বিদ্যালয়ৰ উন্নয়ন সম্ভৱ বুলি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে জন্মদিনৰ কে'ক কটাৰ লগতে গান্ধীবস্তি অঞ্চলৰ অভাৱ-অভিযোগ পূৰণৰ প্ৰতিশ্ৰুতিও দিয়ে। অনুষ্ঠানৰ পূৰ্বে তেওঁ নতুন শৰণীয়া প্ৰাথমিক বিদ্যালয়ৰ নৱ-নিৰ্মিত পাঞ্চজন্য পথটো মুকলি কৰি ৰাইজৰ বাবে উছৰ্গা কৰে। আজিৰ অনুষ্ঠানত সাংসদ কুইন ওজা, বিশ্বনাথ জিলাৰ উপায়ুক্ত দেৱ প্ৰসাদ মিশ্ৰ, বিদ্যালয়ৰ প্ৰাক্তন শিক্ষয়িত্ৰী ৰেণু বৰুৱা প্ৰমুখ্যে কে'বাগৰাকী প্ৰাক্তন তথা বৰ্তমানৰ শিক্ষক-শিক্ষয়ত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

### ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীকে ধৰি বহুজনে জনালে শুভেচ্ছা

মুখ্যমন্ত্ৰী ড° শৰ্মাক আজি দেশৰ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীকে ধৰি বহুজনে জন্মদিনৰ ওলগ যাচে। দেশৰ প্ৰায়সংখ্যক শীৰ্ষস্থানীয় নেতাই টুইট বা ফোনযোগে মুখ্যমন্ত্ৰীক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ভৱিষ্যত সাফল্য কামনা কৰে। ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দে ৰাষ্ট্ৰপতি ভৱনৰ পৰা ফোন কৰি মুখ্যমন্ত্ৰীক শুভেচ্ছা জনায়। ৰাষ্ট্ৰপতিয়ে ফোন কৰি শুভেচ্ছা জনোৱাৰ বাবে টুইটযোগে কৃতজ্ঞতা প্ৰকাশ কৰে মুখ্যমন্ত্ৰীয়ে। আনহাতে, ড° শৰ্মাক এজন উদ্যমী মুখ্যমন্ত্ৰী বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টুইটত লিখিছে, 'ৰাইজৰ সেৱাৰ হকে তথা ৰাজ্যখনক বিকশাই তোলাৰ ক্ষেত্ৰত ড° শৰ্মাই প্ৰশংসনীয় ভূমিকা গ্ৰহণ কৰিছে। ৰাইজৰ সেৱা আগবঢ়োৱাৰ বাবে তেওঁৰ দীৰ্ঘ আৰু সু-স্বাস্থ্যকৰ জীৱন কামনা কৰিলো।' কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ড° শৰ্মাক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। ইয়াৰ উপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, পীয়ুষ গোৱেল, ধৰ্মেন্দ্ৰে প্ৰধান, মীনাক্ষি লেখি, ভি মুৰলীধৰণ আৰু গজেন্দ্ৰ সিং শ্বেখাৱটেও মুখ্যমন্ত্ৰীক শুভেচ্ছা জনায়। সেইদৰে বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী উত্তৰপ্ৰদেশৰ যোগী আদিত্যনাথ, কৰ্ণাটকৰ বাসৱৰাজ এছ ব'ম্মাই, মিজোৰামৰ জ'ৰামথাংগা, মেঘালয়ৰ কনৰাড চাংমা, মণিপুৰৰ এন বীৰেন সিং আৰু নগালেণ্ডৰ নেফিঅ' ৰিঅ'য়ো তেওঁলৈ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰে। উল্লেখ্য যে মাজনিশাৰ পৰাই অসংখ্য গুণমুগ্ধই মুখ্যমন্ত্ৰীৰ বাসগৃহত ভিৰ কৰি তেওঁক শুভেচ্ছা জনায়। অনুৰাগীসকলে অনা কে'ক কাটি মুখ্যমন্ত্ৰীয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰি জন্মদিন পালন কৰে।

# ২০২৩ৰ মে'ৰ পাছত সম্পূৰ্ণ ডিজেটেল

*এক পৃষ্ঠাৰ পৰা* নিষ্পত্তিৰ লক্ষ্যৰে আজি বহু প্ৰত্যাশিত 'মিছন সম্ভাৱনা' শীৰ্ষক এক প'ৰ্টেল মুকলি কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। মন্ত্ৰী পাৰিষদ, সচিবালয়ৰ উচ্চ বৰ্গৰ বিষয়াকে ধৰি কে'বা শতাধিক কৰ্মচাৰীৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত এক বৰ্ণাঢ্য অনুষ্ঠানৰ মাজেৰে 'সম্ভাৱনা প্ৰকল্প' ৰাজ্যবাসীলৈ মুকলি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰকল্পই সচিবালয়ৰ পুৰণি ফাইলসমূহ নিষ্পত্তিৰ সমান্তৰালভাৱে স্বচ্ছ ভাৰত অভিযানৰ লগতে পৰ্যায়ক্ৰমে চৰকাৰী কাৰ্যালয়ত ই-অফিচ ব্যৱস্থাপনা প্ৰৱৰ্তনৰ ক্ষেত্ৰত এক বিশেষ মাত্ৰা প্ৰদান কৰিব বুলি মন্তব্য কৰে। তেওঁ কয়, 'এই পৰ্টেলৰ জৰিয়তে সাধাৰণ ৰাইজে তেওঁলোকৰ সচিবালয়ত নিষ্পত্তি নোহোৱা যিকোনো ফাইল নম্বৰ বা সংশ্লিষ্ট ফাইল প্ৰেৰণৰ যি তথ্য আছে সেই তথ্যসমূহ আজিৰ পৰা আপলোড কৰি দিব পাৰিব। পৰ্টেলত তথ্য জমা হোৱাৰ লগে লগে সংশ্লিষ্ট স্থানৰ পৰাই মানুহে জনতা ভৱনলৈ নহাকৈয়ে তেওঁলোকৰ ফাইলসমূহ কি পৰ্যায়ত আছে তাৰ খবৰ লাভ কৰিব। সচিবালয়ত নিষ্পত্তি নোহোৱাকৈ থকা সকলো ফাইল অহা ১৪ আগষ্টৰ মাজ নিশাৰ ভিতৰত নিষ্পত্তি কৰিবলৈ প্ৰয়াস কৰা হৈছে।' উল্লেখ্য যে 'সম্ভাৱনা প্ৰকল্প'ৰ জৰিয়তে জনতা ভৱনত নিষ্পত্তি নোহোৱাকৈ জমা হৈ থকা সকলো ফাইল নিৰ্দিষ্ট সময়ত নিষ্পত্তি কৰাৰ লক্ষ্য চৰকাৰে হাতত লৈছে যদিও ৰাজ্য চৰকাৰৰ হাতত সমাধান সূত্ৰ থকা ফাইলসমূহে নিষ্পত্তি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সমান্তৰালভাৱে ফাইলসমূহ নিষ্পত্তিৰ যি প্ৰচলিত সীমাবদ্ধতা, সেই সীমাবদ্ধতাৰ ভিতৰত সকলো ফাইল নিৰ্দিষ্ট সময়ত নিষ্পত্তি কৰিব পৰা নাযাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'চৰকাৰী নীতি-নিয়মৰ মাজত থাকি এই ফাইলসমূহ আমি কিদৰে নতুন উদ্ভাৱন শক্তিৰ জৰিয়তে নিষ্পত্তি কৰিব পাৰো। ইয়াক সাকাৰ ৰূপ দিবলৈ হ'লে আমাৰ প্ৰতিজনৰ মনত এক সংকল্প থাকিব লাগিব যে এই প'ৰ্টেলত জমা, হোৱা ডেৰ-দুই লাখ ফাইল কিদৰে নিষ্পত্তি কৰিব পাৰি। মোৰ বিভাগৰ ইয়াত পাঁচ হেজাৰ ফাইল আছে, এই ফাইলখিনি মই শীঘ্ৰে নিষ্পত্তি কৰিব লাগিব আৰু তাৰ বাবে মোক উদ্ভাৱনী শক্তি লাগিব। অসম সচিবালয়ত কৰ্মচাৰীৰ সংখ্যা পৰ্যাপ্ত আছে। আমি যদি প্ৰযুক্তি ব্যৱহাৰ কৰো, এই সংখ্যাৰে আমি বহু কাম কৰিব পাৰো। সচিবালয়ত তিনিৰ পৰা চাৰি হেজাৰ কৰ্মচাৰীয়ে কাম কৰি আছে আৰু পদসমূহো প্ৰায় পূৰণ হৈ আছে। যেতিয়া এই শক্তিৰ লগত প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰিম, তেতিয়াই আমি আমাৰ লক্ষ্যত উপনীত হ'ম।' উল্লেখ্য যে জুনৰ ভিতৰত ৰাইজে এই পৰ্টেলত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব বুলি মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণি ভাষণত সদৰী কৰি ২০২৩ৰ মে'ৰ পৰা জনতা ভৱনত সম্পূৰ্ণৰূপে ই-ফাইলৰ ব্যৱস্থা প্ৰৱৰ্তন হ'ব বুলি কয়। তেওঁ লগতে হস্তচালিত গুৰুত্বপূৰ্ণ ফাইলসমূহ নিৰ্দিষ্ট সময়ৰ বাবে যেনে দুই, পাঁচ বা ১৩ বছৰলৈ সংৰক্ষণ কৰি ৰখা হ'ব বুলি উল্লেখ কৰি অলাগতিয়াল ফাইলসমূহ ধ্বংস কৰাৰ লগতে পুৰণি যন্ত্ৰ নাইবা আচবাবসমূহ নিলাম কৰা হ'ব বুলি কয়।

ইফালে, ৰাজ্যৰ জনতাক দক্ষতাৰে উন্নতমানৰ ৰাজহুৱা সেৱা প্ৰদানৰ বাবে আৰম্ভ কৰা এই প্ৰকল্পৰ সেৱা সুনিশ্চিত কৰিবলৈ মন্ত্ৰী-বিষয়াসকলক উৎসৰ্গিত মনোভাবেৰে আত্মনিয়োগৰ সমান্তৰালভাৱে এক ইতিবাচক কৰ্ম সংস্কৃতি গঢ়ি তোলাৰ এই প্ৰচেষ্টাত জনতা ভৱনৰ সমূহ বিষয়া-কৰ্মচাৰীক সক্ৰিয় অংশীদাৰ হ'বলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই আহ্বান জনায়। লগতে তেওঁ চৰকাৰী ৰাজহক সুৰক্ষা প্ৰদান আৰু অন্যায় নকৰাৰ মনোবৃত্তিৰে কাম কৰিবলৈ প্ৰতিজনক আহ্বান জনাই চৰকাৰী কাম-কাজসমূহ লেহেমীয়া আৰু বিভিন্ন কাৰণত স্থৱিৰ হৈ পৰা তথা ৰঙা ফিটাৰ মেৰপেচে উন্নয়নতো বাধাৰ সৃষ্টি কৰে বুলি মন্তব্য কৰে। উল্লেখ্য যে গুজৰাটৰ আৰ্হিৰে ৰাজ্যৰ চৰকাৰী কাম-কাজসমূহ ডিজিটেল কৰা হৈছে তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে বিষয়া-কৰ্মচাৰীসকলক আগুৱাই গৈ সহৃদয়তা আৰু সহানুভূতিৰ মানসিকতাৰে ৰাজহুৱা সেৱাত ব্ৰতী হ'বলৈ আহ্বান জনায়। সমান্তৰালভাৱে মুখ্যমন্ত্ৰীয়ে আজি চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসা বিল পৰিশোধ প্ৰক্ৰিয়া সৰলীকৰণ, পেঞ্চনাসকলৰ বাবে নগদবিহীন চিকিৎসা ব্যৱস্থা, ভৱিষ্যনিধি আগধন (জিপিএফ এডভান্স), এককালীন পেঞ্চন (কমুটেড পেঞ্চন), প্ৰাপ্য ছুটীৰ বিনিময়ত ধন লাভ (লিভ এনকেচমেণ্ট)ৰ ক্ষেত্ৰত থকা বিভিন্ন বাধা নোহোৱা কৰে। আজিৰ এই অনুষ্ঠানত মন্ত্ৰী ক্ৰমে অতুল বৰা, অজন্তা নেওগ, ডাঃ ৰণোজ পেগু, পৰিমল শুক্লবৈদ্য, ৰঞ্জিত কুমাৰ দাস, পীযুষ হাজৰিকা আদি উপস্থিত থাকে।

### বাজেটে ৰাজ্যসমূহৰ অৰ্থনীতিলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি দাখিল কৰা বাজেটে ৰাজ্যসমূহৰ অৰ্থনীতিলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° শৰ্মাই। তেওঁ কয়, 'বিশেষকৈ ক'ভিডৰ পৰৱৰ্তী সময়ৰ যি অৰ্থনীতি, সেই অৰ্থনীতি ইতিমধ্যে সংকুচিত হৈ পৰিছিল। সেই সংকুচিত অৰ্থনীতিৰ বিকাশৰ লক্ষ্যৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে ৰাজ্যসমূহৰ অৰ্থনীতি শক্তিশালী কৰাৰ ওপৰত বাজেটত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। কেন্দ্ৰৰ পৰা ৰাজ্য চৰকাৰে লাভ কৰা কেন্দ্ৰীয় কৰৰ অংশ তথা অসমে বৰ্তমান লাভ কৰি থকা ২০ হেজাৰ কোটিৰ পৰা প্ৰায় ২৫ হেজাৰ কোটি টকালৈ বৃদ্ধি কৰিছে। অৰ্থাৎ অহা বছৰ ৰাজ্যখনলৈ পাঁচ হেজাৰ কোটি টকা অতিৰিক্তভাৱে আহিব। এই সুবিধা দেশৰ আন আন ৰাজ্যসমূহেও লাভ কৰিব। মূলধনী ব্যয়ৰ বাবে যোৱা দুবছৰৰ পৰা ভাৰত চৰকাৰে বছৰি চাৰিশ-ছশ কোটি টকাৰ এটা পুঁজি অসমক দি আহিছিল। ১০ হেজাৰ কোটি টকা দেশৰ বাবে বাজেট আছিল আৰু তাৰ অংশৰূপে আমি এই টকা লাভ কৰিছিলো। এইবাৰ দেশৰ বাবে বাজেট এক লাখ কোটি টকালৈ বৃদ্ধি কৰিলে অৰ্থাৎ ১০ গুণ বৃদ্ধি কৰিলে। সেই হিচাপত অসমো সকলো ঠিকে-ঠাকে থাকিলে মূলধনী ব্যয় তিনি-চাৰি হেজাৰ কোটি টকালৈ বৃদ্ধি হ'ব। সমান্তৰালভাৱে ৰিজাৰ্ভ বেংকে এখন ৰাজ্যক মুঠ জিডিপিৰ ৩.৫ শতাংশ ঋণ গ্ৰহণৰ অনুমতি প্ৰদান কৰি আহিছে। এইবাৰ কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে বাজেটত উল্লেখ কৰিছে যে এখন ৰাজ্যক ঋণ ল'ব পৰা সক্ষমতা ৩.৫ৰ পৰা চাৰি শতাংশলৈ বৃদ্ধি কৰা হ'ব আৰু তাক শক্তি খণ্ডৰ সংস্কাৰৰ লগত সাঙুৰি দিয়া হ'ব। গোটেই বাজেটখনৰ বিপৰীতে কেৱল এই তিনিটা দিশত যদি আমি সীমাবদ্ধ থাকো তেতিয়াহ'লে অহা বছৰত ৰাজ্যৰ অৰ্থনীতি বহু শক্তিশালী পৰ্যায়লৈ উন্নীত হোৱাৰ অৱকাশ আছে। এগ্ৰ' ফৰেষ্টি, ডিজিটেল মুদ্ৰা, প্ৰধানমন্ত্ৰীৰ উত্তৰ-পূবৰ প্ৰতি থকা দায়িত্ব আৰু নেচাৰেল ফ্ৰামিং এই গোটেইবিলাকে ক'ভিডে বিধ্বস্ত কৰা অৰ্থনীতিত সহায় কৰিব।'

### আগন্তুক ৰাজ্য চৰকাৰৰ বাজেটত বিত্তীয় ব্যয় এক কোটিৰ লক্ষ্য

কেন্দ্ৰীয় বাজেটৰ সমান্তৰালভাৱে আগন্তুক অসম বাজেটত প্ৰথমবাৰৰ বাবে বিত্তীয় ব্যয় এক কোটিৰ ওচৰলৈ লৈ যোৱাৰ চেষ্টা কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। তেওঁ কয়, 'যি চেষ্টা কৰা হৈছে সেয়া আজিলৈকে অসমৰ ইতিহাসত কেতিয়াও হোৱা নাই। প্ৰায় ৯৫ হেজাৰ কোটিৰ ওচৰত আমি যাব পাৰিম। কংগ্ৰেছৰ দিনত ই আছিল ৪২ হেজাৰ কোটি টকা আৰু অহা বছৰত আমি এক লাখৰ সীমা অতিক্ৰম কৰিম। লগতে অসমৰ জিডিপি এইবাৰ অভাৱনীয়ভাৱে বৃদ্ধি হোৱাৰ এটা ধাৰণা পোৱা গৈছে। কৰ সংগ্ৰহৰ ক্ষেত্ৰতো ২৫ শতাংশ আমি বিকাশত আছো। যিকোনো দিশৰ পৰা এই বছৰটো অসমৰ বিত্তীয় ইতিহাসৰ পুৰণি অভিলেখ ভংগ কৰি এটা স্বৰ্ণীল ইতিহাস ৰচিত হ'ব।'

### ৰাজ্যত চান্দা সংস্কৃতি বিলুপ্তি ঘটাবলৈ আনিব নতুন আইন

ৰাজ্যখনত চান্দা সংস্কৃতিৰ পৰিৱেশ বিলুপ্তি ঘটাবলৈ চৰকাৰে এখন আইন অনাৰ পৰিকল্পনা কৰিছে বুলি আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰি কয়, 'অসমত ব্যৱসায়ৰ এটা বাতাবৰণ হ'ব লাগিব। ব্যৱসায়ীসকলে কপালৰ ঘাম মাটিত পেলাই ব্যৱসায় কৰে। তেওঁলোকে ১০জনক সংস্থাপন দিয়ে। তেওঁলোকৰ পৰা দাবী-ধমকি দি চান্দা সংগ্ৰহ কৰা কাম এইখন চৰকাৰে সমৰ্থন নকৰে। সকলো দল-সংগঠনক ক'ব খুজিছো যে চৰকাৰে নীৰৱে চান্দা তোলাৰ সংস্কৃতি চাই নাথাকে। কালিও আলোচনা হৈছে এখন সংগঠিত অপৰাধৰ বিৰুদ্ধে আইন অনাৰ কাৰণে। অৰ্থাৎ কাৰোবাৰ পৰা যদি কোনোৱে দাবী-ধমকি দি চান্দা খোজে, তেতিয়া আদালতে সংশ্লিষ্টজনৰ সম্পত্তি জব্দ কৰি হ'লেও সেই চান্দাৰ টকাৰ ব্যৱসায়ীজনক ঘূৰাই দিব পাৰিব। এনেধৰণৰ কথা চিন্তা কৰা হৈছে, কাৰণ যিকোনো লোকে অসমত ধন বিনিয়োগ কৰাৰ আগত নিশ্চিত হ'ব লাগিব যে দাবী-ধমকিৰ পৰিৱেশ নাই। যদি আমি দেশৰ পাঁচখন ৰাজ্যৰ ভিতৰত সোমাব খোজো তেতিয়াহ'লে বিনিয়োগকাৰী অসমলৈ আনিব লাগিব। যদি সদায় চান্দা তোলা ৰাজ্য বুলি পৰিচয় হৈ থকা তেতিয়াহ'লেতো কোনো বিনিয়োগকাৰী নাহিব। সেই কাৰণে প্ৰতিটো দল-সংগঠনকে ধৰি নিজেও নিজক আহ্বান জনাইছো যাতে আমি কাৰো পৰা বলপূৰ্বক চান্দা সংগ্ৰহ নকৰো।'

### প্ৰসংগ চুপাৰি ছিণ্ডিকেট ঃ কোনো ৰেহাই নাপাব

একাংশ আৰক্ষীৰ সহযোগিতাত ৰাজ্যত বাৰ্মিজ চুপাৰি ছিণ্ডিকেটৰ ঘটনাত মহানগৰ আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে কালি ১০খনকৈ আৰক্ষী থানা-চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক জেৰা কৰাৰ সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কোনো সাৰি নাযাব বুলি কঠোৰ সকীয়নি প্ৰদান কৰে। তেওঁ কয়, 'বেয়া কাম কৰিলে আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই হওক বা যিকোনো বিষয়াই হওক কোনেও ৰেহাই নাপাব। বিষয়টো আমাৰ চকুত পৰিছিল আৰু ইয়াক যাতে গুৰিতে নোহোৱা কৰিব পাৰি তাৰ বাবে মহানগৰ আৰক্ষীয়ে বিষয়টোৰ ওপৰত তদন্ত অব্যাহত ৰাখিছে।'

## ছাত্ৰ-ছাত্ৰীৰ উপকাৰৰ অৰ্থে বাসুগাঁও মহাবিদ্যালয়ত অসমীয়া বিভাগৰ আলোচনা চক্ৰ

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ১ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বাসুগাঁও মহাবিদ্যালয়ত অসমীয়া বিভাগৰ এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক অনিমেষ বৰ্মনৰ সঞ্চালনাত প্ৰাক্তন উপাধ্যক্ষ খনীন্দ্ৰ চক্ৰৱৰ্তীয়ে আলোচনা চক্ৰৰ মূল বিষয় 'অসমীয়া সাহিত্যৰ মধ্যযুগ' সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে উপকৃত হ'ব পৰাকৈ মনোগ্ৰাহীকৈ বক্তব্য দাঙি ধৰে। গৱেষণা পত্ৰ লিখাৰ পদ্ধতিৰ লগতে গোটেই গৱেষণা পত্ৰসমূহৰ ওপৰত এটি আলোচনা আগবঢ়ায় মহাবিদ্যালয়খনৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা অসমীয়া সাহিত্যৰ এগৰাকী সমালোচক ড° কৰুণা পাঠকে। ৩০খনৰো অধিক গৱেষণা পত্ৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠ কৰা আলোচনা চক্ৰখনৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা কুলুমণি ৰয়ে। আলোচনা চক্ৰখন উন্মোচন কৰে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক মায়মুন আলীয়ে। উন্মোচনী ভাষণত অধ্যাপকগৰাকীয়ে আলোচনা চক্ৰৰ প্ৰাসংগিকতাৰ লগতে নতুন শিক্ষানীতিৰ ওপৰত ছাত্ৰ-ছাত্ৰীয়ে উপকৃত হ'ব পৰাকৈ তত্বগধুৰ বক্তব্য দাঙি ধৰে। উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীৰ আশানুৰূপ উপস্থিতি আৰু মহাবিদ্যালয়খনৰ অন্যান্য বিভাগৰ অধ্যাপকৰ সহায়-সহযোগিতাত আলোচনা চক্ৰখন সাফল্যমণ্ডিত হৈ উঠে।

## হোজাইৰ বিহুতলী খেলপথাৰৰ দেৱাল নিৰ্মাণৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**হোজাই, ১ ফেব্ৰুৱাৰী ঃ** 'ৰাইজে উন্নয়নৰ কাম দ্ৰুত গতিত সম্পন্ন কৰাৰ বাবেই নিৰ্বাচনত প্ৰতিনিধি নিৰ্বাচন কৰে, ৰাইজৰ দুখ-দুৰ্দশা যিমানখিনি সম্ভৱ এজন বিধায়কৰ জৰিয়তে সম্পন্ন কৰাৰ আশাৰে বাট চাই থাকে যদিও কিছু সময়ত কিছুমান ব্যক্তিয়ে নিজৰ ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ বাবে ৰাইজৰ হকে লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাম ৰূপায়িত কৰিবলৈ যাওঁতে হেঙাৰ হিচাপে থিয় দিয়ে, এনে ব্যক্তিসকলক সমাজে চিহ্নিত কৰিব লাগে, মই ৰাইজৰ উন্নয়নৰ কাম কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ , কোনো ব্যক্তি হেঙাৰ হৈ থিয় নিদিব।' এই মন্তব্য হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষৰ। আজি হোজাইৰ বিহুতলী খেলপথাৰৰ দেৱাল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰি হোজাইৰ বিধায়ক ঘোষে এই মন্তব্য কৰে। হোজাই পৌৰসভাৰ অন্তৰ্গত ১৯টা ৱাৰ্ডত চতুৰ্দশ বিত্তীয়বৰ্ষৰ অধীনত আবন্টন হোৱা ২৪ টা ৰাস্তাৰ কামৰ আধাৰশিলা স্থাপনৰ অংশৰূপে আজি বিধায়কজনে অত্যাধুনিকভাৱে নিৰ্মাণ হ'বলগীয়া বিহুতলী খেলপথাৰৰ সন্মুখভাগৰ দেৱাল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। বিধায়কজনে সাংবাদিকসকলৰ আগত কয় যে উন্নয়নৰ কাম কাৰো ব্যক্তিস্বাৰ্থৰ বাবে বন্ধ হৈ নাযায়, উন্নয়নৰ কামত কোনোৱে হেঙাৰ হৈ থিয় নহ'বলৈ সংবাদ মাধ্যমৰ যোগেদি তেওঁ সতৰ্ক কৰি দিয়ে। বিধায়কজনে তেওঁৰ কাৰ্যকালত হোজাইৰ সমষ্টিৰ সকলো ভাষা-ভাষী, জাতি-জনগোষ্ঠীৰ সম উন্নয়ন আৰু আৰ্থিক বিকাশৰ বাবে তেওঁ দৃঢ়প্ৰতিজ্ঞ আৰু ইয়াৰ প্ৰতিফলন হোজাই পৌৰ অঞ্চলত আৰম্ভ হোৱা ২৪ টা ৰাস্তাৰ কাম আবন্টনত প্ৰমাণিত হৈছে বুলি মন্তব্য কৰে। ইপিনে হোজাইৰ বিহুতলী খেলপথাৰ পৰিচালনা সমিতিৰ দ্বিজেন কলিতা, ভাস্কৰ শইকীয়া , ৰাজীৱ শৰ্মা , ধ্ৰুৱ বৰা, ভুৱন ঘোষ, ৰঞ্জিত মজুমদাৰসহ অন্যান্য বিহুতলী খেলপথাৰখন ধুনীয়াকৈ নিৰ্মাণৰ বাবে বিধায়কজনক দাবী জনোৱাত বিহুতলী খেলপথাৰত এখন মিনি ষ্টেডিয়াম নিৰ্মাণৰ চিন্তা- চৰ্চাৰ কথা উল্লেখ কৰে।

## শিৱসাগৰ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আয়োজন

### ৩০ এপ্ৰিলৰ ভিতৰত লেখাসমূহ দিবলৈ অনুৰোধ সমিতিৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১ ফেব্ৰুৱাৰী ঃ** ঐতিহাসিক শিৱসাগৰৰ বহু ইতিহাসৰ সাক্ষী কালীপ্ৰসাদ স্মৃতি ভৱনত বহুজনৰ ত্যাগ, কষ্ট আৰু পৰিশ্ৰমৰ ফলশ্ৰুতিত ১৯৪৭ত গজালি মেলিছিল শিৱসাগৰ মহাবিদ্যালয়খনে। ফুলনি কবি পদ্মধৰ চলিহা আৰু সেউজকোঁৱৰ পৰাগ চলিহাৰ আপ্ৰাণ প্ৰচেষ্টাত প্ৰাণ পাই উঠিছিল ঐতিহ্যমণ্ডিত শিৱসাগৰ মহাবিদ্যালয়ে। ১৯৫২ত শিৱসাগৰৰ কালীপ্ৰসাদ স্মৃতি ভৱনৰ পৰা এছিয়াখ্যাত জয়সাগৰ পুখুৰী পাৰলৈ স্থানান্তৰ হোৱা মহাবিদ্যালয়ে সগৌৰৱেৰে ভৰি দিছে মহাৰজত বৰ্ষত। বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে আগবাঢ়ি যোৱা শিক্ষানুষ্ঠানখনক বিশ্ববিদ্যালয়ৰ পৰ্যায়লৈ উন্নীত কৰাৰ ঘোষণাই স্বাভাৱিকতেই বৌদ্ধিক সমাজখনক উৎফুল্লিত কৰিছে। এনে শুভবাৰ্তাৰ মাজতেই মহাবিদ্যালয়খনে বৰ্ষজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিছে মহাৰজত জয়ন্তীৰ বিভিন্ন কাৰ্যসূচী। বিগত বৰ্ষৰ নৱেম্বৰত আৰম্ভ হোৱা জয়ন্তীৰ লগত সংগতি ৰাখি ইতিমধ্যে বহুকেইটা অনুষ্ঠান হৈ গৈছে আৰু বহু অনুষ্ঠান অনুষ্ঠিত হ'বলৈ বাকী আছে। মহাৰজক জয়ন্তীৰ বিভিন্ন কাৰ্যসূচীৰ সমান্তৰালকৈ গ্ৰন্থ প্ৰকাশন সমিতিয়ে বিভিন্ন পৰিকল্পনা হাতত লৈছে। বিশেষকৈ মহাৰজতৰ লগত সংগতি ৰাখি ড° মায়াশ্ৰী গোস্বামী আৰু ড° গায়ত্ৰী গোস্বামীৰ যুটীয়া সম্পাদনাত প্ৰকাশ কৰিবলৈ লৈছে বৃহৎ কলেৱৰ 'মহাৰজতৰ বৰ্ণালী' শীৰ্ষক স্মাৰক গ্ৰন্থখন। শিৱসাগৰ মহাবিদ্যালয় আৰু ইয়াৰ ইতিহাস সম্বন্ধীয়, বৃহত্তৰ শিৱসাগৰৰ সামাজিক, অৰ্থনৈতিক, ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক উত্তৰণত শিৱসাগৰ মহাবিদ্যালয়ৰ ভূমিকা সম্বন্ধীয়, শিৱসাগৰ মহাবিদ্যালয়ৰ নষ্টালজিক ঘটনা-পৰিঘটনাসমূহ, সাম্প্ৰতিক বিশ্বৰ শৈক্ষিক উত্তৰণৰ ভিন্ন ঘটনা-পৰিঘটনা সম্বন্ধীয় লিখা বিচাৰিছে সম্পাদনা সমিতিয়ে। মহাবিদ্যালয়খনৰ শুভাকাংক্ষীসকল, শিৱসাগৰ সমাজ জীৱনৰ বিভিন্ন স্তৰত জড়িত ব্যক্তিসকলৰ লগতে শিক্ষানুষ্ঠানখনৰ লগত জড়িত সকলো প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক, কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলে ৰামধেনুত ইংৰাজী অথবা অসমীয়াত লিখি অহা ৩০ এপ্ৰিলৰ ভিতৰত maharajat2022@gmail,com মেইলত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে। সবিশেষ জানিবৰ বাবে ৯৪৩৫৫৩৫৮৯৭ আৰু ৯৪৩৫০৯৬৮৭ নম্বৰত যোগাযোগ কৰিবলৈ সম্পাদকদ্বয়ে আহ্বান জনাইছে।

## অগপৰ নৱনিযুক্ত নিকায় নিগমৰ অধ্যক্ষ-উপাধ্যক্ষক ক্ষেত্ৰীত সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১ ফেব্ৰুৱাৰী ঃ** শেহতীয়াকৈ ৰাজ্য চৰকাৰে অগপৰ কে'বাজনো নেতাক নিকায় নিগমৰ অধ্যক্ষ তথা উপাধ্যক্ষ পদ অৰ্পণ কৰাৰ পাছতে কালি অগপৰ অগপৰ দিছপুৰ বিধান পৰিষদৰ উদ্যোগত মহানগৰীৰ ক্ষেত্ৰীৰ পশ্চিম উলনী নেহৰু স্মৃতি সংঘৰ কাৰ্যালয়ত এখন ৰাজহুৱা সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। এই উপলক্ষে অগপৰ দিছপুৰ বিধান পৰিষদৰ সভাপতি শ্ৰীধৰ ডেকাৰ সভাতিত্বত তথা দিছপুৰ বিধান পৰিষদৰ অন্তৰ্গত বিভিন্ন আঞ্চলিক সমিতিৰ কে'বা শতাধিক অগপ কৰ্মীৰ উপস্থিতিত অনুষ্ঠিত হোৱা সম্বৰ্ধনা সভাখনত অসম বাণিজ্যিক নিগমৰ অধ্যক্ষ সুনিল ডেকা, অসম পণ্যাগাৰ নিগমৰ উপাধ্যক্ষ ড° তপন দাস, গুৱাহাটী মহকুমা অনুসূচিত জাতি উন্নয়ন ব'ৰ্ডৰ সদস্য তপন দাস, গুৱাহাটী মহকুমা অনুসূচিত জনজাতি উন্নয়ন ব'ৰ্ডৰ সদস্য বিক্ৰম বড়ো আৰু গুৱাহাটী মহকুমা অন্যান্য পিছ পৰা শ্ৰেণী উন্নয়ন ব'ৰ্ডৰ সদস্য দিব্যজ্যোতি ৰাজখোৱাক ফুলাম গামোচা, অংগবস্ত্ৰ, জাপি আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

■ পকীকৰণৰ দাবী যুৱ-ছাত্ৰ পৰিষদৰ ■ দল-সংগঠনৰ প্ৰতিবাদকো গুৰুত্ব নিদিয়ে জনপ্ৰতিনিধিয়ে

# দামোদৰধাম সংযোগী পথ আজিও অৱহেলিত



*বাগ্‌সাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ ধৰ্ণা, মঙলবাৰে।*

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১ ফেব্ৰুৱাৰী ঃ** নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ চিলিং গাঁৱৰ ডেকাপাৰৰ পৰা নাৰিকুছি-বৰখালা গডকাপ্টানী সংযোগী পথৰ পৰা দামোদৰধাম সংযোগী কোৰাচৰ তলৰ চ'কলৈ যোৱা প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা স্বাধীনতাৰ ৭৫ বছৰ পাছতো পকীকৰণ নোহোৱা স্থানীয় ৰাইজ আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতি ক্ষোভিত হৈ পৰিছে। উল্লেখ্য যে কোৰাচৰ তল চ'কৰ পৰা জানোপাৰ দুই নম্বৰ নিমুৰা লাটিমা হৈ চিলিং ডেকাপাৰা সংলগ্ন প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা সম্প্ৰতি জৰাজীৰ্ণ হৈ পৰিছে। স্বাধীনতাৰ ৭৫ বছৰ পাছতো অতি প্ৰয়োজনীয় তথা ব্যস্ততাপূৰ্ণ পথছোৱা আজিও পকীকৰণ নোহোৱাতো দুৰ্ভাগ্যজনক বুলি চৰ্চিত হৈছে। বিগত দিনত অঞ্চলটোৰ দল-সংগঠন আৰু ৰাইজে পথছোৱা পকীকৰণৰ দাবীত প্ৰতিবাদী কাৰ্যসূচীৰ লগতে চৰকাৰ তথা জনপ্ৰতিনিধিক আবেদন-নিবেদন কৰি আহিছিল যদিও কোনো সুফল পোৱা নাই। ইফালে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ উপদেষ্টা ইন্তাজ হুছেইনে পথছোৱা স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰমৰ পাছতো পকীকৰণ নোহোৱা বৰ্তমানৰ চৰকাৰখনৰ উন্নয়নৰ ব্যৰ্থতা উদাঙইছে বুলি তীব্ৰ সমালোচনা কৰে। লগতে তেওঁ কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পিতৃৰ গৃহ গাঁৱৰ লাটিমাৰ পৰা মাত্ৰ দুই কিলোমিটাৰ আঁতৰৰ গাঁওখনৰ একমাত্ৰ পথছোৱা আজি পৰ্যন্ত পকীকৰণ নোহোৱাটো দুৰ্ভাগ্যজনক। উক্ত পথছোৱা এজাক বৰষুণতে বোকা-পানী একাকাৰ হোৱাৰ উপৰি পথছোৱাৰে ছাত্ৰ-ছাত্ৰী, পথচাৰী আৰু বেমাৰ-আজাৰ হোৱা ৰোগীয়ে অহা-যোৱা কৰাত ভীষণ অসুবিধাৰ সন্মুখীন হৈ অহাৰ সমস্যা আদিৰ কথা সদৰী কৰে। আনহাতে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি আনোৱাৰ হুছেইন আৰু সাধাৰণ সম্পাদক নৱজ্যোতি কলিতাই উক্ত পথছোৱা শীঘ্ৰে পকীকৰণৰ বাবে বিজেপি চৰকাৰৰ লগতে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক দাবী জনাইছে।

## সমাজকৰ্মী ধনেশ্বৰ মেধীৰ বিয়োগত শোক

**বৰমা, ১ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ আধুনিক বৰমা নিৰ্মাতা, অসম আন্দোলনৰ নেতা বৰমা কালজাৰ নিবাসী ধনেশ্বৰ মেধী (৮১)ৰ কালি মৃত্যু হয়। বৰমাৰ সমাজ জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত মেধীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে বৃহত্তৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। কিছুদিন ধৰি অসুস্থ হৈ থকা মেধীক গুৱাহাটীৰ চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল যদিও আজি পুৱা তেওঁৰ মৃত্যু হয়। মেধী বৰমাৰ প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ উপৰি বিএডিৰ মনোনিত কাৰ্যবাহী সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। অগপ নেতা মেধীৰ বিয়োগত লক্ষীমন্দিৰ সমিতি, বৰমা বাৰোৱাৰী দুৰ্গা পূজা সমিতি, অবড়ো সুৰক্ষা সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ বৰমা আঞ্চলিক সমিতি, বাস্কা প্ৰেছ ক্লাব বৰমা, বৰমা সাহিত্য সভা আদিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ-বোৱাৰী এৰি যায়।

## গ্ৰাম্য আত্মনিয়োজন প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষ উপলক্ষে কালি মৰিগাঁৱত নাবাৰ্ডৰ দ্বাৰা গ্ৰাম্য আত্মনিয়োজন প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই সভাত জিলাৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ বিষয়া পুলিন শৰ্মা, লিড বেংক মেনেজাৰ পুলেন বৰদলৈ, আৰ এছ ই টি আই নিৰ্দেশক কনক বৰ্মন, নৰ্থ-ইষ্ট স্মল ফাইনেন্স বেংকৰ বিষয়া ৰাজীৱ সিং, ইণ্ডিয়ান বেংক বিষয়া ছবিৰ আলম, অসম কো-অপাৰেটিভ বেংকৰ বিষয়া হিলিমা পাটোৱাৰী, সুমলা মহিলা সংঘৰ মুখ্য কাৰ্যবাহী বিষয়া মহেন্দ্ৰ শইকীয়া, কৃষকৰ উৎপাদক সংস্থা আৰু আত্মসহায়ক গোটৰ সদস্যসকল উপস্থিত থাকে। নাবাৰ্ড মৰিগাঁৱৰ জিলা উন্নয়ন বিষয়া হেমন্ত কুমাৰ বৰুৱাই আয়োজন কৰা সভাত আজাদী কা অমৃত মহোৎসৱ উপলক্ষে নাবাৰ্ডে ৰূপায়ণ কৰা বিভিন্ন আঁচনি যেনে গ্ৰামাঞ্চলৰ ৰাস্তা-পদূলি, দলং, জলসিঞ্চন, বিদ্যালয় গৃহ নিৰ্মাণ আদিৰ বিষয়ে অৱগত কৰা হয়। নাবাৰ্ডে পৰিকল্পনা কৰা মতে, কিষাণ ক্ৰেডিট কাৰ্ডৰ বিষয়ে আলোচনা কৰা হয়। কৃষকসকলে যাতে সহজতে বেংকৰ পৰা কৃষি ঋণ লৈ কৃষি কৰ্ম কৰিব পাৰে তাৰ বাবে এই আঁচনি যুগুত কৰা হৈছিল। বৰ্তমানলৈকে মৰিগাঁও জিলাত এতিয়ালৈ ৩৫ হেজাৰতকৈও অধিক কেচিচি বেংকৰ জৰিয়তে আগবঢ়োৱা হৈছে। বৰ্তমানে কেচিচি, পশুপালন আৰু মৎস্য পালনৰ বাবে বেংকৰ পৰা সুবিধা আগবঢ়োৱা হৈছে। কৃষি আৰু গ্ৰাম্য উন্নয়নৰ বাবে যুগুত কৰা আৰু ৰূপায়ণ কৰা আঁচনিসমূহ যেনে- এৰি ক্লাষ্টাৰ উন্নয়ন, এছআৰআই সৌৰশক্তি চালিত জলসিঞ্চন ব্যৱস্থা, বিত্তীয় অন্তৰ্ভুক্তি, কৃষক উৎপাদক সংস্থা আত্মসহায়ক গোটৰ বেংক ঋণ, বিভিন্ন প্ৰশিক্ষণ ব্যৱস্থা আদিৰ বিষয়ে নাবাৰ্ড মৰিগাঁৱৰ জিলা উন্নয়ন বিষয়াগৰাকীয়ে সভাত জানিবলৈ দিয়ে। উক্ত সভাত আৰচিটি ডাইৰেক্টৰ কনক বৰ্মন, লিড বেংক মেনেজাৰ পুলিন বৰদলৈ আৰু সুমলা মহিলা সংঘৰ মুখ্য কাৰ্যবাহী বিষয়া মহেন্দ্ৰ শইকীয়ায়ো আজাদী কা অমৃত মহোৎসৱ আৰু কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ওপৰত লোৱা আঁচনিসমূহৰ আন্তঃগাঁথনিৰ উন্নয়নত নাবাৰ্ডৰ আশাপ্ৰদ ভূমিকাৰ বিষয়ে বক্তব্য প্ৰদান কৰে।

## ছিপাঝাৰত লোক কলা-কৃষ্টি বিষয়ত বিশিষ্ট ব্যক্তিৰে মত বিনিময় সভা

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১ ফেব্ৰুৱাৰী ঃ** দৰঙী লোককৃষ্টি-কলাকৃষ্টি সংৰক্ষণ আৰু বিকাশৰ ওপৰত বিশিষ্ট ব্যক্তিৰে আজি অনুষ্ঠিত হয় মত বিনিময় সভা। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ উদ্যোগত সংঘৰ চিৰাখোৱাস্থিত কাৰ্যালয়ত সাহিত্যিক পেঞ্চনাৰ শশীধৰ নাথৰ পৰিচালনাত অনুষ্ঠিত সভাৰ আৰম্ভণিতে লোক্ৰাইৰ লোকশিল্পী মণিৰাম বৰাৰ মৃত্যুত এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধা জনোৱা হয়। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই আঁত ধৰা তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰজনীকান্ত নাথ, লোক কলাকৃষ্টি গৱেষক তৰুণ আজাদ ডেকা, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ৰামচন্দ্ৰ ডেকা, ছহিৰ ভূঞা, পিথুৰাম বৰুৱা, দৰং জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা ভৰেন বৰ্মন, দৌৰংগৰ সম্পাদক শংকৰ কাকতি, লোকশিল্পী ভদ্ৰকান্ত নাথ, দীনবন্ধু শৰ্মা, শিল্পী পেঞ্চনাৰ ৰাজেন্দ্ৰ নাথ ওজা, ৰত্নকান্ত ডেকা, পুতুল শইকীয়া, নীলকান্ত ডেকা, ধকমান শ্ৰেষ্ঠ, কুলেন চহৰীয়া আদি উপস্থিত থকা সভাত লোকশিল্পীসকলক একত্ৰিতভাৱে শুদ্ধ ৰূপত লোককৃষ্টি পৰিৱেশন কৰি স্বকীয়তা অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। সভাত সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই সংঘৰ বাৰ্ষিক কৰ্মসূচী দাঙি ধৰে।

## নিজ কঠিয়াতলি শাখা সাহিত্য সভাৰ সৌজন্যত কবিতা পাঠৰ অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১ ফেব্ৰুৱাৰী ঃ** নিজ কঠিয়াতলি শাখা সাহিত্য সভাৰ সৌজন্যত কালি পশ্চিম কাৰৈমাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত নৱপ্ৰজন্মৰ কবিসকলক উদ্‌গনি যোগোৱাৰ উদ্দেশ্যে এখন কবিতা পাঠৰ অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত কবিতা পাঠ কৰে হীৰকজ্যোতি নাথ, পৰাগজ্যোতি নাথ, দীক্ষা দেৱী, পৰশমনি দেৱনাথ, নিহা দেৱী, ময়ূৰী দেৱী, লিজা দেৱী, জ্যোতিস্মিতা দেৱী, তুলিকা দেৱী, সুস্মিতা দেৱী আৰু মৃগাংক হাজৰিকাই। শাখা সাহিত্য সভাই আটাইকে একোখনকৈ কাব্য গ্ৰন্থ আৰু একোখনকৈ প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনায়। নিজ কঠিয়াতলি শাখা সাহিত্য সভাৰ সভাপতি জয়ন্ত বৰাৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা চক্ৰৰ আঁত ধৰে সম্পাদক হৰিকান্ত নাথে। নিজ কঠিয়াতলি শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ঘনকান্ত বৰাই সাহিত্য সৃষ্টিৰ দ্বাৰা অসমীয়া ভাষা আৰু জাতিৰ অস্তিত্ব থাকিব আৰু সেয়ে নৱপ্ৰজন্মক সাহিত্য সভাৰ অনুষ্ঠানবোৰত সহযোগ কৰিবলৈ আহ্বান জনায়। ৰাঙলু শাখা সাহিত্য সভাৰ সভাপতি নজিবুৰ ৰহমানে শাখাটোৰে ক'ভিড প্ৰট'কল ৰক্ষা কৰি কবিতা পাঠৰ অনুষ্ঠানৰ আয়োজন কৰি কবিসকলক উৎসাহিত কৰাৰ প্ৰচেষ্টা লোৱাৰ কাৰণে শাখাৰ বিষয়ববীয়াসকলক শলাগ লয়। গাঁৱৰ জ্যেষ্ঠ নাগৰিক ৰমেশ নাথ, নন্দি নাথৰ লগতে পশ্চিম কাৰৈমাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গিৰিন্দ্ৰ নাথেও দুআষাৰ বক্তব্য আগবঢ়ায়। সভাত উপস্থিত থাকে শুক্ল নাথ, কণ্টি নাথ, কৃষ্ণকান্ত নাথ, তৰুণ নাথ, বিশ্বজিৎ নাথৰ লগতে কে'বাগৰাকী বিশিষ্ট ব্যক্তি।

## বিজনীত সংযুক্ত কিষাণ মৰ্চাৰ বিশ্বাসঘাতকতা দিৱস

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে কালি চিৰাং জিলাৰ বিজনীতো বিশ্বাসঘাতকতা দিৱস পালন কৰা হয়। জিলাখনৰ বিজনী মহকুমাৰ পূব খামাৰপাৰাত সংযুক্ত কিষাণ মৰ্চা, ট্ৰেড ইউনিয়ন আৰু কৰ্মচাৰী ফেডাৰেছনৰ উদ্যোগত বিশ্বাসঘাটকতা দিৱস পালন কৰা হয়। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে আন্দোলনকাৰী কৃষক সংগঠনসমূহক প্ৰদান কৰা প্ৰতিশ্ৰুতি পালন নকৰাৰ প্ৰতিবাদত এই 'বিশ্বাসঘাতকতা দিৱস' কাৰ্যসূচী পালন কৰে। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে প্ৰতিবাদী কৃষকক দিয়া প্ৰতিশ্ৰুতি পালন নকৰা বুলি দাবী উত্থাপন কৰি কৃষকৰ আন্দোলনৰ সময়ত মৃত্যুবৰণ কৰা সাতশ কৃষকক ছহিদ ঘোষণা নকৰাৰ লগতে পৰিয়ালসমূহক কোনো ধৰণৰ আৰ্থিক সাহায্য আজিলৈকে প্ৰদান নকৰা বুলি ক্ষোভ প্ৰকাশ কৰে প্ৰতিবাদীসকলে। ইপিনে, বঙাইগাঁও জিলাৰ গৰাইমাৰীতো কৃষক সভাই বিশ্বাসঘাতকতা দিৱস পালন কৰে।

## দেশপ্ৰেমমূলক গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ সামাজিক অনুষ্ঠান প্ৰজ্ঞা সাৰথি, অন্তৰংগ আৰু ত্ৰিমূৰ্তি গাঁওৰক্ষী বাহিনীৰ উদ্যোগত গণতন্ত্ৰ দিৱস উপলক্ষে যোৰহাট জিলাভিত্তিত আয়োজিত দেশপ্ৰেমমূলক গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ কালি প্ৰদান কৰা হয়। প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত চটাইৰ অনুস্কা গগৈ, দিচৈ নগৰৰ ভাগ্যলক্ষ্মী নেওগ আৰু পানীচকুৱাৰ নিশিতা বৰাক তেওঁলোকৰ বাসগৃহত অনুষ্ঠান তিনিটাই প্ৰশংসা পত্ৰ আৰু ট্ৰফীৰে উৎসাহিত কৰে।

## কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থী 'এস্বাইবৰ' বিশেষ পুৰস্কাৰ

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ শিক্ষা, অসম 'এস্বাইব'ৰ সহযোগত ২০২১ৰ জুলাইৰ পৰা অসমৰ মুঠ ২০০খন চৰকাৰী উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চলি থকা 'পিএএল'ৰ বিশেষ প্ৰশিক্ষণত গোলাঘাট জিলাৰ কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ অংশুমান দাসে বিশেষ সফলতা লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। সমগ্ৰ শিক্ষাৰ অভিনৱ প্ৰয়াত 'পি এ এল'-এ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনৰ ভিত্তিত নিৰন্তৰ প্ৰতিক্ৰিয়া প্ৰদান কৰি আহিছে। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়েই বিশেষ, সেয়েহে 'পিএএল'-এ প্ৰতিজনৰ কাৰণে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰে। বিশেষকৈ গণিত আৰু বিজ্ঞান শিক্ষাৰ মান উন্নত কৰাৰ লগতে এই দুয়োটা বিষয়ৰ প্ৰতি শিক্ষাৰ্থীৰ মনত আগ্ৰহ জন্মোৱা 'পিএএল প্ৰজেক্ট'ৰ প্ৰধান উদ্দেশ্য। এই প্ৰক্ৰিয়াত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীলৈ অন্তৰ্ভুক্ত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে এস্বাইব সংস্থাৰ তৰফ পৰা স্ব-শিকন, অনুশীলন, মাননিৰূপণৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ আৰু উপহাৰৰ টোপোলাৰে পুৰস্কৃত কৰা হৈছে। কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জ্যোতি কুমাৰী শৰ্মাই নিজেও 'পিএএল'ৰ প্ৰকল্পৰ স'তে আৰম্ভণিৰ পৰাই জড়িত হৈ যথেষ্ট উপকৃত হোৱা বুলি কয়। অধ্যক্ষজনে বিদ্যালয়ৰ কম্পিউটাৰ শিক্ষয়িত্ৰী বিশ্বদীপা বৰাক ছাত্ৰ-ছাত্ৰীৰ মাজত এই কাৰ্যসূচীটো সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অংশুমান দাসক গণৰাজ্য দিৱসৰ দিনা জিলা সমন্বয়ক দেৱজিৎ ফুকনে এই পুৰস্কাৰ প্ৰদান কৰে।

## চতিয়াৰ মূলাগাভৰু মৈদাম ক্ষেত্ৰত মে-ডাম-মে-ফি উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ চলাহোলা গাঁৱৰ সমীপৰ অসমীয়াৰ স্বাভিমান বীৰাংগনা মূলাগাভৰু মৈদাম ক্ষেত্ৰত চতিয়া বান অক পাপলিক ম্যুংটাই বীৰংগনা মূলাগাভৰু মৈদাম সংৰক্ষণ সমিতি আৰু আহোম জাতীয় মহাসভাৰ উদ্যোগত, স্থানীয় ৰাইজৰ সহযোগত কালি মে-ডাম-মে-ফি উদ্‌যাপন কৰা হয। পুৱাৰ প্ৰথম কাৰ্যসূচীৰূপে পতাকা উত্তোলন কৰে প্ৰাক্তন মন্ত্ৰী প্ৰবীণ হাজৰিকাই। সম্পুৰ্ন ধৰ্মীয় পৰম্পৰাৰে তাই গীত পৰিৱেশনৰে পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছতে বীৰাংগনা মূলাগাভৰু মৈদামত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰে ক্ৰমে সভাপতি কৰুনানন্দ হাতীবৰুৱা, মৈদাম সংৰক্ষণ সমিতিৰ সম্পাদক আনন্দ সন্দিকৈ আৰু কৃষ্ণ দুৱৰাই। মে-ডাম-মে-ফি উপলক্ষে ক'ভিড নীতি-নিয়ম মানি আয়োজন কৰা ৰাজহুৱা সভাত সভাপতিত্ব কৰে বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। সভাত উদেশ্য ব্যাখ্যা কৰে টংকেশ্বৰ বৰুৱাই। সভাত মূলাগাভৰু মৈদাম সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰে কৰুনানন্দ হাতীবৰুৱাই। সভাত আহোম জাতীয় মহাসভাৰ বিপুল ফুকনকে ধৰি সাতগৰাকী বিষয়ববীয়া উপস্থিত থাকে। সভাত পশুপালন বিভাগৰ উপাধ্যক্ষ পৰেশ বৰকাকতি, চতিয় তিনি নম্বৰ পঞ্চায়তৰ সভাপতি উদয় শংকৰ শইকীয়া আদি ভালেসংখ্যক লোক উপস্থিত থাকে। আজিৰ এই মে-ডাম-মে-ফিৰ সভাত সকলো উপস্থিত ৰাইজে মূলাগাভৰু মৈ-ডাম সংৰক্ষণৰ বাবে চৰকাৰৰ ওচৰত দাবী জনায়। সভাৰ অন্তত সমবেত ৰাইজে প্ৰীতি ভোজৰ এসাঁজ লগে ভাগে গ্ৰহণ কৰে।

■ দৰং গৰিয়া-মৰিয়া-দেশীৰ পাথৰিঘাট অধিৱেশন

# ছহিদ মোজাম্মিলৰ ত্যাগৰ আদৰ্শেৰে গৰিয়াসকলে জাতীয় জীৱন সমৃদ্ধ কৰক

বিশেষ সংবাদদাতা

**মঙলদৈ, ১ জানুৱাৰী ঃ** '৭২ ৰ মাধ্যম আন্দোলনৰ প্ৰথমজন বীৰ ছহিদ দৰঙৰ কিশোৰ মোজাম্মিল হকে মাতৃভাষাৰ বাবেই যি চৰম ত্যাগ কৰিলে তাৰ তুলনা নাই। জাতীয় বীৰ ছহিদজনৰ এই চৰম ত্যাগৰ আদৰ্শৰে উদ্বুদ্ধ হৈ প্ৰত্যেকজন অসমীয়া বিশেষকৈ গৰিয়া-মৰিয়া-দেশী জনগোষ্ঠীৰ লোকসকলে ত্যাগৰ মনোভাৱেৰে আগবাঢ়ি আহি জাতীয় জীৱন সমৃদ্ধ কৰক। তেতিয়াহে ছহিদৰ আত্মত্যাগৰ প্ৰকৃত মূল্যায়ন কৰা হ'ব। জাতীয় ছহিদজনৰ স্মৃতি যুগমীয়া কৰিবলৈ চৰকাৰে মঙলদৈ অসামৰিক চিকিৎসালয়খন 'ছহিদ মোজাম্মিল হক অসামৰিক চিকিৎসালয়, মঙলদৈ'ৰূপে নামকৰণ কৰক।' পৰহি পাথৰিঘাট ছহিদ কৃষক ভৱনত অনুষ্ঠিত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ দৰং জিলা সমিতিৰ দ্বিতীয় পূৰ্ণাংগ অধিৱেশনৰ কাৰ্যসূচী 'ছহিদ মোজাম্মিল হক' স্মাৰক বক্তৃতানুষ্ঠানত পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা তথা সাহিত্যিক চহিৰ ভূঞাই এইদৰে কয়। স্মাৰক বক্তৃতা অনুষ্ঠানৰ পাছতে পৰিষদৰ জিলা সভাপতি আমানুল্লাহ পাছাই পৌৰোহিত্য কৰা আৰু কাৰ্যকৰী সভাপতি বাবুল মকছেদ আহমেদ আৰু সাধাৰণ সম্পাদক চাহাবুদ্দিন



আহমেদে আঁত ধৰা প্ৰতিনিধি সভা উদ্বোধন কৰে পৰিষদৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি, প্ৰাক্তন ছাত্ৰ নেতা নুৰুল হকে। তেওঁ ভূমিপুত্ৰ গৰিয়া-মৰিয়া-দেশীসকলে ভুগি থকা দুৰ্যোগ আৰু সমস্যাসমূহৰ নিৰ্মোহ বিশ্লেষণ দাঙি ধৰি সেইসমূহৰ সমাধানৰ লগতে আৰু নিজৰ অধিকাৰ-প্ৰাপ্যৰ বাবে ঐক্যবদ্ধ সংগ্ৰামৰ বিকল্প নাই বুলি গৰিয়া-মৰিয়া-দেশীসকলক তাৰ বাবে থলুৱা অইন জনজাতি-জনগোষ্ঠীৰ স'তে মাৰবান্ধি ওলাই আহিবলৈ আহবান জনায়। সভাত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক ছহিদ আলী আহমেদে ঐতিহাসিক পথৰুঘাটৰ কৃষক ছহিদসকলৰ বংশধৰ গৰিয়াসকলক নিজৰ গৌৰৱময় ঐতিহ্যৰে শক্তিমন্ত হৈ ভাগ্যৰ পৰিৱৰ্তন সাধিবলৈ আহবান জনায়। কেন্দ্ৰীয় সহকাৰী সম্পাদক জালালুদ্দিন আহমেদ আৰু দৰং জিলা সমিতিৰ প্ৰাক্তন সভাপতি ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাৰে সন্মানিত এম হাফিজ আলীয়েও বক্তব্য ৰাখে। এই প্ৰতিনিধি সভাতে কেন্দ্ৰীয় নেতৃত্বৰ পৰ্যবেক্ষণত সৰ্বসন্মতিক্ৰমে আগন্তুক তিনিবছৰীয়া কাৰ্যকালৰ বাবে আমানউল্লাহ পাছাক সভাপতি, বাবুল মকছেদ আহমেদ আৰু আবু আয়ুব আনছাৰীক কাৰ্যকৰী সভাপতি, চাহাবুদ্দিন আহমেদক সাধাৰণ সম্পাদকৰূপে লৈ ৪১ জনীয়া দৰং জিলা সমিতি গঠন কৰে। স্মাৰক বক্তৃতানুষ্ঠান আৰু প্ৰতিনিধি সভাৰ পূৰ্বে উদ্‌যাপন সমিতিৰ সভাপতি আবু আয়ুব আনছাৰীয়ে পথৰুঘাটৰ কৃষক ছহিদসকলৰ পৱিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। ছহিদ মোজাম্মিল হকৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে জিলা সমিতিৰ কাৰ্যকৰী সভাপতি বাবুল মকছেদ আহমেদে। বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতিদ্বয় আলহাজুদ্দিন আহমেদ আৰু আৰফান আলীয়ে। আৰম্ভণিতে সভাৰ আদৰণি পৰ্বৰ আঁত ধৰে উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক মোস্তাক হুছেইনে।

## পুলিন পুঠাওসকলক স্মৰণ বিধায়কৰ

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ডিমৌ তাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত ডিমৌবাসী ৰাইজৰ সহযোগত ডিমৌ ৰাজহুৱা খেলপথাৰত উদ্‌যাপন কৰা হৈছে মে-ডাম-মে-ফি। তাই আহোম ছাত্ৰ সন্থাৰ ডিমৌ আঞ্চলিক সমিতিৰ উদ্যোগত আৰু ডিমৌবাসী ৰাইজৰ সহযোগত কালি দিনজোৰা কাৰ্যসূচীৰে পৱিত্ৰ মে-ডাম-মে-ফি আয়োজন কৰা হৈছে আহোমসকলৰ পৰম্পৰাগত পৱিত্ৰ ধৰ্মীয় নীতি-নিয়মেৰে। উল্লেখ্য যে, আজি তাই আহোমসকলৰ পৱিত্ৰ ধৰ্মীয় পৰম্পৰা 'মে-ডাম-মে-ফি', এই অনুষ্ঠানত আহোমসকলে পূৰ্বপুৰুষসকলক স্মৰণ কৰাৰ লগতে বিশ্ব শান্তিৰ বাবে পূজা-অৰ্চনা কৰে। এই পৰম্পৰাৰ জৰিয়তে উপৰিপুৰুষৰ স'তে অশাৰীৰিক যোগসূত্ৰ স্থাপন কৰি নিজৰ আৰু সমাজৰ তথা দেশৰ মংগল কামনা কৰি জন-মিং অৰ্থাৎ আশীৰ্বাদ বিচৰা হয়। মে-ডাম-মে-ফিৰ অৰ্থ হ'ল মে মানে তৰ্পণ বা প্ৰাৰ্থনা, ডাম মানে পূৰ্বপুৰুষ বা মৃতক আৰু ফি মানে মৃতকৰ দেও। অৰ্থাৎ মৃতকৰ আশীৰ্বাদ বিচাৰি কৰা প্ৰাৰ্থনা। এই অনুষ্ঠানত মেহেঙা অৰ্থাৎ শৰাই পাতি লেংডন দেৱতাকে ধৰি আঠজন ফিক উপাসনা কৰা হয়। ঐতিহ্যপূৰ্ণ থাওৱা দ'লত আয়োজন কৰা মে-ডাম-মে-ফিত উপস্থিত থাকিৰ থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে উপৰি পুৰুষক সেৱা আগবঢ়াই সকলোৰে শান্তি কামনা কৰে।

# চাৰি বছৰে নিৰ্মাণ নহ'ল ভগ্ন দলং



## ■ সুৱনখাটাত যাতায়াতৰ নামত ৰাইজৰ দুৰ্ভোগ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১ ফেব্ৰুৱাৰী ঃ** বাগ্‌সা জিলাৰ সুৱনখাটাত যাতায়াতৰ নামত ৰাইজে বাৰুকৈয়ে দুৰ্ভোগ ভুগি আহিছে। চাৰি বছৰ পূৰ্বে বানে বিধ্বস্ত কৰিছিল সুৱনখাটাৰ পৰা নিকাছি সংযোগী গড়কাপ্তানী পথৰ চাউলকাড়াত থকা দিৰিং নৈৰ ওপৰৰ পকী দলংখন। বানৰ প্ৰৱল সোঁতৰ বাবে দলংখনৰ পশ্চিম দিশৰ এটা অংশ বহি গৈছিল। ফলত কাৰ্যতঃ দুই টুকুৰা হৈছিল পকী দলংখন। পিছে আজি চাৰি বছৰ পৰ্যন্ত মেৰামতি নহ'ল ভগা পকী দলংখন। কোটিটকীয়া বিধ্বস্ত পকী দলংখনৰ মাজৰ ভগা অংশত ৰাইজে বাঁহৰ সাঁকো নিৰ্মাণ কৰি কোনোমতে বিপদসংকুলভাৱে যাতায়াত কৰিব লগা হৈছে। ছাত্ৰ-ছাত্ৰী তথা পথচাৰীসকলে যমৰ যাতনা ভুগিছে। বৰ্তমানৰ খৰালি কালত গৰিষ্ঠসংখ্যক ৰাইজে দলংখনৰ উত্তৰ দিশেৰে দিৰিং নৈৰ বুকুৰে যাতায়াত অব্যাহত ৰাখে যদিও বাৰিষা কালত যাতায়াতৰ নামত দুৰ্ভোগ ভুগিব লগা হয় পথচাৰীয়ে। সুৱনখাটা আৰু নিকাছিৰ দুখন বৃহৎ সাপ্তাহিক বজাৰ সংযোগী পথটোত বানে বিধ্বস্ত কৰা কোটিটকীয়া পকী দলংখন মেৰামতিৰ বাবে ৰাইজে আবেদন-নিবেদন কৰিছিল। কাৰণ দলংখনৰ আজিৰ এই অৱস্থাৰ বাবে অঞ্চলটোলৈ স্বাস্থ্যসেৱাৰ ১০৮ এম্বুলেঞ্চ যাব নোৱাৰে। বাৰিষা অতি জৰুৰী অৱস্থাত এম্বুলেঞ্চখন দলংখনৰ এটা মূৰে ৰাখি সাঙী কৰি বেমাৰী লৈ আহি নদীখন পাৰ কৰিব লাগে আৰু এম্বুলেঞ্চত উঠাই চিকিৎসালয়লৈ নিব লাগে। এই ব্যৱস্থাও অতি বিপজ্জনক। ৰাইজে উপায়বিহীন হৈহে এনে কাম কৰিব লাগে। অঞ্চলটো বৰমা বিধানসভা সমষ্টিৰ আৰু বাগানপাৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত। পিছে দুয়োগৰাকী জনপ্ৰতিনিধিয়ে বিগত সময়ছোৱাত দলংখনৰ ভগা অংশটো চায়ে সময় পাৰ কৰিলে। ৰাইজে ভগা দলংখন পুনৰ্নিৰ্মাণ কৰিবলৈ প্ৰৱল দাবী জনাইছিল যদিও বিভাগীয় কৰ্তৃপক্ষ তথা স্থানীয় জনপ্ৰতিনিধিয়ে কোনো ধৰণৰ গুৰুত্ব নিদিলে। বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত এই বিধ্বস্ত পকী দলংখন স্থানীয় জনপ্ৰতিনিধিক নিজে আহি চাবলৈ ৰাইজে দাবী জনাইছে আৰু বিপদসংকুল ভগা দৃশ্য দেখাৰ পাছত কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে ১৩ পৃষ্ঠাত চাওক

# পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী হাইস্কুলৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**পাটাছাৰকুছি, ১ ফেব্ৰুৱাৰী ঃ** পাঠশালাৰ আগশাৰীৰ অন্যতম শৈক্ষিক প্ৰতিষ্ঠান পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী হাইস্কুলৰ অষ্টাদশ প্ৰতিষ্ঠা দিৱস ক'ভিড-১৯ৰ প্ৰতি লক্ষ্য ৰাখি আজি বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা মূল অনুষ্ঠান পাঠশালা শিক্ষাপীঠ আৰু পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পতাকা উত্তোলন কৰি ভাষণ প্ৰদান কৰে ক্ৰমে পাঠশালা শিক্ষাপীঠৰ প্ৰতিষ্ঠাপক সভাপতি মনোমোহন শৰ্মা আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষক উৎপল বৰকাকতিয়ে। ইয়াৰ পাছতে শিক্ষক প্ৰাণজিৎ দাস আৰু শিক্ষয়িত্ৰী ৰঞ্জিতা তালুকদাৰৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলে প্ৰাৰ্থনাৰে ভগৱানৰ ওচৰত আশীৰ্বাদ বিচাৰে। বিদ্যালয়ৰ শিক্ষক নন্দ দুলাল চৌধুৰীয়ে সঞ্চালন কৰা অনুষ্ঠানত বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক জগদীশ চন্দ্ৰ ৰয়ে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰি ভাষণ আগবঢ়ায়। ইয়াৰ পাছতে বৰবাং (খান্দোপাৰা) গাঁৱৰ ভকতবৃন্দৰ দ্বাৰা অনুষ্ঠিত নাম-কীৰ্তন অনুষ্ঠান উদ্বোধন কৰে জনতা ১৩ পৃষ্ঠাত চাওক

# লখিমপুৰ গণেশ মন্দিৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৫৩ সংখ্যক জন্মদিন পালন



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১ ফেব্ৰুৱাৰী ঃ** বিজেপিৰ লখিমপুৰ ব্লক মণ্ডলে আজি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৫৩ সংখ্যক জন্মদিন উপলক্ষে মুখ্যমন্ত্ৰীৰ দীৰ্ঘায়ু কামনা কৰি লখিমপুৰ গণেশ মন্দিৰত এভাগী শৰাই আগবঢ়ায়। অনুষ্ঠানত মণ্ডলৰ সভাপতি সুৰেন্দ্ৰ খাটনিয়াৰ, সম্পাদক অভিজিত বৰুৱা প্ৰমুখ্যে মণ্ডলৰ অন্যান্য বিষয়ববীয়া-কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# ফুলপানীছিগা আঞ্চলিক ৰাস মহোৎসৱৰ ২০২১ৰ আয়-ব্যয়ৰ খতিয়ান দাখিল

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১ ফেব্ৰুৱাৰী ঃ** ফুলপানীছিগা আঞ্চলিক ৰাসোৎসৱ কলা-কৃষ্টি কেন্দ্ৰ নামঘৰত ইতিমধ্যে অনুষ্ঠিত হৈ যোৱা শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱৰ আয়-ব্যয়ৰ খতিয়ান যোৱা ৩১ জানুৱাৰীত দাখিল কৰে। এই উপলক্ষে পৰহি ৰাস মহোৎসৱৰ চৌহদত বিশিষ্ট সমাজকৰ্মী প্ৰেমধৰ নেওগৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ সম্পাদক বিশ্বজিৎ নেওগে আঁতধৰা সভাত হিচাপ পৰীক্ষকদ্বয় ৰঞ্জন দত্ত আৰু ৰবিশংকৰ বৰুৱাই ২০২১ ৰাস মহোৎসৱৰ আয়-ব্যয়ৰ খতিয়ান দাঙি ধৰে। আয়-ব্যয়ৰ খতিয়ান অনুসৰি সৰ্বমুঠ আয় হয় ৪,৮৮,৭৭১ টকা। ব্যয় হয় ২,৮৭,৪৯৫ টকা। মুঠ ৰাহি হয় ২,০১,২৭৬ টকা। হিচাপ পৰীক্ষকদ্বয়ে উদ্‌যাপন সমিতিৰ সম্পাদকে অতি নিয়াৰিকৈ বিত্তীয় দিশটো পৰিচালনা কৰিছে বুলি প্ৰশংসা কৰে। আনহাতে, এই সভাতেই ৰাস মহোৎসৱ পৰিচালনা সমিতিয়েও ২০২১ৰ বাৰ্ষিক আয়-ব্যয়ৰ খতিয়ান দাখিল কৰে। বছৰটোত বিভিন্ন উৎসৱৰ পৰা ৩,১৬,৫৯৫ টকা সংগ্ৰহ হোৱাৰ বিপৰীতে ১,১১,৬৮০ টকা খৰচ হোৱাৰ কথা আয়-ব্যয়ৰ খতিয়ানত প্ৰকাশ কৰে পৰিচালনা সমিতিৰ সম্পাদক পুষ্পধৰ নেওগে।

# তেজপুৰৰ দ পৰ্বতীয়াৰ তিনি শিল্পীলৈ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১ ফেব্ৰুৱাৰী ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ-পৰ্বতীয়া স্বপ্নলেখা শাখা সমিতিয়ে ২০২১-২২ৰ ৰাজ্য চৰকাৰৰ শিল্পী পেঞ্চনেৰে সন্মানিত তিনি শিল্পীক সম্বৰ্ধনা জনায়। দ-পৰ্বতীয়ালৈ বিশেষ গৌৰৱ কঢ়িয়াই অনা প্ৰবীণ নাট্য শিল্পী গিৰীশ বৰা, অভিনেতা তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী হৰেকৃষ্ণ মহন্ত আৰু বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী তথা অগ্ৰণী সমাজকৰ্মী হৰিনাৰায়ণ দাসৰ বাসগৃহলৈ গৈ সপৃথকে পৃথকে সম্বৰ্ধনা জ্ঞাপন কৰে সমিতিৰ সদস্যসকলে। স্বপ্নলেখাৰ সভানেত্ৰী লীলাৱতী বৰা আৰু সম্পাদিকা শিখালী শইকীয়াই আঁত ধৰা অনুষ্ঠানত সহযোগ কৰে কাৰ্যকৰী সভানেত্ৰী নিশা বৰা, উপ-সভানেত্ৰী স্বপ্না বণিয়া, সহকাৰী সম্পাদিকা ভৈৰবী তামুলীকে ধৰি প্ৰায় ১২ গৰাকী বিষয়ববীয়া আৰু সদস্যই ঐতিহ্যমণ্ডিত দ-পৰ্বতীয়াৰ গৌৰৱ স্বৰূপ শিল্পী তিনিজনক গামোচা আৰু একোখনকৈ সম্বৰ্ধনা পত্ৰৰে সন্মান জনোৱাৰ উপৰি পত্ৰিকা সম্পাদিকা চম্পা দিহিংগীয়া মহন্তই এটি স্বৰচিত কবিতাৰে শিল্পী কেইগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। উল্লেখ্য যে দ-পৰ্বতীয়া নিবাসী এই তিনি প্ৰবীণ শিল্পীয়ে সুদীৰ্ঘকাল ধৰি নিজা ক্ষেত্ৰখনলৈ বিশেষ অৱদান যোগাই আহিছে।

# তামুলপুৰ জিলা বিজেপি সংখ্যালঘু মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১ ফেব্ৰুৱাৰী ঃ** তামুলপুৰ জিলা বিজেপি সংখ্যালঘু মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক আজি তামুলপুৰ জিলা সদৰ মটঙাপাৰস্থিত ৰাজহুৱা উদ্যানত অনুষ্ঠিত হয়। তামুলপুৰ জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি ইমামুদ্দিন আহমেদে সভাপতিত্ব কৰা সভাত তামুলপুৰ জিলা বিজেপি সংখ্যালঘু মৰ্চাৰ সাংগঠনিক দিশৰ ওপৰত আলোচনা কৰাৰ লগতে বিজেপি চৰকাৰৰ আঁচনিসমূহ সৰ্বসাধাৰণ ৰাইজৰ মাজলৈ কেনেদৰে আগুৱাই নিব পাৰি তাৰ ওপৰত আলোচনা কৰা হয়। সভাত ৰাজ্যিক বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি শান্তিয়াছ কুজুৰে দলীয় কৰ্মীসকলক উদ্দেশি বক্তব্য ১৩ পৃষ্ঠাত চাওক

# ঐতিহাসিক নামতিদ'লত মে-ডাম-মে-ফি উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নামতি, ১ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ ইতিহাস প্ৰসিদ্ধ নামতিদ'ল চাও চেং ৰেণ প্ৰাংগণত কালি সদৌ অসম আহোম সভা নামতি আঞ্চলিক সমিতিৰ উদ্যোগত আটাছু নামতি আঞ্চলিক সমিতি, তাই ভাষা সংস্কৃতি বিকাশ সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত কেন্দ্ৰীয়ভাৱে মে-ডাম-মে-ফি উৎসৱ উদ্‌যাপন কৰা হয়। পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলে ব্যৱসায়ী ভাস্কৰ বৰুৱাই। ইয়াৰ পাছত মৈদাম তৰ্পণ কৰে প্ৰাক্তন স্বাস্থ্য বিভাগৰ কৰ্মচাৰী ৰত্নেশ্বৰ ঢেকিয়াল ফুকন আৰু জ্যেষ্ঠ শিক্ষক তৰুণ গগৈয়ে। ছ্যুকাফাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ কুমাৰ গগৈয়ে। প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে শিক্ষক পদ্মলোচন গগৈয়ে। ফুৰালুং পূজা সমাপন কৰে তাই পুৰোহিত হেম গগৈয়ে। মে-ডাম-মে-ফি উৎসৱৰ তাৎপৰ্য আৰু উৎসৱটোত পালন কৰিবলগীয়া কাৰ্যসূচী সন্দৰ্ভত শিক্ষক তৰুণ গগৈৰ পৰিচালনাত অনুষ্ঠিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰে ৰত্নেশ্বৰ ঢেকিয়াল ফুকন, প্ৰবীণ কুমাৰ গগৈ, পদ্মলোচন গগৈ, হেমকান্ত গগৈ, বিনোদ গগৈ, হেমন্ত বৰুৱা, ৰত্নদীপ বৰগোহাঁই আদিয়ে। অনুষ্ঠানত আমগুৰিৰ ১৩ পৃষ্ঠাত চাওক

# কচুৱাত একে নিশাই দুঠাইত চুৰি

অগ্ৰদূত বাৰ্তা


**কচুৱা, ১ ফেব্ৰুৱাৰী ঃ** কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত সোণাৰুগুৰি আৰু বগৰিতলত যোৱা নিশা দুঠাইত চুৰি কাৰ্য সংঘটিত হয়। সোণাৰুগুৰি আৰু বগৰিতলস্থিত জামে মছজিদৰ দানপাত্ৰৰ তলা ভাঙি প্ৰায় ৪০ হেজাৰ টকা চোৰে লুটি লৈ যায়। উল্লেখ্য যে দুয়োটা দানপাত্ৰৰ পৰা মাহে প্ৰায় ৪০-৪২ হেজাৰ টকা মছজিদ কমিটীয়ে সংগ্ৰহ কৰি মছজিদৰে নিৰ্মাণ আদি যাৱতীয় কামত খৰচ কৰে। পূৰ্বে এই দানপাত্ৰ দুটাৰ পৰা একাধিকবাৰ চুৰি কাৰ্য সংঘটিত হয় যদিও আজি পৰ্যন্ত তেনে অসাধু লোকক ধৰা পেলাব পৰা নাই। এনে ঘৃণনীয় কাৰ্যক স্থানীয় ৰাইজৰ লগতে দুয়োটা মছজিদ কমিটীয়ে গৰিহণা দিয়ে।

# অৱসৰপ্ৰাপ্ত শিক্ষক অমূল্য সন্দিকৈৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ১ ফেব্ৰুৱাৰী ঃ** বৰহোলাৰ বৰেণ্য ব্যক্তি, বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সেউজী কানন শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক, স্বাধীনতা যুঁজাৰু অমূল্য সন্দিকৈ (৯৪)ৰ যোৱা নিশা নিজা বাসগৃহত মৃত্যু হয়। বাৰ্ধক্যজনিত কাৰণত মৃত্যু হোৱা সন্দিকৈৰ মৃত্যুত বৰহোলা অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, বৰহোলাৰ বিশিষ্ট ব্যক্তিসকল একত্ৰিত হৈ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ১৯২৭ত গোলাঘাটৰ ফৰকাটিং বাঁহবৰীয়া গাঁৱত জন্মগ্ৰহণ কৰা সন্দিকৈয়ে গোলাঘাট ডি আৰ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। সন্দিকৈ ডি আৰ কলেজৰ আলোচনী 'দেৱৰাজিয়ান'ৰ অসমীয়া বিভাগটোৰ প্ৰথম সম্পাদক আছিল। শিক্ষা শেষ কৰি সন্দিকৈয়ে নোগোৱা মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকৰূপে ১৩ পৃষ্ঠাত চাওক

# হামৰেণত ড্ৰাগছসহ ধৃত চাৰি



অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ১ ফেব্ৰুৱাৰী ঃ** ড্ৰাগছ বিৰোধী অভিযানত আৰু অধিক কঠোৰ হৈ পৰিছে হামৰেণ আৰক্ষী। পশ্চিম কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তত এটাৰ পাছত আনটো ড্ৰাগছ আসক্তক আটক কৰাৰ পাছত যোৱা নিশা জিলাখনৰ হামৰেণ, জিৰিকিন্দেং, ডংকামোকাম আৰু সাত গাঁৱৰ পৰা ১৮.৬১ গ্ৰাম সন্দেহযুক্ত হেৰ'ইন ড্ৰাগছ, খালী প্লাষ্টিক কণ্টেইনাৰসহ পাঁচটা ছিৰিঞ্জ আৰু ২৮টা কেপচুলসহ চাৰিজন ড্ৰাগছ আসক্তক উদ্ধাৰ কৰে। ড্ৰাগছ আসক্ত যুৱককেইজন ক্ৰমে জনাছিং বে', ৰাজেন টেৰণ, জয়ছিং টিমুং আৰু আলফায়জ চিঙ্ঠওক আটক কৰি আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

# সৰুপথাৰত বিজেপি যুৱ মৰ্চাৰ মুখ্যমন্ত্ৰীৰ জন্মদিন উদ্‌যাপন



**সৰুপথাৰ, ১ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে সৰুপথাৰতো অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন উদ্‌যাপন কৰা হয়। আজি সৰুপথাৰ, বৰপথাৰ আৰু উৰিয়ামঘাট বিজেপি যুৱ মৰ্চাৰ সদস্যসকলে মুখ্যমন্ত্ৰীৰ জন্মদিন উপলক্ষে গন্ধকৰৈ শ্ৰীশ্ৰী বাৰেখেলীয়া নামঘৰত শৰাই আগবঢ়ায়। লগতে সকলোৱে তেওঁৰ হৈ নাম-প্ৰসংগ কৰি অসমৰ মুখ্যমন্ত্ৰীজনৰ সুস্বাস্থ্য আৰু সুন্দৰ-সবল নেতৃত্বৰে অসমখনক আগুৱাই নিয়াৰ অৰ্থে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনায়। যুৱ মৰ্চাৰ সদস্যসকলে পুৱাৰ ভাগতে শ্ৰীশ্ৰী বাৰেখেলীয়া নামঘৰত আহি ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ এখন শৰাই আগবঢ়াই সুন্দৰভাৱে নাম-প্ৰসংগত ভাগ লয়।

# যোৰহাটত ছয় জুৱাৰী গ্ৰেপ্তাৰ, নগদ ধন উদ্ধাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১ ফেব্ৰুৱাৰী ঃ** নগৰৰ উপকণ্ঠ গড়মূৰ গ্ৰীণ পাৰ্কৰ পৰা যোৱা নিশা ছজন জুৱাৰীক আৰক্ষীয়ে আটক কৰাৰ লগতে ৩৩ হেজাৰ নগদ ধন, আঠটা ম'বাইল ফোনসহ জুৱাত ব্যৱহৃত তাচপাত উদ্ধাৰ কৰে। গোপন সূত্ৰৰ পম খেদি যোৰহাট সদৰ আৰক্ষী থানাৰ আৰক্ষীৰ এটা দলে গ্ৰীণ পাৰ্কৰ এটা ভাড়াঘৰত তালাচী চলাই ত্ৰিদীপ বৰুৱা, অনিল দাস, প্ৰাণজ্যোতি শৰ্মা, অনুপ দাস, অভিজিত দাস আৰু দিগন্ত ৰাজখোৱা নামৰ জুৱাৰীকেইজনক নগদ ধনসহ গ্ৰেপ্তাৰ ১৩ পৃষ্ঠাত চাওক

# হাজো-নকুছিৰ ধৰ্মপ্ৰাণা বৃদ্ধা সুশীলা দেৱীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**হাজো, ১ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত মনাহকুছি-নকুছিৰ ধৰ্মপ্ৰাণা বৃদ্ধা সুশীলা দেৱী (৯০)ৰ মৃত্যুত অঞ্চল জুৰি গভীৰ শোকৰ ছাঁ পৰিছে। দীৰ্ঘদিন ধৰি বাৰ্ধক্যজনিত কাৰণত বিছনাত পৰি থকা দেৱীয়ে যোৱা নিশা শেষ নিশ্বাস ত্যাগ কৰে। অঞ্চলটোত এগৰাকী ধৰ্মপ্ৰাণা মহিলাৰূপে পৰিচিত দেৱীৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। মৃত্যুৰ সময়ত পাঁচগৰাকী পুত্ৰ-বোৱাৰী, দুগৰাকী জী-জোঁৱাই, নাতি-নাতিনীক ইহসংসাৰত এৰি যায়।

# ননকে খাগ্ৰাবাৰী-নৰশিংবাৰীত স্থায়ী আৰক্ষী চকীৰ দাবীত উপায়ুক্তক স্মাৰকপত্ৰ



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ ফেব্ৰুৱাৰী ঃ** বাগ্‌সাৰ শালবাৰীৰ ননকে খাগ্ৰাবাৰী আৰু নৰশিংবাৰীত স্থায়ী আৰক্ষী পহৰা চকী স্থাপনৰ দাবীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ বাগ্‌সা জিলা সমিতিয়ে আজি জিলা উপায়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰখনত উল্লেখ কৰা অনুসৰি, বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ গোবৰ্ধনা আৰক্ষী থানাৰ অন্তৰ্গত নৰশিংবাৰীত যোৱা ২০১৪ৰ পহিলা মে'ত দুজন আৰু দুই মে'ত মানাহৰ সমীপৱৰ্তী ননকে খাগ্ৰাবাৰীত ৩৮ জনকৈ নিৰীহ লোকক দিন দুপৰতে উগ্ৰপন্থীয়ে ধাৰাসাৰ গুলিবৰ্ষণ কৰি হত্যা কৰিছিল। সেই অঞ্চলৰ ৰাইজৰ নিৰাপত্তাৰ বাবে আমছু তথা অন্যান্য দল-সংগঠনৰ লগতে ৰাইজৰ দাবীত সেই সময়ৰ জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ প্ৰচেষ্টাত ননকে খাগ্ৰাবাৰী আৰু নৰশিংবাৰীত এখনকৈ আৰক্ষী পহৰা চকী স্থাপন কৰা হৈছিল। কিন্তু হঠাৎ যোৱা ২০২১ৰ ১৩ নৱেম্বৰত নৰশিংবাৰী আৰু ২০২২ৰ ৩০ জানুৱাৰীত ননকে খাগ্ৰাবাৰীত থকা আৰক্ষী পহৰা চকী দুখন খালী কৰি সমূহ সা-সামগ্ৰীলৈ বেটেলিয়নৰ দল দুটা গুচি ১৩ পৃষ্ঠাত চাওক

# পৰ্বতঝোৰাত দুই চোৰাং গৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ



**তামাৰহাট, ১ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত টিপকাই আৰক্ষী চকীৰ আৰক্ষীয়ে বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই দুজন লোকক গ্ৰেপ্তাৰ কৰে। অবৈধ আৰু চোৰাং পথেৰে গৰু সৰবৰাহ কৰাৰ অপৰাধত লোক দুজনক গ্ৰেপ্তাৰ কৰি আজি জেললৈ প্ৰেৰণ কৰে। ধৃত গৰু সৰবৰাহকাৰী দুজন হৈছে গোসাঁইগাঁৱৰ লতামাৰি গাঁৱৰ ইলিয়াছ টুডু (২৬) আৰু মাটিয়াজুৰি গাঁৱৰ উত্তম কিস্কু (২৯)। সিহঁতৰ বিৰুদ্ধে পৰ্বতঝোৰা মহকুমা বগৰীবাৰী থানাত এখন গোচৰ পঞ্জীয়ন কৰি আদালতত হাজিৰ কৰাই পাঁচদিনৰ বাবে আৰক্ষী জিন্মাত বিচাৰে। উল্লেখ্য যে ৩০ জানুৱাৰীৰ পুৱা টিপকাই আৰক্ষী চকীৰ হাতীখেলত আৰক্ষী যে অভিযান চলাই ন টা গৰু আৰু দুটা ম'হ জব্দ কৰিছিল। গৰু-ম'হকেইটা দুয়োজন ব্যক্তিয়ে বংগৰ পৰা চোৰাং পথেৰে সৰবৰাহ কৰিছিল বুলি আৰক্ষীৰ আগত স্বীকাৰ কৰে। ঠিক একেদৰে কালি দুটা গৰু চোৰাং পথেৰে নিয়া খবৰ পাই টিপকাই আৰক্ষী চকীৰ আৰক্ষী আৰু গ্ৰাহামপুৰ আৰক্ষী চকীৰ আৰক্ষী বিষয়াই যৌথ অভিযান চলাই লোক দুজনক গ্ৰেপ্তাৰ কৰে।

# সৃজনগ্ৰামত সাৰ্বজনীন পালনাম মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম আঞ্চলিক সাৰ্বজনীন পালনাম মহোৎসৱ উদ্‌যাপন সমিতিৰ বাৰ্ষিক সাধাৰণ সভা আজি অনুষ্ঠিত হয়। সভাপতি সুৰেন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিগত ৩৪ সংখ্যক মহোৎসৱৰ হিচাপ-নিকাচ দাঙি ধৰে কোষাধ্যক্ষ নিকুঞ্জ কলিতাই। সেই মতে সভাত পাঁচ হেজাৰ ৭৩ টকা ৰাহি হোৱাৰ খতিয়ান সভাই সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। সাধাৰণ সম্পাদক দিলীপ কুমাৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰা সভাত আগন্তুক ৩৫ সংখ্যক পালনাম মহোৎসৱ ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্যসূচী সংকুচিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই মতে, অহা ১৫ আৰু ১৬ ফেব্ৰুৱাৰীত উক্ত মহোৎসৱ উদ্‌যাপনৰ বাবে সুৰেন দাসক সভাপতি, দিলীপ কুমাৰ নাথক সাধাৰণ সম্পাদক আৰু নিকুঞ্জ কলিতাক কোষাধ্যক্ষৰূপে লৈ পূৰ্বৰ সমিতিখনকে বাহাল ৰাখি মহোৎসৱ উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# ইউবিপিঅ'ৰ লক্ষীপুৰ আঞ্চলিক সমিতিৰ অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ১ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বেছৰকোণা-পুখুৰীপাৰাস্থ ৰাজহুৱা ভৱনত অনুষ্ঠিত 'সংযুক্ত বড়ো গণ মঞ্চ' সংক্ষেপে (ইউবিপিঅ')ৰ লক্ষীপুৰ আঞ্চলিক সমিতিৰ প্ৰথম দ্বিবাৰ্ষিক অধিবেশনৰ পৰহি সামৰণি পৰে। ২৯ জানুৱাৰীৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত অধিবেশনৰ দ্বিতীয় দিনা কালি পতাকা উত্তোলন কৰে ইউবিপিঅ'ৰ লক্ষীপুৰ আঞ্চলিক সমিতিৰ সভাপতি অভিৰাম বড়োৱে। পাছত ছহিদ তৰ্পণ কৰে ইউবিপিঅ'ৰ লক্ষীপুৰ আঞ্চলিক সমিতিৰ উপ-সভাপতি শুভনাৰায়ণ বসুমতাৰীয়ে। অভিৰাম বড়োৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে বড়ো লেখক সন্থাৰ সম্পাদক শুভৰাম বসুমতাৰীয়ে। মুকলি সভাত সংযুক্ত বড়ো গণ মঞ্চৰ সভাপতি মনোৰঞ্জন বসুমতাৰী, বিকেডব্লিউএচিৰ মুখ্য কাৰ্যবাহী সদস্য মহিনিশ্বৰ বসুমতাৰী প্ৰমুখ্যে বহুকেইটা বড়ো জাতীয় সংগঠনৰ নেতা উপস্থিত থাকে। সভাত সভাপতি মনোৰঞ্জন বসুমতাৰীয়ে কয় যে বড়োসকলৰ ৰাজনৈতিক, আৰ্থ-সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক দিশত উত্তৰণ আৰু আত্মনিয়ন্ত্ৰণৰ দাবীত এক দীঘলীয়া বড়ো আন্দোলনৰ ফলশ্ৰুতিত তিনিখনকৈ শান্তি চুক্তি সম্পাদিত হৈছিল। আনহাতে, বিগত ২০২০ৰ ২৭ জানুৱাৰীত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ, এবছু, ইউবিপিঅ' আৰু এনডিএফবিএই চাৰিটা গোটৰ মাজত ১৩ পৃষ্ঠাত চাওক

# বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈও নামভৰ্তি কৰিব নাপালে নাৰ্ছিং বিদ্যালয়ত

## ■ আইঅ'চিৰ হঠকাৰী সিদ্ধান্তত শিক্ষা জীৱন অন্ধকাৰ হোৱাৰ দিশে মেধাৱী ছাত্ৰী

**ডিগবৈ, ১ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় তেল নিগম অসম সংমণ্ডল বিষয়াবৰ্গৰ হঠকাৰী সিদ্ধান্তৰ বাবে ডিগবৈৰ তিনি মেধাৱী ছাত্ৰীৰ শিক্ষা জীৱন অন্ধকাৰ দিশে গতি কৰিছে। সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈও নামভৰ্তি কৰিব নাপালে ডিগবৈ লক্ষীপথাৰৰ তিনি ছাত্ৰী ক্ৰমে দীব্যজ্যোতি কাৰ্কী, অমীশা ছেত্ৰী আৰু মনালিছা খাকলাৰীয়ে। ডিগবৈ ভাৰতীয় তেল নিগমৰ অধীনস্থ নাৰ্ছিং স্কুলত জি এন এম নাৰ্ছিং শিক্ষা গ্ৰহণৰ বাবে ৰাজ্যৰ আন আন জিলাৰ ছাত্ৰীসমূহৰ দৰে যোৱা ১৯ ডিচেম্বৰত অনুষ্ঠিত প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হৈ ২৯ ডিচেম্বৰত ঘোষণা কৰা ফলাফলত সুখ্যাতিৰে নাম সন্নিৱিষ্ট কৰিবলৈ সক্ষম হৈছিল। কিন্তু ভাৰতীয় তেল নিগম অসম সংমণ্ডল বিষয়াবৰ্গৰ মতে উত্তীৰ্ণ ছাত্ৰী কেইগৰাকী ডিগবৈ বিধানসভা সমষ্টিৰ নোহোৱাটোৱেই ছাত্ৰী কেইগৰাকীৰ দোষ। তেওঁলোকৰ ঠিকনা আৰক্ষী থানা ডিগবৈ, নিয়োগ বিনিময় কেন্দ্ৰ ডিগবৈৰ অন্তৰ্গত; কিন্তু ৰাজনৈতিক ক্ষেত্ৰৰ পৰিসীমা তিনিচুকীয়া বিধানসভা সমষ্টি। আইঅ'চি কৰ্তৃপক্ষই সদৰী কৰা মতে, ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত ছগৰাকী ছাত্ৰীৰ বাবে নাৰ্ছিং স্কুলখনত ছখন আসন সংৰক্ষিত আৰু লক্ষীপথাৰৰ বঞ্চিত তিনিওগৰাকী ছাত্ৰী আইঅ'চিয়ে সংৰক্ষিত আসনত নাম সন্নিৱিষ্ট কৰি ৰাখিছিল। প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পাছত ছাত্ৰী কেইগৰাকীক নামভৰ্তিৰ প্ৰাক্‌ক্ষণত আইঅ'চিয়ে স্বাস্থ্য পৰীক্ষাও কৰোৱায়; কিন্তু নামভৰ্তিৰ মাত্ৰ এদিনৰ পূৰ্বে ছাত্ৰী কেইগৰাকী তিনিচুকীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত হোৱাৰ অজুহাত দেখুৱাই নামভৰ্তি কৰিবলৈ দিয়া নহ'ব বুলি আইঅ'চিয়ে অৱগত কৰাত চৰম হতাশাত ভুগিছে মেধাৱী ছাত্ৰী কেইগৰাকীয়ে। অসমৰ আন আন জিলাৰ পৰা আবেদন কৰা ছাত্ৰীসকলৰ দৰে সাধাৰণ শ্ৰেণীত উক্ত ছাত্ৰী কেইগৰাকীয়ে আবেদন কৰিছিল; কিন্তু তাৎপৰ্যপূৰ্ণ বিষয় যে বঞ্চিত ছাত্ৰ কেইগৰাকীয়ে ডিগবৈ সমষ্টিৰ নিৰ্দিষ্ট সংৰক্ষিত আসনৰ বাবে আবেদন পূৰণ কৰা নাছিল। আইঅ'চি বিষয়াবৰ্গই বঞ্চিত ছাত্ৰী কেইগৰাকীৰ অজ্ঞাতে ডিগবৈ সমষ্টিৰ সংৰক্ষিত ১৩ পৃষ্ঠাত চাওক

# অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী খুদেশ্বৰী মহন্তৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**বোকখাত, ১ ফেব্ৰুৱাৰী ঃ** বোকাখাতৰ বালিজান নতুন গাঁও নিবাসী মহমাইকী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী খুদেশ্বৰী মহন্ত (৮২)ৰ আজি পুৱা নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। কুৰুৱাবাহী মিছামৰীয়া প্ৰাথমিক বিদ্যালয়ত শিক্ষয়িত্ৰীৰূপে নিজৰ কৰ্মজীৱন আৰম্ভ কৰা মহন্তই ২০০২ত কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত মহন্তৰ মৃত্যুত বোকাখাত আঞ্চলিক পালনাম সমিতি, নতুন গাঁও নামঘৰ পৰিচালনা সমিতি, কাজিৰঙা নিউজ নেটৱৰ্কক ধৰি বহু অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

# কলিয়াবৰৰ বুঢ়াপাহাৰত তেলৰ টেংকাৰ দুৰ্ঘটনাগ্ৰস্ত

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১ ফেব্ৰুৱাৰী ঃ** কলিয়াবৰৰ বুঢ়াপাহাৰৰ সমীপৰৱৰ্তী দেওচুৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত সংঘটিত হৈছে এক পথ দুৰ্ঘটনা। নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিৰ খাৰৈত বাগৰি পৰে এখন তেল পৰিবাহী টেংকাৰ। নিশাই সংঘটিত হয় এই ঘটনা। ইফালে, দুৰ্ঘটনাগ্ৰস্ত টেংকাৰখনৰ পৰা দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে তেল নিৰ্গত হোৱাক কেন্দ্ৰ কৰি অঞ্চলজুৰি বিৰাজ কৰিছে তীব্ৰ আতংক। দুৰ্ঘটনাগ্ৰস্ত টেংকাৰখনৰ নম্বৰ এ এছ-০১ চি চি-৭৯৯৮। প্ৰাপ্ত তথ্য মতে, যোৰহাটৰ পৰা গুৱাহাটী অভিমুখী আছিল তেলভৰ্তি টেংকাৰখন। তীব্ৰবেগী টেংকাৰখনে নিশা নিয়ন্ত্ৰণ হেৰুৱাই ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা বাগৰি পৰে। তিনিখনকৈ ক্ৰেনে টেংকাৰখন উঠাবলৈ চেষ্টা চলাই খাৰৈৰ পৰা উঠাই তেলভৰ্তি টেংকাৰখন। ইফালে, দুৰ্ঘটনাগ্ৰস্ত টেংকাৰখনৰ পৰা পেট্ৰ'ল নিৰ্গত হৈ থকাত দুৰ্যোগৰ শংকাত ঘটনাস্থলীত সক্ৰিয় হৈ আছে অগ্নিনিৰ্বাপক বাহিনী। ইফালে, দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে একাংশ স্থানীয় লোকৰ লগতে পথেৰে যোৱা ট্ৰাকচালকে বিপদসংকুলভাৱে টেংকাৰখনৰ পৰা তেল সংগ্ৰহ কৰাৰ দৃশ্যই দুৰ্ঘটনাৰ অধিক শংকা ঘনীভূত কৰিছে।



## চাৰি বছৰে নিৰ্মাণ নহ'ল ভগ্ন দলং

*১২ পৃষ্ঠাৰ পৰা* সেয়া পৰৱৰ্তী সময়তহে লক্ষণীয় হ'ব । শেহতীয়াভাৱে স্কুলীয়া ছাত্ৰসকলে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক 'মামা' বুলি সম্বোধন কৰি অতিশীঘ্ৰে এইখন পকী দলং মেৰামতি কৰি দিবলৈ অনুৰোধ জনাইছে। বাগানপাৰাৰ বাস্কা মহাবিদ্যালয়ৰ ছাত্ৰ হৰিচৰণ বড়োৱে কয়, 'এয়াই হৈছে বিটিআৰ চৰকাৰৰ উন্নয়নৰ নগ্ন ছবি।' নিকাছিৰ জ্ঞানপীঠ মহাবিদ্যালয়ৰ ছাত্ৰী তিলোমায়া ঘিমিৰে , ছাত্ৰ মোহন ৰিজাল, অনন্ত ৰাজবংশীয়েও ভগা দলংখন দীৰ্ঘদিনে মেৰামতি কৰি ৰাইজৰ যাতায়াতৰ বাবে সুচল কৰি নিদিয়াত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে।

## যোৰহাটত ছয় জুৱাৰী গ্ৰেপ্তাৰ, নগদ ধন

*১২ পৃষ্ঠাৰ পৰা* কৰিবলৈ সক্ষম হয়। এই সংক্ৰান্তত যোৰহাট সদৰ আৰক্ষী থানাত অসম গেম আৰু বেটিং আইনৰ ১৩/১৪ ধাৰাৰ অধীনত ১২২/২২নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছে। ইপিনে, ধৃত জুৱাৰীকেইজনক আজি আদালতত হাজিৰ কৰাৰ পাছত আদালতে জেল হাজোতলৈ প্ৰেৰণ কৰে।

## ঐতিহাসিক নামতিদ'লত মে-ডাম-মে-ফি

*১২ পৃষ্ঠাৰ পৰা* খণ্ড উন্নয়ন বিষয়া অংকনজ্যোতি গগৈয়ে প্ৰাচীন কীৰ্তিচিহ্নসমূহ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে বক্তব্য প্ৰদান কৰে। সদৌ অসম আহোম সভাৰ সহকাৰী সম্পাদক হেমন্ত গগৈ আৰু সাংগঠনিক সম্পাদক প্ৰমোদ বুঢ়াগোহাঁয়ে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। অনুষ্ঠানত তাই ভাগৱত পাঠ, সমজুৱা তাই নাম আৰু আই চিং লাও আদি পৰিৱেশন কৰা হয়। বিয়লি প্ৰীতিভোজৰ পাছত অনুষ্ঠানৰ সামৰণি মৰা হয়।

## পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী

*১২ পৃষ্ঠাৰ পৰা* হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মনোৰঞ্জন গোস্বামীয়ে। সন্ধিয়া বন্তি প্ৰজ্বলন অনুষ্ঠান বুনিয়াদী শাখাৰ প্ৰধান শিক্ষক প্ৰবীৰ কুমাৰ দেৱশৰ্মাৰ উদ্বোধনেৰে সামৰণি পৰে। অনুষ্ঠানত শিক্ষক নন্দ দুলাল চৌধুৰীয়ে শিক্ষাৰ্থীক উৰি থকা পতাকাৰ তলত প্ৰকৃত মানৱ সম্পদ হ'বৰ বাবে সংকল্প ল'বলৈ আহ্বান জনায়।

## ননকে খাগ্ৰাবাৰী-নৰশিংবাৰীত স্থায়ী

*১২ পৃষ্ঠাৰ পৰা* যায়। যিহেতু উক্ত অঞ্চলটো অতি ভিতৰুৱা, চাৰিওফালে জংঘল আৰু নৈৰ মাজত অৱস্থিত। এতিয়াও সেই অঞ্চলৰ ৰাইজে ভয় আৰু শংকাৰ মাজেৰে দিন কটাবলগীয়া পৰিৱেশৰ মাজত বসবাস কৰি আছে। গতিকে সেই অঞ্চলৰ ৰাইজৰ নিৰাপত্তা সু-নিশ্চিত কৰাৰ বাবে দুয়োটা অঞ্চলত যাতে পুনৰাই স্থায়ীভাৱে আৰক্ষী পহৰা চকী স্থাপন কৰি দিয়ে তাৰ বাবে স্মাৰকপত্ৰখনৰ জৰিয়তে বাগ্‌সা জিলা উপায়ুক্তক দাবী জনোৱা হয়। আজি স্মাৰকপত্ৰ প্ৰদানৰ সময়ত আমছুৰ বাগ্‌সা জিলা সমিতিৰ মুখ্য উপদেষ্টা মইনুল হক খান, সভাপতি ছাইফুল ইছলাম খান, উপ-সভাপতি ছামছুল হক, সাধাৰণ সম্পাদক সাহাদত হুছেইন, সহকাৰী সাধাৰণ সম্পাদক হাফিজুৰ ৰহমান আদি উপস্থিত থাকে।

## তামুলপুৰ জিলা বিজেপি সংখ্যালঘু মৰ্চাৰ

*১২ পৃষ্ঠাৰ পৰা* আগবঢ়ায়। সভাত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, এমচিএলএ হেমন্ত কুমাৰ ৰাভা, ৰাজ্যিক সম্পাদক মোস্তাক উদ্দিন আহমেদ, উপ- সভানেত্ৰী অঞ্জুমা বেগম, জিলা প্ৰভাৰী তফজুল আলী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ইক্ৰাম আলী সমন্বিতে তামুলপুৰ জিলাৰ অন্তৰ্গত দৰংগাজুলি, গয়বাৰী, নাগ্ৰীজুলি, শুক্লাই চেৰফাং মণ্ডলৰ সভাপতি-সম্পাদকসকলৰ লগতে কাৰ্যকৰ্তাসকল উপস্থিত থাকে। সভাৰ শেষত সাংবাদিকৰে হোৱা বাৰ্তালাপত ৰাজ্যিক বিজেপি সংখ্যালঘু মৰ্চাৰ সভাপতি কুজুৰে কয়, 'আগন্তুক দিনত তামুলপুৰত কিদৰে সংখ্যালঘু ৰাইজক আগবঢ়াই লৈ যাব পাৰি, কিদৰে সংখ্যালঘু ৰাইজৰ বাবে অহা চৰকাৰী আঁচনিসমূহ সংখ্যালঘু ৰাইজৰ ঘৰে ঘৰে লৈ যাব পাৰি সেই বিষয়বোৰ গুৰুত্ব সহকাৰে আলোচনা কৰা হৈছে। তদুপৰি আগন্তুক দিনত সংখ্যালঘু ৰাইজক বিজেপিৰ প্ৰতি আকৰ্ষিত কৰি দলত যোগদান কৰাব পাৰি সেই লৈয়ো চিন্তা-চৰ্চা কৰা হৈছে।' অহা ফেব্ৰুৱাৰী-মাৰ্চত বিজেপিত সংখ্যালঘু মৰ্চাই জিলা, মণ্ডল পৰ্যায়ত যোগদান কাৰ্যসূচীৰ ৰূপায়ণ কৰিবলৈ চিন্তা-চৰ্চা কৰাৰ কথাও সদৰী কৰে বিজেপি সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক সভাপতিজনে।

## বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈও নামভৰ্তি

*১২ পৃষ্ঠাৰ পৰা* আসনত নামকেইটা সন্নিৱিষ্ট কৰাত পৰৱৰ্তী সময়ত তিনিচুকীয়া সমষ্টিৰ অন্তৰ্গত বুলি অজুহাত দেখুৱাই নামভৰ্তি কৰিবলৈ নিদিলে। উল্লেখ্য যে নাৰ্ছিং পাঠ্যক্ৰম অধ্যয়নৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ তৰফৰ পৰা প্ৰদান কৰা আবেদন প্ৰ-পত্ৰত কোন বিধানসভা সমষ্টিৰ অন্তৰ্গত তথ্য পূৰণৰ কোনো দফা উল্লেখ নাছিল। ফলাফল প্ৰকাশ পোৱাৰ পাছত নাৰ্ছিং পাঠ্যক্ৰম পঢ়াৰ আশাতে কলেজীয়া ছাত্ৰী কেইগৰাকীয়ে মহাবিদ্যালয়ৰ শিক্ষা গ্ৰহণো প্ৰায় এৰি দিয়ে। অন্তিম মুহূৰ্তত নাৰ্ছিং পাঠ্যক্ৰমত অধ্যয়ন কৰিবলৈ আইঅ'চি কৰ্তৃপক্ষৰ তৰফৰ পৰা কৰা মইমতালিৰ বাবে নাৰ্ছিং পাঠ্যক্ৰমত নামভৰ্তি কৰিবলৈ নোপোৱাত বিবুধিত পৰিছে ছাত্ৰী কেইগৰাকীয়ে। প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা, আইঅ'চি বিষয়াবৰ্গৰ নিজা মূৰ্খামিৰ বাবে নামভৰ্তি কৰিবলৈ অনুমতি প্ৰদান নকৰা ছাত্ৰী কেইগৰাকীয়ে আন আন জিলাৰ ছাত্ৰীসকলৰ দৰে নামভৰ্তিৰ ব্যৱস্থা কৰি দিবলৈ দাবী জনাইছে আইঅ'চি কৰ্তৃপক্ষক। তদুপৰি ছাত্ৰী কেইগৰাকীক অজ্ঞাতে কিয় আইঅ'চি কৰ্তৃপক্ষই গোপনে ডিগবৈ সমষ্টিৰ সংৰক্ষিত আসনত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰিছিল বুলি ডিগবৈ আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে বিভিন্ন জনে প্ৰশ্ন কৰিছে। আইঅ'চি কৰ্তৃপক্ষই কোনো বিষয়াক মেনেজ কৰি নিজা পছন্দৰ প্ৰাৰ্থীক নাৰ্ছিং পাঠ্যক্ৰমত অধ্যয়ন কৰোৱাবলৈ বঞ্চিত ছাত্ৰী কেইগৰাকীৰ শিক্ষা জীৱনক লৈ হেতালি খেলিলে নেকি বুলি প্ৰশ্ন কৰিছে।

## অৱসৰপ্ৰাপ্ত শিক্ষক অমূল্য সন্দিকৈৰ মৃত্যু

*১২ পৃষ্ঠাৰ পৰা* যোগদান কৰে। কিছুদিন নোগোৱা মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰাৰ পাছত ফৰকাটিং হাইস্কুলত কিছুদিনৰ বাবে শিক্ষকতা কৰিছিল। ১৯৫৬ত সন্দিকৈয়ে বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকৰূপে যোগদান কৰে। বৰহোলাত শিক্ষকতা কৰাৰ লগতে সন্দিকৈয়ে গীত, নৃত্য, অভিনয় চৰ্চা দিহা-পৰামৰ্শৰে সমাজখন সুসংগত কৰিছিল। শিক্ষকতাৰে তেওঁ কৰ্ম জীৱন আৰম্ভ কৰি সমাজৰ বিভিন্ন কৰ্মত জড়িত হৈ পৰে। ১৯৬২ত সেউজী কানন শাখা সাহিত্য সভা প্ৰতিষ্ঠা কৰি সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল। সেউজী কাননৰ লগত জড়িত থাকি বিভিন্ন বাতৰি কাকত, আলোচনী আদিত লিখা-মেলা কৰি সাহিত্যৰ জগতখন আগুৱাই নিবলৈ সক্ষম হৈছিল। সন্দিকৈয়ে স্বাধীনতা আন্দোলনত গোলাঘাট ঘিলাধাৰীৰ হাবিগাঁৱৰ ভদ্ৰ ফুকনৰ লগত স্বেচ্ছাসেৱক হিচাপে সংগঠনৰ কাম কৰি স্বাধীনতা যুঁজাৰু হিচাপেও চিনাকি দিবলৈ সক্ষম হৈছিল। এনে এজন সমাজৰ গুৰি ধৰা ব্যক্তিৰ মৃত্যুৰ বাতৰি পাই আজি পুৱাতেই তেওঁৰ বাসগৃহত বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লোকসকলে শ্ৰদ্ধা জনাবলৈ সমবেত হয়। সন্দিকৈৰ নশ্বৰদেহ বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ নি বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অগণন গুণমুগ্ধ সমবেত হৈ এখন শোকসভা অনুষ্ঠিত কৰে। শিক্ষক অনন্ত গগৈয়ে আঁত ধৰা শোকসভাত বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গজেন হাজৰিকা, বিজয় মোহন সন্দিকৈ, মহেন্দ্ৰ নাথ হাজৰিকা, বিদ্যালয়ৰ অধ্যক্ষ চক্ৰেন শইকীয়া আৰু উপাধ্যক্ষ বুধিন হাজৰিকাই কৰ্মজীৱনৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। মৃত্যুৰ সময়ত সন্দিকৈয়ে তিনি পুত্ৰ আৰু তিনি কন্যাৰ লগতে বহু আত্মীয়জনক এৰি যায়। তেওঁৰ মৃত্যুত বৰহোলাবাসী শোকগ্ৰস্ত হৈ পৰিছে।

## ইউবিপিঅ'ৰ লক্ষীপুৰ আঞ্চলিক সমিতিৰ

*১২ পৃষ্ঠাৰ পৰা* সম্পাদিত হোৱা তৃতীয় বড়ো শান্তি চুক্তিৰ দফাসমূহ সঠিকভাৱে ৰূপায়ণ কৰিবলৈ চৰকাৰক দাবী জনাইছিল। তেনে ক্ষেত্ৰত, উক্ত চুক্তিৰ স্বাক্ষৰকাৰী এনডিএফবিৰ প্ৰতিষ্ঠাপক সভাপতি ৰঞ্জন দৈমাৰীক বড়ো জাতিৰ সৰ্বাংগীণ উন্নয়ন আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে কাৰাগাৰৰ পৰা মুকলি কৰিবলৈও চৰকাৰক আহ্বান জনায়। ইয়াৰ উপৰি বিকেডব্লিউএচি'ৰ মুখ্য কাৰ্যবাহী সদস্য মিহিনিশ্বৰ বসুমতাৰীও তৃতীয় বড়ো শান্তি চুক্তিৰ আধাৰত বক্তব্য প্ৰদান কৰে। তেওঁ কয় যে বিটিএডিৰ পৰিসীমাৰ বাহিৰৰ ২২ খন জিলাৰ ১০ লক্ষাধিক বড়ো জনগণৰ সৰ্বাংগীণ উন্নয়ন আৰু বিকাশৰ লক্ষ্যত গঠন হোৱা বড়ো-কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদখনে পৰিষদৰ পৰিসৰৰ ভিতৰত বসবাস কৰা প্ৰতিটো বড়ো অধ্যুষিত অঞ্চলৰ উন্নয়নত নিষ্ঠাৰে কাম কৰিব। ইউবিপিঅ'ৰ কাৰ্যনিৰ্বাহক উমাকান্ত ব্ৰহ্মই কয় যে ইউবিপিঅ'ই বড়ো জনগোষ্ঠীৰ উন্নয়ন, বিকাশ আৰু সুৰক্ষা-নিৰাপত্তাৰ লগতে সকলো জাতি-জনগোষ্ঠীৰ মাজত ঐক্য-সম্প্ৰীতি আৰু সমন্বয়ৰ ভেটি সুদৃঢ় কৰাৰ বাবেও কাম কৰি যাব। আনহাতে, বিকেডব্লিউএচিৰ শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য অনিল বসুমতাৰীয়ে শিক্ষা নীতিৰ ওপৰত বক্তব্য আগবঢ়ায়। নতুন শিক্ষা নীতিৰ আধাৰত প্ৰাথমিক পৰ্যায়ত মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ কৰাৰ ব্যৱস্থা আছে বুলি উনুকিয়াই এই শিক্ষা নীতিয়ে বৃত্তিমুখী শিক্ষা আৰু গুণগত শিক্ষাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে। উক্ত সভাতে বিশিষ্ট সমাজকৰ্মী শৰৎ চন্দ্ৰ ব্ৰহ্ম, ৰজনী গৌড়া বসুমতাৰী আৰু আন্তঃৰাষ্ট্ৰীয় নৃত্যশ্ৰী মৌচুমী বড়োক ইউবিপিঅ'ৰ লক্ষীপুৰ আঞ্চলিক সমিতিৰ তৰফৰ পৰা মানপত্ৰ আৰু আৰনাই জাতীয় গামোচাৰে (আৰনাই) বিশেষভাৱে সম্বৰ্ধনা জনাই প্ৰথম দ্বি-বাৰ্ষিক বৰ্ণিল অধিবেশনৰ সামৰণি পৰে।

# চৰকাৰে কাউঞ্চিল গঠনেৰে কোচ ৰাইজক পতিয়ন নিয়াবলৈ চলাইছে ব্যৰ্থ চেষ্টা

## ■ কোজামাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দোতমা, ১ ফেব্ৰুৱাৰী ঃ** আজি ছেৰফানগুৰীত কোচ ৰাজ্যৰ পূৰ্বাঞ্চল আৰু পশ্চিমাঞ্চলৰ এশ শতাধিক সদস্যৰ উপস্থিতিত এখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকি কেন্দ্ৰীয় সমিতিৰ সভাপতি জাজাং কামা কোচৰ লগতে কেন্দ্ৰীয় সম্পাদক সীমান্ত ৰায়ণে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনক চোকা ভাষাৰে সমালোচনা কৰে। কেন্দ্ৰীয় সভাপতি কোচে কয় যে কোচ জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোক আওকাণ কৰি উন্নয়ন পৰিষদৰ লেখীয়া কিছুমান কাউন্সিল গঠন কৰি বিজেপি চৰকাৰে কোচ জনতাক পতিয়ান নিয়াবলৈ ব্যৰ্থ চেষ্টা কৰি আছে। কোচ জনতাৰ সৰ্বাংগীণ বিকাশৰ বাবে কোচসকলৰ জনজাতিকৰণৰ দাবী অসম-বংগৰ চৰকাৰে অতি সোনকালে পূৰণ কৰক আৰু একেটা আঞ্চলিক ভাষাৰ দুটা পৃথক নাম কামতাপুৰী আৰু ৰাজবংশী কৰাত জনতাৰ মাজত এক বিভ্ৰান্তিৰ সৃষ্টি হৈছে। গতিকে এই বিভ্ৰান্তি দূৰ কৰিবলৈ কামতাপুৰী আৰু ৰাজবংশী বুলি ভাষাৰ নামকৰণ কৰিব বিচৰা সংগঠন তথা বুদ্ধিজীৱী মহলক একত্ৰিত হৈ ইতিহাস আৰু তথ্যৰ ওপৰত ভিত্তি কৰি নামকৰণৰ দ্বাৰা এই বিভ্ৰান্তিৰ অৱসান ঘটাবলৈ আহ্বান জনায় সভাপতিজনে। লগতে সভাপতিজনে আৰু কয় যে এতিয়া কোচ সমাজৰ নতুন প্ৰজন্মই নিজৰ জাতি সম্পৰ্কে অধ্যয়ন কৰিবলৈ লৈছে। গতিকে ব্যক্তি স্বাৰ্থত জড়িত তথাকথিত সংগঠন আৰু বুদ্ধিজীৱীসকলে নিজৰ মতে জাতিটোক ভুল পথেৰে পৰিচালনা কৰিব নোৱাৰিব। কোজামা গঠন হোৱাৰ মূল উদ্দেশ্য বহিৰাগত শক্তিৰ দ্বাৰা বিভিন্ন প্ৰকাৰে সমাজ সংস্কাৰৰ নামত একেটা কোচ জনগোষ্ঠীক জাত-পাতৰ নামত বিভক্ত কৰা প্ৰক্ৰিয়াক প্ৰতিহত কৰি ৰাজবংশী, মদাহী, দেশীয়া, পলিয়া, ক্ষত্ৰিয়, কাহাৰ, সৰু কোচ, বৰ কোচ, তাজপুৰীয়া, ৰাভাৰ নামত গোট গোট হৈ থকা এক কোচ নামত একত্ৰিত কৰি এক শক্তিশালী জাতি গঠন কৰা বুলি সদৰী কৰে কোজামাৰ কেন্দ্ৰীয় সম্পাদক সীমান্ত নাৰায়ণে।

# গোসাঁইগাঁৱৰ উচাটাৰীৰ আমিনকাটাত ৰেলৰ খুন্দাত মৃত্যু মাতৃ-কন্যাৰ

অগ্ৰদূত বাৰ্তা


**দোতমা/গোসাঁইগাঁও, ১ ফেব্ৰুৱাৰী ঃ** গোসাঁইগাঁও মহকুমাৰ উচাটাৰীৰ আমিনকাটাত ৰেলৰ খুন্দাত যোৱা নিশা প্ৰায় আঠ বজাত এগৰাকী ২০ বছৰীয়া মহিলা আৰু তেওঁৰ ১৮ মহীয়া কন্যা সন্তানৰ মৃত্যু হয়। মৃত মহিলাগৰাকী মিনাৰা খাতুন (২০) আৰু সন্তানৰ নাম ৰাবিয়া খাতুন (১৮ মাহ) বুলি আৰক্ষীয়ে জনাইছে। ঘটনাস্থলীত ৰেল আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে। প্ৰাপ্ত বাতৰি মতে, উচাটাৰী গাঁও নিবাসী বাবৰ আলীৰ জীয়ৰী মিনাৰা উচাটাৰীৰ আমিনকাটা গাঁও নিবাসী আক্কেল আলীৰ পুত্ৰ আকবৰ আলী শ্বেখৰ স'তে দুবছৰ পূৰ্বে বিবাহপাশত আবদ্ধ হৈছিল। মৃত মহিলাৰ পিতৃ পৰিয়ালে অভিযোগ কৰা মতে, মিনাৰাৰ বিবাহৰ পাছৰ পৰাই স্বামী আকবৰে শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতন চলাই আছিল। ডেৰ বছৰ আগত মিনাৰা আৰু আকবৰৰ এটি কন্যা সন্তান হয় যদিও সেই সন্তানটো আকবৰে নিজৰ সন্তান বুলি মানি লোৱা নাছিল আৰু ইয়াকে লৈ মহিলাগৰাকীক গালি-গালাজ পাৰি পাৰিবাৰিক অশান্তিৰ সৃষ্টি কৰিছিল। মিনাৰা আৰু তেওঁৰ কন্যা সন্তানক আকবৰে হত্যা কৰি ৰেল লাইনৰ কাষত পেলাই থৈ দিয়ে বুলিও তেওঁলোকে অভিযোগ কৰে। ঘটনা সংক্ৰান্তত মৃত মহিলাৰ পিতৃ পৰিয়ালে ভাওৰাগুৰী আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে।

## নাজিৰাত চাৰি বছৰীয়া পুত্ৰসহ মাতৃ সন্ধানহীন

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১ ফেব্ৰুৱাৰী ঃ** নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত হুলাংকাটনি গাঁৱৰ হেমন্ত চেতিয়াৰ পত্নী জ্যোৎস্না চেতিয়া আৰু তেওঁৰ চাৰি বছৰীয়া পুত্ৰ ৰিয়ান যোৱা ৩১ জানুৱাৰীৰ দিনৰ ১১ বজাৰ পৰা সন্ধানহীন হৈ থকা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সেই দিনা জ্যোৎস্নাই পুত্ৰ ৰিয়ানক লগত লৈ ঘৰৰ পৰা ওলাই যোৱাৰ পাছত সন্ধিয়ালৈকে উভতি নহাত হেমন্তই তেওঁৰ পিতৃৰ ঘৰৰ লগতে বিভিন্ন স্থানত বিচাৰ-খোচাৰ কৰি কোনো সম্ভেদ নোপোৱাত নাজিৰা আদৰ্শ থানাত এজাহাৰ দাখিল কৰে। কোনো লোকে এই সন্ধানহীনৰ সম্ভেদ পালে আৰক্ষীক অথবা ৭৮৯৮৫৬৪৮২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# মে-ডাম-মে-ফি উপলক্ষে 'সিপিঠিৰ কথা' শীৰ্ষক নাটক মঞ্চস্থ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১ ফেব্ৰুৱাৰী ঃ** কদম, থৌ-থোৱানী আৰু বগীনদী আঞ্চলিক সমিতিৰ উদ্যোগত মে-ডাম-মে-ফি উপলক্ষে কালি লখিমপুৰৰ কদম, থৌ-থৌৱানী ছ্যুকাফা ভৱনত নকাড়ী নাটকখন মঞ্চস্থ কৰা হ'ল। নাটকৰ কাহিনীৰ পটভূমি অসমৰ বিদেশী বিতাড়ন আন্দোলনৰ সময়ছোৱাৰ অসমীয়া সমাজ জীৱনৰ প্ৰতিফলনৰ ছবি। নাটকখনৰ পৰিচালনা আছিল যদুমণি গোহাঁইৰ। নাট্যকাৰ বিপ্লৱজ্যোতি ভূঞা। তাই আহোম মহিলা পৰিষদৰ অঞ্জনা বুঢ়াগোহাঁইৰ পৰিচালিত তাই ভাষাৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা নাটকৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে যদুমণি বৰুৱা, নিখিল দাস, গৌতম চাংমাই, পূজা শইকীয়া, তপো গগৈ আৰু অন্যান্য ন-পুৰণি অভিনেতা অভিনেত্ৰীয়ে। নাটকখনৰ সংগীত নিপু শইকীয়া, শোভন ধৰ, মঞ্চসজ্জা ৰিণ্টু শইকীয়া আৰু নিত্য নিৰ্দেশনা মনোজ কলিতাৰ।

## শ্ৰদ্ধাঞ্জলি গোলোক চন্দ্ৰ বড়ো



নৱগঠিত তামুলপুৰ জিলাৰ গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গাৰোগাঁৱৰ স্থায়ী বাসিন্দা তথা উত্তৰ-পূব সীমান্ত ৰেলৱেৰ অৱসৰপ্ৰাপ্ত অভিযন্তা, আদৰ্শ কৃষক, বিশিষ্ট সমাজকৰ্মী গোলোক চন্দ্ৰ বড়োৱে আমাক সকলোৱে কন্দুৱাই যোৱা ২২ জানুৱাৰীত পৰকাললৈ গতি কৰে। মোৰ দেউতা গোলোক চন্দ্ৰ বড়ো অবিভক্ত কামৰূপ জিলাৰ বৃহত্তৰ গোৰেশ্বৰ অঞ্চলৰ এটা চিনাকি নাম আছিল। আমাৰ অঞ্চলত গোলোক বিহাৰী নামেৰে খুবেই জনপ্ৰিয় আছিল। তেওঁ এজন কৰ্তব্যপৰায়ণ, নিয়মত চলা আৰু দৃঢ় মনোবলৰ অধিকাৰী ব্যক্তি আছিল। ফাকি-ফুকা একেবাৰে পছন্দ কৰা নাছিল। যাৰ বাবে তেওঁ ৰেলৱেৰ চতুৰ্থ শ্ৰেণীৰ পদত যোগদান কৰি পিছলৈ অভিযন্তা পদলৈ পদোন্নতি লাভ কৰিছিল। দেউতাই চাকৰি জীৱনৰ পৰা অৱসৰ লোৱাৰ পাছৰে পৰা গোৰেশ্বৰ গাৰোগাঁৱত নিগাজীকৈ থাকিবলৈ লৈ সমাজসেৱা, ধৰ্মচৰ্চা আৰু কৃষি কাৰ্যত একাণপতীয়াকৈ লাগি পৰিছিল। দেউতা নিজৰ শৰীৰৰ প্ৰতি যিমান সচেতন আছিল, সিমান ওচৰ-চুবুৰীয়া লোকৰ প্ৰতিও। ওচৰ-চুবুৰীয়াৰ যুৱক-যুৱতীক শৰীৰ চৰ্চাৰ পৰামৰ্শ দি আহিছিল। দেউতাৰ বাতৰি পঢ়া আৰু ৰেডিঅ' শুনাটো নিচা আছিল। প্ৰতিদিনে ধৰ্মগ্ৰন্থ অধ্যয়ন কৰি কৃষিকাৰ্যত নামি পৰিছিল। ধৰ্মৰ প্ৰতি অগাধ বিশ্বাস আছিল যদিও ধৰ্মভীৰু নাছিল। কৰ্মই ধৰ্ম বুলি আমাক সদায় নীতিজ্ঞান দি আহিছিল। আমাৰ অঞ্চলৰ পৰা অন্ধবিশ্বাস আৰু কু-সংস্কাৰ দূৰীকৰণত দেউতাই বিশেষ ভূমিকা লৈ আহিছিল। আদৰ্শ কৃষকৰ পৰা বিভিন্ন প্ৰজাতিৰ ধানৰ বীজ সংগ্ৰহ কৰি খেতি কৰিছিল। অকল ধান খেতিয়ে নহয় উদ্যান শস্যও কৰিছিল। তেওঁৰ সাংস্কৃতিক দিশতো বিশেষ ৰাপ আছিল। গাঁৱৰ নাগাৰা নামৰ লগত জড়িত থাকি বিভিন্ন ঠাইত নাম পৰিৱেশন কৰিছিল। দেউতা প্ৰস্তাৱিত বড়ডাঙৰীকুছি (বৃন্দাবন প্ৰাথমিক চিকিৎসালয় পৰিচালনা সমিতি), গাছবাৰী আদৰ্শ জাতীয় বিদ্যালয়, বৃন্দাবন সাপ্তাহিক বজাৰ, গাৰোগাঁও বাথৌ ধৰ্ম পৰিচালনা সমিতি, গাছবাৰী বাৰোৱাৰী দুৰ্গাপূজা সমিতি, গাছবাৰী বিহু সমিতি, গোৰেশ্বৰ জ্যেষ্ঠ নাগৰিক সন্মিলনী, অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সন্থা, গোৰেশ্বৰ যোগ সমিতি আদিৰ লগতে বিশেষভাৱে জড়িত আছিল। প্ৰতিদিনে আজৰি সময়ত বিভিন্ন স্বাদৰ গ্ৰন্থ অধ্যয়ন কৰিছিল। দেউতা আজি কায়িকভাৱে আমাৰ মাজত নাই যদিও তেওঁৰ আদৰ্শ গুণৰাজি সদায় আমাৰ মানস পটত উদ্ভাসিত হৈ থাকিব। আজি তেওঁৰ আদ্যশ্ৰাদ্ধৰ দিনা আত্মাৰ সদ্‌গতিৰ অৰ্থে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিছো।

**কৰুণা চন্দ্ৰ বড়ো**

## বিহুৱা-সমাজকৰ্মী লক্ষী শইকীয়াৰ মৃত্যু

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১ ফেব্ৰুৱাৰী ঃ** গড়কাপ্টানী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা চাৰিগাঁৱৰ শইকীয়া চুক নিবাসী লক্ষী শইকীয়া (৮৪)ৰ যোৱা ৩০ জানুৱাৰীৰ সন্ধিয়া ৭-১৩ বজাত নিজ বাসভৱনত মৃত্যু হয়। চাৰিগাঁও বৰনামঘৰ, চাৰিগাঁও কলা মন্দিৰ, বাহনা মহাবিদ্যালয়, বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ উপৰি বিভিন্ন অনুষ্ঠানৰ লগত জড়িত সমাজকৰ্মীজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। তেওঁ বৃহত্তৰ চাৰিগাঁও বিহু সন্মিলনৰ লগত জড়িত থকাৰ উপৰি এজন ভাল বিহুৱা আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনিজন পুত্ৰ, বোৱাৰীসহ আত্মীয়ক এৰি যায়।

## খুমটাইত ধনশিৰি নদীত অচিনাক্ত মৃতদেহ উদ্ধাৰ

### ■ হত্যাৰ সন্দেহ আৰক্ষীৰ

**খুমটাই, ১ ফেব্ৰুৱাৰী ঃ** গোলাঘাট জিলাৰ খুমটাই আৰক্ষী চকীৰ অন্তৰ্গত বৰগৰীয়াত কালি ধনশিৰি নদীত এটা মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। ইফালে, ঘটনাস্থলীত খুমটাই আৰক্ষীৰ এটা দল উপস্থিত হয় যদিও নিশা হোৱাৰ বাবে নিশা উদ্ধাৰ অভিযান চলাব নোৱাৰি আজি পুৱা খুমটাই আৰু কমাৰগাঁও আৰক্ষীৰ এটা দল উক্ত স্থানত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত এটি মহিলাৰ মৃতদেহ উদ্ধাৰ কৰে। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি, কে'বাদিনো ধৰি পানীত থকাৰ বাবে মুখমণ্ডল চাই চিনাক্ত কৰাটো কঠিন। প্ৰায় ৩০-৩২ বছৰীয়া মহিলাগৰাকী অৰ্ধউপংগ হৈ নৈত উটি অহালৈ চাই মহিলাগৰাকীক কোনো লোকে হত্যা কৰি ধনশিৰি নদীত পেলাই দিয়াৰ সন্দেহ কৰিছে তদন্তকাৰী আৰক্ষীয়ে। ইতিমধ্যেই কমাৰগাঁও আৰক্ষীয়ে নদীৰ বুকুৰ পৰা মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাট ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

# ধেমাজি পঞ্চায়ত-গ্ৰামোন্নয়ন বিভাগৰ কৰ্মচাৰীৰ বিভিন্ন দাবীৰ সমৰ্থনত কৰ্ম বিৰতি-অৱস্থান ধৰ্মঘট



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১ ফেব্ৰুৱাৰী ঃ** ধেমাজি জিলাৰ বৰদলনি উন্নয়ন খণ্ডৰ অন্তৰ্গত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীয়ে আজিৰে পৰা সাত ফেব্ৰুৱাৰীলৈ বৰদলনি উন্নয়ন খণ্ডৰ কাৰ্যালয় চৌদহত কৰ্ম বিৰতি আৰু অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিছে। উল্লেখ্য যে পঞ্চায়ত কৰ্মচাৰীয়ে মাহিলি নগণ্য পৰিমাণৰ দৰমহা আদায় কৰি চৰকাৰে ঠিকাভিত্তিক পঞ্চায়ত কৰ্মচাৰীক ন্যায়ৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰাৰ লগতে ঠিকাভিত্তিক পঞ্চায়ত কৰ্মচাৰীক ন্যায়ৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰাৰ লগতে ঠিকাভিত্তিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কৰ্মচাৰীৰ চাকৰি ৬০ বছৰলৈকে সুনিশ্চিত কৰি সমমৰ্যাদা প্ৰদান কৰিবলৈ দাবী জনায়। বিভাগত খালী হোৱা প্ৰতিটো পদৰ বিপৰীতে অভিজ্ঞতা আৰু যোগ্যতা অনুসৰি সকলো ঠিকাভিত্তিক কৰ্মচাৰীক বিভাগীয় পৰীক্ষা অনুষ্ঠিত কৰি নিযুক্তি প্ৰদানৰ দাবী উত্থাপন কৰে।

## হাউলীত স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে সভা অনুষ্ঠিত




অগ্ৰদূত বাৰ্তা


**হাউলী, ১ ফেব্ৰুৱাৰী ঃ** ভাৰত চৰকাৰৰ তথ্য আৰু প্ৰচাৰ মন্ত্ৰণালয়, বৰপেটাৰ উদ্যোগত আৰু হাউলীৰ মৌটুপুৰী মুক্তি ক্লাব এণ্ড লাইব্ৰেৰীৰ সহযোগত স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে মৌটুপুৰীৰ কীৰ্তনঘৰ প্ৰাংগণত যোৱা ৩১ জানুৱাৰীত এখন বিশেষ সভা অনুষ্ঠিত হয়। এই উপলক্ষে টিকেন্দ্ৰজিৎ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ক্ষেত্ৰ প্ৰচাৰ বিষয়া বিকাশ ৰাজবংশীয়ে। আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰি সুশীল ৰঞ্জন চৌধুৰীয়ে স্বাধীনতাৰ অমৃত মহোৎসৱ সন্দৰ্ভত ভাষণ প্ৰদান কৰি ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ওপৰত আলোকপাত কৰে। প্ৰধানমন্ত্ৰীৰ ভাষণৰ আঁত ধৰি তেওঁ লগতে কয় যে দেশে স্বাধীনতা লাভৰ গৌৰৱোজ্জ্বল ৭৫ সংখ্যক বৰ্ষত ভৰি থ'লেও দেশৰ সামূহিক উন্নতিৰ লক্ষ্যৰে আৰু এঢাপ আগুৱাই যাবলৈ সমগ্ৰ দেশবাসীয়ে ত্যাগ স্বীকাৰ কৰিব লাগিব। বিষয়বস্তুৰ প্ৰাসংগিক দুটা স্ব-ৰচিত কবিতাও তেওঁ পাঠ কৰি সকলোকে আপ্লুত কৰে। আন এগৰাকী সন্মানীয় অতিথি স্বাস্থ্য বিষয়া ডাঃ মৰমী কলিতাই ক'ভিড মহামাৰী সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়াই সকলোকে ক'ভিড বিধি মানি চলাৰ পৰামৰ্শ দিয়াৰ উপৰি প্ৰতিষেধক লোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। 'স্বাধীনতাৰ অমৃত মহোৎসৱ' শীৰ্ষক বিষয়ৰ ওপৰত ৰজিতা খুৰাই এলানি গীত-নাটৰ অনুষ্ঠানো অনুষ্ঠিত কৰা হয়। উদ্যোক্তা মণ্ডলীৰ ফালৰ পৰা গাঁওবুঢ়া ধৈৰ্যধৰ দাস, জ্যেষ্ঠ নাগৰিকদ্বয় প্ৰাণেশ্বৰ দাস, দামোদৰ দাসকে ধৰি ছয়গৰাকী ব্যক্তিক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। এই সভাতে পূৰ্বে অনুষ্ঠিত কেতবোৰ প্ৰতিযোগিতাৰ বঁটা বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়। সামৰণিত সভাপতিৰ গূঢ়াৰ্থ ভাষণেৰে সভাৰ অন্ত পৰে।

## জনবিৰোধী বিদ্যুৎ সংশোধনী বিলৰ বিৰুদ্ধে সাংসদক স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১ ফেব্ৰুৱাৰী ঃ** জনবিৰোধী বিদ্যুৎ সংশোধনী বিল-২০২১ বাতিলৰ দাবীত সংসদৰ বৰ্তমান বাজেট অধিবেশনত সৰৱ হোৱা বাবে বিৰোধী দলৰ অসমৰ সাংসদসকলক স্মাৰকপত্ৰ প্ৰদান কৰে অল ইণ্ডিয়া ইলেকট্ৰিচিটি কনজিউমাৰ্ছ এছ'চিয়েছনে। এছ'চিয়েছনৰ সৰ্বভাৰতীয় উপ-সভাপতি অজয় আচাৰ্যই আজি এক বিবৃতিত উল্লেখ কৰে যে সংগঠনে কৰ্প'ৰেট গোষ্ঠীৰ স্বাৰ্থ ৰক্ষাকাৰী এই বিদ্যুৎ বিলৰ বিৰুদ্ধে দেশব্যাপী আন্দোলন গঢ়ি তোলাৰ প্ৰচেষ্টাৰ লগতে বৰ্তমান বাজেট অধিবেশনত বিৰোধী সাংসদসকলে যাতে ভূমিকা পালন কৰে তাৰ বাবে অনুৰোধ জনাই তেওঁলোকক স্মাৰকপত্ৰ প্ৰদান কৰা হৈছে। ৰাজ্যৰ নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বৰপেটাৰ আব্দুল খালেক, ধুবুৰীৰ বদৰুদ্দিন আজমল আৰু শিলচৰৰ প্ৰাক্তন সাংসদ তথা বৰ্তমান ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱলৈ হৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়। এছ'চিয়েছনৰ সৰ্বভাৰতীয় সভাপতি স্বপন ঘোষ আৰু সাধাৰণ সম্পাদক সমৰ সিংহ স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰে যে এই বিল আইনলৈ পৰিণত হ'লে বিদ্যুৎ সেৱা খণ্ড সম্পূৰ্ণৰূপে বৃহৎ ব্যৱসায়ীসকলৰ হাতলৈ গুচি যাব। ফলত বিদ্যুতৰ মাচুল অভাৱনীয় হাৰত বৃদ্ধি পাব। স্মাৰকপত্ৰত আৰু কোৱা হয় যে স্বাধীনতাৰ পাছত বিদ্যুতক পৰিসেৱা হিচাপে গণ্য কৰা হৈছিল, কিন্তু ২০০৩ত কেন্দ্ৰৰ বিজেপি চৰকাৰে আইন কৰি বিদ্যুৎ খণ্ডক পণ্যলৈ ৰূপান্তৰ কৰাৰ পথ প্ৰশস্ত কৰে আৰু বিদ্যুতৰ উৎপাদন আৰু বিতৰণ বেচৰকাৰী মালিকৰ হাতলৈ তুলি দিয়ে। বৰ্তমান চৰকাৰে বিদ্যুতৰ বেচৰকাৰীকৰণ সম্পূৰ্ণ কৰিব বিচাৰিছে এই বিলৰ যোগেদি। গতিকে জনস্বাৰ্থত সাংসদসকলে সংসদত ইয়াৰ তীব্ৰ বিৰোধিতা কৰাৰ আহ্বান জনোৱা হয়।

## দেওমৰনৈৰ সমাজকৰ্মী দীননাথ ডেকাৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ১ ফেব্ৰুৱাৰী ঃ** দৰং জিলাৰ দেওমৰনৈৰ নিকটৱৰ্তী পাতিদৰং গাঁও নিবাসী সমাজকৰ্মী দীননাথ ডেকা (৮৩)ৰ আজি আবেলি ৪-৪৫ বজাত নিজ বাসগৃহত মৃত্যু হয়। তেওঁ মৃত্যুৰ সময়লৈকে পাতিদৰঙৰ ঐতিহাসিক শ্ৰীশ্ৰী অৰ্ধনাৰীশ্বৰ শিৱ মন্দিৰৰ সভাপতি আৰু নৱজ্যোতি কলাকৃষ্টি সংঘৰ উপদেষ্টাৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। উন্নয়ন খণ্ডৰ গাণনিক পদৰ পৰা ১৯৯৭ত অৱসৰ গ্ৰহণৰ পাছত তেওঁ দৰং জিলা পৰিষদৰ সদস্যৰূপে দেওমৰনৈ-পাথৰিঘাট সমষ্টিৰ পৰা নিৰ্বাচিত হৈ ২০০২ৰ পৰা ২০০৭লৈ কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ দৰং জিলা কোচ ৰাজবংশী সন্মিলনীৰ বিভিন্ন দায়িত্বত থকাৰ লগতে দেওমৰনৈৰ কোচ ৰাজবংশী সন্মিলনীৰ বীৰ চিলাৰায় শাখাৰ প্ৰাক্তন সভাপতি, দেওমৰনৈ বি এড মহাবিদ্যালয়ৰ প্ৰাক্তন উপ-সভাপতি, দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন সম্পাদক, দেওমৰনৈ ছোৱালী হাইস্কুলৰ প্ৰাক্তন সম্পাদক, বুঢ়ীনগৰ মহাবিদ্যালয়ৰ প্ৰাক্তন সম্পাদক আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পাঁচজন পুত্ৰ, এগৰাকী বিবাহিতা কন্যাক এৰি যায়। তেওঁৰ বিয়োগত দৰং জিলা কোচ ৰাজবংশী সন্মিলনী, শ্ৰীশ্ৰী অৰ্ধনাৰীশ্বৰ শিৱ মন্দিৰ পৰিচালনা সমিতি, কোচ ৰাজবংশী সন্মিলনীৰ বীৰ চিলাৰায় শাখা, দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থা, দেওমৰনৈ সাহিত্য সভা, বৃহত্তৰ দেওমৰনৈ সাংবাদিক সন্থা, নৱজ্যোতি কলাকৃষ্টি সংঘ পাতিদৰং, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশী, বিলাসীপাৰা বিদেশী ন্যায়াধিকৰণৰ সদস্য ন্যায়াধীশ ভূপেন শৰ্মা, আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।




# প্ৰাণী জগতৰ বিচিত্ৰ নিদ্ৰা

## মাংসভোজী আৰু তৃণভোজীৰ নিদ্ৰাৰ পাৰ্থক্য

**প্ৰশান্ত বৰা**



**ভিন** ভিন প্ৰাণীৰ নিদ্ৰাৰ ভংগী পৃথক হোৱাৰ অন্তৰালত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে ভীতিয়ে। সেই ভীতি আক্ৰমণৰ বলি হোৱাৰ বা আন কোনো অজান বিপদৰ আশংকা। আকৌ যদি প্ৰাণীটো নিজেই আক্ৰমণকাৰী হয়, সেই ক্ষেত্ৰতো তাৰ নিদ্ৰাত কিছু নিজস্বতাৰ ছাপ থাকে। সাধাৰণতে তৃণভোগী প্ৰাণীৰ তুলনাত মাংসভোজী প্ৰাণীয়ে বেছি সময় শোৱে। উদাহৰণস্বৰূপে সিংহই সমগ্ৰ দিনটো আৰু গোটেই নিশাটো সৰু সৰু ভাগত নিদ্ৰা গ্ৰহণ কৰি থাকে। ইয়াৰ কাৰণ হৈছে সিহঁতে শৰীৰৰ শক্তি সঞ্চয় কৰি ৰাখিব খোজে। যাতে যেতিয়াই চিকাৰ বা খাদ্য পোৱা যায়, সেয়া নিজৰ কৰি লোৱাৰ প্ৰক্ৰিয়াত পৰ্যাপ্ত সময় ব্যয় কৰিব পাৰে।

আকৌ এটা প্ৰাণীয়ে কিমানখিনি খায়, তাৰ ওপৰতো সেই প্ৰাণীটোৰ নিদ্ৰাৰ সময় নিৰ্ভৰ কৰে। যিবোৰ প্ৰাণীৰ খাদ্যত কেল'ৰিৰ পৰিমাণ কম থাকে, সিহঁতে তুলনামূলকভাৱে কমকৈ শোৱে। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে বেছি কেলৰিযুক্ত খাদ্য খালে টোপনি বেছি হয়। বৰঞ্চ যিবোৰ প্ৰাণীৰ খাদ্যত কেলৰি কম থাকে, সিহঁতে পৰ্যাপ্ত পৰিমাণৰ খাদ্য বিচাৰি উলিয়াবলৈ বেছি সময় ব্যয় কৰিবলগীয়া হয়। পৰ্যাপ্ত পৰিমাণৰ খাদ্যই সিহঁতক প্ৰয়োজনীয় শক্তি যোগান ধৰে। সেয়ে জিৰাফ বা হাতীৰ দৰে বৃহদাকাৰ তৃণভোজী প্ৰাণীয়ে দিনত মাত্ৰ ৩০ মিনিটৰ পৰা দুই-তিনি ঘণ্টামানহে শোৱে। **(আগলৈ)**

# প্লুটো আৰু প্লেনেট নাইন



**আমাৰ** সৌৰজগতত আঠটা গ্ৰহ আছে। সেই আঠটা গ্ৰহে সূৰ্যটোক প্ৰদক্ষিণ কৰি থাকে। আগতে সৌৰজগতত নটা গ্ৰহ আছে বুলি কোৱা হৈছিল। সেই গ্ৰহকেইটা হৈছে ক্ৰমে (সূৰ্যৰ কাষৰ পৰা ) বুধ, শুক্ৰ, পৃথিৱী, মঙল, বৃহস্পতি, শনি, নেপচুন, ইউৰেনাছ আৰু প্লুটো। ইয়াৰ ভিতৰত ১৯৩০ত আৱিষ্কাৰ হোৱা প্লুটো গ্ৰহক পৰৱৰ্তী সময়ত বহু বিজ্ঞানীয়ে গ্ৰহৰ তালিকাত অন্তৰ্ভুক্ত কৰাত প্ৰশ্ন উত্থাপন কৰিছিল। ইয়াৰ কাৰণ হৈছে প্লুটো আকাৰত বাকী গ্ৰহবোৰৰ তুলনাত বহুগুণে সৰু। বহু বিচাৰ-বিবেচনাৰ অন্ততঃ জ্যোতিৰ্বিজ্ঞানীসকলে ২০০৬ত প্লুটোক গ্ৰহৰ তালিকাৰ পৰা আঁতৰাই 'ডুৱাৰ্ফ প্লেটো বা 'বাওনা গ্ৰহ' আখ্যা দিয়ে অৰ্থাৎ প্লুটো কোনো গ্ৰহ বা গ্ৰহৰ প্ৰাকৃতিক উপগ্ৰহ নহয়। ইয়াক সূৰ্যৰ কক্ষপথত থকা গ্ৰহৰ দৰে কোনো বস্তু বুলি কোৱা হয়।

সৰুৰে পৰাই আমি আমাৰ সৌৰজগতত নটা গ্ৰহ থকা বুলি জানি আহিছিলো। ২০০৬ত প্লুটোক সেই তালিকাৰ পৰা বাদ দিয়াত গ্ৰহৰ সংখ্যা হ'ল আঠটা। অৱশ্যে জ্যোতিৰ্বিজ্ঞানীসকলে এতিয়াও আমাৰ সৌৰজগতত নটা গ্ৰহ থকা বুলিয়ে ধাৰণা কৰি আহিছে। ২০১৬ত জ্যোতিৰ্বিজ্ঞানীসকলে দাবী কৰে যে আমাৰ সৌৰজগততে আৰু এটা গ্ৰহ আছে। ইয়াক নৱম গ্ৰহ বা 'প্লেটো নাইন' আখ্যা দিয়া হৈছে। আনকি এতিয়াও এই গ্ৰহটোৰ সন্ধান অব্যাহত ৰাখিছে জ্যোতিৰ্বিজ্ঞানীসকলে। বিজ্ঞানীসকলৰ মতে, এই গ্ৰহটো আমাৰ সৌৰজগততে আছে যদিও আকাশগংগা হাতীপটিৰ নানা উজ্জ্বল জ্যোতিষ্কৰ জলজলীয়া পোহৰৰ আঁৰত থকাৰ বাবে ইয়াক দেখা নাপায়। ২০১৬ত প্ৰথম বাৰলৈ ইয়াৰ অস্তিত্বৰ সন্ধান পোৱা গৈছিল যদিও এই পৰ্যন্ত প্ৰকৃত অৱস্থান ধৰা পৰা নাই। বিজ্ঞানীসকলে ধাৰণা কৰিছে যে প্লুটোৰ পাছতে 'প্লেটো নাইন' থাকিব পাৰে। ইয়াৰ আকাৰ পৃথিৱীতকৈ ১০ গুণ আৰু বাওনা গ্ৰহ প্লুটোতকৈ পাঁচ হেজাৰ গুণ ডাঙৰ বুলি ধাৰণা কৰা হৈছে। পৃথিৱীৰ পৰা 'প্লেটো নাইন'ৰ অৱস্থান কিমান দূৰত সেয়া ধৰিব পৰা হোৱা নাই যদিও সূৰ্যক এবাৰ প্ৰদক্ষিণ কৰিবলৈ এই গ্ৰহক সাত হেজাৰ চাৰিশ বছৰ লাগে বুলি বিজ্ঞানীসকলে নিৰ্ণয় কৰি উলিয়াইছে।



*বনজিতা শৰ্মা, চতুৰ্থ শ্ৰেণী, ছক্ৰেটিচ একাডেমী।*

# ভূতৰ স'তে এৰাতি

**প্ৰদীপ নাৰায়ণ ভট্ট**

**দুটা** সন্তানৰ পিতৃ মোহন দাস বৰ ভাগ্যবান। তেওঁৰ ডাঙৰ ল'ৰা ৰঞ্জনে ষ্টাৰ নম্বৰ লৈ প্ৰৱেশিকা পৰীক্ষাত যোৱা বছৰ উত্তীৰ্ণ হৈ এখন মহাবিদ্যালয়ৰ ছাত্ৰাবাসত থাকে। সি বিজ্ঞানৰ ছাত্ৰ। সৰু ল'ৰা পাৰ্থ এতিয়াও নৱমমানৰ ছাত্ৰ। সিও পঢ়া-শুনাত বৰ চোকা। দেউতাকৰ মতে সিও চাৰি-পাঁচটা বিষয়ত লেটাৰ মাৰ্ক পাব লাগে। সিহঁতৰ কোনো ঘৰুৱা শিক্ষক নাই আৰু সিহঁতে নিবিচাৰেও। পিতৃ মোহন দাস অন্য এটা কাৰণতো বৰ ভাগ্যবান। সেইটো হ'ল, ল'ৰা দুটাৰ স্বভাৱ-চৰিত্ৰ নিৰ্মল পানীৰ দৰে। আজি কালিৰ যুগত সৎ আৰু চৰিত্ৰবান সন্তানৰ পিতৃ- হ'ব পৰাটো বহুত ভাগ্যৰ কথা। বহুত গুণী-জ্ঞানী পিতৃ-মাতৃহঁতেও এই লৈ নিজকে বৰ দুৰ্ভগীয়া বুলি ভাবে। কাৰণ তেওঁলোকে চেষ্টা কৰিও সুযোগ্য সন্তানৰ পৰা বঞ্চিত হৈছে। এই ক্ষেত্ৰত কিন্তু মোহন দাস বৰ কপলীয়া মানুহ। মোহন দাসৰ ডাঙৰ ল'ৰা ৰঞ্জন বিজ্ঞানৰ ছাত্ৰ হেতু বৰ বেছি অন্ধ বিশ্বাসী নহয়। বহুতে বিশ্বাস কৰা ধৰণে সি ভূত-প্ৰেতকো বিশ্বাস নকৰে। সি থকা ছাত্ৰাবাসৰ কোঠাটোত বছৰ দিনৰ বেছিভাগ সময় সি অকলশৰে কটাইছে। এনেও সি অকলশৰে থাকি ভাল পায়। তাৰ মতে লগত কোনোবা এজন থাকিলে কথা-বতৰাত বহুত সময় অবাবত খৰচ হয়। সেইটো সি নিবিচাৰে। সি আহি থকা ফাইনেল পৰীক্ষাত এটা ভাল ফল বিচাৰে। তেতিয়াহে সি বিচৰা মতে যি কোনো ঠাইত নামভৰ্তি কৰিব পাৰিব। এলাহে কৰ্ম নাশ কৰে। গতিকে সি কেতিয়াও এলাহক তাৰ গৰাকী হ'ব নিদিয়ে। ৰাতি ১২ বজালৈ সি তাৰ পাঠবোৰৰ স'তে নিবিড়ভাৱে লাগি থাকে। প্ৰতিটো বিষয় খৰচি মাৰি অধ্যয়ন কৰে। এনে অৱস্থাত সি বহু দিন তাৰ কোঠাত কিবা এটা বস্তুৰ স্থিতি অনুভৱ কৰিছিল। এজন বিজ্ঞানৰ ছাত্ৰ হিচাপে অযুক্তিকৰ সিদ্ধান্ত এটা লৈ সি কিন্তু তাৰ মূৰটো গৰম নকৰে। কেতিয়াবা দুই এজন লগৰীয়াৰ মুখত আত্মাৰ স্থিতি সম্পৰ্কে দুই এটা কাহিনী সি নুশুনা নহয়। সিহঁতে কোৱা শুনিছে যে সৎ আৰু সাহসীজনক কোনো আত্মা বা ভূত-প্ৰেতে অনিষ্ট নকৰে। সেই কাৰণে সি নিশ্চিত আছিল যে তাৰ কোনো কাৰণতে অনিষ্ট হ'ব নোৱাৰে। কাৰণ জানি-বুজি সি কেতিয়াও অন্যায়-অনীতিত হাত দিয়া নাই। তথাপি নভবাকৈ যেন মনৰ মাজত কিবা এটা শিহঁৰণে ঠাই লৈছে। মাজে-মাজে সি নিজকে প্ৰশ্ন কৰে, কি বাৰু এই অদৃশ্য বস্তুটো, কোনে বাৰু তাক ইমান মৰমকৈ মাতে? তাৰ সাহসী মনটোৱে তাক কেতিয়াও বিচলিত হ'ব দিয়া নাই। আনহাতে সি কথাবোৰ যাকে-তাকে কৈ লজ্জিত হ'বও নিবিচাৰে। সময়বোৰ দ্ৰুতগতিত গৈ থাকিল। দুমাহৰ পাছতে তাৰ ফাইনেল পৰীক্ষা। পৰীক্ষা ওচৰ চাপি অহাৰ লগে লগে তাৰ মনত এক ভীষণ উত্তেজনাই ঠাই লৈছে। কি পঢ়িম, কেনেকৈ পঢ়িম, কোনবোৰ পাঠ পঢ়া উচিত? ইত্যাদি হেজাৰটা প্ৰশ্নই তাৰ মনটোত হেঁচা মাৰি ধৰিছে। এদিন সন্ধিয়া সময়ত সি মনটো পাতল কৰিবৰ মনেৰে ওলাই গৈ ওচৰৰে দোকানত গৰম-গৰম একাপ চাহ আৰু এটা মিঠাই লৈ কিবা কিবি ভাবি চাহখিনি সেৱন কৰোতে কেনেকৈ বাহিৰতে দুঘণ্টা-আঢ়ৈঘণ্টা অতিবাহিত হৈ গ'ল সি



গমকে নাপালে। কোঠাত আহি ওলোমাই থোৱা ঘড়ীটোলৈ চাওঁতেহে গম পালে যে সাত বাজি গৈছে। সি দৌৰা-দৌৰিকৈ পঢ়া মেজৰ কাষত বহি লৈ অধ্যয়নত ব্যস্ত হৈ পৰিল। নিশা ভাত-পানী খাই পুনৰ অধ্যয়নত ব্যস্ত হৈ পৰিল। এটা সময়ত সি ঘড়ীটোলৈ চাওঁতে দেখিলে যে নিশা ১২ বাজিছে। ক'ৰবাৰ পৰা টং টং শব্দৰে ১২ বজাৰ সংকেত ভাহি আহিল। তেতিয়াও চকুহালে তাক আমনি কৰা নাছিল। সি হঠাৎ অনুভৱ কৰিলে যে কোঠাৰ ভিতৰত এচাটি বগা ৰশ্মি প্ৰৱেশ কৰিছে। সেয়া বগা ৰশ্মি নহয়, এজন ধক-ধকীয়া বগা ৰঙৰ পুৰুষ। ৰঞ্জনৰ গা-মূৰ কঁপি উঠিল। তাৰ মাত-কথাবোৰ কঁপিবলৈ ধৰিলে। সি চিঞৰিম বুলিও চিঞৰিব নোৱাৰা হ'ল। সেই উপস্থিত পুৰুষজনে তাক নিৰ্ভয় দান কৰিলে আৰু একো অনিষ্ট নকৰাৰ প্ৰতিশ্ৰুতি দিলে। ক'ব নোৱাৰাকৈ তাৰ মূৰত সি হাত ফুৰাইও দিলে। ইয়াৰ লগে লগে সেই অচিন পুৰুষজনে ক'লে, মই অনবৰতে তোৰ লগতে থাকিম। তই ভয় নকৰিবি। তোক মই যি কোনো বিনিময়ত সহায় কৰিম। যিবোৰ পৃষ্ঠাত উজ্জ্বল পোহৰ পৰি জিলিকি উঠে সেইবোৰ পৃষ্ঠাৰ প্ৰশ্ন উত্তৰবোৰ ভালদৰে মুখস্থ কৰিবি। তোৰ ফলাফল তই ভবাতকৈ বহুত ভাল হ'ব। তোৰ সাহসে মোক আনন্দিত কৰিছে। তাতে তই সৎ আৰু নীৰ্জু। অৱশেষত সি তাকে কৰি ভাল ফল লাভ কৰিছিল। ওৰে ৰাতিটো সি ভূতৰে কটোৱা সেই নিশাটোৰ কথা আজিও তাৰ মনত আছে। সি সেই স্মৰণীয় দিনটোৰ পৰাই অনুভৱ কৰিব পাৰিছিল যে সৎ আৰু সাহসী হ'লে তাক ভগৱানেও সহায় কৰে। পাছৰ কালত সি চিকিৎসকৰূপে সুখ্যাতিৰে ওলাই আহি জনসেৱাত নিজকে নিয়োগ কৰিছিল।

# সমন্বয়

**বীৰেণ শৰ্মা**

**মনপা** অৰুণাচলৰ এজনী পাহাৰীয়া ছোৱালী। ষষ্ঠমান শ্ৰেণীত পঢ়ে। অৰুণাচলৰ চৰকাৰী হাইস্কুলত। মনপাৰ দেউতাকো চৰকাৰী হাইস্কুলৰ শিক্ষক। যোৱা বছৰ গৰমৰ বন্ধত মনপা আৰু দেউতাক গুৱাহাটীলৈ গৈছিল। চিৰিয়াখানা আৰু গুৱাহাটীৰ দূৰদৰ্শনৰ বিভিন্ন চেনেলবোৰ, গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ আৰু 'কলাক্ষেত্ৰ' চাবলৈ। গুৱাহাটীত এইবিলাক চাই আহি ঘূৰি অহা বাছখনতে আমাৰ ভৈয়ামৰ তেজপুৰৰ ছোৱালী ঝুমিক লগ পালে। ঝুমি আৰু দেউতাকো গুৱাহাটীৰ পৰা ঘূৰি আহিছিল একেখন বাছতে। মনপা আৰু দেউতাক অৰুণাচললৈ বুলি যাত্ৰা কৰিছিল আৰু ঝুমি আৰু দেউতাক তেজপুৰলৈ বুলি যাত্ৰা কৰিছিল। ঝুমিও তেজপুৰ কন্যা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠমান শ্ৰেণীৰ ছাত্ৰী আছিল। ঝুমি ৰং চেনেলে আয়োজন কৰা 'ঝঙকাৰ' প্ৰতিযোগিতাতে যোগ দিবলৈ গৈছিল। ঝুমি ষষ্ঠ শ্ৰেণীত পঢ়িলেও ঝুমি এগৰাকী ভাল আধুনিক গীতৰ গায়িকা। ঝুমিৰ মাক অৰুণা বৰুৱাও এগৰাকী আধুনিক গীতৰ ভাল গায়িকা। বিভিন্ন দূৰদৰ্শনৰ চেনেল আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰযোগে গীত পৰিৱেশন কৰি আহিছে। ঝুমিৰ দেউতাক তেজপুৰ কলেজৰ অসমীয়া বিভাগৰ প্ৰবক্তা। মনপা আৰু দেউতাকৰ আসন ঝুমি আৰু দেউতাকৰ আসন একে শাৰীতে হোৱাত মনপা দেউতাকৰ ওচৰৰ পৰা উঠি আহি ঝুমিৰ ওচৰত বহিলহি আৰু ঝুমিৰ দেউতাকক মনপাৰ দেউতাকৰ ওচৰত বহিবলৈ অনুৰোধ কৰিলে। মনপাৰ অনুৰোধত ঝুমিৰ দেউতাকে পৰম সন্তুষ্টি লাভ কৰিলে যে মনপা আৰু ঝুমি যেতিয়া একে বয়সৰ ছোৱালী একেলগে বহি নিশ্চয় ভাল পাব। বয়সস্থ লোক ঝুমিৰ দেউতাক আৰু মনপাৰ দেউতাকেও নিশ্চয় একেলগে কথা পাতি ভাল পাব। মনপাই শুদ্ধ অসমীয়া ক'ব পাৰে। অৰুণাচলত বাসকৰা অসমীয়া লোকসকলৰ লগত তেওঁলোকৰ নিবিড় সম্পৰ্ক। দুয়ো দুয়োৰে স্কুলৰ পঢ়া-শুনাৰ কথা পতাত ব্যস্ত হৈ পৰিল। ইয়াৰ উপৰি তেওঁলোক দুয়ো অৰুণাচল আৰু অসমত অনুষ্ঠিত হোৱা বিভিন্ন উৎসৱ, পূজা-পাৰ্বণ-গীত নাটক আদিৰ কথাও আলোচনা কৰিলে। অৰুণাচলৰ মানুহে ভূপেন মামাক অতি শ্ৰদ্ধা কৰে। ভূপেন মামা বুলিলে বুজিছা ঝুমি অৰুণাচলৰ মানুহ পাগল। সকলো মানুহৰ মুখে মুখে ভূপেন মামাৰ গীত। 'মানুহে মানুহৰ বাবে ভূপেন মামাৰ এই কালজয়ী গীতটো অৰুণাচলৰ মানুহৰ বৰ প্ৰিয়। ঝুমি আৰু মনপাৰ দেউতাকে বিভিন্ন ৰাজনৈতিক কথাৰ উপৰিও অৰুণাচল আৰু অসমৰ বিভিন্ন সমস্যাৱলীৰ কথা আলোচনা কৰিলে। মনপাই ক'লে— জানা ঝুমি বাৰিষা আমাৰ অৰুণাচলৰ ভিতৰুৱা গাঁওবিলাকৰ অৱস্থা বৰ বেয়া হয়। মানুহবিলাক বাঁহৰ সাঁকো বা দলঙৰে পাৰ হ'ব লাগে। এই দৃশ্যবিলাক জানা বৰ দুখ লগা হয়। ঝুমিয়ে ক'লে বুজিছা মনপা—আমাৰ দেশৰ অৱস্থাও একেই হয়। বাৰিষা আমাৰ ইয়াত বানপানী হয়। বানপানী হ'লে মানুহবিলাকে ঘৰ-দুৱাৰ এৰি বেলেগ ওখ ঠাইত আশ্ৰয় ল'ব লগা হয়। বহু মানুহ বানপানীত উঠিও যায়। মানুহবিলাকৰ খেতি-পথাৰ, জীৱ-জন্তুবিলাক বানপানীত মৰি হজি শেষ হৈ যায়। এই দৃশ্যও জানা মনপা বৰ মৰ্মান্তিক। মনপাই ক'লে জানা ঝুমি তোমালোকৰ অসমীয়া মানুহবিলাক বৰ মৰমিয়াল। তোমালোকৰ উৎসৱ বিহু আদিত অৰুণাচলত থকা অসমীয়া লোকসকলে আমাক নিমন্ত্ৰণ কৰি ইমান জা-জলপান খুৱাই, অসমীয়া মানুহৰ অতি আদৰৰ 'বিহুৱান' গামোচা আমাক উপহাৰ দিয়ে। মই জানা তোমালোকৰ অসমীয়া মানুহৰ পৰা এটি বিহুগীতো শিকিছো।

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
অতিকৈ চেনেহৰ মাকো।
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নাপাতি কেনেকৈ থাকো।

ঝুমিয়ে মনপাই ভগা ভগা মাতেৰে অসমীয়া বিহুগীত গোৱা শুনি মনে-মনে বৰ হাঁহিলে। মনপাই ঝুমিক সুধিলে— তোমালোকে বাৰু আৰু কি কি উৎসৱ পালন কৰা। ঝুমিয়ে মনপাক অসমীয়া মানুহে পালন কৰা কাতি বিহু, ভোগালী বিহু আৰু ৰঙালী বিহুৰ কথা ভালদৰে বুজাই দিলে। মনপাই অহাবাৰ ৰঙালী বিহুটো অসমত চোৱাৰ ইচ্ছা কৰি দেউতাকক অহাবাৰ ৰঙালী বিহুত অসমলৈ আহি ঝুমিহঁতৰ ঘৰত থাকি বিহু চোৱাৰ মানস কৰি দেউতাকক গাড়ীতেই অহাবাৰলৈ দেউতাকৰ লগতে অসমত ৰঙালী বিহু চোৱাৰ অনুমতি ল'লে। লাহে লাহে গাড়ী আহি তেজপুৰ পালেহি। ঝুমি আৰু ঝুমিৰ দেউতাকে মনপা আৰু মনপাৰ দেউতাকৰ পৰা বিদায় লৈ তেজপুৰত নামিল। মনপা আৰু দেউতাক অৰুণাচললৈ যাত্ৰা কৰিলে। বাটত মনপাই দেউতাকৰ লগত ঝুমিৰ ভদ্ৰ-ব্যৱহাৰ আৰু ভদ্ৰ আচৰণৰ কথাই আলোচনা কৰিলে। পুনৰ ৰঙালী বিহু চাবলৈ মনপা আৰু মনপাৰ দেউতাক তেজপুৰৰ ঝুমিহঁতৰ ঘৰ পালেহি। মনপা আৰু মনপাৰ দেউতাক আৰু বিহুৰ আগদিনা ঝুমিহঁতৰ ঘৰত উপস্থিত হোৱাত ঝুমিয়ে মনত বিৰাট আনন্দ পালে। ঝুমিয়ে মাকক হাতত ধৰি মাতি আনি মনপা আৰু মনপাৰ দেউতাকক চিনাকি কৰি দিলে। গৰু বিহুৰ দিনা অসমৰ মানুহবোৰে 'লাউখা, বেঙেনাখা কৰি গো পূজা কৰা দৃশ্য দেখি মনপা আৰু মনপাৰ দেউতাক আচৰিত হ'ল। আৰু মানুহ বিহুৰ দিনা ডাঙৰে সৰুক 'বিহুৱান' দি সন্মান জনোৱা দৃশ্য দেখি মনপা আৰু দেউতাকে অসমীয়া মানুহৰ শ্ৰদ্ধা ভক্তি দেখি আচৰিত হৈ পৰিল। মনপা আৰু মনপাৰ দেউতাককো মানুহ বিহুৰ দিনা বিহুৱান দি ঝুমিৰ মাকে সন্মান জনাই মনপা আৰু মনপাৰ দেউতাকে অসমীয়া শিপিনীয়ে বোৱা বিহুৱান দেখি আচৰিত হৈ পৰে। সেয়ে বোধকৰো মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল—যি নাৰীয়ে কাপোৰত ফুল বাছিব পাৰে, সেই নাৰীয়ে দেশৰ কাৰণে কৰিব নোৱাৰা কি কাম আছে। এই বাক্যশাৰী মহামানৱ মহাত্মা গান্ধীয়ে স্বাধীনতা আন্দোলনৰ সময়ত অসমতে কৈছিল— মনপা, মনপাৰ দেউতাক, ঝুমি আৰু ঝুমিৰ দেউতাকে তেজপুৰৰ বিভিন্ন বিহুতলীত হোৱা বিহু অনুষ্ঠান আৰু মুকলি বিহু আদিৰ প্ৰতিযোগিতা আদি উপভোগ কৰিলে। মনপাই ঝুমিৰ মাকৰ পৰা তিলপিঠা আৰু অন্যান্য বস্তু বৰপিঠা, তিলৰ লাড়ু আদি কেনেকৈ বনাই সেইবিলাক শিকি ল'লে। বিহুৰ কেইদিন মনপা আৰু মনপাৰ দেউতাকে ঝুমিহঁতৰ ঘৰতে থাকি অসমৰ ৰঙালী বিহু ভালদৰে উপভোগ কৰিলে। মনপা আৰু মনপাৰ দেউতাকে ঝুমিহঁতৰ পৰিয়ালটোকো তেওঁলোকৰ অৰুণাচলৰ ঘৰলৈ নিমন্ত্ৰণ কৰিলে। তেওঁলোকৰ জাতীয় উৎসৱলৈ ঝুমিহঁত যাব লাগিব বুলি ক'লে। অসমীয়া শিপিনীৰ কাপোৰত ফুল বছা দেখি মনপাৰ দেউতাক অভিভূত হৈ পৰে। মনপাৰ দেউতাকে যাবৰ সময়ত কৈ গ'ল আপোনালোকে দিয়া বিহুৰ উপহাৰ বিহুৱানে আমাৰ পৰিয়াল দুটাৰ মাজত মিলনৰ সমন্বয় চিৰকাললৈ গঢ়ি তুলিলে। ঝুমিয়ে যাবৰ সময়ত মনপাক এপাহি কপৌফুল পিন্ধাই দিলে।



# আচহুৱা প্ৰাণী ৱালৰুছ

**এবিধ** বৰ আচহুৱা প্ৰাণী ৱালৰুছ (Walrus)। এইবিধ হ'ল মেৰু অঞ্চলত বাস কৰা স্তন্যপায়ী প্ৰাণী। দেখিবলৈ প্ৰায় সামুদ্ৰিক ছীলৰ দৰে। ইহঁতৰ মূৰ ডাঙৰ, ভৰিহাল সাঁতোৰৰ বাবে উপযোগী, শৰীৰত নোম আৰু দুটা দীঘল দাঁত আছে। এটা পূৰ্ণবয়স্কৰ ৱালৰুছৰ ওজন ৬০০ৰ পৰা ১,৫০০ কেজি পৰ্যন্ত হ'ব পাৰে। দৈৰ্ঘ্য সৰ্বাধিক ১১ ফুট। অৱশ্যে মাইকী ৱালৰুছৰ দৈৰ্ঘ্য মতাবোৰৰ প্ৰায় অৰ্ধেক। ইহঁতৰ দাঁতবোৰ তিনি ফুট পৰ্যন্ত দীঘল হয়। প্ৰধানকৈ আত্মৰক্ষাৰ বাবেই এই দাঁত ব্যৱহাৰ হয়। ৱালৰুছৰ দুটা উপ-প্ৰজাতি আছে— আটলাণ্টিক ৱালৰুছ আৰু পেচিফিক ৱালৰুছ। ইহঁতে খাদ্য বিচাৰি গভীৰ পানীত বিচৰণ কৰে; কিন্তু বিশ্ৰামৰ বাবে সাগৰৰ পাৰলৈ উঠি আহে। ৱালৰুছে মাটিত বৰ খৰকৈ খোজ দিব নোৱাৰে। ভৰি দুখন বৰ সৰু কাৰণে দেখিলে বগাই যোৱা যেনহে লাগে। পানীত কিন্তু ইহঁতৰ গতি বৰ খৰ। ঘণ্টাত গড়ে সাত কিলোমিটাৰ গতিবেগত সাঁতুৰিব পাৰে। ৱালৰুছ দলবদ্ধভাৱে বাস কৰা প্ৰাণী। সচৰাচৰ এটা দলত ১০০ মান সদস্য থাকে। কিন্তু প্ৰজননকালত এই সংখ্যা হেজাৰ অতিক্ৰম কৰিব পাৰে। মাইকী ৱালৰুছে এবাৰত এটা পোৱালি জন্ম দিয়ে। জন্মৰ সময়তে পোৱালিটোৰ ওজন প্ৰায় ৪৫ কেজি হয়। তিনি বছৰ পৰ্যন্ত পোৱালি মাকৰ লগতে থাকে।



# মহৎ লোকৰ বাণী

⇨ শিক্ষাই হৈছে আটাইতকৈ শক্তিশালী অস্ত্ৰ। যাৰ দ্বাৰা তুমি বিশ্বলৈ পৰিৱৰ্তন আনিব পাৰা। — নেলছন মেণ্ডেলা।

⇨ আত্মনিন্দা কৰিব জানিলে মানুহ পৰনিন্দাৰ পাকত নপৰে। — স্বামী বিবেকানন্দ।

⇨ জগতত জীয়াই থাকিবলৈ প্ৰেম আৰু সাহসৰ অতি প্ৰয়োজন। — আব্ৰাহাম লিংকন।

⇨ পাপক ঘৃণা কৰিবা, কিন্তু পাপীক ঘৃণা নকৰিবা। — যীশু খ্ৰীষ্ট।

# মাঘবিহুৰ খানা

**মধুছন্দা**

মাঘবিহুৰ উৰুকা ৰাতি
ভাইটি-ভণ্টিহঁতে মিলি
খাব এটা খানা,
এমাহৰ আগৰ পৰাই
তাকে লৈ সিহঁতৰ
চলে আলোচনা।
মোহনৰ দোকানৰ
মাইক আনিব
খগেনৰ দোকানৰ খৰি,
ফুলগুৰি হাটত
বজাৰ কৰিব
আনিব ভাৰ কৰি।
কেতেকিহঁতৰ
কেৰাহি আনিব
বকুলিহঁতৰ বাল্টি,
চম্পাহঁতৰ
লেম-চাকি আনিব
কৰবীহঁতৰ কটাৰি।

চাউল আনিব
গাইপতি এপোৱা
চৰকাৰী কুঁৱাৰ পানী,
সকলোৰে মৰমৰ
ভেবেলা ভকতক
ৰান্ধিবলৈ আনিব মাতি।

ৰন্ধা-বঢ়া কৰি
সকলোৰে মিলি
টকালি পাৰি খাব,
ৰাতিপুৱাই আহি
মেজিঘৰ জ্বলাই
সকলো ঘৰা-ঘৰি যাব।

# অলপ হাঁহো আহা

ছান্তা সিং আৰু বান্তা সিঙৰ বহুদিনৰ পাছত সাক্ষাৎ হ'ল। ছান্তাক বৰ বেজাৰ মনেৰে থকা দেখি বান্তাই সুধিলে—

**বান্তা ঃ** তুমি ইমান বেজাৰ মনেৰে আছা, যেন তোমাৰ সকলোবোৰ কোনোবাই চুৰ কৰি নিলে।

**ছান্তা ঃ** কি ক'বা বন্ধু! তিনি সপ্তাহৰ পূৰ্বে মোৰ খুড়াৰ মৃত্যু হ'ল। তেওঁ মোলৈ ৫০ লাখ টকা এৰি গৈছে।

**বান্তা ঃ** সেয়ানো কি বেয়া কথা?

**ছান্তা ঃ** আৰু শুনা! দুসপ্তাহৰ পূৰ্বে মোৰ এজন সম্পৰ্কীয় দাদা মৰিল। তেওঁ মোলৈ ২০ লাখ টকা এৰি গৈছে।

**বান্তা ঃ** সেয়াতো আৰু ভাল কথাহে?

**ছান্তা ঃ** যোৱা সপ্তাহত মোৰ ককা ঢুকাল। তেওঁ মোলৈ এক কোটি থৈ গৈছে।

**বান্তা ঃ** হাৰে! এইবোৰ কথাত তোমাৰ দুখ লাগিবলৈ কি হ'ল?

**ছান্তা ঃ** কিয় নালাগিবহে? এই সপ্তাহত যে কোনো নমৰিল!

# শব্দৰ ধেমালি

**● ঝৰ্ণালী শৰ্মা বৰকটকী**

ভাল মানুহ হ'বলৈ পুৱাতেই উঠিবা
মনপুতি পঢ়িবা পুথি
চকু যুৰি ভালে ৰাখিবলৈ
খাবা মাছ পুঠি।
পুৱা আৰু সন্ধিয়া গোসাঁইঘৰত
সদায় জ্বলাবা দীপ
জানানে বাৰু মাজুলীয়ে
হ'ল পৃথিৱীৰ বৃহৎ নদী দ্বীপ
অবাৱত নকৰিবা সময় খৰচ
অলাগতিয়াল কথাক লৈ
জাৰৰ দিনত শুই লাগে
বৰ মজা কম্বল কঁথা লৈ।
টকা-পইচা নাথাকিলে
আজি কালি একো কাম নাই
টকা বজায় বিহুত বিহুৱতীয়ে
নাচি বৰ ভাল পায়।
দেওবাৰে ডাক সেৱা বন্ধ
সকলোৰে জানে
কুকুৰাৰ ডাক দিলে পুৱা
আৰম্ভ হয় কোনেনো নাজানে।
পঢ়া-শুনা কৰি আগুৱাই যোৱা
আগত ৰাখিবা লক্ষ্য।
ভালদৰে নপঢ়িলে সকলো মিছা
আছে এনে সমাজত বহুলোক লক্ষ লক্ষ।

# ছায়া ছবি

**● ৰিণিমণি শইকীয়া মেধি**

সূৰ্যটো নামি আহিছিল নৈৰ বুকুৰেদি
জাৰৰ দিনৰ অপৈণত ৰ'দ এমোকোৰাৰ লগত
পাহাৰবোৰে চকু মেলি চাই আছিল
গৰ্ভৱতী পলসৰ গোমোঠা ৰঙত
লুতুৰি-পুতুৰি হোৱা নদীৰ নিৰ্জনতা।
লজ্জাৰ বৰ্ম খুলি বাহিৰ ওলাল শামুকবোৰ
দিনে-ৰাতিয়ে পহৰা দিও বুলি
সপোন ভাঙি শেষ ৰাতি ৰাগিণীৰ
এটা মাথোঁ বজ্ৰ সম নিনাদ
পাখি মেলা অতীতৰ কিয়দংশ জোকাৰি
সমাধি সাজিলে বৰ্তমানৰ
সম্ভূত হ'ব নেকি নতুন বীজৰ?
সময়ৰ জটিল কুৰুক্ষেত্ৰ এয়া য'ত
ভীষ্ম অথবা গুৰু দ্ৰোণো নাই
নাই দানবীৰ কৰ্ণ, আছে মাথোঁ ৰক্ত পিপাসু দুঃশাসন
হলা হলে তেজৰ নৈ ববলৈ দূৰ দিগন্ত সামৰি
এৰি থৈ বন্ধ্যা ভূমিৰ ভেঁকুৰা ফচলত
তালিবানি সময়ৰ গধুৰ হুমুনিয়াহ



*ৰাজদ্বীপ শৰ্মা, অষ্টম শ্ৰেণী, শংকৰদেৱ শিশু নিকেতন, ইচ্ছাদঘৰীয়া।*



*মঞ্জিষ্ঠা কুমাৰ, পঞ্চম শ্ৰেণী, শংকৰদেৱ শিশু নিকেতন, ইচ্ছাদঘৰীয়া।*



*অন্বয় ভট্টাচাৰ্য, পঞ্চম শ্ৰেণী, পায়'নিয়াৰ একাডেমী, পুঠিমাৰী।*



*কংকনা দেৱী, ষষ্ঠ শ্ৰেণী, শংকৰ-আজান পায়'নিয়াৰ একাডেমী, বৰস্বৈ।*



*অন্বেষ ভট্টাচাৰ্য, পঞ্চম শ্ৰেণী, পায়'নিয়াৰ একাডেমী, পুঠিমাৰী।*

# ষ্টেডিয়ামত দৰ্শক অবিহনে অনুষ্ঠিত হ'ব ভাৰত-ৱেষ্ট ইণ্ডিজৰ এদিনীয়া শৃংখলা



**আহমেদাবাদ, ১ ফেব্ৰুৱাৰী ঃ** ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাটো ষ্টেডিয়ামত দৰ্শক অবিহনে অনুষ্ঠিত হ'ব। আজি এই কথা প্ৰকাশ কৰিছে গুজৰাট ক্ৰিকেট সন্থাই। উল্লেখ্য যে কৰ'নাৰ বাবে চৰকাৰী নিয়ম পালন কৰি আহমেদাবাদত হ'ব লগা ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ মেচ দৰ্শকে ষ্টেডিয়ামত বহি উপভোগ কৰিব নোৱাৰিব বুলি অবগত কৰে গুজৰাট ক্ৰিকেট সন্থাৰ মিডিয়া মেনেজাৰে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট দল আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ এদিনীয়া মেচ তিনিখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অহা ছয়, ন আৰু ১১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। আনহাতে, কলকতাৰ ইডেন গাৰ্ডেনত অহা ১৬, ১৮, ২০ ফেব্ৰুৱাৰীত ভাৰত-ৱেষ্টইণ্ডিজৰ মাজৰ টি-২০ শৃংখলাৰ মেচ তিনিখন অনুষ্ঠিত হ'ব। কলকাতাত দৰ্শকে ষ্টেডিয়ামত বহি মেচ উপভোগ কৰিব পাৰিব নে নাই সেয়া এতিয়াও সিদ্ধান্ত লোৱা হোৱা নাই। অৱশ্যে এই ক্ষেত্ৰত বি চি চি আয়ে চৰকাৰৰ নিয়ম পালন কৰিব। আনহাতে, আয়োজক ৰাজ্যিক ক্ৰিকেট সন্থাই নিজ ৰাজ্যৰ চৰকাৰৰ নিৰ্দেশ মানিহে খেল আয়োজন কৰিব। বি চি চি আয়ে এইদিশত হস্তক্ষেপ নকৰে। বংগ ক্ৰিকেট সন্থাই বংগ চৰকাৰৰ লগত আলোচনা কৰি কলকাতাৰ ইডেন গাৰ্ডেনত অহা ১৬, ১৮, ২০ ফেব্ৰুৱাৰীত হ'বলগা ভাৰত-ৱেষ্টইণ্ডিজৰ মাজৰ টি-২০ শৃংখলাৰ মেচ তিনিখনত দৰ্শক ষ্টেডিয়ামত উপস্থিত থাকিব নে নাই সেয়া সিদ্ধান্ত ল'ব। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তিনিখনীয়া এদিনীয়া শৃংখলা খেলাৰ বাবে ভাৰতীয় দলটো ইতিমধ্যে উপস্থিত হৈছে আহমেদাবাদত। চলিত সপ্তাহতে আহিব ৱেষ্ট ইণ্ডিজ দলো।



## ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট

# আজি প্ৰথম ছেমিফাইনেলত ভাৰতৰ সন্মুখত অষ্ট্ৰেলিয়া

**এণ্টিগা, ১ ফেব্ৰুৱাৰী ঃ** চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ'বলগা ছেমিফাইনেলত পূৰ্ব দুই চেম্পিয়ন ভাৰত আৰু অষ্ট্ৰেলিয়া মুখামুখি হ'ব। উল্লেখ্য যে উভয় দলে অপৰাজেয় হৈ প্ৰৱেশ কৰিছে ছেমিফাইনেলত। ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব ক্ৰিকেট দলে পূৰ্বে চাৰিবাৰ বিশ্বকাপৰ চেম্পিয়ন ট্ৰফী লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত ভাৰতে খেলে বাংলাদেশৰ বিৰুদ্ধে। একপক্ষীয় মেচখনত ভাৰতে পাঁচ উইকেটত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় দলক পুনৰ নেতৃত্ব দিছিল য়াছ ধুলে। উল্লেখ্য যে কৰ'নাৰ বাবে গ্ৰুপৰ অন্তিম দুখন মেচত তেওঁ দলৰ পৰা আঁতৰি আছিল। কিন্তু নকআউট কোৱাৰ্টাৰ ফাইনেলৰ পূৰ্বে ভাৰতীয় দলত যোগ দিয়ে কৰ'না মুক্ত হৈ দলৰ বাহিৰত থকা আটাইকেইগৰাকী ক্ৰিকেটাৰে। উল্লেখ্য যে গ্ৰুপৰ অন্তিম দুখন মেচত ভাৰতীয় দলৰ অধিনায়ক য়াছ ধুলসহ পাঁচগৰাকী ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হোৱাত খেলিব পৰা নাছিল। ইফালে, চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত ইংলণ্ডে খেলিব আফগানিস্তানৰ বিৰুদ্ধে। উল্লেখ্য যে প্ৰতিযোগিতাৰ গ্ৰুপৰ মেচত ক্ৰমাগত তৃতীয় বিজয় সাব্যস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। দলে গ্ৰুপ মেচত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকা, উগাণ্ডা আৰু আয়াৰলেণ্ডক।

# নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত এহেজাৰ সংখ্যক মেচ খেলিব টীম ইণ্ডিয়াই

**আহমেদাবাদ, ১ ফেব্ৰুৱাৰী ঃ** ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচ টীম ইণ্ডিয়াৰ বাবে ঐতিহাসিক হ'ব। উল্লেখ্য যে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অহা ছয় ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচ। এয়া হ'ব ভাৰতীয় ক্ৰিকেট দলৰ এহেজাৰ সংখ্যক এদিনীয়া আন্তৰ্জাতিক মেচ। স্বাভাৱিকতে ভাৰতীয় দলৰ বাবে এয়া হ'ব গৌৰৱ আৰু সন্মানৰ মেচ। স্মৰণীয় এই মেচত ভাৰতীয় দলৰ লক্ষ্য হ'ব জয় অৰ্জন কৰা। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তিনিখনীয়া এদিনীয়া শৃংখলা খেলাৰ বাবে ভাৰতীয় দলটো ইতিমধ্যে উপস্থিত হৈছে আহমেদাবাদত। কিন্তু কৰ'না নিয়ম পালন কৰি সম্প্ৰতি হোটেলত বন্দি হৈ আছে টীম ইণ্ডিয়াৰ সকলো সদস্য। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-২০ মেচৰ শৃংখলাত ভাৰতীয় দলক



নেতৃত্ব দিব ৰোহিত শৰ্মাই। বি চি চি আয়ে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-২০ মেচৰ শৃংখলাৰ বাবে ভাৰতীয় দল দুটাও ঘোষণা কৰিছে। ৰোহিত শৰ্মাৰ নেতৃত্বত ঘোষিত দলৰ অন্য সদস্যসকল হ'ল ঃ লোকেছ ৰাহুল, ৰিতুৰাজ গাইকোৱাড, শিখৰ ধৱন, বিৰাট কোহলি, সূৰ্যকুমাৰ যাদব, শ্ৰেয়াছ আয়াৰ, দীপক হুদা, ঋষভ পণ্ট, দীপক চাহাৰ, ছাৰ্দুল ঠাকুৰ, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদব, ৱাশ্বিংটন সুন্দৰ, ৰবী বিষ্ণৈ, মহম্মদ চিৰাজ, প্ৰসিদ্ধ কৃষ্ণা আৰু আভেশ খান। উল্লেখ্য যে কৰ'নাৰ বাবে চৰকাৰী নিয়ম পালন কৰি আহমেদাবাদত হ'ব লগা ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ মেচ দৰ্শকে ষ্টেডিয়ামত বহি উপভোগ কৰিব নোৱাৰিব বুলি অবগত কৰে গুজৰাট ক্ৰিকেট সন্থাই। ভাৰতীয় ক্ৰিকেট দল আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ এদিনীয়া মেচ তিনিখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অহা ছয়, ন আৰু ১১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।





টাটা অপেন টেনিছত ভাৰতৰ ব'পান্না।

# মানস প্ৰতিম ক্ৰিকেটত হাৰমতিৰ দ্বিতীয় বিজয়

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা চতুৰ্থ মানস প্ৰতীম দাস সোৱৰণী ক্ৰিকেটৰ আজিৰ খেলত হৰিশিঙা ক্ৰিকেট ক্লাৱক হৰুৱাই হাৰমতি ৰেইন্বো ক্লাৱে দুটা দিনত ধাৰাবাহিকভাৱে দুখন খেলত জয়ী হয়। টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয় হাৰমতি ৰেইন্বো ক্লাৱে। পৰিণতিত হৰিশিঙা ক্ৰিকেট ক্লাৱে নিৰঞ্জদ্ধাৰিত ৩০ অভাৰত নটাকৈ উইকেট হেৰুৱাই ১২৩ ৰাণ সংগ্ৰহ কৰে। ৰেইন্বোৰ পৰশ মল্ল আৰু ৰুদ্ৰ প্ৰধানে তিনিটাকৈ উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি হাৰমতি ৰেইন্বো ক্লাৱে ১২ অভাৰত সুনীল সিঙৰ দুৰ্দান্ত অপৰাজিত সৰ্বাধিক ৩৩ ৰাণেৰে তিনিটা উইকেটৰ বিনিময়ত ১২৫ ৰাণ সংগ্ৰহ কৰি সাত উইকেটত জয়ী হয়।



প্ৰ' কাবাদীৰ এখন মেচৰ উত্তেজক মূহুৰ্ত।

# আই চি চিৰ মহিলাৰ এদিনীয়া ৰেংকিং তালিকাৰ দ্বিতীয় স্থানত ভাৰতৰ দুই ক্ৰিকেটাৰ মিতালী-ঝুলন

**ডুবাই, ১ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ দুই মহিলা ক্ৰিকেটাৰ মিতালী ৰাজ আৰু ঝুলন গোস্বামীয়ে আই চি চিৰ শেহতীয়া ৰেংকিঙত বেটাৰ আৰু বলাৰৰ তালিকাত দ্বিতীয় স্থানত আছে। মিতালীয়ে ৰেংকিঙত উত্তৰণ কৰি বেটাৰৰ তালিকাত দ্বিতীয় স্থানত থকাৰ বিপৰীতে ঝুলন বলাৰৰ পূৰ্বৰ দ্বিতীয় স্থান অক্ষুন্ন ৰাখিছে। উল্লেখ্য যে মিতালীয়ে লাভ কৰিছে ৭৩৮ পইণ্ট আৰু ঝুলনে লাভ কৰিছে ৭২৭ পইণ্ট। ইফালে, ভাৰতৰ দিপ্তী শৰ্মাই অলৰাউণ্ডাৰৰ ৰেংকিং তালিকাৰ চতুৰ্থ স্থানত আছে। উল্লেখ্য যে ইয়াৰপূৰ্বে মিতালী ৰাজ আৰু ঝুলন গোস্বামীয়ে ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ এদিনীয়া দলত স্থান লাভ কৰিছিল। বছৰৰ আৰম্ভণিতে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে (আই চি চি) ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ মহিলাৰ এদিনীয়া দলটো ঘোষণা কৰিছিল। দলৰ অধিনায়িকা নিৰ্বাচিত হয় ইংলণ্ডৰ নাইট। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতৰ স্মৃতি মান্ধানাই বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-২০ দলত স্থান লাভ কৰিছিল। ভাৰতৰ একমাত্ৰ সদস্যা হিচাপে স্মৃতি মান্ধানাই ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-২০ দলত স্থান লাভ কৰে। আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে ঘোষণা কৰা দলত আছে ইংলণ্ডৰ পাঁচগৰাকী মহিলা ক্ৰিকেটাৰ।



# আইপিএলৰ নিলামৰ পূৰ্বে অভিলেখ ৰাহুল-হাৰ্দিকৰ

**মুম্বাই, ১ ফেব্ৰুৱাৰী ঃ** আই পি এলৰ ইতিহাসত আন এক অভিলেখৰ গৰাকী হ'ল কে এল ৰাহুল। পূৰ্বৰ পঞ্জাৱ কিংছৰ অধিনায়কগৰাকীয়ে ২০২২ ছিজনৰ আই পি এল আৰম্ভ হোৱাৰ পূৰ্বেই এক বিশেষ অভিলেখৰ গৰাকী হ'ল। আই পি এলত সবাটোকৈ অধিক মূল্যৰ খেলুৱৈ হোৱাৰ কৃতিত্ব অৰ্জন কৰিলে ৰাহুলে। আই পি এলৰ লক্ষ্মৌৰ নতুন দলটোৱে কে এল ৰাহুলক ১৭ কোটি টকাৰ বিনিময়ত ক্ৰয় কৰিছে। নতুন ফ্ৰেঞ্চাইজিটোৱে ৰাহুলৰ ওপৰতে অৰ্পণ কৰিছে দলটোৰ অধিনায়কৰ দায়িত্ব। পঞ্জাৱ কিংছৰ অধিনায়ক হিচাপে আই পি এলত ইতিমধ্যে অভিজ্ঞতা সঞ্চয় কৰিছে ৰাহুলে। ৰাহুলৰ উপৰিও লক্ষ্মৌৰ নতুন দলটোৱে অষ্ট্ৰেলিয়াৰ অলৰাউণ্ডাৰ মাৰ্কাছ ষ্টইনিছক ৯.২ কোটি আৰু ভাৰতীয় আনকেপড প্লেয়াৰ ৰবি বিষ্ণৈক চাৰি কোটি টকাৰ বিনিময়ত ক্ৰয় কৰিছে। দুয়োগৰাকী ক্ৰিকেটাৰে পঞ্জাৱ কিংছৰ হৈ উন্নত প্ৰদৰ্শন আগবঢ়াইছিল। আনহাতে আই পি এলৰ আন এটা নতুন ফ্ৰেঞ্চাইজি আহমেদাবাদেও দলটোৰ অধিনায়কৰ লগতে আন দুজন খেলুৱৈৰ নাম ঘোষণা কৰিছে। দলটোৱে মুম্বাইৰ পূৰ্বৰ খেলুৱৈ হাৰ্দিক পাণ্ডিয়াক দলটোত ১৫ কোটি টকাৰ বিনিময়ত অন্তৰ্ভুক্ত কৰিছে। পাণ্ডিয়াৰ উপৰিও আফগানিস্তানৰ তাৰকা ক্ৰিকেটাৰ ৰছিদ খানকো ১৫ কোটি টকাৰ বিনিময়ত ক্ৰয় কৰিছে। দলটোৱে পাণ্ডিয়াক অধিনায়কৰ দায়িত্ব অৰ্পণ কৰিছে। এওঁলোক দুজনৰ উপৰিও আহমেদাবাদে শুভমন গিলক আঠ কোটি টকাৰ বিনিময়ত ক্ৰয় কৰিছে। উল্লেখ্য যে আইপিএলৰ মেগা নিলাম অহা ১২ আৰু ১৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।



# প্ৰথমবাৰৰ বাবে চাপৰ সন্মুখীন ভাৰতৰ যুৱ দল

**এণ্টিগা, ১ ফেব্ৰুৱাৰী ঃ** চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ ভাৰতে ছেমিফাইনেল খেলিব অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। প্ৰথমবাৰৰ বাবে শক্তিশালী প্ৰতিদ্বন্দ্বী পাইছে ভাৰতীয় দলে। সেয়ে আত্মবিশ্বাসী হোৱাৰ পাছতো চাপৰ সন্মুখীন হৈছে ভাৰতৰ যুৱ দল। উল্লেখ্য যে ভাৰতে প্ৰতিযোগিতাত জয়ৰে অভিযান আৰম্ভ কৰিছিল। গ্ৰুপ 'বি'ৰ নিজৰ প্ৰথম মেচত ভাৰতে ৪৫ ৰাণত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাক। টছত পৰাস্ত হৈ পোনতে বেটিং কৰা ভাৰতে ৫০ অভাৰৰ পূৰ্বেই ৪৬.৫ অভাৰত ২৩২ ৰাণত ইনিংছ সামৰে। ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব দলৰ অধিনায়ক য়াছ ধুলে ৮২ ৰাণৰ অনবদ্য ইনিংছ খেলে। প্ৰত্যুত্তৰত, দক্ষিণ আফ্ৰিকাই ৪৫.৪ অভাৰত ১৮৭ ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ বিকি অষ্টাৱলে পাঁচটা উইকেট দখল কৰে আৰু মেচৰ শ্ৰেষ্ঠ হয়। আনহাতে, চাৰিটা উইকেট পায় ৰাজ বাৱাই। কিন্তু পৰৱৰ্তী দুখন মেচত অধিনায়ক ধুল অবিহনে খেলে ভাৰতে। দ্বিতীয় মেচত ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব দলে ১৭৪ ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে আয়াৰলেণ্ডক। পোনতে বেটিং কৰা ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত পাঁচ উইকেটত সংগ্ৰহ কৰে ৩০৭ ৰাণ। দলৰ হৈ দুই অপেনাৰ হৰমন সিঙে ৮৮ ৰাণ আৰু ৰঘুবংশীয়ে ৭৯ ৰাণ কৰে। প্ৰত্যুত্তৰত, আয়াৰলেণ্ডে ৩৯ অভাৰতে ১৩৩ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে।



ভাৰতে গ্ৰুপৰ তৃতীয় মেচত ৩২৬ ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰিছিল উগাণ্ডাক। এয়া ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপত ভাৰতৰ এক নতুন অভিলেখ। পোনতে বেটিং কৰা ভাৰতে ৫০ অভাৰত পাঁচ উইকেট হেৰুৱাই ৪০৫ ৰাণ কৰে। দলৰ হৈ দুগৰাকী বেটছমেনে শতক অৰ্জন কৰে। অপেনাৰ ৰঘুবংশীয়ে ১৪৪ ৰাণ কৰাৰ বিপৰীতে ৰাজ বাৱাই অপৰাজিত ১৬২ ৰাণ কৰে। প্ৰত্যুত্তৰত, উগাণ্ডাই ১৯.৪ অভাৰত ৭৯ ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ নিশান্ত সিন্ধুই চাৰিটা উইকেট পায়। ইফালে, প্ৰতিযোগিতাৰ তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ বিৰুদ্ধে বাংলাদেশে পোনতে বেটিং কৰে যদিও মাত্ৰ ১১১ ৰাণতে ইনিংছ সামৰে। ভাৰতৰ ৰবী কুমাৰে তিনিটা আৰু বিকী অ'ষ্টৱলে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত, ভাৰতে পাঁচ উইকেট হেৰুৱাই ১১৭ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। উল্লেখ্য যে ভাৰতৰ আৰম্ভনি সুখৰ নাছিল যদিও অপেনাৰ ৰঘুবংশীয়ে ৪৪ ৰাণ কৰি বাংলদেশক পাঁচ উইকেটত পৰাস্ত কৰাত অন্যতম ভূমিকা লয়।

## প্ৰীতি মেচত মিডিয়া ছুপাৰ কিংছ পৰাস্ত

# উত্তৰ-পূব মিডিয়া ক্ৰিকেটত প্ৰতিদিন টাইমৰ জয়লাভ

**গুৱাহাটী, ১ ফেব্ৰুৱাৰী ঃ** প্ৰতিদিন টাইমে তৃতীয় ৰাইছমোদি নুনিচা সোঁৱৰণি উত্তৰ-পূব মিডিয়া ক্ৰিকেট চেম্পিয়নছ ট্ৰফীৰ জয়েৰে অভিযান সামৰিলে কৰিছে। আজি জজ খেলপথাৰত হোৱা মেচত প্ৰতিদিন টাইমে ৪৮ ৰাণত পৰাস্ত কৰে শিলচৰ প্ৰেছ ক্লাবক । প্ৰতিদিন টাইমে নিৰ্ধাৰিত ১৫ অভাৰত চাৰি উইকেটত ১৫৩ ৰাণ কৰে । প্ৰত্যুত্তৰত শিলচৰ প্ৰেছ ক্লাবে আঠ উইকেটত ১০৫ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে । দ্বিতীয়খন প্ৰীতি মেচত প্ৰাইভেট আই টি এণ্ড টেলিকম এছোচিয়েচন চমুকৈ পিটা দলে মিডিয়া ছুপাৰ কিঙছক ৪০ ৰাণত পৰাজিত কৰে । পিটাই ১৮ অভাৰত এক উইকেটত ১৬২ ৰাণ কৰাৰ বিপৰীতে মিডিয়া দলে সাত উইকেটত ১২২ ৰাণহে কৰে।

# পলাশবাৰী বৰকুছিত সাংবাদিক-প্ৰশাসনৰ প্ৰীতি ক্ৰিকেট




**অগ্ৰদূতবাৰ্তা**

**পলাশবাৰী, ১ ফেব্ৰুৱাৰী ঃ** পলাশবাৰীৰ বৰকুছিত পলাশবাৰী ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ উদ্যোগত লগতে বৰকুছি নৱ যুবক সংঘৰ সহযোগত চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী, দক্ষিণ কামৰূপৰ ছপা-বৈদ্যুতিন মাধ্যম, পোৰ্টেল নিউজৰ সাংবাদিক আৰু সংবাদকৰ্মী সকলৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত হয়। চাৰিটা দলৰ মাজত অনুষ্ঠিত হোৱা প্ৰথম খেল ৰেভ পোৰ্টেল আৰু পলাশবাৰী চক্ৰ বিষয়া কাৰ্যালয়ৰ মাজত আৰম্ভ হয়। উক্ত খেলখনত ৰেভ পৰ্টেলৰ জয়লাভ কৰে। তাৰ পিছতে দক্ষিণ কামৰূপৰ বৈদ্যুতিন আৰু ছপা মাধ্যমৰ মাজত দ্বিতীয় খেলখন অনুষ্ঠিত হয়। উত্তেজনাপূৰ্ণ খেলখনত বিদ্যুতিন মাধ্যমে জয় লাভ কৰিবলৈ সক্ষম হয়। তৃতীয়খন খেল পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কাৰ্যালয়ৰ মাজত অনুষ্ঠিত হয়। উক্ত খেলত কামৰূপ জিলাৰ জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এন, বিধায়ক হেমাংগ ঠাকুৰীয়া, পলাশবাৰী ৰাজহ চক্ৰ বিষয়া ধ্ৰুৱজ্যোতি পাঠক, জ্যেষ্ঠ সাংবাদিক বলেন কলিতা আদিয়ে অংশ গ্ৰহণ কৰে। শেষত চুড়ান্ত খেল বৈদ্যুতিন মাধ্যম আৰু ৰেভ পোৰ্টেল মাজত অনুষ্ঠিত হয়। উক্ত প্ৰীতি ক্ৰিকেট খেলত বিজয়ী হয় ৰেভ পোৰ্টেলে। খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ৰেভ পোৰ্টেৰ দলৰ খেলুৱৈ গৌতম দাসে। শেষত বিজয়ী আৰু ৰানাৰ্চআপ দলক বঁটা প্ৰদান কৰে পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ধ্ৰুৱজ্যোতি পাঠকে। অধিবক্তা তপন কুমাৰ দাস, পলাশবাৰীৰ প্ৰাক্তন পৌৰপতি ৰাতুল শৰ্মাই খেল পৰিচালনাৰ দায়িত্বত আছিল।



মহিলা হকীত চীনৰ বিৰুদ্ধে ভাৰতৰ জয়, মেচৰ এক মূহুত্ব।

## বিলাসনন্দন চ'ৰা



# সৰ্ব আন্দোলন বন্ধ

**এটা** সময় আছিল যেতিয়া আন্দোলন নচলিলে দেছ নচলিছিল। সহজ ভাষাত ক'বলৈ গ'লে এই আন্দোলনেই আছিল দেছখনৰ প্ৰধান চালিকা শক্তি। আন্দোলনবোৰ চলি আছিল কাৰণে সকলোৱে সহজতে চিনি উলিয়াইছিল ক'ত কি কি সমস্যা আছে। আন্দোলনবোৰ আছিল কাৰণেই সকলোৱে সহজতে বিচাৰ কৰিব পাৰিছিল কি ভাল কাম হৈছে কি বেয়া কাম হৈছে। ৰাজসভাৰ সভাসদসকলেও অলপ সাৱধানে চলিছিল আন্দোলন হ'ব পাৰে বুলি। আন্দোলনবোৰ চলি আছিল কাৰণেই বন্ধ, ধৰ্মঘট, অনশনজাতীয় আমাৰ জাতীয় সম্পদবোৰ সুকলমে চলি আছিল।

কিন্তু হঠাতে আন্দোলনবোৰ নাইকিয়া হৈ গ'ল। কি বা হ'ল, আন্দোলনবোৰ হঠাতে বন্ধ হৈ গ'ল। আন্দোলনৰ অবিচ্ছেদ্য অংগ শ্ল'গানবোৰো আজিকালি নুশুনা হৈ গ'ল। বহুতে কয় কৰ'নাৰ কাৰণে। কৰ'না আহে আৰু যায়। কিন্তু আন্দোলন পূৰাপূৰি বন্ধ হৈ গ'ল। পুৱাতে আন্দোলন কৰিবলৈ ঘৰৰ পৰা ওলাই যোৱা ল'ৰাটো যোৱা দুবছৰ ধৰি ঘৰতে বহি থকা দেখি দেউতাক অলপ আচৰিত হ'ল। সৌসিদিনালৈকে দেউতাকে যদি ল'ৰাটোক সোধে— তই একো নকৰ নেকি?, তেতিয়া ল'ৰাটোৱে দম্ভালি মাৰি কয়— কিয়, আন্দোলন কৰি আছো নহয়! দেউতাকে একো বুজি পোৱা নাছিল পুতেকে আচলতে কি কৰিব খুজিছে! তথাপি এটাই সন্তুষ্টি আছিল— পুতেকে দেউতাকৰ পৰা পকেট মানি বিচৰা নাই। বিচৰাতো বাদেই, আন্দোলন কৰি কৰি পুতেকে এখন বাইকো কিনি লৈছিল। সদায় নতুন নতুন চাৰ্ট, নতুন নতুন পেণ্ট! মাজে মাজে ঘৰলৈ দুই-এপদ বস্তুও আনে। দেউতাকে আগৰ আন্দোলনবোৰ দেখিছে। আন্দোলনকাৰীকো দেখিছে। নিজেও দুই-এবাৰ আন্দোলনত গৈছিল। সেইবোৰ আন্দোলনত চামিল হ'লে দেখোন পকেটত যিখিনি থাকে, সেইখিনিও দি থৈ আহিব লাগিছিল। তেন্তে পুতেকে আন্দোলন কৰিবলৈ গৈ কেনেকৈ গৰম জেপ লৈ ঘূৰি ফুৰিব পাৰিছিল, সেয়া হ'লে দেউতাকে কোনোদিনে বুজি নাপালে। একেদৰে দেউতাকে এয়াও বুজি পোৱা নাই যে আন্দোলন কৰিবলৈ যোৱাৰ নামত এদিনলৈও ঘৰত নথকা ল'ৰাটোৱে এইকেইদিন ঘৰতে সোমাই আছে। কি কাৰণ? উৎসুকতাৰে দেউতাকে পুতেকক সুধিলে— 'হেৰৌ, তোৰ হৈছে কি?'

ঃ কি হ'ল?

ঃ তই দেখোন ঘৰতে সোমাই আছ? আন্দোলন-চান্দোলন কৰিবলৈ নাযাৱ নেকি?

ঃ নাই, নাযাওঁ।

ঃ কিয়?

ঃ কিহক লৈ আন্দোলন কৰিম?

ঃ দেছত ইমানেই সমস্যা নোহোৱা হৈ গ'লনে?

ঃ মই কি জানো?

ঃ ইমানেই শান্তি আহি গ'লনে?

ঃ মই কি জানো?

ঃ আন্দোলন কৰিবলৈ তহঁতে একো ইছ্যুৱে বিচাৰি পোৱা নাইনে?

ঃ নাই।

ঃ সৰ্ব বস্তুৰে যে হোৱা হোৱে দাম বাঢ়ি আছে, তাকে লৈ আন্দোলন নকৰ কিয়?

ঃ সেইটো কি আন্দোলন কৰিব লগা কথা হ'ল? ভালহে হৈছে!

ঃ কি ভাল হৈছে?

ঃ বজাৰত এতিয়া সস্তীয়া বস্তুবোৰ নাইকিয়া হৈ গৈছে। সৰ্ব দামী বস্তু।

ঃ মানুহবোৰৰ যে চাকৰি-বাকৰি নাই।

ঃ খেতি কৰক।

ঃ ক'ত খেতি কৰিব?

ঃ বেদখলকাৰীক উচ্ছেদ কৰি খেতি কৰক।

ঃ কৰাপচন যে এতিয়াও চলি আছে।

ঃ কৰাপচনৰ অপচন বিচাৰি ল'লে হ'ল।

ঃ টেবুলৰ তলেদি লেনা-দেনা চলিয়ে আছে যে!

ঃ টেবুলবোৰ বাহিৰ কৰি দিলে হ'ল। তাৰ কাৰণে আন্দোলন কৰিব লাগে নেকি?

ঃ ৰাজকোষ যে খালী!

ঃ ভৰাই ল'লে হ'ল।

ঃ ক'ৰ পৰা ভৰাব?

ঃ সৰ্ব বেচি দিলে হ'ল। বেচি বেচি যি পায়, তাকে ৰাজকোষত ভৰাই থ'লে হ'ল।

অতিষ্ঠ হৈ দেউতাকে সুধিলে— 'এনেকৈ যদি একো নকৰ, তই দেখোন বেকাৰ হৈ থাকিবি!'

ঃ নাথাকো।

ঃ কেনেকৈ?

পুতেকে বুজাই দিলে— 'আন্দোলন কৰা কাৰণে মই বাইকহে পাইছিলো। আন্দোলন নকৰা কাৰণে মোক কাৰ দিম বুলি কৈছে। কাৰ পোৱাৰ পাছত মই কেনেকৈ বেকাৰ হ'ম!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*




# নগাঁও-কাৰ্বি আংলং সীমান্তৰ উন্নয়নৰ পৰশ নপৰা হাঁড়গাঁৱৰ প্ৰকৃতিৰ অনন্য ৰূপে হাতবাউলি মাতিছে

## আমি মুকলি আকাশকে ঘৰ বুলি ভাবি জীয়াই আছো

■ জয়ন্ত কুমাৰ শৰ্মা

**কলিয়াবৰ, ১ ফেব্ৰুৱাৰী ঃ** নগাঁও-কাৰ্বি সীমান্তৰ এখন গাঁৱৰ প্ৰকৃতিৰ অনন্য ৰূপে হাতবাউলি মাতিছে প্ৰকৃতিপ্ৰেমীক। উন্নয়নকামী পথ-পানী-পোহৰৰ চিন-চাব নথকা প্ৰকৃতিয়ে অকৃপণ ভাৱেৰে সজাই তোলা এই ঠাইখণ্ড এতিয়া সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। লোকচক্ষুৰ পৰা আঁৰত থকা এশ বছৰ পুৰণি এখন গাঁও এই পাহাৰীয়া হাঁড়গাঁও। যিখন গাঁৱলৈ যাবৰ বাবে আজিৰ একবিংশ শতিকাতো নাই সুচল বাট-পথ। নাই বিশুদ্ধ খোৱা পানী। চাৰিওফালে পাহাৰেৰে আবৰা গাঁওখনে সততে হাতবাউল দি মাতে সকলোকে। কলিয়াবৰ মহকুমাৰ নগাঁও-কাৰ্বি আংলং সীমান্তত থকা সেউজীয়াৰে পৰিপূৰ্ণ গাঁওখনৰ নৈঃসৰ্গিক দৃশ্যই বছৰৰ বাৰ মাহেই সকলোকে মাতে হাতবাউল দি। কলিয়াবৰ মহকুমাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ হাটবৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ বাট সোমাই গ'লেই নগাঁও-কাৰ্বি আংলং সীমান্তৰ কাৰ্বি পাহাৰৰ গাতে লাগি থকা এখন গাঁও এই সেউজীয়া হাঁড়গাঁও। লোকচক্ষুৰ পৰা বহু নিলগত থকা এই গাঁওখনৰ চৌদিশে মাথোঁ পাহাৰ আৰু পাহাৰ। প্ৰকৃতিৰ সৰ্বস্ব সমলৰে পৰিপূৰ্ণ এই গাঁওখনত কাৰ্বি, চাহ জনগোষ্ঠীকে ধৰি এক সংমিশ্ৰিত জনবসতিয়ে বসবাস কৰে। ইয়াৰ সেউজীয়াৰ মাজত থকা প্ৰায় ৫০টাকৈ পৰিয়ালৰ জীৱন সংগ্ৰামে সকলোকে মোহাচ্ছন্ন কৰি তোলে। সেউজীয়া পাহাৰৰ শুকান খৰি একাঁ বেঁকা-বাটৰে কঢ়িয়াই দূৰৰ বজাৰত বিক্ৰী কৰি তাহানিৰে পৰাই পৰিয়াল পোহপাল দি আহিছে এইসকল লোকে। তেওঁলোকক যেন বৰষুণে তিয়াব নোৱাৰে, শীতেও চুব নোৱাৰে। কাৰণ কৰ্মময় জীৱনৰে একাত্ম এইসকল লোকৰ বাবে নাই বাসগৃহ। পাহাৰৰ জান-জুৰি-নিজৰাৰ পানীৰে তৃষ্ণা নিবাৰণ কৰি আহিছে এইসকল লোকে। পাহাৰৰ খৰি লুৰি বিক্ৰী কৰাৰ উপৰি ব্যক্তিগত চাহ বাগিচাসমূহত দিন হাজিৰা কৰিও পৰিয়াল পোহপাল দি আহিছে এইসকলৰ একাংশ লোকে। সেউজীয়া পাহাৰৰে পৰিপূৰ্ণ তথা পৰ্যটনৰ যথেষ্ট সমল থকা হাঁড়গাঁৱত নাই এটাও সুচল বাট পথ। জান-জুৰি-নিজৰাৰ ওপৰেৰে উলিয়াই ল'ব লাগে বাট। প্ৰায় সংখ্যক শিশুৱে দেখা নাই বিদ্যালয়ৰ মুখ। কিয়নো অঞ্চলটোৰ আশে-পাশে নাই এখনো বিদ্যালয়। বন্যহস্তীৰ লগত আন আন বন্যকুলেৰে একেলগে সহবাস কৰা লোকসকলে বৰ্তমান পৰ্যন্ত লাভ কৰিবলৈ সক্ষম হোৱা নাই চৰকাৰী সাহায্যৰ লগতে চৰকাৰী আঁচনিও। গাঁওখনত শিক্ষিত লোকৰ হাৰ মাত্ৰ এক শতাংশ বুলি ক'লেও ভুল নহ'ব। যিটো সময়ত শিক্ষা সকলোৰে বাবে বুলি চৰকাৰে ঘোষণা কৰিছে, কিন্তু সেই সময়ত হাঁড়গাঁৱৰ ছবিখন অতিকৈ পুতৌলগা। হাৰগাঁৱত উপস্থিত হওঁতেই ইয়াৰে স্থানীয় ঘনসিং লাক্ৰাই কয়, 'আমি মুকলি আকাশকে ঘৰ বুলি ভাবি জীয়াই আছো বহু সময়। পাহাৰৰ জুৰিৰ পানীয়েই আমাৰ জীৱন। পাহাৰৰ খৰি লুৰি, দূৰৰ গাঁৱত হাজিৰা কাম কৰি আমি পৰিয়ালৰে স'তে সুন্দৰকৈ জীয়াই আছো। বন দৰৱৰেই আমাৰ বেমাৰ ভাল কৰিব লাগে। কিন্তু বহু সময়ত বেমাৰ ভাল নহ'লে ৰাস্তাৰ অভাৱতে ৰোগীৰ মৃত্যু হয় ইয়াত। তথাপি আমি আমাৰ গাঁওখন ভাল পাওঁ।' হাৰগাঁৱৰ সম্পৰ্কত গাঁওখনৰ সীমামুৰীয়া আশীষ মহাভৈয়ে কয়- 'স্বাধীনতাৰ বহু পূৰ্বৰেপৰাই এই হাৰগাঁৱত জনবসতি আছে যদিও ঠাইখন অতি পিছপৰা। পথৰ সুবিধা নথকাৰ বাবেই সময়ে সময়ে ইয়াত বহু লোকৰো উন্নত চিকিৎসাৰ অভাৱত মৃত্যু পৰ্যন্ত ঘটি আহিছে। তথাপি কিন্তু দাঁতিকাষৰীয়া কাৰ্বিপাহাৰৰ সৌন্দৰ্যৰে এই অঞ্চলটো অতি মনোমোহা। যিকোনো মানুহৰে দৃষ্টি আকৰ্ষণ কৰিব ঠাইখনে। পথ, পানী, শিক্ষাৰ কথা সততে কৈ থকা চৰকাৰখনে যদি অঞ্চলটোৰ উন্নয়নৰ বাবে অকণমান চিন্তা কৰে তেন্তে পৰ্যটনৰ ক্ষেত্ৰত জিলিকি উঠাৰ যথেষ্ট সমল আছে হাঁড়গাঁও। দূৰ্গম অঞ্চলৰ হোৱাৰ বাবেই লোকচক্ষুৰ আঁৰ হৈ ৰোৱা এইসকল গাঁওবাসীৰ লগতে ভৱিষ্যতৰ প্ৰজন্মৰ আহিবলগীয়া দিনবোৰো সুখকৰ হোৱাৰ কামনা কৰিছে সকলোৱে।





## মাত্ৰ ন বছৰ বয়সতে কে'বা কোটিৰ মালিক নাইজেৰিয়াৰ শিশু

### অত্যন্ত বিলাসী জীৱন কটাই বিশ্বৰ কনিষ্ঠতম ধনকুবেৰে

নিউজ ব্যুৰ'

**আবুজা (নাইজেৰিয়া), ১ ফেব্ৰুৱাৰী ঃ** মহম্মদ আৱাল মুস্তাফা ওৰফে মোমফা জুনিয়ৰ এটি ন বছৰীয়া শিশু। অথচ নাইজেৰিয়াৰ এই শিশুটিয়েই বিপুল সম্পত্তিৰ গৰাকী। সম্প্ৰতি মোমফাকেই বিশ্বৰ কনিষ্ঠতম ধনকুবেৰ আখ্যা দিয়া হৈছে। কাৰণ এই বয়সতে শিশুটিৰ সম্পত্তিৰ তালিকাই বহুতৰে চকু থৰ কৰিব। ভাৰতীয় মুদ্ৰাত কে'বা কোটি টকাৰ গৰাকী এই শিশুটিৰ জীৱন-যাপনো অত্যন্ত বিলাসবহুল। মাত্ৰ ছবছৰ বয়সতে নিজস্ব অট্টালিকাৰ স্বত্বাধিকাৰ হৈছিল মোমফা জুনিয়ৰ। পিতৃ ইছলামিয়া মুস্তাফাই শিশুটিক সেই অট্টালিকা উপহাৰস্বৰূপে দিছিল। ইয়াতেই শেষ নহয়, বিশ্বৰ নামকৰা কোম্পানীৰ সবাতোকৈ দামী গাড়ীসমূহ ন বছৰীয়া শিশুটিৰ গেৰেজত আছে। সেয়া লাগিলে ৰঙাৰ ৰঙৰ ধুনীয়া লেম্বৰঘিনিয়েই হওক বা শুধ বগা বেণ্টলি।

এখন নিজা জেট বিমানো আছে মোমফা জুনিয়ৰৰ। সেই বিমানেৰেই শিশুটিয়ে বিভিন্ন ঠাইলৈ যাত্ৰা কৰে। অৰ্ডাৰ দিলেই আহি যায় নানা তৰহৰ পছন্দৰ খাদ্য। সন্মুখত ৰখা থাকে অত্যাধুনিক ম'বাইল, লেপটপ। নিজৰ পছন্দৰ ভিডিঅ' চাই চাই খাদ্য গ্ৰহণ কৰে মোমফা জুনিয়ৰে। আনকি নামী ডিজাইনাৰৰ পোছাক অবিহনে আন কাপোৰ নিপিন্ধে শিশুটিয়ে। উল্লেখ্য যে মোমফাৰ পিতৃ মুস্তাফা নাইজেৰিয়াত অত্যন্ত জনপ্ৰিয়। তেওঁ সামাজিক মাধ্যমতো অতি সক্ৰিয়। পুত্ৰৰ বাবে পৃথক ইনষ্টাগ্ৰাম পেজ খুলি দিছে। তাতেই মোমফা জুনিয়ৰৰ বিলাসবহুল জীৱনৰ নানা মুহূৰ্ত আপলোড কৰা হয়। কিছুমান ফটোও আপলোড কৰা হৈছে। প্ৰায় ৩০ হেজাৰ অনুসৰণকাৰী আছে শিশুটিৰ। উল্লেখ্য যে মোমফাৰ পৰিয়ালক কেন্দ্ৰ কৰি বিভিন্ন চৰ্চা চলি আহিছে। মোমফাৰ পিতৃয়ে বেআইনীভাৱে কোটি কোটি টকা মূল্যৰ সম্পত্তিৰ অধিকাৰী হোৱা বুলিও কিছুদিনৰ পূৰ্বে অভিযোগ উঠিছিল। সেই ক'লা টকা বগা কৰাৰ বাবেই পুত্ৰৰ নামত এই বিপুল সম্পত্তি ৰখা বুলিও চৰ্চা হৈছিল। অৱশ্যে এই পৰ্যন্ত মুস্তাফাৰ বিৰুদ্ধে উত্থাপিত কোনো অভিযোগেই প্ৰমাণিত হোৱা নাই।

## তুলসীবিল সমূহীয়া স্বাস্থ্যকেন্দ্ৰত এন পি এছ কৰ্মচাৰীৰ এঘন্টীয়া কৰ্মবিৰতি

অগ্ৰদূত বাৰ্তা

**দোতমা, ১ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ অসমৰ লগতে আজি কোকৰাঝাৰ জিলাৰ তুলসীবিল সমূহীয়া স্বাস্থ্যকেন্দ্ৰত এন পি এছ কৰ্মচাৰীসকলে নতুন পেঞ্চন নীত বাতিল কৰি পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত এঘন্টীয়া কৰ্মবিৰতিৰ লগতে ক'লা বেজ পৰিধান কৰি ক'লা দিৱস পালন কৰে। কৰ্মচাৰীসকলে বিভিন্ন ধৰণৰ শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। কৰ্মচাৰীসকলে জানিবলৈ দিয়া মতে, ২০০৫ৰ আজিৰ দিনটোতে নতুন পেঞ্চন নীতি প্ৰৱৰ্তন কৰে চৰকাৰে। তাৰ ফলত আজিৰ দিনটো ক'লা দিৱসৰূপে পালন কৰি আহিছে এন পি এছ কৰ্মচাৰীসকলে। চৰকাৰৰ নতুন পেঞ্চন নীতিক লৈ সন্তুষ্ট নহয় বুলি কৰ্মচাৰীসকলে জানিবলৈ দিয়ে। ইপিনে, কৰ্মচাৰীসকলে আৰু জানিবলৈ দিয়ে যে চৰকাৰে যদি অতি সোনকালে নতুন পেঞ্চন নীতি-বাতিল কৰি পুৰণা পেঞ্চন নীতি প্ৰৱৰ্তন নকৰে তেতিয়া হ'লে আগন্তুক দিনত ভয়াৱহ আন্দোলন গঢ়ি তুলিব এন পি এছ কৰ্মচাৰীসকলে।







অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com